গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৪১ ■ গুৱাহাটী ■ বুধবাৰ, ২০ জুলাই, ২০২২, ৩ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 341 Dainandin Barta ■ Guwahati, Wednesday ■ 20 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





বটদ্ৰৱা থানা জ্বলোৱা ঘটনা

## এপষেকত অভিযোগনামা দাখিল কৰিব তদন্তকাৰী আৰক্ষীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুলাই ঃ** যোৱা ২১ মে'ত একাংশ দুষ্কৃতিকাৰীয়ে থানাত অগ্নিসংযোগ কৰা ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ১৫ দিনৰ ভিতৰত প্ৰাৰম্ভিক অভিযোগনামা দাখিল কৰিব। নগাঁৱত আজি এই কথা প্ৰকাশ কৰে উপ-আৰক্ষী মহাপৰিদৰ্শক ■ ৮ পৃষ্ঠাত

## আৰম্ভ হ'ল 'স্বনিৰ্ভৰ নাৰী' আঁচনি

### তাঁতশালত অসমীয়া শিপিনীৰ কৰ্মদক্ষতা অতুলনীয় ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জুলাই ঃ** 'তাঁতশালত অসমীয়া শিপিনীৰ কৰ্ম দক্ষতা অতুলনীয়। অসমৰ প্ৰায় সকলো জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ মহিলাই নিজৰ তথা ঘৰখনৰ ব্যৱহাৰ কৰিবলগীয়া বহু বস্ত্ৰ তাঁতশালত বৈ লয়। অসমৰ গ্ৰাম্য জীৱনত তাঁতশালখনে সুকীয়া গুৰুত্ব বহন কৰি আহিছে। নিজৰ সৃষ্টিশীল দক্ষতাৰে স্বকীয়তাৰ গোন্ধ থকা সাজ-পাৰ তৈয়াৰ কৰি অসমীয়া শিপিনীয়ে জাতীয় স্বাভিমান সদায়ে উজ্জীৱিত ■ ৮ পৃষ্ঠাত



চৰকাৰৰ পদূলিত ক্ষুব্ধ শিক্ষক- মঙলবাৰে বিভিন্ন অমীমাংসিত দাবীৰ নিষ্পত্তি বিচাৰি গুৱাহাটীত শিক্ষাগুৰুৰ প্ৰতিবাদী কাৰ্যসূচী

## ১০ দিনত ভাগ্য নিৰূপণ হ'ব বিধায়ক শ্বেৰমানৰ

### পদ খাৰিজৰ সম্পৰ্কত দিনজোৰা মাৰাথন শুনানি



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ জুলাই ঃ** কংগ্ৰেছৰ নিৰম্বিত বিধায়ক শ্বেৰমান আলীৰ বিধায়কপদ থাকিবনে নাথাকে সেয়া নিশ্চিত কৰিবলৈ মাজত মাথো দহ দিনৰ সময়সীমা আছে। দহ দিনৰ পিছত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ এটা মাত্ৰ কলমৰ খোচতে শ্বেৰমানৰ বিধায়ক পদ বিলুপ্ত হ'ব পাৰে। উল্লেখ্য যে বিগত বৰ্ষৰ দুই অক্টোবৰত ৰঙাঘৰলৈ যোৱা শ্বেৰমান আলীয়ে প্ৰায় আঢ়ৈ মাহৰ পিছত কাৰামুক্ত হৈ কংগ্ৰেছৰ বিৰুদ্ধে ফেপেৰিপাতি ধৰিছিল। চলিত বৰ্ষৰ মাৰ্চত অনুষ্ঠিত হোৱা ৰাজ্যসভাৰ নিৰ্বাচনতো শ্বেৰমান আলীয়ে কংগ্ৰেছৰ প্ৰাৰ্থীক ভোট নিদিয়া বুলি অভিযোগ উঠিছে। ইয়াৰ উপৰিও কংগ্ৰেছৰ ■ ৮ পৃষ্ঠাত

কেন্দ্ৰীয় নীট পৰীক্ষাত অঘটন

## ছাত্ৰীৰ অন্তৰ্বাস খুলিবলৈ বাধ্য কৰিলে কেৰালাত

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ জুলাই ঃ** যোৱা দেওবাৰে দেশজুৰি অনুষ্ঠিত হৈছিল নীট পৰীক্ষা। চলিত বৰ্ষত চিকিৎসা শিক্ষা লাভ কৰিব খোজাসকলৰ কাৰণে প্ৰৱেশ পৰীক্ষা আছিল এইটো। কিন্তু কেৰালা প্ৰদেশত সংঘটিত হোৱা এক ঘটনাই ■ ৮ পৃষ্ঠাত

দেশ এৰিছে স্বদেশীয়ে

## তিনি বছৰত চাৰি লাখৰ ত্যাগ নাগৰিকত্ব

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ জুলাই ঃ** স্বদেশীয়ে এৰিছে দেশ। প্ৰতি বছৰে লক্ষধিকে প্ৰত্যাহাৰ কৰিছে ভাৰতীয় নাগৰিকত্ব। কি কাৰণত এনেদৰে নিজৰ জন্মভূমি ত্যাগ কৰি বিদেশলৈ ৰাওনা হৈছে সেই ■ ৮ পৃষ্ঠাত

'কা' আন্দোলনৰ গোচৰ

## শিৱসাগৰ আদালতত হাজিৰ বিধায়ক অখিল

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ জুলাই ঃ** 'কা'বিৰোধী আন্দোলনত শিৱসাগৰ নগৰত ২০১৯ চনৰ ১১ ডিচেম্বৰ তাৰিখে অখিল গগৈৰ নেতৃত্বত বাহিৰ কৰা এক বৃহৎ ৰেলীৰ বিৰুদ্ধে শিৱসাগৰ আৰক্ষীয়ে ৰুজু কৰা এটা গোচৰৰ শুনানিত ■ ৮ পৃষ্ঠাত

# লালপুলত ২৫ মেগাৱাট ক্ষমতাসম্পন্ন ওদালগুৰি সৌৰশক্তি প্ৰকল্পৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ

### ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী ঃ ১০ অক্টোবৰৰ পৰা অৰুণোদয় আঁচনিৰ ধন বৃদ্ধি হ'ব ১২৫০ টকালৈ ঃ বিটিআৰত খিলঞ্জীয়াৰ বাবে শীঘ্ৰে 'বিটিআৰ বসুন্ধৰা'

### প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰীৰ লগতে লেটাৰ নম্বৰসহ উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ ছাত্ৰসকলকো আগবঢ়োৱা হ'ব স্কুটী ঃ মুখ্যমন্ত্ৰী




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলাৰ লালপুলত ২৫ মেগাৱাট ক্ষমতা সম্পন্ন ওদালগুৰি সৌৰশক্তি প্ৰকল্পৰ শুভ উদ্বোধন কৰে। বিঅ'অ' আৰ্হিৰ অধীনত আৰু অসম সৌৰ শক্তি নীতি ২০১৭ৰ অংশ হিচাপে নিৰ্মাণ কৰা ৰাজ্যৰ প্ৰথমটো সৌৰ প্ৰকল্পৰ দ্বাৰা ওদালগুৰি জিলাৰ ৬৫ হাজাৰ গ্ৰাহকক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই উপলক্ষে অনুষ্ঠিত এক সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে ৰাজ্যৰ শক্তিখণ্ডৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে অহা ৫ বছৰত পৰম্পৰাগত উৎসৰ পৰিৱৰ্তে নবীকৰণ যোগ্য শক্তিৰে পৰিচ্ছন্ন আৰু সেউজ খণ্ডলৈ গতি কৰাৰ বাবে অসম চৰকাৰে ■ ৮ পৃষ্ঠাত

## লেপেটকটা চাহ বাগিচাত অঘটন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৯ জুলাই ঃ** বাগিচা কৰ্তৃপক্ষৰ গাফিলতি তথা নীতিবিৰুদ্ধ কাৰ্যৰ বাবে ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচাত এগৰাকী মহিলা শ্ৰমিক গুৰুতৰভাৱে আহত ■ ৮ পৃষ্ঠাত

## কেৰালাত নগাঁৱৰ যুৱকৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুলাই ঃ** সুদূৰ কেৰালাত নগাঁৱৰ এজন যুৱকে আত্মহত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটোৰ বিষয়ে আজি জানিব পৰা গৈছে। যুৱকজনৰ নাম ধনমণি বৰা (২৮)। কেৰালা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰৰ ব্যৱস্থা কৰে। ধনমণিৰ ■ ৮ পৃষ্ঠাত

বাক্সাত দুৰ্নীতি নিবাৰক শাখাৰ অভিযান

## ধন লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৯ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে যিমানেই কঠোৰ নহওক কিয় একাংশ চৰকাৰী কৰ্মচাৰীয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাই এতিয়াও দুৰ্নীতিত যে লিপ্ত হৈ আছে। ■ ৮ পৃষ্ঠাত

## বানোৱাৰীপুৰত ৪ ব্যক্তিৰ আক্ৰমণত প্ৰাণ গ'ল এজনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, Ã১৯ জুলাই ঃ** দেৰগাঁও থানাৰ অন্তৰ্গত বাদুলীপাৰৰ সমীপৰ বানোৱাৰীপুৰ চাহ বাগিচাৰ মতিলাল মাঝিৰ পুত্ৰ জিতেনে কাষৰ এঘৰ লোকৰ ঘৰৰ ভিতৰলৈ খিৰিকীৰে জুমি চোৱাৰ বাবে মৃত্যুক সাবটি ল'ব লগা হোৱা ঘটনাই অঞ্চলটোত ■ ৮ পৃষ্ঠাত

## বন কৰা যুৱতীৰ মৃত্যুক লৈ উত্তপ্ত পৰিৱেশ



গুৱাহাটীত কৃষি মন্ত্ৰী অতুল বৰাৰ সংবাদ মেল সম্বোধন, মঙলবাৰে

### তেজপুৰৰ শালনিবাৰী আৰক্ষী চকী ঘেৰাও কৰিলে স্থানীয় ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ জুলাই ঃ** তেজপুৰৰ শালনিবাৰী আৰক্ষী চকী ঘেৰাও কৰিলে স্থানীয় ৰাইজে। বন কৰা যুৱতীৰ মৃত্যুক লৈ উত্তপ্ত পৰিৱেশ। চৰকাৰী গাঁওবুঢ়াৰ ঘৰত বন কৰা কিশোৰীৰ ৰহস্যজনক মৃত্যুত উত্তপ্ত তেজপুৰ। চৰকাৰী গাঁওবুঢ়াৰ কামনাৰ বলি হ'ল নেকি দুখীয়া-দৰিদ্ৰ আদীবাসী নাবালিকা চনু ছনাৰী। চনুৰ ৰহস্যজনক মৃত্যুত জাঙুৰ খাই উঠিছে আদিবাসী ছাত্ৰ সন্থাৰ নেতৃবৰ্গ। উল্লেখ যে, তেজপুৰ ঘগৰা চাহ বাগিচাৰ হলেশ্বৰ লাইনৰ ৰাজেন ছানাৰীৰ কন্যা চনু ছানাৰীক ছবছৰ বয়সতে ■ ৮ পৃষ্ঠাত

## নগৰবেৰাত স্বামীয়ে হানি-খুঁচি হত্যা কৰিলে পত্নীক, আটক হত্যাকাৰী স্বামী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৯ জুলাই ঃ** টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত ভখুৱাদিয়া গাঁৱত আজি এক চাঞ্চল্যকৰ হত্যাকাণ্ডই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য বিয়পিছে। জানিব পৰা মতে, পাৰিবাৰিক কন্দলৰ ফলতেই এনে ভয়ংকৰ হত্যাকাণ্ড সংঘটিত হৈছে বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। ভখুৱাদিয়া গাঁৱৰ বাহেজ আলীয়ে পত্নী মফিদা খাতুনক (২৪) আজি দিন-দুপৰতে ঘৰৰ ■ ৮ পৃষ্ঠাত

ৰহাত এটিএম প্ৰৱঞ্চকৰ ধন লুটৰ ধাৰাবাহিক ঘটনা

## পুনৰ অৱসৰপ্ৰাপ্ত শিক্ষকৰ পৰা লুটিলে ৫১ হাজাৰ টকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৯ জুলাই ঃ** ৰহাত এটিএম প্ৰৱঞ্চকৰ জালত পৰি সঘনাই গ্ৰাহকে নিজৰ সাঁচতীয়া ধন হেৰুৱাই সৰ্বস্বান্ত হ'বলগীয়া হোৱা বিষয়টোৱে চিন্তিত কৰি তুলিছে। ৰহাত ইতিপূৰ্বে বহুকেইজন লোকে এটিএমত ধন উলিয়াবলৈ গৈ প্ৰৱঞ্চকৰ ■ ৮ পৃষ্ঠাত

## বঙাইগাঁৱত ঔষধ কোম্পানীৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে চি আৰ ইউৰ তীব্ৰ প্ৰতিবাদ

### শ্ৰম বিষয়াক স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৯ জুলাই ঃ** চলিত বছৰটোত সমগ্ৰ ভাৰতবৰ্ষত কেইবা শতাধিক মেডিকেল ৰিপ্ৰেজেনটেটিভছে নিজৰ চাকৰি হেৰুৱাবলগীয়া হোৱাৰ লগতে বহুতো ক্ষেত্ৰ কৰ্মীক শাস্তিমূলক বদলি কৰাৰ উপৰি বিভিন্ন ধৰণৰ শোষণ, নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ ■ ৮ পৃষ্ঠাত




## চামগুৰিত ড্ৰাগ্‌ছ পেডলাৰক গতালে আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১৯ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ খাটোৱাল থানাৰ অন্তৰ্গত ব্ৰহ্মচাৰী সত্ৰত আজি বিয়লি স্থানীয় একাংশ ■ ৮ পৃষ্ঠাত

## লক্ষীপুৰত জলজীৱন আঁচনিৰ টেংকীত পৰি ২ বনুৱাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ১৯ জুলাই ঃ** লক্ষীপুৰৰ ৰংছাইত সংঘটিত হৈছে হৃদয় বিদাৰক ঘটনা। জল জীৱনৰ পানীৰ টেংকীত পৰি মৃত্যুমুখত পৰে দুগৰাকী বনুৱাৰ। কথমপি প্ৰাণ ৰক্ষা আন এগৰাকী বনুৱাৰ। মৃত্যু হোৱা লোক দুজন ক্ৰমে ছেংবান চাংমা আৰু হামিদুল শ্বেখ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে জল জীৱন মিছন আঁচনিৰ জৰিয়তে লক্ষীপুৰৰ ৰংছাইৰ টিলাপাৰাত অব্যাহত আছিল প্ৰযোজ্য হোৱা পানীৰ টেংকীৰ ■ ৮ পৃষ্ঠাত

## মোৰাঝাৰত অগ্নিকাণ্ডত জাহ ৫ লক্ষাধিক টকাৰ সামগ্ৰী

**দৈনন্দন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৯ জুলাই ঃ** হোজাই জিলাৰ মোৰাঝাৰত অগ্নিকাণ্ডত জাহ যায় পাঁচ লক্ষাধিক টকাৰ সামগ্ৰী। জানিব পৰা মতে কালি নিশা মোৰাঝাৰৰ কৰৈয়নি বজাৰত পুৱতি নিশা অগ্নিকাণ্ডত আব্দুল হালিমৰ দুখনকৈ দোকান জুইত জাহ যায়। এই জুইত পাঁচ লক্ষাধিক টকাৰ ■ ৮ পৃষ্ঠাত

নগাঁৱত তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ৰিপুণ বৰা

## বিজেপি চৰকাৰে দেশত 'কৰ' সন্ত্ৰাস চলাইছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুলাই ঃ** 'অসমত কোনো বিৰোধী দল নাই। আগন্তুক দিনত অসমত তৃণমূল কংগ্ৰেছ শক্তিশালী বিৰোধী দল হ'ব।' এই মন্তব্য তৃণমূল কংগ্ৰেছৰ অসম প্ৰদেশ কমিটীৰ সভাপতি ৰিপুণ বৰাৰ। আজি নগাঁৱত এক দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহি সাংবাদিকৰ আগত বৰাই কয় যে- 'কংগ্ৰেছ আৰু এ আই ইউ ডি এফ ■ ৮ পৃষ্ঠাত



প্ৰতিৰক্ষামূলক ভেকচিন প্ৰদানৰ দৃশ্য, গুৱাহাটীত মঙলবাৰে

## বেংগালুৰুলৈ যোৱাৰ পথত নিৰুদ্দিষ্ট ৰহাৰ অৰবিন্দ পাটৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৯ জুলাই ঃ** ৰহা থানাৰ অন্তৰ্গত টুপাকুছিৰ অৰবিন্দ পাটৰ (৪২) নামৰ লোকজন ৮ জুলাইত কাম কৰিবৰ বাবে ■ ৮ পৃষ্ঠাত

বিধানসভাৰ অধ্যক্ষৰ সমষ্টিৰ দুৰৱস্থা

## বানত বিধ্বস্ত হাঁহিনী গাঁও-পানীপোটা সংযোগী পথৰ হোৱা নাই মেৰামতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৯ জুলাই ঃ** ওদালগুৰি জিলাৰ ৰতনপুৰ ভিচিডিচিৰ অন্তৰ্গত হাঁহিনীগাঁও বতাবাৰীত এইবাৰৰ প্ৰথমটো বানপানীতে কুলশী নদীৰ খৰস্ৰোতা বাঢ়নী পানীয়ে ব' কালভাৰ্টৰ পশ্চিম দিশে পকী পথটোৰ এটা অংশ খহাই নিয়াৰ ফলত উক্ত ব' কালভাৰ্টটো সম্পূৰ্ণ পথৰ পৰা মাটিত পোত খাই যোৱাত টংলা হাঁহিনী গাঁও-পানীপোটা সংযোগী পকী পথটোত ৰাইজৰ যাতায়াত স্তব্ধ হৈ পৰে। ফলত টংলা, হাঁহিনী গাঁও, বতাবাৰী, পানীপোতা, খাটোৱালপাৰা, আলিকাষ, ৰতনপুৰ আদি কেইবাখনো ৰাজহ গাঁৱৰ সহস্ৰাধিক লোকে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। বিশেষকৈ স্কুলীয়া ■ ৮ পৃষ্ঠাত



নগাঁও-কাৰ্বি আংলং সীমান্তৱৰ্তী হাতীখলি ৰংহাং গাঁৱত হাতী-বন্ধুৰ পদক্ষেপ

## বন্যহস্তীৰ বাবেই ২৪০ বিঘা মাটিত চতুৰ্থবাৰৰ বাবে ধানখেতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৯ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নগাঁও-কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী অঞ্চলতো প্ৰতি বছৰে বন্যহস্তীয়ে উপদ্ৰৱ চলাই বিস্তৰ ক্ষতিসাধন কৰি আহিছে। যাৰ ফলত সততে হাতী-মানুহৰ সংঘাত সৃষ্টি হৈ আহিছে যদিও এইক্ষেত্ৰত চৰকাৰীভাৱে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰাৰ বাবে পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজে বিনিদ্ৰ ৰজনী যাপন কৰিবলগীয়া হৈছে। যিহেতু খাদ্যৰ সন্ধানতে বনৰীয়া হাতীয়ে এনেদৰে জনাঞ্চলত উপদ্ৰৱ চলাই আহিছে সেয়ে কৌশলেৰে হাতীৰ আগমন ৰোধৰ বাবে ২০১৮ চনত পৰীক্ষামূলকভাৱে এক অভিনৱ পদক্ষেপ



গ্ৰহণ কৰা হৈছিল চাপানালাৰ হাতীখলি ৰংহাং গাঁৱত। গাঁওখনৰ ৰাইজৰ সহযোগত 'হাতীবন্ধু' নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত সেইবাৰ প্ৰথমবাৰৰ বাবে ধান খেতি কৰাৰ পিছত বহুখিনি সফলতা লাভ কৰাত এইবাৰ চাৰিশ বিঘা মাটিত চতুৰ্থবাৰৰ বাবে আৰম্ভ কৰিছে ধানখেতি। পূৰ্বে বনৰীয়া হাতীৰ উপদ্ৰৱৰ বাবে বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চাপানালাকে ধৰি বৃহত্তৰ অঞ্চলটোৰ কৃষক ৰাইজে ধান খেতি কৰিও ৰক্ষা কৰিব নোৱাৰি দুশ্চিন্তাত পৰিছিল। কিন্তু ২০১৮ চনৰ পৰা 'হাতীবন্ধু'ৰ উদ্যোগত বনৰীয়া হাতীৰ বাবে শালিধানৰ খেতি কৰিবলৈ লোৱাত দাঁতিকাষৰীয়া কৃষক ৰাইজে ধান ■ ৮ পৃষ্ঠাত

## ইটানগৰ হোলোংগীত নিৰ্মীয়মাণ গ্ৰীনফিল্ড বিমানবন্দৰত প্ৰথমখন বিমান সফলতাৰে অৱতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জুলাই ঃ** অৰুণাচল প্ৰদেশৰ হোলোংগীৰ নিৰ্মীয়মাণ ইটানগৰ হোলোংগীৰ গ্ৰীণফিল্ড বিমানবন্দ আজি পৰীক্ষামূলকভাৱে ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ (এএআই) দ্বাৰা প্ৰথমখন বিমান পৰীক্ষা অৱতৰণ কৰে। উল্লেখ্য যে ২০২২ চনৰ ১৫ আগষ্টত বিমানবন্দৰটো কাৰ্যকৰী কৰাৰ বাবে তীব্ৰগতিত নিৰ্মাণ কাৰ্য চলি আছে যদিও অলপতে অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানৰ লগতে হোলোংগীৰ বিভিন্ন স্থানত ভূমিস্খলন হোৱাত কিছু কাম কৰাৰ অসুবিধাৰ সন্মুখীন হৈছে বিমানবন্দৰ কৰ্তৃপক্ষ। যদিও অহা আগষ্টৰ ১৫ তাৰিখে নিৰ্মাণ সম্পূৰ্ণ হ'লেই বিমানবন্দৰটো মুকলি কৰিব বুলি আশা প্ৰকাশ কৰিছে যদিও সেয়া কিমান দূৰ সফল হ'ব সেইটো ■ ৮ পৃষ্ঠাত

বিহগী মিডিয়া গ্ৰুপ, অসমৰ ৰামধেনু বঁটা ঘোষণা

# প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত ড° ভূমিধৰ বৰ্মনলৈ মৰণোত্তোৰভাৱে ৰামধেনু বঁটা

## বিৰিণা গোষ্ঠী অসমৰ সভাপতি লীলাধৰ পাঠকলৈ ৰামধেনু সাধনা বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৯ জুলাই** ঃ অসমৰ অন্যতম সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা বিহগী মিডিয়া গ্ৰুপ, অসমৰ ২০২২ বৰ্ষৰ ৰামধেনু বঁটা প্ৰদানৰ মহা আয়োজন চলিছে। বিহগী মিডিয়া গ্ৰুপ, অসমৰ সঞ্চালক তথা বিশিষ্ট সাংবাদিক কনক কলিতাই কালি সংবাদ মেলৰ জৰিয়তে এই কথা জানিবলৈ দিয়ে। সঞ্চালক কনক কলিতাই মুকালমুৱাৰ দৰংগিপাৰাৰ তেওঁৰ বাসগৃহত অনুষ্ঠিত কৰা সংবাদ মেলত কয় যে ৰাজনৈতিক, অনুগত, পেছাদাৰী, ঈৰ্ষা, স্বজনপ্ৰীতি, তোষামোদ আদি অনেক কাৰণত এচাম যোগ্য আৰু প্ৰতিভাৱান ব্যক্তিয়ে যুগ যুগ ধৰি প্ৰাপ্য সন্মান আৰু স্বীকৃতিৰ পৰা বঞ্চিত হৈ অহাৰ ফলততে ২০০৭ চনত যোগ্য ব্যক্তিক যোগ্য সন্মান প্ৰাপ্তিৰ মূল মন্ত্ৰৰে বিহগী মিডিয়া গ্ৰুপ, অসমৰ জন্ম হয়। শতাধিক সাংবাদিক, চিন্তাবিদ, সাহিত্যিক, শিক্ষাবিদ, বুদ্ধিজীৱী, শিল্পী, কলা-কুশলীৰ সুচিন্তিত পৰিকল্পনাত পোন্ধৰ বছৰ পূৰ্বে জন্মলাভ কৰা সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা বিহগী মিডিয়া গ্ৰুপ, অসমে প্ৰদান কৰি অহা ৰামধেনু বঁটা এইবেলি ১৬ তম্ বৰ্ষ-২০২২ৰ নিৰ্বাচিত বঁটাপ্ৰাপকৰ নামবোৰ আজি এক সংবাদ মেলযোগে ঘোষণা কৰা হয়। সচেতন ৰাইজ, অভিজ্ঞ নাট্যকাৰ, নাট সমালোচক, বিশিষ্ট সাংবাদিক, বিশিষ্ট চিন্তাবিদ আদিৰে গঠিত নিৰ্বাচক মণ্ডলীৰ নিৰ্বাচনমৰ্মে এইবেলি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিচক্ষণ ৰাজনীতিবিদ প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনলৈ প্ৰথমবাৰৰ বাবে ৰামধেনু বঁটা মৰণোত্তৰভাৱে প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি বিশিষ্ট লেখক ড° দীনেশ বৈশ্যলৈ জীৱনজোৰা সাধনা বঁটা, ৰাজ্যখনৰ অগ্ৰণী সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বিৰিণা, গোষ্ঠী অসমৰ সভাপতি লীলাধৰ পাঠকলৈ ৰামধেনু সাধনা বঁটা, কণ্ঠশিল্পী কুমাৰ ভৰেশলৈ সংগীত ৰত্ন বঁটা, নিৰ্মালী দাসলৈ কণ্ঠসূৰ্য বঁটা, সুদক্ষ আৰক্ষী বিষয়া দীনেশ মেধিলৈ সমাজৰত্ন বঁটা, বলিষ্ঠ অভিনেতা দ্বীৰন আৰ্যলৈ শ্ৰেষ্ঠ অভিনেতা, ভ্ৰাম্যমাণ জগতৰ ৰঞ্জিত দত্তলৈ অচ্যুৎ লহকৰ বঁটা, যাত্ৰাদলৰ বলিষ্ঠ অভিনেতা নৰ শৰ্মাক শ্ৰেষ্ঠ অভিনেতা (যাত্ৰা দল), ললিতা বণিক্যক বিহগী কবি ৰঘুনাথ চৌধাৰী বঁটা, নগেন তালুকদাৰক শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতা বঁটা, ৰুবুল আলীক সমাজৰত্ন বঁটা, সত্ৰনগৰী বৰপেটাৰ লীলাধৰ দাসক শিক্ষাৰত্ন বঁটা, লক্ষী পাটোৱাৰীক সমাজৰত্ন বঁটা, শুকদেৱ মালাকৰক শিক্ষাৰত্ন বঁটা, বিকি আহমেদক কৰ্মসাধনা বঁটা, ধীৰেন কুমাৰ বৰ্মনক শিল্পীপ্ৰাণ বঁটা, শিখাঞ্জলি ডেকাক সাহিত্য সাধনা বঁটা আৰু বিভিন্ন দিশৰ কে'বাজনো যোগ্য ব্যক্তিক যোগ্য সন্মান প্ৰদানৰ ব্যাপক আয়োজন চলাইছে বুলি সংবাদ মেলযোগে সদৰী কৰে সঞ্চালক কনক কলিতাই। অহা ৩১ জুলাইত নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী আদাবাৰী ছোৱালী হাইস্কুলত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। য'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুদ্ধজীৱী,বিশিষ্ট সাংবাদিক তথা সাহিত্যিক অদীপ ফুকন, দৈনিক অসম কাকতৰ কাৰ্যবাহী সাংবাদিক দিলীপ মহন্ত, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, নৰ্থ-ইষ্ট কেঞ্চাৰ হাস্পতালৰ সঞ্চালক গণেশ তামুলীসহ ভালেকেইজন গণ্যমান্য ব্যক্তি। বঁটা প্ৰদান অনুষ্ঠানটোত কবি, সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ তথা সমাজ সচেতন ব্যক্তিসকলৰ উপস্থিতি প্ৰেছ বিবৃতিযোগে কামনা কৰিছে আদৰণী সমিতিৰ সভানেত্ৰী পাৰুল ঠাকুৰীয়া, উপ-সভাপতি মজিদ আলী, হৰমোহন কলিতা আৰু সম্পাদক মোহন কলিতাই।




# বঙাইগাঁৱত অসম গণিত শিক্ষায়তনৰ ৩৭সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৯ জুলাই** ঃ অসম গণিত শিক্ষায়তনৰ বঙাইগাঁও শাখাই সোমবাৰে বীৰঝৰা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম গণিত শিক্ষায়তনৰ ৩৭সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। এই উপলক্ষে বীৰঝৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম গণিত শিক্ষায়তনৰ বঙাইগাঁও শাখাৰ সভাপতি মানৱেন্দ্ৰ দাসে গণিত শিক্ষায়তনৰ পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে শাখা সম্পাদক অৰূপজ্যোতি মজুমদাৰে আঁত ধৰা সভাত বঙাইগাঁও অঞ্চলত গণিত শিক্ষাৰ প্ৰসাৰত উল্লেখনীয় অৱদান আগবঢ়োৱা বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গণিত বিষয়ৰ বিষয় শিক্ষক আৰু শিক্ষায়তনৰ বঙাইগাঁও শাখাৰ প্ৰতিষ্ঠাপক সভাপতি জিতেন্দ্ৰ চন্দ্ৰ মিশ্ৰ ভাগৱতীক শাখাৰ তৰফৰ পৰা প্ৰশস্তি-পত্ৰ আৰু শিক্ষায়তনে প্ৰকাশ কৰা কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ভাগৱতীয়ে ভাষণ প্ৰসংগত গণিতৰ শিক্ষক হিচাপে নিজৰ কৰ্মজীৱনৰ চমু বিৱৰণ দাঙি ধৰে। একেখন সভাতেই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে আয়োজিত অসম গণিত অলিম্পিয়াদ ২০২২ সম্পৰ্কীয় প্ৰশিক্ষণ কৰ্মশালাত অসম গণিত শিক্ষায়তনৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বীৰব্ৰত দাস চৌধুৰীয়ে শিক্ষায়তনৰ জন্ম কাহিনীৰ লগতে বিভিন্ন স্তৰত অনুষ্ঠিত গণিত অলিম্পিয়াদ আৰু অলিম্পিয়াদৰ সম্ভাব্য প্ৰশ্নৰ বিভিন্ন দিশ সামৰি প্ৰশিক্ষণ দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজিত অনুষ্ঠানসমূহত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহায়-সহযোগ বিচাৰি আবেদন জনায়।

# ধেমাজি ডায়েটত মাহজোৰা গছপুলি ৰোপণ কাৰ্যসূচী আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৯ জুলাই** ঃ ধেমাজি ডায়েটত কালিৰে পৰা আৰম্ভ হ'ল বছৰ যোৱা 'আজাদী কী অমৃত মহোৎসৱ' শীৰ্ষক বৃক্ষ ৰোপণ কাৰ্যসূচী। অসম চৰকাৰৰ নিৰ্দেশমৰ্মে প্ৰতিষ্ঠানৰ বিশাল চৌহদত অহা ১৫ আগষ্ট পৰ্যন্ত পালন কৰিব এই কাৰ্যসূচী। কাৰ্যসূচীৰ উপলক্ষত কালি শতাধিক শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত




কেইবাটাও মূল্যৱান গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ডায়েটৰ অধ্যক্ষা দুলামী হেৰঞ্জে। প্ৰবক্তা পৱিত্ৰ কুমাৰ দাসে আঁত ধৰা কাৰ্যসূচীত অধ্যক্ষাই এটি শিশু জন্মৰ পিছতে যথেষ্ট যত্নৰ প্ৰয়োজন হোৱাৰ দৰে গছপুলি এটা ৰোপণ কৰিও ঠিক শিশুটিৰ দৰে যতন ল'ব লাগিব বুলি কয়। অকল ৰোপণ কৰিলেই দায়িত্ব শেষ হৈ নাযায়। যত্ন লৈ গছৰ ৰূপ দিব লাগিব। কমেও তিনিটা বছৰ চোৱাচিতা কৰিব লাগিব আৰু আপডাল কৰি শ্ৰীবৃদ্ধিত অৰিহণা যোগাব লাগিব বুলি মন্তব্য কৰি গছপুলি ৰোপণৰ লগতে প্ৰতিপালনতো অধিক গুৰুত্ব দিবলৈ সকলোকে আহ্বান জনায়।

কঠীয়াতলী সমবায় সমিতিত চাউল নাপাই উত্তেজনা

# হাতে-লোটে ধৰা পেলালে বিক্ৰী কৰা অন্ন সুৰক্ষাৰ চাউল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৯ জুলাই** ঃ নগাঁৱৰ ৰাঙলুস্থিত কঠীয়াতলী সমবায় সমিতি কাৰ্যালয়ত চাউল নোপোৱাক লৈ আজি এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। মাহেকীয়া অন্ন সুৰক্ষা আঁচনিৰ চাউল লাভ নকৰাৰ বাবে একাংশ লোকে সমবায় সমিতিৰ কাৰ্যালয়ত উপস্থিত হৈ উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰে। একাংশ উত্তেজিত লোকে জবাবদিহি কৰে সমবায়খনৰ সভাপতি-সম্পাদকক। আনহাতে, হবিবুৰ ৰহমান নামৰ সুলভ মূল্যৰ এজেণ্টজনে ৰাইজৰ বাবে আবণ্টিত চাউল বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰে ৰাইজে। টুবুকী গ্ৰাণ্টৰ আব্দুল হেকিম নামৰ এজন লোকৰ ঘৰত প্ৰায় ৩৬ বেগ চাউল উদ্ধাৰ হোৱাৰ পাছতেই এই উত্তেজনাৰ সৃষ্টি হয়। একাংশ দুৰ্নীতিগ্ৰস্ত এজেণ্টে মাহত দুবাৰকৈ দিব লগা চাউল এবাৰহে প্ৰদান কৰি ৰাহি চাউল বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজে, যাৰ বাবে ৰাঙলু সমবায় সমিতি কাৰ্যালয়তে শতাধিক লোকে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। স্থানীয় ৰাইজে ধৰা পেলোৱা ৩৬ বেগ চাউলসহ এ এছ-২১ চি-৫৭২০ নম্বৰৰ গাড়ীখন ইতিমধ্যে আৰক্ষীক চমজাই দিয়ে।

# ৰাষ্ট্ৰীয় বঁটাৰে পুৰস্কৃত হ'ল ধেমাজিৰ কৃষক দেৱজিৎ চাংমাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৯ জুলাই** ঃ ধেমাজি জিলাৰ এগৰাকী প্ৰগতিশীল ক্ষুদ্ৰ কৃষকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰি জিলাখনৰ লগতে ৰাজ্যখনলৈও গৌৰৱ কঢ়িয়াই আনিছে। ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ ৯৪সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি দেশৰ চাৰিজন উদ্যোগী কৃষকলৈ আগবঢ়োৱা পণ্ডিত দীনদয়াল উপাধ্যায় অন্ত্যোদয়া কৃষি পুৰস্কাৰ লাভ কৰিছে ধেমাজি জিলাৰ শ্ৰীপানি মথাদাং গাঁৱৰ দেৱজিৎ চাংমায়ে। নতুন দিল্লীত থকা ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কেন্দ্ৰীয় কৃষিমন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে তেওঁক এই বঁটা প্ৰদান কৰে। বঁটা হিচাপে এখন প্ৰমাণ-পত্ৰৰ লগতে নগদ এক লাখ টকাৰ পুৰস্কাৰো তেওঁ লাভ কৰিছে। ধেমাজি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি কয় যে দেৱজিৎ চাংমায়ে ধানৰ বাহাদুৰ চাব ১ আৰু ৰঞ্জিৎ চাব ১ নামৰ বানপানীৰ প্ৰতি সহনশীল জাতৰ বীজ প্ৰতিবছৰে ১২০ৰ পৰা ১৫০ কুইন্টললৈকে উৎপাদন কৰি জিলাখনৰ কৃষি ক্ষেত্ৰত অৰিহণা আগবঢ়াই আহিছে। তদুপৰি ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ (কেভিকে)ৰ পৰা পোৱা প্ৰশিক্ষণৰ সুবিধা লৈ ঘৰতে এখন ক্ষুদ্ৰ নাৰ্চাৰী স্থাপন কৰি নেমু, পান, জালুক, নাৰিকল, অমিতা আৰু শাক-পাচলিৰ পুলি উৎপাদন কৰি আহিছে। কেভিকে, ধেমাজিৰ মুখ্য বিজ্ঞানী ড° গুঞ্জন গগৈৰ তত্ত্বাৱধানতে তেওঁ পুখুৰীত মাছ পালনৰ লগতে হাঁহ পালন আৰু পাৰত দুটা কম খৰচী পলি হাউছ ব্যৱহাৰ কৰি আৱতৰীয়া শাক-পাচলি উৎপাদন কৰি বেছ লাভৱান্বিত হৈছে। এনেদৰে বিভিন্ন বহুমুখী কৃষি কৰ্মৰে এজন ক্ষুদ্ৰ খেতিয়ক হৈয়ো নিজৰ পৰিয়াল ভালদৰে পোহ-পাল দিয়াৰ লগতে অঞ্চলটোৰ কৃষি



ক্ষেত্ৰলৈও যথেষ্ট ইতিবাচক বৰঙণি আগবঢ়াই অহাৰ পৰিপ্ৰেক্ষিততে এইবাৰ এই সন্মানজনক বঁটা তেওঁ লাভ কৰিবলৈ সক্ষম হ'ল। উল্লেখ্য যে চাংমাইয়েই হ'ল এইবাৰ এই বঁটা লাভ কৰা ৰাজ্যখনৰ একমাত্ৰ কৃষক। জিলা উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই ইয়াৰ বাবে তেওঁক আন্তৰিক অভিনন্দন জনাই কয় যে এনে পৰিশ্ৰমী আৰু উদ্যমী কৃষকসকলক চৰকাৰ তথা প্ৰশাসনৰ ফালৰ পৰা সকলো প্ৰকাৰৰ সহায় আগবঢ়োৱা হ'ব।

দিচাংমুখ সংগীত কলা কেন্দ্ৰৰ উদ্যোগত সংগীতৰ কৰ্মশালা সম্পন্ন

# আঠগৰাকী ব্যক্তিক 'জীৱনজোৰা সমাজ সেৱক বঁটা' প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৯ জুলাই** ঃ দিচাংমুখ সংগীত কলা কেন্দ্ৰৰ উদ্যোগত আৰু দিচাংমুখবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত সংগীতৰ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। উক্ত কৰ্মশালাৰ সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত সভাত দিচাংমুখ সংগীত কলা কেন্দ্ৰই আঠগৰাকী বিশিষ্ট ব্যক্তিক লিটুল বুঢ়াগোহাঁই, লক্ষী হাজৰিকা, অনিল পাংগিং, অৰ্জুন গোৱালা, প্ৰমোদ দিহিঙীয়া, ভুবনেশ্বৰ চুতীয়া, মনোজ কুমাৰ গগৈ, লোহিত শৰ্মাক 'জীৱনজোৰা সমাজ সেৱক বঁটা' প্ৰদান কৰাৰ লগতে দিচাংমুখ সংগীত কলা কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি ৰেঞ্জাৰ টায়ে আৰু সম্পাদক মদন শীলে আঁত ধৰা সামৰণী অনুষ্ঠানত বেদকান্ত দাস, পদ্মকান্ত দাস, মুস্তাফা খান, মৃদুল দাস, পৰাগ শইকীয়া, ৰজনীকান্ত গাংগীং, আকবৰ আলী, অৰুণ ঠাকুৰ আদি কে'বাগৰাকী বিশিষ্ট ব্যক্তিক উষ্ম আদৰণি জনায়। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীসকলক সংগীতৰ কৰ্মশালাৰ প্ৰশিক্ষণ দিয়ে অনাতাঁৰ শিল্পী ৰঞ্জিত দাসে। আনহাতে সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে গীত-মাত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

মাৰ্ঘেৰিটাত গৰুৰ ৰমৰমীয়া অবৈধ বেহা

# নিতৌ শ শ গৰু ৰাজ্য ভিন্ন প্ৰান্তলৈ সৰবৰাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৯ জুলাই** ঃ চোৰাং বনজ সম্পদৰ সমান্তৰালকৈ মাৰ্ঘেৰিটাত অব্যাহত আছে চোৰাং গৰু ৰমৰমীয়া অবৈধ বেহা। ৰাজ্য ভিন্ন প্ৰান্তৰ দৰে মাৰ্ঘেৰিটাতো একাংশ লোকে অব্যাহত ৰাখিছে গৰু অবৈধ ৰমৰমীয়া বেহা। মাৰ্ঘেৰিটাত বৰ্তমান গৰুৰ কোনো বৈধ বজাৰ নাই যদিও নিতৌ শ শ গৰু মাৰ্ঘেৰিটাৰ পৰা ৰাজ্য ভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়াৰ অৰুণাচল প্ৰদেশলৈয়ো



সৰবৰাহ হৈ আহিছে। মাজে-সময়ে আৰক্ষী প্ৰশাসনে এই অবৈধ গৰু বেহাৰৰ বিৰুদ্ধে অভিযান চলাই যদিও অবৈধ বেহা কিন্তু বন্ধ কৰিবলৈ সক্ষম হোৱা নাই। কিছুদিন পূৰ্বে মাৰ্ঘেৰিটা আৰক্ষী প্ৰশাসনে মাৰ্ঘেৰিটাৰ মছজিদপট্টীৰ পৰা ১৯টাকৈ চোৰাং গৰু জব্দ কৰাৰ ঘটনা মাৰ নৌযাওঁতেই শনিবাৰে পুনৰ ৫টা চোৰাং গৰু জব্দ হোৱাৰ ঘটনাই মাৰ্ঘেৰিটাত গৰু অবৈধ বেহাৰ যে অব্যাহত আছে এই কথা কথাকে পুনৰ প্ৰমাণ কৰিছে। মাৰ্ঘেৰিটাত বৰ্তমান গৰু কোনো বৈধ বজাৰ নাই যদিও নিতৌ শ শ গৰু মাৰ্ঘেৰিটা মছজিদ পট্টীকে ধৰি লাজুম আদি অঞ্চলৰ পৰা কেনেকৈ সৰবৰাহ হৈ আছে। দিনৰ পোহৰতে সকলোৰে চকু সন্মুখতে কেনেকৈ অবৈধভাৱে গৰু সৰবৰাহ হৈ আছে ইয়ো এক ৰহস্যৰ বিষয়। মাৰ্ঘেৰিটা আৰক্ষী তথা স্থানীয় প্ৰশাসনৰ এই অবৈধ গৰু ব্যৱসায়ৰ বিষয়টো দৃষ্টিগোচৰ নোহোৱা কথাই সাধাৰণ লোকৰ মাজতো ৰহস্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি আছাৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি জাৰ্নেল মিঞ্জৰ নেতৃত্বত আছাৰ এটা দলে অবৈধভাৱে সৰবৰাহ কৰিবলৈ লোৱা সময়তে শনিবাৰে ৫টাকৈ চোৰাং গৰু জব্দ কৰি মাৰ্ঘেৰিটা আৰক্ষীক গতাই দিয়ে। কাৰ নেতৃত্বত মাৰ্ঘেৰিটাত চলি আছে গৰুৰ এই অবৈধ বেহা। এক বিশেষ সূত্ৰই সদৰী কৰা অনুসৰি এই অবৈধ গৰু সৰবৰাহৰ তথা ব্যসায়ৰ লগত জড়িত হৈ আছে মাৰ্ঘেৰিটা লাজুম অঞ্চলৰ জনৈক লিচু নামৰ লোকজন। দিৰ্ঘদিনৰ পৰা আৰক্ষী প্ৰশাসনৰ চকুত ধূলি দি জনৈক লিচুৱে লাজুমৰ পৰাই এই চোৰাং গৰুৰ অবৈধ ব্যৱসায় চলাই গৈছে। নিতৌ বিভিন্ন ঠাইলৈ অবৈধভাৱে সৰবৰাহ কৰি আহিছে গৰু। আনহাতে, বজাৰৰ হাটখোৱাজনেও এই চোৰাং গৰু বেহাৰৰ লগত জড়িতসকলক সহায় কৰাৰ বুলি স্থানীয় লোকে অভিযোগ উত্থাপিত কৰিছে। স্থানীয় সচেতন মহলে গৰু এই অবৈধ বেহা অতি শীঘ্ৰে বন্ধ কৰিবলৈ চৰকাৰ প্ৰশাসনক দাবী জনাইছে। আনহাতে অনতি পলমে মাৰ্ঘেৰিটাৰ আৰক্ষী তথা মহকুমাৰ প্ৰশাসনে গৰু অবৈধ বেহা বন্ধ নকৰিলে আছাৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিয়ে অবৈধ গৰুৰ বেহাৰ বিৰুদ্ধে নিজেই ব্যৱস্থা গ্ৰহণ কৰিব বুলি আছাৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি জাৰ্নেল মিঞ্জে সংবাদ মাধ্যমক জানিবলৈ দিছে।

# ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত নৱ-নিযুক্ত বিদ্যালয় পৰিচালনা-উন্নয়ন সমিতিৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৮ জুলাই** ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ অগ্ৰণী শিক্ষানুষ্ঠান ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলত কালি পুৱা ১০ বজাত ঘগ্ৰাপাৰ ছোৱালী হাইস্কুলৰ নৱনিযুক্ত সভাপতি দ্বিজেন ডেকাৰ পৌৰোহিত্যত চিন্তন বৈঠক এখন অনুষ্ঠিত হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সচিব তথা প্ৰধান শিক্ষক মনহৰি কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা পৰিচালনা সমিতিৰ উপ-সভাপতি দীনেশ শৰ্মা, জ্যেষ্ঠ শিক্ষক তথা পৰিচালনা সমিতিৰ সদস্য ক্ৰমে অমূল্য কলিতা, দিবাকৰ শৰ্মা, ঘগ্ৰাপাৰৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কাউন্সিলৰ মনেশ্বৰ ভৰালী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ কম্পিউটাৰ সদস্য খঞ্জন তালুকদাৰ লগতে অভিভাৱক সদস্য-সদস্যা উপস্থিত থাকি শৈক্ষিক উত্তৰণৰ বাবে দিহা-পৰামৰ্শ আগবঢ়ায়। আগন্তুক দিনত বিদ্যালয়খনৰ ছাত্ৰীৰ সু-ভৱিষ্যতৰ বাবে কেতবোৰ নতুন পদক্ষেপ লোৱা হ'ব বুলি বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দ্বিজেন ডেকাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী



জয়ন্তমল্ল বৰুৱাৰ আগ্ৰহত নলবাৰী নাট্যমন্দিৰত অলপতে হৈ যোৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সদস্য-সচিবৰ বৈঠকত দিয়া নিৰ্দেশাৱলী এই চিন্তন বৈঠকত বিশেষভাৱে আলোচিত হয়। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক অমূল্য কলিতাই কেতবোৰ অসুবিধাৰ কথা উল্লেখ কৰি আগন্তুক দিনত পৰ্যায়ক্ৰমে অভিভাৱক বৈঠক দিয়াৰ পোষকতা কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি দীনেশ শৰ্মা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কাউন্সিলৰ মনেশ্বৰ ভৰালীয়ে প্ৰাসংগিক বক্তব্য উপস্থাপন কৰে। বিদ্যালয়খনৰ শৈক্ষিক দিশ,আন্তঃগাঁথনি, অভিভাৱকৰে সম্পৰ্ক স্থাপন আদি দিশেও চিন্তন বৈঠকত প্ৰাধান্য লাভ কৰে বুলি জানিব পৰা গৈছে।

নাজিৰা মহকুমাত স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সভা

# 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অধীনত ঘৰে ঘৰে উত্তোলন কৰক ৰাষ্ট্ৰীয় পতাকা ঃ মহকুমাধিপতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ জুলাই** ঃ নাজিৰা মহকুমাত সমাগত ৭৬সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সম্পৰ্কত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ সভাপতিত্বত আজি এখন সভা অনুষ্ঠিত হয়। মহকুমাধিপতি কাৰ্যালয় সভাকক্ষত মহকুমাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ উপৰি আৰক্ষী প্ৰশাসন, সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ প্ৰতিনিধিসকলৰ উপস্থিতিত আয়োজিত এই সভাত আগন্তুক স্বাধীনতা দিৱস উদ্‌যাপন সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজন কৰা হ'ব বুলি বুলি মহকুমাধিপতিগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে, স্বাধীনতা দিৱস উদ্‌যাপন সাফল্যমণ্ডিত কৰাৰ বাবে সময়মতে প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ অৰ্থে বিভিন্ন বিভাগক নিজৰ নিজৰ দায়িত্বসমূহ আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়।তদুপৰি মহকুমাধিপতিগৰাকীয়ে আজাদী কা অমৃত মহোৎসৱৰ অংশৰূপে কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি ঘৰে ঘৰে ৰাষ্ট্ৰীয় গৌৰৱৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। জনসাধাৰণৰ মনত দেশপ্ৰেমৰ ভাবধাৰা জগাই তোলা আৰু ৰাষ্ট্ৰীয় পতাকা সন্দৰ্ভত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে 'হৰ ঘৰ ত্ৰিৰংগা' শীৰ্ষক কাৰ্যসূচীত সকলোকে ভাগ লৈ গৰিমামণ্ডিত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ অংশীদাৰ হ'বলৈ তেওঁ আহ্বান জনোৱাৰ লগতে উক্ত দিনটোত সকলোৰে সহায়-সহযোগিতা তথা উপস্থিতি কামনা কৰে। আজিৰ সভাত নাজিৰা মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশসকল, তথ্য আৰু জনসংযোগ বিষয়া, খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, শিক্ষা বিভাগ, জনস্বাস্থ্য কাৰিকৰী




বিভাগ, স্বাস্থ্য বিভাগ, লোকনিৰ্মাণ বিভাগ, বিদ্যুৎ বিভাগ, আবকাৰী বিভাগ, অসম আৰক্ষী বাহিনী, নাজিৰা ক্ৰিড়া সন্থা, শিমলুগুৰি তথা নাজিৰা পৌৰসভা, হিউমেন ৰেলফেয়াৰ ছ'চাইটী, শিমলুগুৰি ব্যৱসায়ীক সন্থা, নাজিৰা মুক্তি যুঁজাৰু সন্থা, জ্যেষ্ঠ নাগৰিক সন্থা, নাজিৰা উকীল সন্থা, ছাত্ৰ সংগঠন, নাজিৰাৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ অধ্যক্ষসকলকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# বৰ্ষাশ্ৰীৰ পৰীক্ষা প্ৰসংগ ঃ গোলাঘাট জিলা উপায়ুক্তৰ বিৰুদ্ধে আদালতৰ নিৰ্দেশ অৱমাননা কৰাৰ অভিযোগ

## কে এম এছ এছ-এ কৰা আবেদনৰ ভিত্তিত আদালতৰ কঠোৰ নিৰ্দেশ জাৰি


**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ১৯ জুলাই** ঃ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকা বৰ্ষাশ্ৰী শদিয়াখোৱা বুঢ়াগোহাঁইৰ পৰীক্ষাক লৈ গোলাঘাটৰ সত্ৰ ন্যায়াধীশে দিয়া নিৰ্দেশ অমান্য কৰাৰ অভিযোগ উত্থাপন হৈছে। আলফা(স্বাধীন) লৈ যোৱাৰ প্ৰৱণতা থকাৰ অপৰাধত বিগত দুমাহ ধৰি গোলাঘাটৰ জিলা কাৰাগাৰত দিন পাৰ কৰা মেধাৱী ছাত্ৰীগৰাকীৰ যোৱা ১৬ জুলাইৰ পৰা স্নাতক দ্বিতীয় ষাণ্মাসিকৰ পৰীক্ষা আৰম্ভ হৈছে। পৰীক্ষাত বহাৰ অনুমতি বিচাৰি ছাত্ৰীগৰাকীয়ে গোলাঘাটৰ ন্যায়ালয়ত পৰীক্ষাৰ সূচীসহ কৰা আবেদনৰ ভিত্তিত মহামান্য সত্ৰ ন্যায়াধীশে ছাত্ৰীগৰাকীক এক সুস্থ পৰিৱেশত নিজ মহাবিদ্যালয়ত পৰীক্ষা দিয়াৰ অনুমতি প্ৰদান কৰিছিল। উল্লেখ্য যে মহামান্য আদালতে দিয়া নিৰ্দেশৰ পিছতো গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই সমগ্ৰ বিষয়টোত হস্তক্ষেপ কৰি এডিচি অম্লানজ্যোতি ফুকনক পৰীক্ষা নিৰীক্ষক হিচাপে নিয়োগ কৰি কাৰাগাৰৰ ভিতৰতেই ছাত্ৰীগৰাকীক পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰে। ইফালে ন্যায়ালয়ৰ নিৰ্দেশ অমান্য কৰাত সচেতন মহলৰ লগতে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি জিলা উপায়ুক্তৰ হস্তক্ষেপক অবৈধ ঘোষণা কৰিছিল। বিশেষকৈ ইউজিচি গাইডলাইন অনুসৰি ছাত্ৰীগৰাকীৰ পৰীক্ষা দিয়াৰ সমূহ কৰ্তৃত্ব মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওপৰত ন্যস্ত থকা সত্ত্বেও কি যুক্তিত গোলাঘাটৰ উপায়ুক্তগৰাকীয়ে ছাত্ৰীগৰাকীৰ পৰীক্ষাক লৈ এনেকৈ হস্তক্ষেপ কৰিলে সেয়াও ৰহস্যৰ আৱৰ্তত সোমাই পৰা দেখা গৈছিল। বৰ্ষাশ্ৰীৰ বিষয়টোত চোকা দৃষ্টি ৰখা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ৰাজ্যিক সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই এয়া চৰকাৰৰ এক ষড়যন্ত্ৰ বুলি আখ্যা দিয়াৰ লগতে জিলা উপায়ুক্তক এগৰাকী মেধাৱী ছাত্ৰীৰ শৈক্ষিক জীৱন ধ্বংস নকৰিবলৈ সকীয়াই দিয়ে। উল্লেখ্য যে ৰাজ্যিক সম্পাদকগৰাকীয়ে যোৰহাটৰ এজন ডিএছপিয়ে ডি চি বি ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীৰ পৰা কাৰাগাৰতে বৰ্ষাশ্ৰীয়ে পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি স্বাক্ষৰ কৰি আনিছিল বুলি অভিযোগ উত্থাপন কৰিছে। এনে অভিযোগৰ ভিত্তিত সংগঠনটোৱে সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত দৃষ্টিগোচৰ কৰি কৰা আবেদনৰ ভিত্তিত পুনৰ মহামান্য ন্যায়ালয়ে আদালতৰ নিৰ্দেশ অমান্য নকৰিবলৈ আৰু পৰীক্ষা নিৰীক্ষক হিচাপে নিযুক্তি দিয়া প্ৰশাসনৰ বিষয়াগৰাকীক খাৰিজ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰাৰ লগতে ডিচিবি ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীক ২৫ জুলাইৰ ভিতৰত আদালতৰ নিৰ্দেশ অমান্য কৰাৰ কাৰণ জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে। আদালতৰ এই নিৰ্দেশৰ পিছতেই কালি অনুষ্ঠিত দ্বিতীয় দিনাৰ পৰীক্ষাত জিলা উপায়ুক্তগৰাকীয়ে নিয়োগ কৰা নিৰীক্ষকগৰাকীক খাৰিজ কৰাৰ লগতে ডিচিবি মহাবিদ্যালয়ৰ দুগৰাকী প্ৰবক্তা আহি গোলাঘাটৰ কাৰাগাৰত উপস্থিত হৈ বৰ্ষাশ্ৰীক পৰীক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে।

# বিশ্বনাথত অসম গণিত শিক্ষায়তনৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ১৯ জুলাই** ঃ বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাংগণত কালি অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলা সমিতিয়ে ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলাৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানত সভাপতি ড° অৰুণ চলিহাই অসম গণিত শিক্ষায়তনৰ পতাকা উত্তোলন কৰে। বিশ্বনাথ মহাবিদ্যালয়ৰ গণিত আৰু বিজ্ঞান বিষয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত গণিত শিক্ষাৰ গুৰুত্ব আৰু জনপ্ৰিয়কৰণৰ ওপৰত চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰিপুঞ্জয় বৰদলৈ আৰু দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক সঞ্জীৱ গগৈয়ে বক্তব্য দাঙি ধৰে। আজিৰ প্ৰতিষ্ঠা দিৱসত অসম গণিত শিক্ষায়তনৰ কেন্দ্ৰীয় সমিতিৰ সদস্য চতিয়াৰ ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠৰ নৱজ্যোতি ওজা, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰণামী ফুকন উপস্থিত থাকে। সভাপতিৰ ভাষণত বিশ্বনাথ মহাবিদ্যালয়ৰ গণিত বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰুণ চলিহাই সাংবাদিকক জনোৱা অনুসৰি ১৯৮৬ চনৰ ১৮ জুলাইত বিশিষ্ট গণিতজ্ঞ ড° বুদ্ধপ্ৰসাদ চেতিয়াৰ সভাপতিত্বত আৰু ড° তাৰেকেশ্বৰ চৌধুৰীয়ে সম্পাদকৰ দায়িত্ব লৈ গঠন কৰিছিল 'অসম গণিত শিক্ষায়তন' নামৰ গণিত শিক্ষাক শিশুৰ মাজত জনপ্ৰিয় কৰা এই অনুষ্ঠানৰ। অহা ২১ আগষ্টত সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'বলগীয়া গণিত অলিম্পিয়াডৰ প্ৰস্তুতি কৰ্মশালাসমূহ অসম গণিত শিক্ষায়তনৰ বিশ্বনাথ জিলাই ১৯ জুলাইৰ পৰা গহপুৰ, বিশ্বনাথ, চতিয়া আৰু দিকৰাই অঞ্চলৰ পঞ্চম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰিব বুলি সাংবাদিকক জানিবলৈ দিয়ে।

## ৰাশিফলত আজিৰ দিনটো

**৩ শাওণ, বুধবাৰ, ২০ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা সপ্তমী, নক্ষত্ৰ ঃ ৰেৱতী, জন্মত ঃ মীন ৰাশি**
**সূৰ্যোদয়- ৪-৪৬-২ সূৰ্যাস্ত- ৬-১৪-৬**



■ **মেষ** ঃ পাৰদৰ্শী ব্যক্তি ■ **বৃষ** ঃ অপ্ৰত্যাশিত মৰম ■ **মিথুন** ঃ প্ৰতিভা বৃদ্ধি ■ **কৰ্কট** ঃ পিতৃ বিৰোধ ■ **সিংহ** ঃ সন্তানৰ পৰা আনন্দ ■ **কন্যা** ঃ ঘৰুৱা সম্পদ বৃদ্ধি ■ **তুলা** ঃ নতুন প্ৰেমত আনন্দ ■ **বৃশ্চিক** ঃ সমস্যা সমাধান ■ **ধনু** ঃ খেতিয়কৰ কষ্ট ■ **মকৰ** ঃ সঞ্চয়ী মনোভাৱ ■ **কুম্ভ** ঃ ছাত্ৰ-ছাত্ৰীৰ আনন্দ ■ **মীন** ঃ প্ৰেমত সফল।

## অসমৰ আগশাৰী প্ৰকাশন গোষ্ঠী প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ পঞ্চম বাৰ্ষিক অধিৱেশন সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৯ জুলাইঃ** সাংস্কৃতিক নগৰী যোৰহাটস্থিত কুহুমযোগনীয়া,পুনাই সুত সোঁৱৰণী মঞ্চত কালি প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ বাৰ্ষিক অধিৱেশন সফলতাৰে সম্পন্ন হয়। পুৱা কুহুমযোগনীয়া ৰাইজৰ সমূহীয়া নাম-প্ৰসংগৰ পিছতেই প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ পতাকা উত্তোলন কৰে প্ৰজ্ঞাকস্তুৰীৰ কৰ্মকৰ্তাৰ সহযোগত শিশু সাহিত্যিক মৃণালিনী গোস্বামীয়ে। ইয়াৰ পিছতে অনুষ্ঠানটি যুটীয়াভাৱে আঁত ধৰে প্ৰজ্ঞাকস্তুৰীৰ কৰ্মকৰ্তা ৰিতু ভৰালী আৰু অবিনাশ বাস্তৱ বৰাই আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যুৱ কবি তথা প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ প্ৰতিষ্ঠাপক, সঞ্চালক জ্যোৎস্না বৰা শইকীয়াই। সভাপতিৰ আসন অলংকৃত কৰে শিশু সাহিত্যিক মৃণালিনী গোস্বামীয়ে। মৃদুল শইকীয়া, প্ৰেম বৈষ্ণৱ, নিৰদা গগৈ, আয়েশ্বা বেগম, ৰিঞ্জুমণি নেওগ বৰা, জিণ্টিমণি নেওগ, নীলিম নয়নকে ধৰি বিশিষ্ট ব্যক্তিসকলে সভাৰ বিশেষ অতিথিৰ আসনত অলংকৃত কৰে। পুৱা ১০.৩০ বজাত প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ জ্যোৎস্না বৰা শইকীয়া আৰু ডি গোবিনৰ সম্পাদনাৰে সম্পাদিত মুখপত্ৰ 'দীপ্ত শীতাংশু' উন্মোচন কৰা হয়। এই মুখপত্ৰখন উন্মোচন কৰে বিহালীৰ কবি প্ৰেম বৈষ্ণৱে। এই অনুষ্ঠানতেই কুহুমযোগনীয়া অঞ্চলৰ বিভিন্ন শিল্পকৰ্মৰ লগত জড়িত ব্যক্তিক নিৰ্বাচিত কৰি অনুষ্ঠানিকভাৱে সন্মানিত কৰা হয় আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে প্ৰথম স্থানত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলোকো বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। লগতে অসমৰ বিভিন্ন কবি, সাহিত্যিক, শিল্প কৰ্মৰ লগত জড়িত ভালেকেইজনক উৎসাহিত কৰিবৰ বাবে বিশেষ বিশেষ বঁটাৰে সন্মানিত কৰা হয়। এই অধিৱেশনতে প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত ভালেকেইখন ন-পুৰণি সাহিত্যিকৰ গ্ৰন্থ উন্মোচন কৰা হয়। লগতে উত্তৰ-পূবৰ ৫০জনতকৈও অধিক কবিৰ কবিতা পাঠেৰে অনুষ্ঠানটো বিশেষভাৱে আকৰ্ষণীয় কৰি তোলে। সন্ধিয়া পুনৰ কুহুমযোগনীয়া ৰাইজৰ নাম প্ৰসংগৰ পিছতে নিশাৰ নাটৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট কবি, লেখক, সপোনৰ পৰিধি, অসমৰ প্ৰতিষ্ঠাপক বিকি নেওগে। ইয়াৰ পিছতেই সপ্ত বৈকুণ্ঠ মহিলা গোষ্ঠীৰ দ্বাৰা পৰিৱেশিত মহাপুৰুষীয়া নাট দস্যু ৰত্নাকৰৰ সফল মঞ্চায়ন হয়। উক্ত নাটখনিৰ মূল চৰিত্ৰ ৰত্নাকৰ চৰিত্ৰটি জীৱন্ত কৰি তোলে প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ মুখ্য সম্পাদক জ্যোৎস্না বৰা শইকীয়াই। ৫০০ ৰো অধিক দৰ্শকৰ বিপুল সঁহাৰিত সমগ্ৰ যোৰহাটবাসী অভিভূত হয়। প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ কোষাধ্যক্ষ অঞ্জন শইকীয়া আৰু সম্পাদক দাদুমণি বৰাৰ ব্যৱস্থাপনাত প্ৰজ্ঞাকস্তুৰী প্ৰকাশনৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠানটি সফলতাৰে সম্পন্ন হয়।

## দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত ওজাগাঁও গাঁও পঞ্চায়ত

# চৰকাৰী আঁচনিৰ ফোঁপোলা স্বৰূপ গাঁও পঞ্চায়তত

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১৯ জুলাই ঃ** কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে পঞ্চায়তসমূহৰ জৰিয়তে বিভিন্ন আঁচনি গ্ৰহণ কৰি গ্ৰামাঞ্চলৰ বিকাশৰ গতি ত্বৰান্বিত কৰিবলৈ ব্যাপক পদক্ষেপ গ্ৰহণ কৰি পৰ্যাপ্ত পৰিমাণৰ ধনৰাশি মুকলি কৰি দিছে। এই ধনৰাশি সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত জিলা প্ৰশাসনে স্থানীয় বিধায়ক তথা পঞ্চায়তৰ জনপ্ৰতিনিধিৰ জৰিয়তে ব্যাপক তৎপৰতা গ্ৰহণ কৰাৰ সময়তে দৰঙ জিলাৰ পূব মঙলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁও পঞ্চায়তসমূহত আঁচনি ৰূপায়নৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। পূব মঙলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত ওজাগাঁও গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ আবণ্টন দিয়া, এমজিএনৰেগা আৰু তৃতীয়, চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণৰ নামত অবাধ দুৰ্নীতিৰ ভূ-স্বৰ্গত পৰিণত হৈছে গাঁও পঞ্চায়তখন। বিভাগীয় কৰ্মচাৰীৰ সহযোগত ঠিকাদাৰৰূপী একাংশ জনপ্ৰতিনিধিয়ে আঁচনিৰ নামত গাঁও পঞ্চায়তত চলাইছে অনিয়ম। অভিযোগ অনুযায়ী পঞ্চায়তখনৰ ৮নং ৱাৰ্ডত আমাৰ গাঁও আমাৰ আঁচনিৰ চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত ২০১৮-১৯ বৰ্ষৰ (২য় কিস্তিৰ) ধনেৰে নিৰ্মিত 'Construction of Drinking water Facility near pachim Ozagaon Maszid' আঁচনিত সংঘটিত হৈছে অনিয়ম। কাম সম্পূৰ্ণ নকৰাকৈয়ে আঁচনিৰ ধন আত্মসাৎ কৰাৰ অভিযোগ। ঠিকাদাৰৰূপী জনপ্ৰতিনিধিজনে চৰকাৰী নিয়ম-নীতিক বুঢ়া আঙুলি দেখুৱাই অতি নিম্নমানৰ ৰ'ড, চিমেণ্ট, ইটা,বালি নিৰ্মাণকাৰ্যত ব্যৱহাৰ কৰাৰ অভিযোগ স্থানীয় ৰাইজৰ। আনহাতে, চতুৰ্দশ বিত্তীয় আয়োগৰ ২০১৯-২০ বৰ্ষৰ (২য় কিস্তিৰ) ধনেৰে Construction of Boundary wall at pub Baigarmari Eidgah Field Near Jakir Hussain House. উক্ত আঁচনিত চৰকাৰে পৰ্যাপ্ত পৰিমাণৰ ধন মোকলাই দিছে যদিও কামত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলত ভাঙি জহি-খহি গৈছে। পঞ্চায়তৰ কৰ্মচাৰীসকলে জনপ্ৰতিনিধিৰ লগত গোপন বুজাবুজিৰে গাঁও পঞ্চায়তখনত চলাইছে লুণ্ঠনৰাজ। দায়িত্বত থকা কৰ্মচাৰীসকলে ৰূপায়ণ হোৱা আঁচনিসমূহ পৰ্যৱেক্ষণ নকৰাকৈয়ে মোটা অংকৰ কমিচনৰ বিনিময়ত আঁচনিৰ ধন মোকলাই দিয়াৰ অভিযোগো উত্থাপিত হৈছে। নিজ কৰ্তব্যক ফাঁকি দি আঁচনিৰ কাম পৰ্যৱেক্ষণ নকৰাকৈ ঘৰত বহিয়েই দৰমহা আদায় কৰি আছে পঞ্চায়তৰ কৰ্মচাৰীসকলে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱা চৰকাৰে এইসকল দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীক নাকী লগাব পাৰিবনে? সেয়া এতিয়া লাখটকীয়া প্ৰশ্ন ৰাইজৰ মাজত।

## এম আৰ এম মেম'ৰিয়েল হাস্পতালৰ উদ্যোগত ভ্ৰাম্যমাণ বিনামূলীয়া চিকিৎসা শিবিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১৯ জুলাই ঃ** দেহা থাকিলেহে বেহা, তাৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ১৬ জুলাইত নামনি অসমৰ কোকৰাঝাৰৰ গোসাঁইগাঁৰৰ উত্তৰপাৰা এম আৰ এম মেম'ৰিয়েল হাস্পতালৰ মুখ্য পৰিচালন সঞ্চালিকা চেউলী মহিলাৰীয়ে বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ ৰোগীৰ বাবে বিনামূলীয়া স্বাস্থ্য শিবিৰৰ মুকলি কৰে। উক্ত শিবিৰত ডাঃ আৰ এছ ব্ৰহ্ম,ডাঃ অনিৰ্বাণ দাস, ডাঃ জিলি বসুমতাৰী আদিকে ধৰি মুঠ ১৩গৰাকীকৈ বিশিষ্ট চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰিছিল। এই স্বাস্থ্য শিবিৰত তিনি শতাধিক দৰিদ্ৰ লোকে বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰে। এম আৰ এম হাস্পতালৰ এনে ইতিবাচক পদক্ষেপৰ বাবে গোসাঁইগাঁৰৰ সচেতন সমাজে একমুখে শলাগিছে।

## নলবাৰীত ছাত্ৰ সন্থা, উন্নতি সভা, অসম সেনাৰ যৌথ সভা সম্পন্ন




**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী,১৯ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম উন্নতি সভা আৰু অসম সেনাৰ নলবাৰী জিলা সমিতি আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ মাজত আজি নলবাৰী শংকৰদেৱ একাডেমীৰ ডিজিটেল প্ৰেক্ষাগৃহত এখন যৌথ সভা অনুষ্ঠিত কৰা হয়। জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকৰ সভাপতিত্ব কৰা আৰু সাধাৰণ সম্পাদক অক্ষয় ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা উক্ত যৌথ সভাত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য ৰিয়াজউদ্দিন আহমেদ, অসম উন্নতি সভাৰ কেন্দ্ৰীয় সদস্য সুকুমাৰ শৰ্মা, প্ৰণৱ বৰ্মন, নলবাৰী জিলা উন্নতি সভাৰ সভাপতি হোমেশ্বৰ তালুকদাৰ, সম্পাদক ৰাতুল চন্দ্ৰ ডেকা, অসম সেনাৰ জিলা আহ্বায়ক ক্ৰমে কন্দৰ্প শৰ্মা, বিৰাজ গোস্বামীয়ে ৰাজ্যখনত দেখা দিয়া আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক সমস্যাৱাজিৰ ওপৰত আলোকপাত কৰে। শ্বহীদসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি মৌন প্ৰাৰ্থনাৰে আৰম্ভ কৰা উক্ত যৌথ সভাতেই নলবাৰী জিলা উন্নতি সভা আৰু অসম সেনাৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহকক আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰাৰ লগতে শপতবাক্য পাঠ কৰোৱা হয়। সভাত আগন্তুক দিনত জিলাখনৰ আৰ্থ-সামাজিক, শৈক্ষিক সমস্যাৱাজিৰ প্ৰতিটো দিশকে সামৰি কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে ছাত্ৰ সন্থা, উন্নতি সভা আৰু অসম সেনাৰ ভৱিষ্যৎ কৰ্মসূচী সম্পৰ্কে এক ৰূপৰেখা অংকন কৰা হয়। উল্লখ্য যে যৌথ সভাখনত নলবাৰী জিলাখনৰ ভিন্ন প্ৰান্তৰ চাৰি শতাধিক প্ৰাক্তন আছু নেতা, শিক্ষাবিদ আৰু শুভকাংক্ষী উপস্থিত থাকে।


**LOST**

I have lost my H S L C Marksheet bearing Roll-B11-564, No-0003 of 2011 & HS passed Marksheet and Migration Certificate bearing Roll-0799 No.- 20002 of 2013 and Registration No.-186201-1112.

**Azizul Hoque**
S/o- Mofiz Uddin
Vill- Muwamari
Dist- Nagaon
Ph-8638449291



**ত্যাজ্য পুত্ৰ ঘোষণা**

মই শ্ৰী অৰলা কলিতা, স্বামী-স্বৰ্গীয় ভৱকান্ত কলিতা, সাং-মুৰাৰা, ডাক আৰু থানা-ৰঙিয়া, জিলা-কামৰূপ (অসম), ইয়াৰ দ্বাৰা ঘোষণা কৰো যে, ৰঙিয়া নটাৰী পাব্লিক-২ৰ শপতপত্ৰ নং-২১৭৫/৯ তাং-২৯/০৯/২০২১ জড়িয়তে মোৰ পুত্ৰ শ্ৰী ধৰ্ম কুমাৰ কলিতা (৪২)ক ত্যাজ্য পুত্ৰ ঘোষণা কৰিলো। এতিয়াৰে পৰা তেওঁৰ লগত মোৰ কোনো সম্পৰ্ক নাথাকিব লগতে মোৰ কোনো স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ ওপৰত তেওঁৰ অধিকাৰ নাথাকিব।


## বকোলৈ মুখ্যমন্ত্ৰীক আদৰাৰ প্ৰস্তুতি সম্পন্ন

# আজি উদ্বোধন কৰিব বহু কোটি টকা ব্যয়েৰে নিৰ্মিত বকো সৌৰশক্তি প্ৰকল্প

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ জুলাই ঃ** অসম চৰকাৰৰ শক্তি খণ্ডত এক নতুন সংযোজন ঘটাই কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত মাকেলিত স্থাপন কৰা অসমৰ আটাইতকৈ সৰ্ববৃহৎ প্ৰস্তাৱিত সৌৰ শক্তি প্ৰকল্প এটাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য, পাঁচশ বিঘা মাটিকালি সামৰি 'এজ্যোৰ' শক্তি কোম্পানীয়ে অসম শক্তি বিতৰণ কেম্পানী লিমিটেডৰ সহযোগত ৰূপায়ণ কৰা ২৫ মেগাৱট সম্পন্ন বকো সৌৰ শক্তি প্ৰকল্পটোৰ শুভ উদ্বোধন উপলক্ষে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰি তুলিছে এজ্যোৰ অৰু শক্তি বিতৰণ কোম্পানীয়ে। মুখ্যমন্ত্ৰীৰ এই কাৰ্যসূচীক লৈ ইতিমধ্যে বিশেষভাৱে তৎপৰ হৈ পৰিছে কামৰূপ জিলা প্ৰশাসন। গুৱাহাটীৰ পৰা হেলিকপ্টাৰেৰে আহি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰল্পটোৰ শুভ উদ্বোধন কৰাৰ পিছতে ওচৰৰ ভালুকঘাটা হাইস্কুল খেলপথাৰত আয়োজিত বিশাল জনসভা এখনতো অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে উক্ত অনুষ্ঠানত শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচা, উদ্যোগমন্ত্ৰী চন্দ্ৰমহোন পাটোৱাৰী, সাংসদ কুইন ওজা, বিধায়িকা নন্দিতা দাস উপস্থিত থাকিব। উল্লেখ্য, মুখ্যমন্ত্ৰীৰ এই কাৰ্যসূচীৰ বাবে প্ৰায় এমাহ ধৰি চলি আহিছিল প্ৰস্তুতি। ইতিমধ্যে বকোবাসীয়ে মুখ্যমন্ত্ৰীগৰাকীক আদৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

## চামগুৰিত দুই বিলাসী বাহনসহ তিনি কুখ্যাত গৰু চোৰক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ১৯ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাজিয়াগাঁৱৰ পৰা বিলাসী বাহনসহ চুৰি গৰু আৰু তিনিটা কুখ্যাত গৰু চোৰক আজি স্থানীয় ৰাইজে আটক কৰি আৰক্ষীক চমজাই দিয়ে। চামগুৰি থানাৰ অন্তৰ্গত বাজিয়াগাঁৱৰ স্থানীয় ৰাইজে বিলাসী বাহনসহ কৰায়ত্ত কৰা চোৰ তিনিটা হৈছে বাজিয়াগাঁৱৰ মহচিন আনচাৰী, সোণাই বালিৰ মুকচিদুল ইছলাম আৰু ৰিজাবুল ইছলাম। প্ৰাপ্ত খবৰ মতে, বাজিয়াগাঁৱৰ ড্ৰাগ্‌ছবিৰোধী নিৰ্মূল কমিটীৰ তৎপৰতাত আজি পুৱা এই কুখ্যাত গৰু চোৰকেইটা ধৰা পৰে। ধৃত চোৰকেইটাই এএছ ০১ এ এইচ ৫৯৮৯ নম্বৰৰ টয়টা আৰু এএছ ২৪ এ ৬৭৬৭ নম্বৰৰ ইক' স্পৰ্ট বিলাসী বাহন দুখনৰে কালি নিশা নুমলীগড়ৰ পৰা গৰু চুৰি কৰি আনি বাজিয়াগাঁৱৰ আটচ আলী নামৰ সীমান্ত সুৰক্ষা বাহিনীৰ কৰ্মৰত জোৱানজনৰ ঘৰৰ চৌহদত জমা কৰিছিল বুলি স্থানীয় ৰাইজে জানিব দিয়ে। স্থানীয় ৰাইজে আটচ আলীৰ গৃহত আজি পুৱা দুখনকৈ বিলাসী বাহন আৰু ছয়টা গৰু এটা কোঠাৰ ভিতৰত উদ্ধাৰ কৰাৰ পাছতেই ঘটনাটো পোহৰলৈ আহে। স্থানীয় ড্ৰাগ্‌ছ নিৰ্মূল কমিটীৰ ৰাইজে অতি তৎপৰতাৰে চুৰি কাৰ্যৰ লগত জড়িত আটচ আলীৰ ভতিজাক বাজিয়াগাঁৱৰ মহচিন আনচাৰীৰ লগতে সহযোগী সোণাইবালিৰ আন দুজন যুৱককো কৰায়ত্ত কৰিবলৈ সক্ষম হয়। সীমান্ত সুৰক্ষা বাহিনীত কৰ্মৰত আটচ আলীৰ ঘৰটো ভতিজাক মহচিনেই চোৰা-চিতা কৰি আহিছিল বুলি স্থানীয় ৰাইজে জানিব দিয়ে। এই ঘৰটোতেই দীৰ্ঘদিন ধৰি গৰু চুৰি চক্ৰই অতি কৌশলেৰে গৰু চুৰি কৰি আনি সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰী কৰি আহিছিল বুলি ধৃত চোৰকেইটাই স্থানীয় ৰাইজৰ ওচৰত স্বীকাৰ কৰিছে। নুমলীগড়ৰ জনৈক জালাল উদ্দিন নামৰ গৰু চোৰটোৰ সহযোগত গৰু চুৰি কৰি আনি বিলাসী বাহনেৰে বাজিয়াগাঁৱলৈ সৰবৰাহ কৰি আছিল বুলিও চোৰকেইটাই প্ৰকাশ কৰে। ইপিনে চোৰৰ জৰিয়তে স্থানীয় কেইটামান কচায়েও চুৰি গৰু কম দামত কিনাৰ লগত জড়িত আছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। বাজিয়াগাঁৱৰ স্থানীয় ৰাইজে গৰু চোৰ তিনিটাক বিলাসী বাহন দুখনসহ চামগুৰি থানাৰ আৰক্ষীৰ হাতত পৰৱৰ্তী সময়ত গতাই দিয়ে। আৰক্ষীয়ে ইতিমধ্যে অধিক তথ্যৰ বাবে গৰু চোৰ তিনিটাক সোধা-পোছা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত বিশেষ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৯ জুলাই ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে আজি ভাৰতীয় জনতা পাৰ্টীৰ তৰফৰ পৰা সভাপতি ভৱেশ কলিতাৰ উদ্যোগত ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকসকলকো এই সভাত অভিনন্দন জনায় ৰঙিয়া সমষ্টিৰ বিধায়ক তথা বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই। অসম প্ৰদেশ বিজেপিৰ সহযোগত অনুষ্ঠিত এই বিশেষ অভিনন্দন অনুষ্ঠানত প্ৰায় তিনি শতাধিক শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা, মানপত্ৰ,বহী-কলমৰ লগতে একোটাকৈ গছপুলিৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে স্থানীয় বিধায়ক ভৱেশ কলিতাই ভৱিষ্যতে উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীসকলক একলাখ টকাৰ আৰ্থিক উপহাৰ প্ৰদান কৰাৰ লগতে বিদ্যলয়খনকো বিধায়ক পুঁজিৰ পৰা দহ লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভৱেন্দ্ৰ নাথ ডেকা, কামিনী ভূঞা, নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, ডাঃ হিতেন্দ্ৰ কলিতা, চুৱল পাল, অমৰেন্দ্ৰ লহকৰৰ লগতে ৰঙিয়া অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে ভালেসংখ্যক ৰাইজ।

## মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সমূহীয়া সেৱা কেন্দ্ৰ উন্মোচন কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে

### জিএছটি আৰু ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফলক লৈ গুৰুত্বপূৰ্ণ মন্তব্য মন্ত্ৰীগৰাকীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৯ জুলাই ঃ** বঙাইগাঁও জিলাৰ আগশাৰীৰ মহাবিদ্যালয় মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সমূহীয়া সেৱা কেন্দ্ৰ উন্মোচন কৰে অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। প্ৰায় ২ কোটি অনুদানেৰে নিৰ্মিত ভৱনটোত আছে বহু ধৰণৰ সা-সুবিধা। মহাবিদ্যালয়খন পৰৱৰ্তী সময়ত আগুৱাই নিয়াৰ লগতে বিজ্ঞান শাখা শীঘ্ৰেই খোলা হ'ব বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে প্ৰয়োজনীয়তা অনুসৰি বিজ্ঞান শাখাৰ শ্ৰেণী কোঠাৰ বাবে ৰাইজৰ পৰা দান-বৰঙনি উঠাই নিৰ্মাণ কৰিব পৰা যাব। আৰু প্ৰবক্তাসমূহ নতুন পদ সৃষ্টি কৰি সম্পন্ন কৰিব পৰা যাব। মুঠতে যি কনো প্ৰকাৰে বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে মহাবিদ্যালয়খন উন্নতিৰ শিখৰত আৰোহণ কৰাৰ পূৰ্ণ চেষ্টা অব্যাহত ৰাখিব। বৰ্তমান মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ অভাৱ আছে সেৱাও পূৰণ কৰিবলৈ চেষ্টা কৰিব। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফলক লৈ মন্ত্ৰীজনে কয় যিহেতু কোনো হুইপ নাই, লগতে প্ৰথমবাৰৰ বাবে চাহ জনজাতীয় লোকৰ পৰা প্ৰাৰ্থী হৈছে, গতিকে বিৰোধী জনজাতীয় সকলো বিধায়কে ভোট দিব। তেনেক্ষেত্ৰত দ্ৰৌপদী মুৰ্মুৰ জয় নিশ্চিত। জিএছটি সম্পৰ্কে কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ লগত আলোচনা কৰি যদি হ্ৰাস কৰা সম্ভৱ হয় তেন্তে কৰিব বুলি কয়।

## শোণিতপুৰ জিলাতো মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ কাৰ্যসূচী শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ জুলাইঃ** ৰাজ্যৰ অনান্য জিলাৰ লগতে কালি শোণিতপুৰ জিলাতো মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। গুৰুত্বপূৰ্ণ থলুৱা উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণ, প্ৰাতিষ্ঠানিক চৌহদৰ নান্দনিক সৌন্দৰ্যবৰ্ধন আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰশমনত সামূহিক সজাগতাৰ জৰিয়তে কাৰ্বন ভাণ্ডাৰ বৃদ্ধি কৰাৰ দিশত এই কাৰ্যসূচী যোৱা কালি জনতা ভৱনত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুভাৰম্ভ কৰাৰ পাছত আজি শোণিতপুৰ জিলাত শুভাৰম্ভ কৰে উপায়ুক্ত দেৱকুমাৰ মিশ্ৰই। আজি তেজপুৰ বাটমাৰীস্থিত তেজপুৰ সন্মিলনী কেন্দ্ৰত জিলা উন্নয়ন আয়ুক্ত উৎপল বৰা, অতিৰিক্ত উপায়ুক্তদ্বয় ৰমী বৰুৱা, দ্যুতিভা বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক মাধুৰিমা দাস, সহকাৰী আয়ুক্ত নম্ৰতা দাস, কবিতা ফাংচো, বৰষা তালুকদাৰ, জিলা প্ৰশাসনৰ অনান্য বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত, জিলাৰ বন বিভাগৰ সহযোগত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। একেদৰে এই কাৰ্যসূচী জিলাখনৰ বিভিন্ন চৰকাৰী কাৰ্যালয়, পৰিষদ, নগৰীয়া স্থানীয় নিকায়-নিগম, শিক্ষানুষ্ঠানসমূহতো আয়োজন কৰা হৈছে। ১৮ জুলাইৰ পৰা ১৫ আগষ্টলৈ চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত ৰোপণ কৰা প্ৰতিটো গছপুলি Geo-tagging কৰি নিৰ্দিষ্ট প'ৰ্টেলত আপলড কৰা হ'ব আৰু সঠিক যতন লোৱাৰ লগতে নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে তিনি বছৰলৈ এইপুলিবোৰৰ Geo-tag কৰা ফটো আপলোড কৰি থাকিব লাগিব।


**ৰাজহ আইনৰ ১৯ নং ধাৰা অনুযায়ী**

অসম্পূৰ্ণ বাটোৱাৰা গোচৰ নং JOR/JORW/2021-22/16946/OPART

দৰ্খাস্তকাৰী :
শ্ৰীমতী মঞ্জু বৰুৱা, পিতাঃ প্ৰতাপ বৰুৱা
শ্ৰী অংশুমান বৰুৱা, পিতাঃ প্ৰতাপ বৰুৱা
শ্ৰী দেবাশীষ বৰুৱা, পিতাঃ মাধৱ বৰুৱা
পট্টাদাৰ :

১. শ্ৰী বাবুলা বৰা, পিতাঃ ˚ লোকেশ্বৰ বৰা
২. শ্ৰী দেবাশীষ বৰুৱা, পিতাঃ ˚ মাধৱ বৰুৱা
৩. শ্ৰীমতী মঞ্জু বৰুৱা, পিতাঃ প্ৰতাপ বৰুৱা
৪. শ্ৰী অংশুমান বৰুৱা, পিতাঃ প্ৰতাপ বৰুৱা
৫. শ্ৰী বাবুলা বৰা, পি-শ্ৰী লোকেশ্বৰ বৰা

যিহেতুকে সৰুচৰাই মৌজাৰ সৰ্ব্বাইবন্ধা গাওঁ গাৱঁৰ ২৩৫ নং থেৰাজ ম্যাদী পাট্টাৰ ১১১৩ নং দাগৰ অংশ ০ বিঘা ৪ কঠা ১৪.৫ লেছা মাটিত সম্পূৰ্ণ বাটোৱাৰা বিচাৰি দৰ্খাস্ত দাখিল কৰিছে আৰু সেই মৰ্মে এক বাটোৱাৰা গোচৰ এই আদালতত ৰেজিস্টাৰভুক্ত হৈছে।

এতেকে সৰ্বসাধাৰণক জনোৱা যায় যে, উক্ত বাটোৱাৰা গোচৰ সম্বন্ধে যদিহে কাৰোবাৰ কিবা আপত্তি থাকে তেনেহ'লে নিজে কিম্বা অধিবক্তাৰ দ্বাৰা ইং ১২/০৮/২০২২ পুৱা ১০.০০ বজাত এই আদালতত হাজিৰ হৈ দৰ্শাবহি। অন্যথাই বিচাৰ কৰি নিস্পত্তি কৰা হ'ব।

আজি ইং ১২/০৭/২০২২ তাৰিখে মোৰ চহী আৰু আদালতৰ মোহৰ দিয়া হ'ল।

**চক্ৰবিষয়া**
**যোৰহাট পশ্চিম ৰাজহ চক্ৰ**
**যোৰহাট**

Janasanyog /D/7910/22


## নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সংবাদ মেল

# আজি উন্মোচন হ'ব মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি

### অসমৰ বান সমস্যাৰ বাবে কেন্দ্ৰই ধন নিদিয়াটো দুৰ্ভাগ্যজনক, কেন্দ্ৰই ধন নিদিয়াত লজ্জা ঢাকিবলৈ কেন্দ্ৰৰ সহায় নালাগে বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে ঃ বৰদলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুলাই ঃ** অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ এগৰাকী অন্যতম কাণ্ডাৰী মিছনেৰী পণ্ডিত মাইলছ ব্ৰনছনৰ এটি প্ৰতিমূৰ্তি কাইলৈ নগাঁৱত উন্মোচন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তীৰ শুভক্ষণত জিলা সাহিত্য সভাৰ উদ্যোগত সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সাংসদ এলেকা উন্নয়ন পুঁজিৰে শিল্পী লক্ষ্যজিৎ বৰাই নগাঁও বাপ্টিষ্ট মিছনেৰী গিৰ্জাৰ প্ৰাংগণত নিৰ্মাণ কৰি উলিওৱা এই প্ৰতিমূৰ্তি উন্মোচনৰ লগতে এখনি উদ্যানো মুকলি কৰাৰ উপলক্ষে কাইলৈ উক্ত স্থানতে দিনৰ ১০.৩০ বজাত জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হ'ব। আজি নগাঁৱত এক সংবাদ মেলযোগে এই কথা সদৰী কৰি নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কয় যে ব্ৰিটিছ শাসন কালত নগাঁৱতেই অসমৰ প্ৰথম জিলা প্ৰশাসন স্থাপন হৈছিল। ১৮৩৬ চনৰ পৰা কিছু বছৰলৈ অসমীয়া ভাষাৰ সলনি প্ৰশাসনীয় কাম-কাজত বঙালী ভাষা প্ৰচলন হৈছিল। প্ৰশাসনীয় কাম-কাজত অসমীয়া ভাষা প্ৰতিষ্ঠা কৰিবৰ বাবে বহুকেইজন অসমীয়া লোকৰ লগতে আমেৰিকান মিছনেৰী মাইলছ ব্ৰনছনে চেষ্টা কৰিছিল। ১৮৪১ চনৰ পৰা নগাঁৱত থাকিবলৈ লোৱা মাইলছ ব্ৰনছনে অসমীয়া অভিধান প্ৰকাশ কৰিছিল। এই অভিধানখনত ১৪ হেজাৰ শব্দ আছে। তেওঁ লগতে কয় এইজন মহান ব্যক্তিয়ে কেতিয়াবাই স্বীকৃতি পাব লাগিছিল। এতিয়া নগাঁও জিলা সাহিত্য সভাৰ সহযোগত সাংসদ পুঁজিৰে মাইলছ ব্ৰনছনৰ এটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰি উলিওৱা হৈছে। কাইলৈ এই প্ৰতিমূৰ্তি ৰাইজৰ বাবে মুকলি কৰা হ'ব। এই উপলক্ষে হ'ব লগা অনুষ্ঠানত সাংসদ বৰদলৈয়ে সকলোৰে সহযোগিতা কামনা কৰিছে। এই উপলক্ষে হ'ব লগা মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ লগতে মুখ্য বক্তাৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰবক্তা প্ৰশান্ত দাস উপস্থিত থাকিব। একেটা অনুষ্ঠানতে বিশিষ্ট লেখক পৰাণ কুমাৰ বৰুৱাৰ 'মাইলছ ব্ৰনছন আৰু অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম', ড° থুনু কলিতাৰ 'আইতাৰ জোনাকী চোতাল আৰু তৰা জিলমিল', ড° দীনেশ হাজৰিকাৰ 'কৃষি ব্যৱস্থাপনা খাদ্য আৰু অনান্য', স্বপ্না কলিতাৰ 'দ্বাদশ জ্যোতি লিংগ আৰু সপ্তপুৰী' আৰু স্মৃতা কলিতাৰ 'ওপজা গাঁৱৰ চিনাকি ছবি' গ্ৰন্থকেইখন উন্মোচন হ'ব। সংবাদ মেলত জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই অংশগ্ৰহণ কৰে। ইপিনে, অসমৰ বান সমস্যাৰ সন্দৰ্ভত সাংসদ প্ৰদুৎ বৰদলৈয়ে সাংবাদিকৰ আগত কয় যে অসমৰ বান সমস্যাৰ সমাধান কেন্দ্ৰীয় চৰকাৰৰ সহায় অবিহনে সম্ভৱ নহয়। অসমৰ বান সমস্যাৰ বাবে কেন্দ্ৰই ধন নিদিয়াটো দুৰ্ভাগ্যজনক। কেন্দ্ৰই ধন নিদিয়াত চকু লজ্জা ঢাকিবলৈ কেন্দ্ৰৰ সহায় নালাগে বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বানপীড়িত ৰাইজক তিনি হাজাৰ টকাৰ সাহায্য, দুশ গ্ৰাম মিঠাতেল দিলেই অসমৰ বান সমস্যা সমাধান নহয়। অসমৰ বান সমস্যাক লৈ লোকসভাত দুখনকৈ জাননী দিয়াৰ কথাও সদৰী কৰে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে।


নং এচ.আৰ.কে. ১১৯/২০১৯/ ৬৭৩

**শুদ্ধৰণী**

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলোকে জনোৱা হয় যে, শোণিতপুৰ জিলাৰ গাওঁ প্ৰধান পদৰ ইংৰাজী ০৭-০৭-২০২২ তাৰিখৰ নিয়োগ বিজ্ঞাপন নং- এচ.আৰ.কে.১১৯/২০১৯/৬২৬ ৰ ক্ৰমিক নং ৯৭ ত নদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১২ নং গাওঁ প্ৰধান লাটৰ — নিজ বৰভগীয়া গাওঁৰ বিপৰীতে গাওঁ প্ৰধান পদৰ নিয়োগ বিজ্ঞাপন প্ৰকাশ পাইছিল। কিন্তু নিজ বৰভগীয়া গাওঁখন জামুগুৰি পৌৰ সভাৰ অন্তৰ্ভুক্ত হোৱাৰ বাবে, নিজ বৰভগীয়া গাওঁৰ গাওঁ প্ৰধান পদটো উঠাই লোৱা হয়। সেয়েহে, নদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১২ নং গাওঁ প্ৰধান লাটৰ — নিজ বৰভগীয়া গাওঁৰ গাওঁ প্ৰধান পদৰ নিয়োগ প্ৰক্ৰিয়া বাতিল কৰা হ'ল। লগতে ক্ৰমিক নং ৮০ ত চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৬ নং গাওঁ প্ৰধান লাটৰ বিপৰীতে গাওঁৰ নাম — বেৰাইজান আছিল যদিও প্ৰকৃততে খালি থকা গাওঁ প্ৰধানৰ গাওঁৰ নাম হ'ব — বেৰাজান আৰু ক্ৰমিক নং ৪ ত তেজপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৫ নং গাওঁ প্ৰধান লাটৰ বিপৰীতে মৌজাৰ নাম — ভৈৰৱপদ আছিল যদিও প্ৰকৃততে খালি থকা গাওঁ প্ৰধানৰ মৌজাৰ নাম হ'ব — বিহগুৰি।

**উপায়ুক্ত**
**শোণিতপুৰ, তেজপুৰ**

Janasanyog/D/7902/22

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২০ জুলাই ■ ২০২২ ■ ৩ শাওণ

# ৰাজধানী সম্প্ৰসাৰণ আৰু চৰকাৰৰ দায়িত্ব

ততাতৈয়াকৈ শ্বিলঙৰ ৰাজধানী স্থানান্তৰ কৰি অনাৰ পিছত সুদীৰ্ঘ কেইবা বছৰো অতিক্ৰম কৰাৰ পিছতো স্থায়ী এখন ৰাজধানী গঢ়ি তুলিব নোৱাৰাতো লজ্জাজনক। ইতিমধ্যে ৰাজ্যখনলৈ কেইবাখনো চৰকাৰৰ ৰাজত্ব হৈছিল যদিও কোনো এখন চৰকাৰেই ৰাজ্যখনত এখন স্থায়ী ৰাজধানী গঢ়ি তুলিব নোৱাৰিলে। বহুকেইখন চৰকাৰৰ অন্তত বিজেপি দলৰ দ্বিতীয়খন চৰকাৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে গুৱাহাটী মহানগৰ সম্প্ৰসাৰণ সিদ্ধান্ত ৰূপায়ণৰ বাবে তৎপৰ হোৱাত বিভিন্ন সংগঠনে প্ৰতিবাদ কৰিছে। চৰকাৰৰ সিদ্ধান্ত মতে শেহতীয়াকৈ জাগীৰোডৰ বৃহৎ এলেকালৈ সম্প্ৰসাৰণৰ কথাত ভূমিপুত্ৰ তথা জনজাতীয় লোকে প্ৰতিবাদ আৰম্ভ কৰিছে। কাৰণ চৰকাৰৰ এনে সিদ্ধান্তই জনজাতীয় লোকসকলক ভূমিহীন কৰিব আৰু তেওঁলোকক ভগনীয়াত পৰিণত কৰিব বুলি শংকিত আৰু ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব। ইমান দিনে জনজাতীয় লোকসকলে লাভ কৰি অহা ৰাজহ আইনৰ সকলো অধিকাৰ খৰ্ব হ'ব বুলি আশংকা। গুৱাহাটীৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰি জাগীৰোড, পলাশবাৰী, তামুলপুৰলৈকে সম্প্ৰসাৰণৰ আঁচনি গ্ৰহণ কৰিছে আৰু সেই অঞ্চলবোৰত অন্তৰ্ভুক্ত জনজাতীয় অঞ্চল ইয়াৰ অন্তৰ্ভুক্ত হ'ব আৰু মহানগৰ অঞ্চলক সু-পৰিকল্পিত ৰূপ দিয়াৰ আঁচনি গ্ৰহণ কৰিছে আৰু সেই অঞ্চলৰ জনজাতীয় লোকৰ উন্নয়নৰ উদ্দেশ্যও থাকিব। কিন্তু উন্নয়ন আঁচনিয়ে যাতে তেওঁলোকৰ ঘৰবাৰী, ভূমি আৰু ভূমি অধিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰিব নোৱাৰে তাক নিশ্চয়তা প্ৰদান কৰিব লাগিব কাৰণ আইন অনুসৰি তেওঁলোকে লাভ কৰি অহা সুৰক্ষা হেৰুৱাবলগীয়া হ'ব পাৰে। বিভিন্ন প্ৰলোভনেৰে তেওঁলোকক স্থানান্তৰিত কৰাৰ চেষ্টা থাকিব কিন্তু সেয়া গ্ৰহণযোগ্য নহ'ব। মন কৰিবলগীয়া কথাটো হৈছে শ্বিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ অনাৰ সময়ত হাজাৰ হাজাৰ পৰিয়ালে ভূমি এৰিবলৈ বাধ্য হৈছিল। অতি কম দামত ঘৰবাৰী-ভূমি এৰি ভিতৰুৱা ঠাইলৈ গৈ অধিক দৰিদ্ৰ হ'বলগীয়া হৈছিল। পুনৰ ৰাজধানী সম্প্ৰসাৰণৰ নামত যাতে জনজাতি লোকসকল প্ৰতাৰিত নহয়, সেই নিশ্চয়তা চৰকাৰে প্ৰদান কৰাটো ৰাইজে আশা কৰে। ইতিমধ্যে ট্ৰাইবেল সংঘ তথা অন্যান্য সংগঠনৰ সৈতে বিভাগীয় মন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছে আৰু তাত ভূমিৰ অধিকাৰ খৰ্ব কৰা নহ'ব বুলি আশ্বাস প্ৰদান কৰা হৈছে। আনকি ভূমি আইনৰ কোনো সাল-সলনি নকৰাকৈ ৰাজধানী ক্ষেত্ৰ সম্প্ৰসাৰণ কৰাৰ আশ্বাসো প্ৰদান কৰে। এনে ক্ষেত্ৰত জনজাতীয় লোকসকলে ভূমিৰ অধিকাৰ হেৰুৱাবলগীয়া নহয় তাৰ প্ৰতি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। ৰাজধানী সম্প্ৰসাৰণৰ বিষয়টোও স্পৰ্শকাতৰ। সেয়েহে অসম চৰকাৰে ৰাজধানী সম্প্ৰসাৰণৰ সিদ্ধান্ত ৰূপায়ণ কৰাৰ বাবে তৎপৰ হোৱটো স্বাভাৱিক। আনহাতে, বিভিন্ন সংগঠনৰ ওজৰ-আপত্তিৰ কথাও বিবেচনাযোগ্য। সেয়েহে সকলো আলোচনাৰ মাধ্যমেৰেহে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# দেশত আকাশলংঘী মূল্যবৃদ্ধি, এয়া কিহৰ সংকেত ?

এইটো হয় যে কেন্দ্ৰ আৰু ৰাজ্যত শাসনাধিষ্ঠিত এইখন চৰকাৰৰ ৰাজত্ব কালত দেশত প্ৰতিটো লাগতিয়াল বস্তুৰে মূল্যবৃদ্ধি আকাশলংঘী হ'বলৈ লৈছে। চাবলৈ গ'লে আজিৰ তাৰিখত বজাৰত এনেকুৱা এটা বস্তু নাই যাৰ মূল্য পূৰ্বৰ দৰেই অটুট হৈ আছে। সৰু-বৰ সকলোবোৰ দৈনন্দিন জীৱনত লাগতিয়াল সামগ্ৰীৰ এনেকুৱা মূল্যবৃদ্ধি হৈছে, যাৰ ফলত ৰাজ্যত বাস কৰা এইসকল খাটিখোৱা, দিন হাজিৰা কৰা শ্ৰেণীৰ লোকৰ নিজৰ নিজৰ পৰিয়াল পোহপাল দিয়াত নানান ধৰণৰ সমস্যাৰে আগবাঢ়িবলগীয়া হৈছে তাত কোনো সন্দেহ নাই। লক্ষণীয় তথা চিন্তনীয় বিষয় এইটোৱেই যে চৰকাৰে লোৱা হাজাৰ হাজাৰ কোটি টকাৰ ধাৰ পূৰাবলৈ সক্ষম নোহোৱা বাবেই চাগৈ ৰিজাৰ্ভ বেংকৰ তৰফৰ পৰা তীব্ৰ সকীয়নিৰ সন্মুখীন হ'ব লগা হৈছে। টকাৰ ঋণেৰে অভিলেখ ভংগ তথা পতন কৰি শাসনাধিষ্ঠিত চৰকাৰখনে সৰ্বসাধাৰণ জনতাৰ মূৰত ৰাম টাঙোন দিয়াৰ পৰিকল্পনা ইতিমধ্যে ৰচিছে আৰু হয়তো ক'ৰবাত নহয় ক'ৰবাত ই সফল ৰূপে পৰিগণিতও হৈছে। কিয়নো দেশত ৰন্ধন গেছসহ ইন্ধনৰ ঊৰ্ধ্বগামী মূল্যই সাধাৰণতে চাবলৈ গ'লে আগন্তুক সময়ছোৱাত ভাৰততো শ্ৰীলংকাসদৃশ পৰিৱেশ হোৱাৰ গ্ৰীন ছিগনেল দিয়াৰ দৰে অনুভৱ হয়। আমি দেশৰ শিক্ষিত নাগৰিক হিচাপে এইটো কেতিয়াও নিবিচাৰোঁ যে আমাৰ ভাৰতবৰ্ষত তেনেকুৱা দিন আহক বুলি কিন্তু সপক্ষে আৰু বিপক্ষে আলোচনা কৰিবলৈ গ'লে আচলতে বিপক্ষে বেছি ভাগ যুক্তি আমাৰ ওচৰত আহি পৰে এইখন চৰকাৰৰ বিৰুদ্ধে আৰু হয়তো সেইবাবেই আজি আমি দেশৰ সজাগ-সচেতন মহলে এনেদৰে মুক্ত মনে বিভিন্ন মাধ্যমযোগে আলোচনা কৰিবলৈ আগবাঢ়িছোঁ। আমি নিজৰ দেশৰ সদায় উন্নতি কামনা কৰোঁ কিন্তু ৰজাঘৰীয়াসকলে নিজৰ নিজৰ ক্ষুধা নিবাৰণৰ নিমিত্তে দেশৰ অৰ্থনৈতিক ব্যৱস্থাক ওপলুঙা তথা নিম্নগামী যাত্ৰাৰ মাজলৈ ঠেলি দিলে আমি কেনেকৈ তেওঁলোকৰ দোষবোৰ আঙুলিয়াই নিদিয়াকৈ বহি থাকোঁ, সেয়া সৰ্বসাধাৰণ জনতাই বিচাৰ কৰিব। উচিত সময় থাকোঁতে যদি চৰকাৰৰ বিষয়ববীয়া তথা হাইপ্ৰফাইল নেতাসকলে দেশৰ ভৱিষ্যতৰ কথা চিন্তা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ দিশত আগবাঢ়ে তেনেহ'লে হয়তো সকলোবোৰ সময়ৰ গতিত স্তব্ধ হৈ যাব পাৰে। কিন্তু ইয়াৰ বাবে একত্ৰিত হৈ আগবঢ়া উচিত আকোঁৰগোজ মনোভাব ত্যাগ কৰিবও লাগিব পাৰে।

■ **চন্দন কুমাৰ নাথ**
*ফোন ঃ ৯১৩২৮-৪৯৭২৬*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# বাংলাদেশৰ অৰ্থনীতি দ্ৰুত গতিত ঊৰ্ধ্বগামী হোৱাৰ কাৰণ কি ?



■ **অমল চন্দ্ৰ কোঁৱৰ**

বাংলাদেশ। এখন সৰু ৰাষ্ট্ৰ। যিখন দেশ আজি কিছু বছৰৰ আগলৈকে এখন অৰ্থনৈতিকভাৱে অতি দুৰ্বল দেশ আছিল। কিন্তু লাহে লাহে আজি বাংলাদেশৰ অৰ্থনীতি দ্ৰুতগতিত ঊৰ্ধ্বগামী হ'ব ধৰিছে। আমাৰ চুবুৰীয়া দেশ বাংলাদেশ ১৯৭২ চনত জন্ম হৈছিল। বাংলাদেশৰ অৰ্থনীতি যি দ্ৰুতহাৰত বৃদ্ধি পাইছে অৰ্থাৎ বাংলাদেশৰ জিডিপি (গ্ৰছ ডমেষ্টিক প্ৰডাক্ট) যেনেদৰে বৃদ্ধি পাইছে অতি সোনকালে বাংলাদেশ এছিয়াৰ ভিতৰত অৰ্থনীতিত এখন আগশাৰীৰ দেশত পৰিণত হ'ব। অতি সোনকালেই বাংলাদেশ এছিয়াৰ ভিতৰত এখন শক্তিশালী দেশত পৰিণত হ'ব। বাংলাদেশ লাহে লাহে অৰ্থনীতিত এখন শক্তিশালি দেশত পৰিণত হোৱাৰ বহুতো কাৰণ আছে। বাংলাদেশত বিকাশৰ হাৰ অৰ্থাৎ জিডিপি যদি একে থাকে অৰ্থাৎ আজিৰ গতিত চলি থাকে তেতিয়া অহা ২৫/৩০ বছৰৰ তেতিয়া বাংলাদেশ এখন উন্নত ৰাষ্ট্ৰত পৰিণত হ'ব। মন কৰিব লগা কথা যে ভূটান, ভাৰত, বাংলাদেশ, পাকিস্তান আদি এই ৰাষ্ট্ৰবোৰ উন্নয়নশীল ৰাষ্ট্ৰ হিচাপে পৰিচিত। এই ৰাষ্ট্ৰবোৰৰ কোনো এখন ৰাষ্ট্ৰই উন্নত ৰাষ্ট্ৰৰ শাৰীত থিয় হ'ব পৰা নাই কিন্তু এইকেইখন ৰাষ্ট্ৰৰ ভিতৰত বাংলাদেশেই অতি সোনকালেই এখন উন্নত ৰাষ্ট্ৰ হিচাপে পৰিণত হ'বলৈ গৈ আছে, যদিহে বাংলাদেশৰ বিকাশৰ হাৰ এইদৰেই অব্যাহত থাকে।

আজিৰ পৰা পাঁচ বছৰৰ পূৰ্বে ভাৰতীয় পঞ্চাশ পইচাৰ মূল্য আছিল বাংলাদেশৰ এক টকা আৰু ভূটানৰো আছিল একেই। কিন্তু আজি ভূটানৰ এক টকাৰ মূল্য ভাৰতৰ এক টকাৰ সমান হ'ল। অৰ্থাৎ ভাৰতৰ এটা টকাৰে ভূটান আৰু বাংলাদেশৰ দুই টকা কিনিব পৰা গৈছিল। কিন্তু এতিয়া ভূটানৰ এটা টকা কিনিবলৈ ভাৰতৰ এক টকাই লাগিব। ঠিক তেনেকৈ আজি কিছু বছৰৰ আগলৈকে ভাৰতৰ এটা টকাৰে বাংলাদেশৰ দুই টকা কিনিব পৰা গৈছিল। কিন্তু লাহে লাহে বাংলাদেশৰ জিডিপি অৰ্থাৎ গ্ৰছ ডমেষ্টিক প্ৰডাক্ট ঊৰ্ধ্বগামী হোৱাত এতিয়া বাংলাদেশৰ এক টকা কিনিবলৈ ভাৰতৰ অষ্টাশী পইচাৰ প্ৰয়োজন হ'ল আৰু মাত্ৰ বাৰ পইচা বৃদ্ধি হ'লেই ভাৰত, বাংলাদেশ আৰু ভূটান এই তিনিখন দেশৰ মুদ্ৰাৰ মূল্য সমান সমান হৈ পৰিব। ভাৰতৰ মুদ্ৰাৰ মূল্য ভূটানৰ লগত যেনেদৰে সমান হৈ গৈছে লাহে লাহে বাংলাদেশৰ মুদ্ৰাৰ মূল্যও সমান সমান হ'বলৈ গৈ আছে। এয়া বাংলাদেশৰ কাৰণে ভাল খবৰ কিন্তু ভাৰতৰ বাবে বেয়া খবৰ। সমগ্ৰ বিশ্ব অতিমাৰি অৰ্থাৎ মহামাৰী কৰ'নাৰ সময়তো কিন্তু বাংলাদেশৰ বিকাশৰ হাৰ কমা নাই। আমাৰ ভাৰতৰ দৰে এপ্ৰিল মাহৰ পৰা নতুন বিত্তীয় বৰ্ষ আৰম্ভ নহয়। বাংলাদেশৰ নতুন বিত্তীয় বৰ্ষ আৰম্ভ হয় জুলাই মাহৰ এক তাৰিখৰ পৰা। ২০২১ বৰ্ষৰ বিত্তীয় বৰ্ষত বাংলাদেশে আঠ শতাংশ বিকাশৰ হাৰ অব্যাহত ৰাখিব বুলি আই এম এফ আৰু বিশ্ব বেংকে কৈছে। বছৰটোত আঠ শতাংশ বিকাশৰ হাৰ কিন্তু কম নহয়। ১৯৭২ চনত জন্মলাভ কৰা বাংলাদেশ ২০০৬ চন পৰ্যন্ত একেবাৰেই বিপৰ্যস্ত আছিল। ২০০৫ চনত ভাৰত আৰু বাংলাদেশৰ জনমূৰি আয়তকৈ কিন্তু পাকিস্তানৰ জনমূৰি আয় বেছি আছিল। ইয়াৰ কাৰণ বহুতো। প্ৰধানত এখন জনবহু দেশ আৰু জনসংখ্যা কম থকা দেশৰ জনমূৰি আয়ৰ মাজত পাৰ্থক্য থাকিবই। কাৰণ দহ টকা এটা দহজনৰ মাজত ভগাবলৈ হ'লে দহ টকাকৈ পৰিব আৰু যদি বিশজনৰ মাজত ভগাব লগা হয় তেতিয়া পৰিব পঞ্চাশ পইচাকৈ। গতিকে জনসংখ্যাৰ তাৰতম্যৰ বাবে পাকিস্তানৰ লগত ভাৰতৰ জনমূৰি আয়ৰ তাৰতম্য আছিল। কিন্তু ২০০৫ চনৰ পাছত ভাৰত আৰু বাংলাদেশে পাকিস্তানক অতিক্ৰম কৰিবলৈ সক্ষম হৈছে আৰু এতিয়া পাকিস্তানৰ জনমূৰি আয় ভাৰততকৈ কম।

বাংলাদেশ কিন্তু ২০১০ চনৰ পাছৰ দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰলৈ আহিল ৮০ লাখ মানুহ। ইয়াৰ বিপৰীতে ভাৰতত ২০১০ চনৰ ভিতৰত দহ কোটি মানুহ দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰলৈ উঠিল। ভাৰতৰ জনসংখ্যা বাংলাদেশৰ তুলনাত বেছি আছিল। সেই ফালৰ পৰা চাবলৈ গ'লে বাংলাদেশত আশী লাখ মানুহ দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰলৈ অহাটো কিন্তু কম নহয়। ভাৰততকৈ বাংলাদেশ এখন সৰু দেশ। সেই হিচাপে বাংলাদেশৰ আশী লক্ষ মানুহ কিন্তু কম ফিগাৰ নহয়। ইয়াৰ বিপৰীতে বাংলাদেশৰ জনমূৰি আয়ো বৃদ্ধি পাবলৈ ধৰিলে।

বিশ্বত চলি থকা কৰ'না মহামাৰীৰ লকডাউনৰ বাবে ভাৰতত মুঠ ঘৰুৱা উৎপাদন অৰ্থাৎ জিডিপি দহ শতাংশলৈ সংকুচিত হ'ল। অৰ্থাৎ ভাৰতত ২০২০-২০২১ বিত্তীয় বৰ্ষত এই শতাংশ সংকুচিত হৈছে। লগতে এই মহামাৰীৰ বাবে ভাৰতৰ জনমূৰি আয় ১১.০২ শতাংশ কমিছিল। কিন্তু সেই একেই মহামাৰী কৰ'না চলি থকাৰ পিছতো বাংলাদেশত ৩.৮ শতাংশ বৃদ্ধি পাইছে ঘৰুৱা উৎপাদন। ইয়াৰ বিপৰীতে কিন্তু দেশখনৰ জনমূৰি আয় বৃদ্ধি পোৱা নাই। জনমূৰি আয় ভাৰততো কমিছে, বাংলাদেশতো কমিছে। ভাৰতবৰ্ষত জনমূৰি আয় কমিছে ১১.২ শতাংশ আৰু বাংলাদেশত জনমূৰি আয় কমিছে মাত্ৰ ২.৯ শতাংশ। জনমূৰি আয়ৰ তুলনা কৰা হয় মাৰ্কিন ডলাৰৰ ওপৰত। আই এম এফৰ হিচাব মতে বাংলাদেশৰ জনমূৰি উৎপাদনত কিন্তু অলপ ওপৰত আছে। আই এম এফৰ হিচাব অনুসৰি ভাৰতৰ জনমূৰি উৎপাদন ১,৭৭৭ টকা আৰু বাংলাদেশৰ জনমূৰি উৎপাদন কিন্তু ১,৮৮৮ ডলাৰ। কিন্তু মাৰ্কিন ডলাৰ ক্ৰয় কৰিব পৰা ক্ষমতা বাংলাদেশৰ ভাৰততকৈ কম। যাৰ কাৰণে ডলাৰৰ হিচাবত যদি তুলনা কৰা হয় তেতিয়া বাংলাদেশৰ জনমূৰি আয় কমি থাকিব কিন্তু যিদিনাই জনমূৰি আয় ভাৰতীয় হিচাবত নিৰূপণ কৰিবলৈ চেষ্টা কৰা হয় বা যদি কৰা হয় তেতিয়া কিন্তু বাংলাদেশ ওপৰত থাকিব।

বাংলাদেশৰ অৰ্থনীতি ওপৰলৈ যোৱাৰ প্ৰথম কাৰণ হৈছে বাংলাদেশত ৰেডিমেট কাপোৰ অধিক ৰপ্তানি। বাংলাদেশৰ জিডিপি শতকৰা পোন্ধৰ শতাংশ এই ৰেডিমেট পোছাকৰ পৰা আহে। বাংলাদেশ হৈছে পৃথিৱীৰ ভিতৰত ৰেডিমেট পোছাকৰ ৰপ্তানি কৰাৰ ক্ষেত্ৰত দ্বিতীয়। চীন হৈছে ৰেডিমট পোছাক ৰপ্তানি কৰা প্ৰথম দেশ। বাংলাদেশে এই গতিত অৰ্থাৎ বৰ্তমান যি হাৰৰ ৰেডিমট পোছাক ৰপ্তানি কৰি আছে ঠিক তেনেদৰে ৰপ্তানি কৰি থাকিলে আৰু কম দিনৰ ভিতৰত চীনকো চেৰ পেলাবলৈ সক্ষম হ'ব। এইখিনিতে উল্লেখ কৰা ভাল যে বাংলাদেশে ৰপ্তানি কৰা সকলোবোৰ বস্তুৰ ভিতৰত আশী শতাংশই হৈছে এই ৰেডিমেট পোছাক। এতিয়া অসমতো বাংলাদেশৰ পৰা অহা ৰেডিমেট পোছাকেৰে বজাৰ ভৰি পৰিছে। বিশ্বৰ প্ৰায় ত্ৰিশ শতাংশ মানুহে বাংলাদেশত প্ৰস্তুত কৰা ৰেডিমেট পোছাক পিন্ধে। বাংলাদেশত সৰু সৰু মেচিনত পোছাক চিলাই আৰু এই সৰু-বৰ পোছাক চিলোৱা উদ্যোগবোৰত বহু কৰ্মচাৰী নিয়োজিত হৈ আছে। এই উদ্যোগবোৰত মহিলাৰ সংখ্যা অধিক। বাংলাদেশৰ এই পোছাক চিলোৱা উদ্যোগবিলাকত লাখ লাখ নিবনুৱা সংস্থাপিত হৈ আছে। বাংলাদেশৰ মুঠ ঘৰুৱা উৎপাদন অৰ্থাৎ জিডিপিৰ মুঠ পোন্ধৰ শতাংশ এই পোছাক ৰপ্তানিৰ পৰা আহে। ই কিন্তু কম কথা নহয়।

বাংলাদেশৰ জিডিপি ইমান ওপৰলৈ যোৱাৰ আন এটা কাৰণ হ'ল— বাংলাদেশত কৰ্মক্ষম যুৱ বাহিনী। বাংলাদেশত থকা ডেকা শক্তিটোৱে এতিয়া উৎপাদনত অধিক গুৰুত্ব দিছে। বাংলাদেশৰ মুঠ জনসংখ্যাৰ পঁচিশ শতাংশই ডেকা শক্তি। যিটোৱে ইমান সক্ৰিয়ভাৱে দেশখনত কাম কৰি আছে। বাংলাদেশৰ কোটি কোটি মানুহৰ দেশখনত এতিয়া পঁচিশ বছৰৰ তলৰ সংখ্যা মানুহৰ সংখ্যা হ'ল আধা। অৰ্থাৎ দেশখনৰ আধা মানুহেই যুৱ শক্তি। বাংলাদেশৰ জনসংখ্যাৰ হাৰ পাকিস্তানৰ জনসংখ্যাৰ হাৰতকৈ কম। বাংলাদেশৰ এই যুৱ শক্তিটোৱে অতি কম দিনৰ ভিতৰতেই যিকোনো প্ৰশিক্ষণ সোনকালেই আয়ত্ত কৰে আৰু ই পাছত কামত লগায়। বাংলাদেশৰ এই গতিশীল যুৱ শক্তিৰ বাবেই দেশখনৰ অৰ্থনীতি ঊৰ্ধ্বগামী হৈছে। দেশখনৰ যুৱশক্তিটোৱেও দেশৰ অৰ্থনীতি ঊৰ্ধ্বগামী হোৱাত অৰিহণা যোগাইছে।

বাংলাদেশৰ অৰ্থনীতি ঊৰ্ধ্বগামী হোৱাৰ আন এটা প্ৰধান কাৰণ হ'ল ডিজিটেল বাংলাদেশ। আমাৰ দেশতটো ডিজিটেল কথা কোৱা হৈছে যদিও কিন্তু কাৰ্যালয়বিলাকত এতিয়াও কেছ লেনা-দেনাৰ প্ৰথা চলি আছে। আমাৰ দেশৰ জনসাধাৰণে এতিয়াও ডিজিটেল লেনা-দেনাৰ অৰ্থ ভালদৰে বুজি পোৱা নাই। যাৰ বাবে চৰকাৰে ক'লেও জনসাধাৰণে কথাটোত গুৰুত্ব দিয়া নাই। বাংলাদেশত কিন্তু এই ডিজিটেল লেনা-দেনাত সকলোৱে গুৰুত্ব দিছে। দেশৰ অৰ্থনৈতিক উন্নয়নত ডিজিটেল বাংলাদেশ যথেষ্ট আগবঢ়া। আমাৰ দেশত ৰে'ল ষ্টেচনতেই হওক বা চৰকাৰী অফিচবিলাকতেই হওক ক'তো কিন্তু পঞ্চাশ শতাংশও এই ডিজিটেল লেনা-দেনা এতিয়াও হোৱা নাই। তথ্য-প্ৰযুক্তিত এতিয়া বাংলাদেশ অন্যতম শক্তিশালী ৰাষ্ট্ৰ। উল্লেখ কৰা ভাল যে বাংলাদেশত মুক্তভাৱে অৰ্থাৎ কোনো কোম্পানীত কাম নকৰাকৈ মুক্তভাৱে ছয় লাখতকৈও অধিক লোক আই টি চেক্টৰত কাম কৰি আছে। বাংলাদেশে সেই বাবেই ডিজিটেল লেনা-দেনাত অধিক গুৰুত্ব দিয়ে। ২০১৯ চনৰ হিচাব অনুসৰি সমগ্ৰ দক্ষিণ এছিয়াৰ ডিজিটেল লেন-দেনৰ হাৰ আছিল ২৭.৮ শতাংশ কিন্তু বাংলাদেশত অকলেই ডিজিটেল লেন-দেনৰ হাৰ আছিল ৩৪.১ শতাশ। এই তথ্যৰ পৰা দেখা যায় যে সমগ্ৰ দক্ষিণ এছিয়াতকৈও বাংলাদেশত ডিজিটেল লেন-দেনৰ সংখ্যা বেছি। আনহাতে, বাংলাদেশত সক্ৰিয় বেংক একাউণ্টৰ সংখ্যা ভাৰতকৈ বহুত বেছি। ভাৰতত প্ৰতি এশটা বেংক একাউণ্টৰ ভিতৰত আঠছল্লিচটা বেংক একাউণ্ট নিষ্ক্ৰিয়। কিন্তু ইয়াৰ বিপৰীতে বাংলাদেশত মাত্ৰ দহ শতাংশ অৰ্থাৎ প্ৰতি এশ বেংক একাউণ্টৰ ভিতৰত মাত্ৰ দহটাহে নিষ্ক্ৰিয় বেংক একাউণ্ট আছে। আমাৰ দেশত নিষ্ক্ৰিয় বেংক একাউণ্ট বেছি আৰু বাংলাদেশত সক্ৰিয় বেংক একাউণ্টৰ সংখ্যা বেছি। এই কামবোৰৰ বাবেই বাংলাদেশত জিডিপি ক্ৰমান্নয়ে ওপৰলৈ উঠি আহিছে।

*ফোন ঃ ৭০০২৯-২৬০৭০*

(পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈদেৱৰ জন্মদিন উপলক্ষে)

# বিদ্যালয়ৰ পুথিভঁৰালবোৰ গ্ৰাম্য পুথিভঁৰাললৈ ৰূপান্তৰ কৰোঁ আহক

■ **ব্ৰজেন জীৱন**



সংস্কৃত পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱৰ জন্ম হৈছিল ১৮৯৮ চনৰ ২০ জুলাই তাৰিখে যোৰহাটত। তেখেত একেধাৰে ন বছৰ ধৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দৰে পদত অধিষ্ঠিত হৈ আছিল। ভাষা-সাহিত্যৰ ওপৰত কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ লিখি বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰা এইজনা মহান পুৰুষৰ ১২৪সংখ্যক জন্মদিনটোক অসম চৰকাৰে পঢ়ুৱৈ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ এই বছৰো প্ৰতিখন বিদ্যালয়কে বিভাগীয়ভাৱে নিৰ্দেশনা জাৰি কৰিছে। প্ৰণিধানযোগ্য যে অসমত প্ৰায় ৪৫,০০০ চৰকাৰী প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় থকাৰ বিপৰীতে প্ৰায় ৪,০০০ উচ্চ মাধ্যমিক বিদ্যালয় আছে। এই বিদ্যালয়বোৰত একোটাকৈ পুথিভঁৰাল আছে বুলি চৰকাৰে ধৰি লৈ বছৰে বছৰে গ্ৰন্থও যোগান ধৰি আহিছে। অসমৰ শিক্ষা ব্যৱস্থাত সৰ্বশিক্ষা অভিযান আৰু শেহতীয়াকৈ সমগ্ৰ শিক্ষা অভিযান মিছন অহাৰ পিছত চৰকাৰী বিদ্যালয়বোৰত গ্ৰন্থ যোগান ধৰা বা গ্ৰন্থ ক্ৰয়ৰ নামত ধন মুকলি দিয়াৰ এটা প্ৰক্ৰিয়া আৰম্ভ হ'ল। এই প্ৰক্ৰিয়াৰ যোগেদি বিদ্যালয়বোৰত গ্ৰন্থ যোগান ধৰি আহিছে ঠিকেই, কিন্তু গ্ৰন্থ ৰাখিব পৰাকৈ একোটা কোঠা আছেনে নাই তাৰ ওপৰত কিন্তু একেবাৰে নজৰ দিয়া দেখা পোৱা নাযায়। প্ৰকৃত সত্য এই যে অসমৰ বিদ্যালয়বোৰৰ সৰহসংখ্যক বিদ্যালয়তে পুথিভঁৰালৰ কোঠা আৰু উপযুক্ত আলমিৰা নথকাত পুথিভঁৰালৰ মৰ্যাদা বিনাশ হৈছে। ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ৰ পুথিভঁৰাল প্ৰহসনত পৰিণত হৈছে। চৰকাৰে শীঘ্ৰে গ্ৰন্থাগাৰ বিধি অনুসৰি বিদ্যালয়বোৰত পুথিভঁৰালৰ বাবে সুকীয়া একোটা কোঠা নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে। পুথি ৰখাৰ বাবে আচবাব যোগান ধৰিব লাগে আৰু বাতৰি কাকত-আলোচনী আদি বিদ্যালয়বিলাকলৈ নিয়মীয়াকৈ যোগান ধৰিব লাগে। তেতিয়াহে জীৱিত গ্ৰাম্য পুথিভঁৰালবোৰৰ দৰে বিদ্যালয় পুথিভঁৰালবোৰেও গ্ৰাম্য পুথিভঁৰাল হিচাপে ছাত্ৰ-ছাত্ৰীক পঢ়াৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে এখন পঢ়ুৱৈ সমাজ গঢ়াত সহায় কৰিব। আৰু গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে পুথিভঁৰালৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব আৰু গ্ৰাম্য ৰাজহুৱা পুথিভঁৰালবোৰক প্ৰাণ দিবলৈ উঠি-পৰি লাগিব। আৰু তেতিয়াহে শৃংখলাহীন যুৱ-মানসিকতাৰ মেৰপেঁচৰ পৰা উঠি অহা যুৱকচাম মুক্ত হ'ব। এইখিনিতে এটা কথা নক'লে অৱশ্যে নিজকে দোষী যেন লাগিব। সকলোৱে জানে যে আজিৰ তাৰিখত ছাত্ৰ-ছাত্ৰীৰ বাবে পুথিভঁৰালত ঘণ্টাজুৰি বহি কিতাপ পঢ়িবলৈ সময়ৰ একেবাৰে অভাৱ। আনহাতে, আমাৰ অভিভাৱকসকলেও নিজৰ ল'ৰা-ছোৱালীক কিমান সময় দিব পাৰিছোঁ? পুৱাতেই এটা বেগত এবোজা কিতাপ ভৰাই দি বিদ্যালয়লৈ পঠিয়াই দিয়াৰ পিছত আবেলিলৈ আকৌ প্ৰাইভেট টিউচন। ভাৰ্চুৱেল জগতখনৰ কথা নক'লোৱেই যেনিবা। ছাত্ৰ-ছাত্ৰীক আমি কি কৰিবলৈ গৈ আছো বাৰু? এইবাৰ অসম উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰথম টপাৰ ধৃতিৰাজৰ অভিজ্ঞতাৰ কথা আমি নিশ্চয় শুনিছো। ধৃতিৰাজেও বাহিৰা কিতাপ অধ্যয়ন কৰিছিল। অৱশ্যে পুথিভঁৰালত ঘণ্টাজুৰি বহি বাহিৰা কিতাপ অধ্যয়ন কৰা নাছিল। কিন্তু কলেজৰ পুথিভঁৰালৰ পৰা কিতাপ আনি ঘৰত পঢ়িছিল। পুথিভঁৰালে ধৃতিৰাজক প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে সহায় কৰিছিল। সেয়েহে আমাক পুথিভঁৰাল লাগিব। সি লাগিলে গ্ৰাম্য পুথিভঁৰালেই হওক বা বিদ্যালয়ৰ পুথিভঁৰালেই হওক। ভাৰতৰ প্ৰায়বোৰ ৰাজ্যতে গ্ৰন্থাগাৰ বিধি আছে। আমাৰ ৰাজ্যত এই বিধি আছে নে নাই আমি নাজানো। আমাৰ ৰাজ্যৰ গাতে লাগি থকা পশ্চিমবংগত সেই বিধি অনুসৰি আজি গাঁৱে-ভূঞে পুথিভঁৰাল স্থাপন কৰি এখন সভ্য সমাজ গঢ় দিবলৈ চৰকাৰে প্ৰয়াস কৰিছে। বিদ্যালয়বোৰত আটক-ধুনীয়াকৈ পুথিভঁৰাল সাজি দিছে। আমি আশা কৰিম অসমত পুথিভঁৰাল বিধি প্ৰণয়ন কৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ দৰে অসমৰ মৃতপ্ৰায় পুথিভঁৰালবোৰ জীৱিত কৰি তোলাৰ লগতে বিদ্যালয়বোৰত থকা পুথিভঁৰালবোৰ সুন্দৰকৈ সজাবলৈ আগ্ৰহ প্ৰকাশ কৰিব। ইয়াৰ বাবে চৰকাৰে পুথিভঁৰাল গৃহ নিৰ্মাণৰ বাবে টকাৰ যোগান ধৰাৰ উপৰি নিয়মীয়াকৈ কিতাপ-পত্ৰ, বাতৰি কাকত-আলোচনী কিনিবলৈ অৰ্থৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। গাঁৱে-ভূঞেও থকা জনপ্ৰতিনিধিসকলেও পুথিভঁৰালৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি আঁচনি প্ৰস্তুত কৰিব লাগে। তেতিয়াহে আমাৰ গাঁৱৰ বিদ্যালয়বোৰৰ পুথিভঁৰাল, গাঁৱৰ অধুনালুপ্ত পুথিভঁৰালবোৰ জী উঠাৰ লগতে জাকত-জিলিকা অনুষ্ঠান হিচাপে গাঁওখনত জিলিকি উঠিব, গাঁওখনত শিক্ষিতৰ হাৰ বৃদ্ধি হ'ব, লেখকৰ সংখ্যা বাঢ়িব আৰু গাঁৱৰ উন্নতি হ'লে দেশৰ উন্নতি হ'ব। আহক আজি আমি সকলোৱে পঢ়ুৱৈ দিৱসৰ দিনা আমাৰ বিদ্যালয়, আমাৰ গাঁৱৰ পুথিভঁৰালটি সুন্দৰকৈ সজাম বুলি সংকল্প লওঁ।


*ফোন ঃ ৮৬৩৮৭-৫৯৬৭৯*

# মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ বৰ্তমান

লোক-সংস্কৃতি এখন বন্ধ দুৱাৰ নহয়, ই হৈছে বোৱঁতী নদী। সময়ৰ সোঁতত নতুন নতুন উপাদানে সংস্কৃতিক গৰকাতো এক স্বাভাৱিক কথা। কিন্তু নতুন উপাদানে যদি সংস্কৃতিৰ শিপাক খামুচি ধৰে তেতিয়া সেই নতুনত্বৰ প্ৰশ্ৰয়ে সংস্কৃতিক ধ্বংস কৰে, যি কেতিয়াও কাম্য নহয়। সত্ৰীয়া পৰম্পৰাৰ প্ৰাণকেন্দ্ৰ হৈছে মাজুলী। শংকৰী সংস্কৃতিৰ উচ্চ আসনে মাজুলীক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন হৈছে বাৰেৰহণীয়া সংস্কৃতিৰ মেটমৰা ভঁৰাল। মাজুলীৰ ইমূৰৰ পৰা সিমূৰলৈ শ্ৰাব্য হোৱা গীত-মাত, খোল-তাল, নাচ-গান, ভাওনা- সবাহ, অদূৰৰ মিছিং গাঁৱৰ পৰা ভাহি অহা ঐনিতমৰ সুৰ, গাঁৱে-ভূঞে, সদায় পুৱা-গধূলিৰ মহাপুৰুষৰ নাম-কীৰ্তন ইত্যাদিয়ে জনজীৱন মুখৰ কৰি ৰাখে। তদুপৰি বসন্তৰ বোকা খেলে লোকৰীতি আৰু পৰম্পৰাৰ মাজেৰে বিশেষ মাত্ৰা বহন কৰি আহিছে। বৈষ্ণৱসকলে গাত হালধি সনাৰ পৰা, পুৱাৰ নীতি-নিয়ম, পৰম্পৰাগত খেল-ধেমালিৰে সমূহীয়া নৈ-বিলত স্নান কৰি মাজুলীবাসীয়ে আধ্যাত্মিকতাৰে সৰ্বমংগলৰ কামনা কৰে। শংকৰী সংস্কৃতিৰ দিশৰ পৰা পৰ্যবেক্ষণ কৰিলে দৃষ্টিগোচৰ হয় যে মাজুলীৰ সত্ৰসমূহত বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ প্ৰতিভাত হোৱাৰ লগতে উচ্চ সাহিত্যিক জ্ঞান, মূল্যৰে পৰিপূৰ্ণ হৈ আছে। গুৰুত্বপূৰ্ণ কথা যে সত্ৰসমূহে সাত্তিক পৰম্পৰাৰে ৰঙালী উদ্‌যাপন কৰি, স্পন্দনে মন-প্ৰাণ ৰঙীণ কৰি তোলে। শংকৰী সংস্কৃতিৰ অনবদ্য অৱদান 'মুখা শিল্প'ও বৰ্তমান বিশাল পৰিধিৰ আদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সময়ৰ গতি আৰু সমন্বয়ৰ ধৰ্ম লৈ সংস্কৃতিয়ে যোগ-বিয়োগৰ ৰীতি মানি চলে। মাজুলীবাসীও এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। সত্ৰীয়া নৃত্যই ২০০০ চনত ধ্ৰুপদী নৃত্যৰূপে স্বীকৃতি পোৱাৰ পিছত বহুখিনি পৰিৱৰ্তন পৰিলক্ষিত হৈছে। সত্ৰীয়া পৰম্পৰাৰ যি বিশ্বব্যাপী পৰিৱেশন, সেয়া সত্ৰীয়া সংস্কৃতিৰ বিকাশৰ বাবে তথা অগ্ৰগতিৰ বাবে অত্যন্ত প্ৰয়োজনীয় আৰু এইক্ষেত্ৰত পৰিৱেশকসকল নিশ্চয়কৈ সাফল্যমণ্ডিত। যোগাত্মক দৃষ্টিভংগীৰে সকলোৱে সন্মুখত প্ৰকাশিত হোৱা এই বোৱঁতী নদীখন কিছু ক্ষেত্ৰত এককৰৈখিক হ'লেও মুক্ত। 'সাংস্কৃতিক আন্তঃ আদান-প্ৰদান প্ৰক্ৰিয়া' যে এই মুক্ত নদীখনৰ সান্নিধ্য লাভ কৰিব, সেয়া নিশ্চয়কৈ নুই কৰিব নোৱাৰি। বৰ্তমান নিশ্চিতৰূপে সমন্বয় আৰু সমাহাৰৰ সময়ত এই কথা বিশ্লেষণযুক্ত যে তদ্ৰূপ সাংস্কৃতিক গুণবিশিষ্ট সংক্ৰমিত, প্ৰব্ৰজিত সংস্কৃতিৰ পৰশত যাতে স্বকীয় বৈশিষ্ট্য আৰু সমল ৰক্ষা পৰে সেই বিষয়ে সত্ৰীয়া সংস্কৃতিৰ সাধকসকলে আগন্তুক দিনত পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিব লাগিব। মাজুলীৰ সত্ৰীয়া সংস্কৃতিয়ে ক্ৰিয়াত্মক তথা প্ৰকাৰ্যাত্মক পদ্ধতিৰে যি ঐতিহাসিক বাস্তৱতা, আদৰ্শগত ভাব জনসমাজত প্ৰচলিত কৰি ৰাখিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। এই সত্ৰীয়া সংস্কৃতি অসমীয়া সমাজ জীৱনৰ হৃদয় স্পন্দন। নৱ-প্ৰজন্মৰ ভূমিকা এই দিশত কি হ'ব সেয়া পুনৰ নতুনকৈ কোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। কিন্তু এচাম যুৱ-প্ৰজন্মৰ অন্ধ তথা ভ্ৰান্ত আধুনিকতাবাদ, পশ্চিমীয়াকৰণ ধাৰণাটোৰ দিশে যি আসক্তি সেয়া চিন্তনীয় বিষয় আৰু সেই আসক্তিৰ কবলত যে সত্ৰীয়া সংস্কৃতিয়ে জীৱিত নৱৰূপ পাব তাৰ সম্ভাৱনীয়তা ন্যূনতম আৰু উদ্বিগ্ন। সেইসকলৰ পৰা সংস্কৃতিৰ সংৰক্ষণৰ আশা কৰাটো ভুল হ'ব। গতিকে স্বকীয় বৈশিষ্ট্যপূৰ্ণ, উচ্চ প্ৰাচুৰ্য বিদ্যমান এই সংস্কৃতি জীয়াই ৰাখিবৰ কাৰণে উপযুক্ত শিক্ষা, পৰিৱেশ গঠন কৰাটো ঘৰ, বিদ্যালয়ৰ লগতে সমাজৰ প্ৰতিজন মানুহৰে দায়িত্ব।

■ **হিৰকজ্যোতি হাজৰিকা**
*ফোন ঃ ৯৮৬৪৮-৯৭১৮৮*

# COPD আৰু ইয়াৰ প্ৰধান চিকিৎসা পদ্ধতি




মানুহৰ পৰিৱৰ্তিত জীৱনশৈলীত বিভিন্ন জলবায়ুৰ সন্মুখীন হ'বলগীয়া হয়। যাৰ বাবে কিছুমান ৰোগ যেনে- কাহ, চৰ্দি, জ্বৰ বতৰৰ কাৰণেও হ'ব পাৰে। অৱশ্যে তাৰ ভিতৰত কোনো কোনো ৰোগ দীঘলীয়া সময়ৰ বাবে হ'লেও জটিল ৰোগৰ কাৰণ হ'ব পাৰে। উদাহৰণ স্বৰূপে COPD (Chronic Obstructive Pulmonary)য়ো প্ৰথম অৱস্থাত কাহ হৈ বায়ু প্ৰৱাহ অৱৰোধ কৰি উশাহ-নিশাহৰ সমস্যা সৃষ্টি কৰা হাঁওফাঁওজনিত এটি ৰোগ। যাৰ ফলত বায়ু প্ৰৱাহ বাধাগ্ৰস্ত হয়। সাধাৰণতে, এই ৰোগত ৪০/৫০ বয়সৰ ব্যক্তি বেছি আক্ৰান্ত হয়। দৰাচলতে COPDৰ ফলত হোৱা এম্ফিচেমা আৰু দীৰ্ঘম্যাদী ব্ৰংকাইটিছ আটাইতকৈ সচৰাচৰ স্থিতি, গতিকে ইয়াৰ লক্ষণসমূহ হ'ল—

— উশাহ লোৱাত অসুবিধা।
— বুকু টান হোৱা।
— দীৰ্ঘদিন ধৰি কাহ হৈ কাহৰ লগত পৰিষ্কাৰ বগা, হালধীয়া বা সেউজীয়া কফ বাহিৰ হোৱা।
— সঘনাই শ্বাসতন্ত্ৰৰ সংক্ৰমণ
— শক্তিৰ অভাৱ হোৱা।
— অনিচ্ছাকৃতভাৱে ওজন হ্ৰাস (পিছৰ পৰ্যায়ত)।
— গোৰোহা, ভৰি ফুলি যোৱা ইত্যাদি।

সাধাৰণতে, সময়ৰ লগে লগে ইয়াৰ অৱস্থা গুৰুতৰ হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত কিছুমান কাৰকৰ প্ৰতি জনাটো প্ৰয়োজনীয়। সেই অনুসৰি— ১) COPDৰ মুখ্য কাৰণৰ ভিতৰত ধূমপান বা চিগাৰেটৰ ধোঁৱা বহু বছৰ ধৰি সংস্পৰ্শলৈ অহাৰ ফলত হয়। ২) ঠিক একেদৰে ধূলি বা ৰাসায়নিক পদাৰ্থৰ সংস্পৰ্শলৈ অৰ্থাৎ কয়লা, সোণৰ খনি বা কপাহ উদ্যোগৰ সৈতে জড়িত ব্যক্তিসকলৰ এই ৰোগত আক্ৰান্ত হোৱাৰ বেছি সম্ভাৱনা থাকে। ৩) কেতিয়াবা বংশানুক্ৰমিকভাৱেও হ'ব পাৰে। ৪) ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পাই হাঁওফাঁও কেতিয়াবা ফুলিলেও হোৱাৰ আশংকা থাকে।

**চিকিৎসা ঃ** COPD প্ৰথম চিকিৎসা হিচাপে ৰোগীৰ লক্ষণ, পৰ্যায়ক্ৰমে চিকিৎসা কৰা হয়। প্ৰাৰম্ভিক পৰ্যায়ত শ্বাস-প্ৰশ্বাসৰ (Inhale) জৰিয়তে ব্ৰকংডাইলেটৰ, কটিক ষ্টেইৰডৰ দৰব দিয়া হয়। যাতে ঠিক (narrow) বা ফুলি যোৱা বায়ু নলী খোল খায়। তাৰ লগতে দিয়া কিছুমান এণ্টিবায়টিক বেক্টেৰিয়া, ভাইৰাচৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে। তাৰ পিছতে পালমোনাৰী ৰিহেবিটেশ্বন আৰু অক্সিজেন থেৰাপীৰ সহায় ল'বলগীয়া হয়। দৰাচলতে পালমোনাৰী ৰিহবিটেশ্বন এনে কিছুমান ব্যায়াম কৰা হয়, যাতে শৰীৰত অক্সিজেনৰ মাত্ৰা আৰু শ্বাস-প্ৰশ্বাস উন্নত কৰা হয়। এই ব্যায়ামসমূহে হাঁওফাঁওৰ লগতে হৃদযন্ত্ৰ তথা শৰীৰৰ স্থিৰতা বৃদ্ধি কৰি ৰোগীজনৰ ৰক্তচাপ, মাংসপেশী আৰু গাঁঠিসমূহৰ শক্তি অনাৰ লগতে উদ্বেগ ভাবৰ পৰা আঁতৰাই মানসিকভাৱে শক্তিশালী কৰি তোলে। প্ৰকৃততে, COPD ৰোগত আক্ৰান্ত ৰোগীক PRE (Rated Perceived exestion) স্কেলৰ সহায়ত ব্যক্তিজনে কিমান ব্যায়াম কৰিবলৈ সক্ষম তাক নিৰূপন কৰা হয়। ইয়াৰ ০ৰ পৰা ১০লৈকে কিছুমান মান থাকে আৰু সেই অনুযায়ী শ্বাস-প্ৰশ্বাসৰ ব্যায়াম আৰম্ভ কৰিবলৈ দিয়া হয়। সেইসমূহ— ক) প্ৰথমে ৰোগীজনে নাকেৰে ২ ছেকেণ্ডৰ বাবে উশাহটো লৈ লাহে লাহে মুখেৰে ৪ ছেকেণ্ডৰ বাবে উশাহ এৰি দিব লাগে। খ) ঠিক একেদৰে, ৰোগীজনে ওপৰমুৱাকৈ শুই এখন হাত বুকু আৰু আনখন হাত পেটত থৈ নাকেৰে উশাহ লৈ মুখেৰে এৰাৰ চেষ্টা কৰিলে বুকুৰ মাংসপেশী শক্তিশালী হয়। গ) তাৰ সমান্তৰালকৈ শুই বা বহি ৰোগীজনে কিমান উশাহ ল'ব পাৰিছে অথবা বেছি গাঢ়তাৰে ল'ব পাৰিছেনে তাক ফিজিঅ'জনে নিৰীক্ষণ কৰে। ঘ) একেদৰে নাকেৰে দীঘল উশাহ লৈ কিছু সময় ধৰি হাত দুখনেৰে বাঁও বা সোঁফাললৈ কান্ধটো ঘূৰাবলৈ চেষ্টা কৰা হয়। ঙ) তাৰ উপৰি ইন্‌টেনছিফ ৰেচপেনটৰী স্পাইৰোমেটী নামৰ আহিলাৰ সহায়ত তাৰ ভিতৰত থকা ৩টা বল উশাহৰ সহায়ত উঠাবলৈ ৰোগীক দিলে কফ বাহিৰ হোৱাৰ লগতে বায়ুৰ নলী মসৃণ হয়। এইসমূহৰ উপৰি বুকুখন পাতল তথা শ্লেষ্মা শিথিল কৰিবলৈ বিভিন্ন ফিজিঅ'থেৰাপীৰ প্ৰক্ৰিয়া ব্যৱহাৰ কৰা হয়। অৱশ্যে, COPDয়ে ক্ৰমান্বয়ে যদি জটিল ৰূপ ধাৰণ কৰে, তেতিয়া কেতিয়াবা অস্ত্ৰোপচাৰ পৰ্যায়লৈ যোৱা দেখা যায়।

**ল'ব লগা সাৱধানতা ঃ**

— চিগাৰেট, ধূমপানৰ পৰা সম্পূৰ্ণ আঁতৰি থাকক।
— বায়ু প্ৰদূষণ হ'ব পৰা অঞ্চলসমূহৰ পৰা আঁতৰি থকাটো প্ৰয়োজনীয়।
— নিয়মিত ঔষধ, শ্বাস-প্ৰশ্বাসৰ ব্যায়ামসমূহ কৰক।
— সন্তুলিত আহাৰ, টোপনি নিয়মীয়াকৈ মৰাৰ চেষ্টা কৰক।

■ **ডাঃ দীপজ্যোতি শৰ্মা (পি টি)**
*ফোন ঃ ৬০০০৩-৪২৩৫৩*

# চৰকাৰৰ অৱহেলাত মধুপুৰ সত্ৰৰ ভৱিষ্যৎ অন্ধকাৰ

## সত্ৰাধিকাৰৰ মন্তব্যত প্ৰতিক্ৰিয়া সত্ৰ সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ইহলীলা সম্বৰণথলী পশ্চিমবঙ্গৰ কোচবিহাৰত অৱস্থিত ঐতিহাসিক মধুপুৰ সত্ৰ সময়ৰ সোঁতত সত্ৰখনৰ অস্তিত্ব বিলোপ হ'ব বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত আৰু এই সন্দৰ্ভত মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই কৰা কেতবোৰ মন্তব্যত মধুপুৰ সত্ৰ সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সন্দৰ্ভত মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে এটা প্ৰেছ বিবৃতিযোগে জনাইছে যে বাতৰিটোত সত্ৰাধিকাৰগৰাকীয়ে উল্লেখ কৰা ধৰণে সত্ৰখনলৈ অসম চৰকাৰ আৰু পশ্চিমবঙ্গ চৰকাৰে কোনোধৰণৰ সহায়-সহযোগ আৰু অনুদান আগবঢ়োৱা নাই বুলি কোৱা অভিযোগ সত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। সত্ৰখনৰ আন্তগাথনি উন্নয়নকে ধৰি সত্ৰখনৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত সত্ৰ সমিতিৰ সহযোগত দুয়োখন চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰি আহিছে। পশ্চিমবঙ্গ চৰকাৰে ৩১নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সত্ৰত সন্মুখলৈ যোৱা পথটি পকীকৈ হিচাপে নিৰ্মাণ কৰিছে। ইয়াৰ লগতে পশ্চিমবংগ চৰকাৰে সত্ৰ চৌহদত অতিথিশালা নিৰ্মাণ কৰাকে ধৰি শেহতীয়াভাবে নলেৰে পানী যোগান ধৰা আঁচনি সম্পূৰ্ণ কৰিছে। অসম চৰকাৰে মহেন্দ্ৰমোহন চৌধুৰী মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ৰ পৰাই বৰ্তমানৰ ড° হিমন্তবিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে সত্ৰখনৰ উন্নয়নৰ বাবে বিভিন্ন প্ৰকল্প গ্ৰহণ কৰিছে। অসম চৰকাৰৰ প্ৰচেষ্টাত সত্ৰৰ চাৰিসীমা পকী কৰাকে ধৰি কে'বাটাও অতিথিশালা, ভোজনালয় আৰু প্ৰায় এহেজাৰ লোকে আসন গ্ৰহণ কৰিব পৰা এটা নাট ঘৰ নিৰ্মাণ কৰা হৈছে। পৰ্যটন বিভাগৰ উদ্যোগত আন এটা অতিথি গৃহ কাৰ্যক্ষম হৈ আছে। ইয়াৰ উপৰিও সত্ৰ চৌহদত অৱস্থিত অসম চৰকাৰৰ সাংস্কৃতিক কেন্দ্ৰৰ বাবে এটা অত্যাধুনিক কাৰ্য্যালয় ভৱন নিৰ্মাণ সম্পূৰ্ণ হৈছে। অতিসম্প্ৰতি বিতৰ্কৰ আৱৰ্তত থকা এটা বহুমূলীয়া ভৱন নিৰ্মাণৰ প্ৰস্তুতি চলি আছে। মধুপুৰ সত্ৰ সমিতিয়ে চহকী সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ পশ্চিমবঙ্গত প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি প্ৰতি বছৰে উদ্‌যাপন কৰা মধুপুৰ মহোৎসৱলৈ অসম চৰকাৰে পৃষ্ঠপোষকতা আগবঢ়াই আহিছে। কিন্তু অতি দুখৰ বিষয় যে এই মহোৎসৱলৈ চৰকাৰী সাহায্য বন্ধ কৰিব লাগে বুলি সত্ৰাধিকাৰগৰাকীয়ে অসম চৰকাৰলৈ দিয়া এখন পত্ৰৰ বাবে যোৱা ২০২১ চনৰ মধুপুৰ মহোৎসৱ চৰকাৰী অনুদানৰ পৰা বঞ্চিত হ'ব লগা হৈছে। সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তৰ চিকিৎসা ব্যয় যোৱা ২০১৪ চনৰ পৰাই অসম চৰকাৰে বহন কৰি আহিছিল যদিও সত্ৰ সমিতিয়ে সত্ৰাধিকাৰগৰাকীয়ে চিকিৎসা গ্ৰহণ কৰি থকা কোচবিহাৰৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ বাবে অসম চৰকাৰৰ যোগাযোগ কৰাত সম্প্ৰতি অসম চৰকাৰে সত্ৰাধিকাৰগৰাকীৰ চিকিৎসাৰ ব্যয়ৰ ধন মোকলাই দিয়া কাৰ্য বন্ধ কৰি ৰাখিছে বুলি জানিব পৰা গৈছে। সত্ৰ সমিতিয়ে এই সম্পৰ্কত সত্ৰাধিকাৰগৰাকীৰ ইমান দিনে কৰি অহা চিকিৎসা ব্যয় যদি কাৰিকৰী কাৰণত পশ্চিমবংগত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অসুবিধা হয় তেতিয়াহ'লে অসমৰ চিকিৎসালয়ত হ'লেও সত্ৰাধিকাৰগৰাকীক ৰাজ্য চৰকাৰে চিকিৎসা ব্যয় বহন কৰা কাৰ্য অব্যাহত ৰাখিবলৈ চৰকাৰক আহ্বান জনাইছে। সত্ৰ সমিতিয়ে যোৱা ২৯ মে'ত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি সত্ৰখনৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰিছে আৰু মুখ্যমন্ত্ৰীয়ে অতি সোনকালে মধুপুৰ সত্ৰ ভ্ৰমণ কৰি সত্ৰখনৰ উন্নয়নৰ গতিধাৰা অধিক ত্বৰান্বিত কৰাৰ আশ্বাস দিছে। বিবৃতিটোত সত্ৰ সমিতিয়ে সকলো পৰিস্থিতিতে সত্ৰখনৰ অস্তিত্ব লৈ ভাবুকি অহা কাৰ্যৰ বিৰুদ্ধে সদা সচেষ্ট হৈ থাকিব বুলি উল্লেখ কৰি ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগ কামনা কৰিছে। ইফালে শেহতীয়া তথ্য অনুসৰি মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে আজি ১৯ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰাত সত্ৰাধিকাৰগৰাকীৰ কোচবিহাৰৰ চিকিৎসালয়ত চিকিৎসা কৰাৰ বাবত অনাদায় হৈ থকা সমুদায় ধন আদায় দিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে ধুবুৰী জিলাৰ উপায়ুক্তক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জনোৱা মতে সত্ৰাধিকাৰগৰাকীৰ উন্নত চিকিৎসাৰ বাবে অসমৰ উন্নতমানৰ চিকিৎসালয়ত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিছে। সত্ৰ সমিতিয়ে সত্ৰাধিকাৰগৰাকীক ৰাজ্য চৰকাৰৰ লগত সহযোগ কৰিবলৈ আহ্বান জনাইছে।

# সৌন্দৰ্য প্ৰতিযোগিতাত পুনৰ খিতাপ দখলেৰে বেষ্ট কিড্‌ছ মডেল এৱাৰ্ড-২০২২ সন্মান লাভ হেলেমৰ কণমানি আদ্ৰিকা আয়ুষী বৰাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ১৯ জুলাই ঃ** সৌন্দৰ্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুনৰ খিতাপ দখলেৰে নিজৰ পাৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে হেলেমৰ কণমানি আদ্ৰিকা আয়ুষী বৰাই। গুৱাহাটীৰ Inspire Gropup-এ যোৱা ১৭ জুলাইত গুৱাহাটীৰ ৰুক্মিণীনগৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা Pinnacle Award-2022 অনুষ্ঠানত অংশগ্ৰহণ কৰি Best Kids Model Of The Year[2022] সন্মান লাভ কৰি বৃহত্তৰ হেলেম অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে আদ্ৰিকা আয়ুষী বৰাই। উল্লেখ্য যে গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি আই টি এ চেণ্টাৰত যোৱা অক্টোবৰ মাহত অনুষ্ঠিত North East India Beauty Pageant প্ৰতিযোগিতাৰ Kids শাখাত অংশগ্ৰহণ কৰি Winner [Print Model]of SPARK KIDS MISS NORTH EAST INDIA-2021 খিতাপ অৰ্জন কৰি সমগ্ৰ গহপুৰ মহকুমালৈ গৌৰৱ কঢ়িয়াই অনা আদ্ৰিকা আয়ুষী বৰা(৭)ই পুনৰ সৌন্দৰ্য্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি খিতাপ বুটলিবলৈ সক্ষম হোৱাত যথেষ্ট আনন্দ প্ৰকাশ কৰিছে অঞ্চলটোৰ ৰাইজে। মাত্ৰ তিনি বছৰ বয়সৰ পৰা মডেলিঙৰ চৰ্চা আৰম্ভ কৰি স্থানীয় বিভিন্ন মঞ্চত নিজৰ প্ৰতিভা ফুটাই তুলিবলৈ সক্ষম হৈ অহা আদ্ৰিকাই প্ৰথমবাৰৰ বাবে যোৱা অ'ৌবৰ মাহত উত্তৰ পূৰ্বাঞ্চল ভিত্তিত অনুষ্ঠিত Beauty Pageant প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কৃতিত্ব অৰ্জন কৰি নিজৰ পাৰদৰ্শিতা ফুটাই তুলিবলৈ সক্ষম হোৱাৰ পিছত মিছ কিডছ ইণ্ডিয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি International Globe Winner খিতাপ অৰ্জন কৰাৰ লগতে শেহতীয়াকৈ Best Kids Model-2022ৰ সন্মান লাভ কৰি নিজৰ পাৰদৰ্শিতা ফুটাই তুলিবলৈ সক্ষম হোৱাত যথেষ্ট উৎসাহিত হৈ পৰিছে আদ্ৰিকা আয়ুষী বৰা। Gamusa Mega Entertainment Pvt. Ltd.ৰ উদ্যোগত গুৱাহাটীৰ প্ৰাগজ্যোতি আইটি আই প্ৰেক্ষাগৃহত যোৱা ২৩ জানুৱাৰীত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আদ্ৰিকাই আন্তঃৰাষ্ট্ৰীয় খিতাপ বুটলিবলৈ সক্ষম হোৱাৰ বাবে তেওঁ অহা অক্টোবৰ মাহত ডুবাই আৰু নেপালত অনুষ্ঠিত হ'বলগীয়া ইণ্টাৰনেচনেল ইউনিভাৰ্ছ কিডছৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা লাভ কৰিছে। আদ্ৰিকা আয়ুষী বৰা গহপুৰ মহকুমাৰ অন্তৰ্গত মেকলয়ড ৰাছেল ইণ্ডিয়া লিমিটেডৰ হেলেম চাহ বাগিচা নিৱাসী সৌৰভ বৰা আৰু ডিম্পী বৰাৰ জীয়ৰী। তেওঁ গহপুৰ নগৰৰ জ্ঞান ভাৰতী ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ ক্লাছ ৱানৰ ছাত্ৰী। মাত্ৰ সাত বছৰ বয়সতে নিজৰ পাৰদৰ্শিতাৰে সৌন্দৰ্য প্ৰতিযোগিতাত ইটোৰ পিছত সিটো খিতাপ অৰ্জন কৰি ডুবাই আৰু নেপালৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰা আদ্ৰিকাক বৃহত্তৰ হেলেম অঞ্চলৰ ৰাইজে শুভাশিস জনাইছে। তেওঁ বৰ্তমান বিশ্বনাথ চাৰিআলিৰ বৰ অসম ক্ৰিয়েচনৰ সঞ্চালক ৰশ্মি বৰুৱাৰ তত্ত্বাৱধানত মডেলিঙৰ প্ৰশিক্ষণ লৈ আছে।

# বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী (বিশেষ)ৰ স্মৃতিগ্ৰন্থ শান্তিজৰী উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৯ জুলাই ঃ** আজি নগাঁও জিলাৰ এক আগশৰীৰ শিক্ষানুষ্ঠান বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী (বিশেষ )ৰ স্মৃতিগ্ৰন্থ শান্তিজৰী উন্মোচন কৰা হয়। উক্ত গ্ৰন্থ উন্মোচনী সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° ত্ৰিদীপ গোস্বামীয়ে। সভাৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি জোনাৰাম বৰুৱাই। মহাবিদ্যালয়খনৰ অধ্যক্ষ হাবিবুৰ ৰহমানে সভাপতিত্ব কৰা সভাখনত মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ভোগেশ্বৰ বৰাই স্মৃতিগ্ৰন্থখন উন্মোচন কৰি কয় যে আজি এই ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি এই স্মৃতিগ্ৰন্থ 'শান্তিজৰী'ৰ জৰিয়তে মহাবিদ্যালয়খনৰ বহুদিনীয়া আশা পূৰণ হ'ল। তেওঁ লগতে কয় যে আলোচনী এখনৰ জৰিয়তে যিদৰে লিখা-মেলা কৰাৰ সুবিধা পোৱা যায় ঠিক সেইদৰে এই আলোচনীখনে মহাবিদালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব। এই গ্ৰন্থ উন্মোচনী সভাখনত মহাবিদ্যালয়খনৰ অধ্যাপক শ্বৰিফুল ইছলাম, প্ৰাক্তন অধ্যাপক দিলীপ ভূঞা, অধ্যাপক দেৱজিৎ মহন্ত, অধ্যাপিকা হেময়ন্তী ডেকা, প্ৰাক্তন ছাত্ৰ মাজিদুল ইছলামকে আদি কৰি মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাৰ লগতে প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত আছিল।

# আমগুৰিৰ মানৱদৰদী, যুৱ সমাজকৰ্মী মুজিদ আলীক ড° আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৯ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ এগৰাকী মানৱদৰদী যুৱ সমাজকৰ্মীয়ে ড° আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰি আমগুৰিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আমগুৰি চামগুৰিৰ নিৱাসী মুজিদ আলী নামৰ ব্যক্তিজনে দৰিদ্ৰ অসহায়জনৰ কাষত সততে থিয় হৈ সহানুভূতি আগবঢ়োৱা বাবে এক বিশেষ মৰ্যাদা লাভ কৰা যুৱ সমাজকৰ্মীজনৰ সাফল্যত সন্তোষ প্ৰকাশ কৰিছে অঞ্চলবাসীয়ে। যি সময়ত অসহায় দৰিদ্ৰৰ কাষত থিয় হৈ এষাৰ মাত লগাবলৈ কোনো ব্যক্তিয়ে আহৰি নাপায়, তেনে সময়ত কিন্তু এইজন মুজিদ আলীয়ে সেইসকল লোকৰ কাষত থিয় হৈ সামৰ্থ্য অনুসৰি সহানুভূতি আগবঢ়োৱাত কোনোদিনেই পিছ হোঁহকি অহা নাই। আন দহ জনতকৈ পৃথক মানসিকতাৰ মুজিদ আলীয়ে সপোন দেখিছে মানুহ গঢ়াৰ। বিশেষকৈ শিক্ষাৰ পোহৰেৰে বাট দেখুৱাইছে বহু দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক। বিদ্যালয়লৈ যাবলৈ সামৰ্থ নথকা দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক নিজৰ উপাৰ্জিত ধনেৰে পঢ়া-শুনাৰ সমস্ত দায়িত্ব বহন কৰি আহিছে। বাবু জগজীৱন ৰাম কলা সংস্কৃতি আৰু সাহিত্য একাডেমীৰ উদ্যোগত দিল্লীৰ বংগ সাংস্কৃতিক কেন্দ্ৰত আয়োজিত একগাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ড° আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয় মুজিদ আলীক।

# শিক্ষক হিতেশ বৰুৱাৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৯ জুলাই ঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বুঢ়া নিৱাসী তথা বোনমাঝা হাই মাদ্ৰাছা বৰ্তমানৰ বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হিতেশ বৰুৱাৰ আজি পুৱা পাঁচ মান বজাত নিজা বাসভৱনত মৃত্যু হয়। বহুদিন ধৰি মধুমেহ ৰোগত ভুগি থাকি পিছলৈ বৃক্ক ৰোগত আক্ৰান্ত হৈ দুৰ্বল হৈ পৰিছিল। বৰুৱাই প্ৰথমতে ১৯৮৫ চনত ঘাগ্ৰাবাৰী হাইস্কুলৰ পৰা শিক্ষক জীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত বৈৰাগীঝাৰ হাইস্কুলত বিনাবেতনে শিক্ষকতা কৰি শেষত বোনমাঝা হাই মাদ্ৰাছাত বৰ্তমানৰ বোনমাঝা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক হিচাপে চৰকাৰীভাৱে নিযুক্ত হৈ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকলৈ উন্নীত হৈছিল। কিন্তু শাৰীৰিক অসুস্থতাৰ বাবে উক্ত পদৰ পৰা অব্যাহতি লয়। অৱসৰলৈ এবছৰ আঠ মাহ মান বাকী থকা শিক্ষক বৰুৱাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত বয়স ৫৯ বছৰ হৈছিল। হিতেশ বৰুৱাই শিক্ষকতাৰ লগতে সমান্তৰালভাৱে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ সমাজহিতৈষী বহু কাম কৰিছিল। বিশেষকৈ পশ্চিম দৰং যোগ মহাবিদ্যালয়ৰ কাণ্ডাৰী হিচাপে আছিল। বোনমাঝা সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সম্পাদকৰ উপৰিও যোগ মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত 'সঞ্জীৱনী' আলোচনীৰ কাৰ্য সম্পাদন কৰিছিল। বুঢ়া পঞ্চায়ত জ্ঞান বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ-এগৰাকী কন্যাৰ লগতে অগণন গুণমুগ্ধক এৰি যায়।

# কামৰূপ জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয় চৌহদত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৯ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ অধীনত কালি কামৰূপ জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয় চৌহদত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়। এই কাৰ্যসূচীত জিলা উন্নয়ন আয়ুক্ত নৰসিং বে, অতিৰিক্ত উপায়ুক্ত সিদ্ধাৰ্থ গোস্বামী, মুনমী কলিতাৰ লগতে সংহত উপায়ুক্ত কাৰ্যালয় চৌহদৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যোগত ৰূপায়িত এই কাৰ্যসূচী অহা ১৫ আগষ্টলৈ চলি থাকিব। ইয়াৰ অধীনত ৰাজ্য চৰকাৰৰ সকলো কাৰ্যালয়, পৰিষদ, স্থানীয় নিগম-নিকায়, স্বায়ত্তশাসিত পৰিষদ, পঞ্জীয়নভুক্ত ছ'চাইটী, শিক্ষানুষ্ঠানসমূহকে ধৰি ৮০ হাজাৰৰো অধিক প্ৰাতিষ্ঠানিক চৌহদ সামৰি লোৱা হ'ব। এই পদক্ষেপৰ জৰিয়তে ব্যাপক গছপুলি ৰোপণ কৰি কাৰ্বন ভাণ্ডাৰ বৃদ্ধি কৰা, অধিক সেউজ আৱৰণ বৃদ্ধিৰে প্ৰাতিষ্ঠানিক চৌহদৰ সৌন্দৰ্য বৃদ্ধিৰে শ্যামলী চৌহদ গঢ়ি তোলা, জলবায়ু পৰিৱৰ্তন ৰোধত সামূহিক অংশগ্ৰহণৰ বাবে সজাগতাৰ সৃষ্টি কৰা ইত্যাদি লক্ষ্যসমূহ পূৰণৰ পদক্ষেপ লোৱা হৈছে।

# দুনীত মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৯ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষ ৰোপণ প্ৰকল্পৰ অংশ হিচাপে দৰঙৰ দুনীত কালি গছপুলি ৰোপণ কৰা হয়। দুনী অগ্নি আৰু আপদকালীন সেৱা কেন্দ্ৰত ৰূপায়ণ কৰা হয় এই কাৰ্যসূচী। আস্থান বিষয়া বাণীকান্ত দাস, উপ-আস্থান বিষয়া অশোক কুমাৰ দাসৰ লগতে প্ৰকৃতি বন্ধু গৌৰীশংকৰ কলিতাই গছপুলি ৰোপণ কৰে। গছপুলি ৰোপণ কাৰ্যসূচীত অগ্নি আৰু আপদকালীন সেৱা কেন্দ্ৰৰ জোৱানসকলে অংশগ্ৰহণ কৰে। গছপুলি ৰোপণ কৰি প্ৰকৃতি বন্ধু গৌৰীশংকৰ কলিতাই পৰিৱেশ সুৰক্ষা আৰু আমাৰ দায়িত্ববোধ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

### বকোত অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ আলোচনা-চক্ৰ

# শ্ৰমিক কাৰ্ডৰ জৰিয়তে লাভৱান হৈছে হিতাধিকাৰী— অৰ্চিতা কলিতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ জুলাই ঃ** ৰাজ্যৰ দৰিদ্ৰ পৰিয়ালক আৰ্থিকভাৱে সহায় কৰিবলৈ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ উদ্যোগত শ্ৰম আয়ুক্তৰ কাৰ্যালয়ৰ জৰিয়তে শ্ৰমিক কাৰ্ড বনোৱা কাৰ্য চলি আছে। এই ক্ষেত্ৰত কামৰূপ জিলাৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ জৰিয়তে বহু সংখ্যক পৰিয়ালক শ্ৰমিক কাৰ্ড বনায় দিয়াৰ কথা ঘোষণা কৰে শ্ৰমিক ইউনিয়নৰ জিলা সভানেত্ৰী অৰ্চিতা কলিতাই। উল্লেখ্য যে আজি দিনৰ ভাগত বকোৰ চুকুনীয়াপাৰাত শ্ৰমিক ইউনিয়নৰ অৰ্ধশতাধিক পুৰুষ-মহিলাৰ উপস্থিতিত আয়োজন কৰা হয় এক আলোচনা চক্ৰ। আলোচনা-চক্ৰত শ্ৰমিক কাৰ্ডৰ বৈধতাৰ ওপৰত আলোচনা হয় আৰু এচামে কাৰ্ড প্ৰস্তুত কৰা বিষয়টোক ষড়যন্ত্ৰমূলকভাৱে বিপথে পৰিচালিত কৰাৰ প্ৰচেষ্টা চলায়। এই ক্ষেত্ৰত সভানেত্ৰী অৰ্চিতা কলিতাক সাহস প্ৰদান কৰে আৰু কাৰ্ডৰ জৰিয়তে চৰকাৰীভাৱে আৰ্থিক সুবিধা লাভ কৰা বুলি জানিব দিয়ে। শ্ৰমিক কাৰ্ড সন্দৰ্ভত জনসাধাৰণক সজাগ হোৱাৰ আহ্বান জনায় অৰ্চিতা কলিতাই লেৱাৰ কাৰ্ডৰ ওপৰত আঁসোৱাহ থাকিলে সহকাৰী শ্ৰম আয়ুক্তৰ কাৰ্যালয় গুৱাহাটী আৰু গোপীনাথ নগৰস্থিত শ্ৰম আয়ুক্তৰ মুখ্য কাৰ্যালয়ত যোগাযোগ কৰিবলৈ অনুৰোধ জনায়। প্ৰকাশ্য যে অলপতে বকো বিধানসভা সমষ্টিৰ নগৰবেৰাৰ ইলি মেধি নামৰ মহিলা এগৰাকীয়ে অঞ্চলস্থ ৰাইজক শ্ৰমিক কাৰ্ড বনায় দিয়াৰ দায়িত্ব গ্ৰহণ কৰিছিল যদিও ইন্টাৰনেট পদ্ধতিৰ বাবে প্ৰকৃত নথি-পত্ৰ প্ৰদানত ব্যৰ্থ হয় আৰু অৰ্চিতা কলিতাক দোষাৰোপ কৰে। ইফালে অৰ্চিতা কলিতাই জনোৱা মতে ইলি মেধিয়ে একাগ্ৰতাৰে দায়িত্ব পালন নকৰা বাবে কাৰ্ড প্ৰস্তুত কৰাত ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত হিতাধিকাৰীসকলক নিজৰ নিজৰ নথি-পত্ৰসমূহ সযতনাই কাৰ্যালয়ৰ লগত যোগাযোগ কৰাৰ আহ্বান জনায়। অনুষ্ঠানত বহুসংখ্যক হিতাধিকাৰীয়ে শ্ৰমিক কাৰ্ডৰ জৰিয়তে চৰকাৰীভাৱে আৰ্থিক সুবিধা লাভ কৰা বুলি ঘোষণা কৰে।

# ধুবুৰীৰ গদাধৰ নৈত ১৪ বছৰীয়া কিশোৰৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৯ জুলাই ঃ** ধুবুৰী আৰু গৌৰীপুৰ সংযোগী পথৰ পাগলাবাবাৰ মন্দিৰৰ কাষতে থকা গদাধৰ নৈত এটি কিশোৰৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছত ঘটনাইটোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ধুবুৰী চহৰৰ ১৪নং ৱাৰ্ডৰ আই জি ৰোডৰ বাসিন্দা জয় সৰকাৰ নামৰ সেই কিশোৰটি কালিৰে পৰা সন্ধানহীন হৈ আছিল। জানিব পৰা মতে, ধুবুৰীৰ কলেজ নগৰ আৰক্ষী চকীত কিশোৰটি নিৰুদ্দেশ হোৱাৰ ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰিছিল পৰিয়ালৰ লোকে। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ ধুবুৰী আৰক্ষীয়ে কিশোৰটিৰ মৃতদেহ নৈখনৰ পৰা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। ইপিনে, কিশোৰটিৰ এই অকাল মৃত্যুৰ বাতৰিয়ে পৰিয়ালৰ লোকে কান্দোনত ভাগি পৰিছে। লগতে তেওঁলোকৰ ওচৰ-চুবুৰীয়াৰ মাজত শোকাকুল পৰিৱেশ বিৰাজ কৰিছে।

# জিলা উপায়ুক্তই শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীৰ শৈক্ষিক বৃক্ষৰোপণ কাৰ্যসূচীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১৯ জুলাই ঃ** দৰঙত মুখ্যমন্ত্ৰীৰ মাহজোৰা প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে জিলা উপায়ুক্তগৰাকীয়ে। এই উপলক্ষে পূব মঙলদৈ উন্নয়ন খণ্ড এলেকাৰ ওন্দোলাঝাৰস্থিত পূব মঙলদৈ আদৰ্শ বিদ্যালয়ত ঔষধি গছ, ফল-মূল আদিৰ পুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। জিলাখনৰ বিভিন্ন কাৰ্যালয়ৰ সন্মুখত বৃক্ষৰোপণ কৰি ৰাজ্যত আব্যাহত থকা অত্যধিক গৰম তথা প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থত বৃক্ষৰোপণৰ ওপৰত গুৰুত্ব দিয়াটো অতি প্ৰয়োজন বুলি উল্লেখ কৰে জিলা উপায়ুক্তগৰাকীয়ে। ইফালে সোমবাৰে বৃক্ষৰোপণ কাৰ্যসূচীত উপস্থিত থকা কৰ্মচাৰীসকলৰ আগত বৃক্ষৰোপণৰ গুৰুত্বৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে বৃক্ষৰোপণ কৰি তাৰ প্ৰতিপালনৰ ওপৰত অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন চন্দ্ৰ মালাকাৰ, আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ কুলদীপ কলিতা, কাৰ্যবাহী অভিযন্তা ভবেন বৰ্মন, সহঃ কাৰ্যবাহী অভিযন্তা ৰঞ্জিত দাস, সহকাৰী খণ্ড উন্নয়ন বিষয়া সুজিত ঠাকুৰীয়া, পূব মঙলদৈ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আঞ্জুৱাৰা বেগমৰ উপস্থিতিত পূব মঙলদৈ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ সন্মুখত, ধূলা গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সন্মুখত গছপুলি ৰোপণ কৰে জিলা উপায়ুক্তগৰাকীয়ে। আনহাতে, ওন্দোলাঝাৰ আদৰ্শ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনৰ বিশাল চৌহদত একোটাকৈ গছপুলি ৰোপণ কৰে। অৰ্ধশতাধিক পুলি ৰোপণৰ পাছতে বিদ্যালয়ৰ সভাগৃহত ওন্দোলাঝাৰ গাঁও পঞ্চায়তৰ সভাপতিৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাত উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই সাম্প্ৰতিক বিশ্বত বৃক্ষৰোপণৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰি আঁচনিখনৰ সফল ৰূপায়ণৰ বাবে উপস্থিত বিষয়া-কৰ্মচাৰী তথা ৰাইজৰ প্ৰতি আহ্বান জনায়।

# মাৰ্ঘেৰিটাত ৰে'ল বিভাগৰ উচ্ছেদ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৯ জুলাই ঃ** মাৰ্ঘেৰিটা পৰা ডিগবৈ সংযোগী ৰে'ল লাইনৰ দুয়োকাষে অবৈধভাৱে বেদখল কৰাৰ বিৰুদ্ধে আজি ৰে'ল বিভাগে উচ্ছেদ অভিযান চলায়। মাৰ্ঘেৰিটাৰ পৰা ডিগবৈ সংযোগী ১.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল লাইনৰ দুয়োকাষে বহু লোকে অবৈধভাৱে বেদখল কৰি ঘৰ, দোকান আদি নিৰ্মাণ কৰি বসবাস কৰি আছিল। ৰে'ল বিভাগৰ ভূমি বেদখলমুক্ত কৰাৰ বাবে অভিযান। মাৰ্ঘেৰিটা মহকুমা প্ৰশাসন, আৰক্ষী প্ৰশাসনৰ উপস্থিতিত ৰে'লৰে সুৰক্ষা বাহিনীয়ে পুৱাৰে পৰা জেচিবি ব্যৱহাৰ কৰি উচ্ছেদ অভিযান চলায়। ইতিমধ্যে কে'বাটাও ঘৰ ভাঙি উচ্ছেদ কৰিছে। অঞ্চলটো ২৫টা অবৈধ বাসগৃহত ৰে'ল বিভাগে উচ্ছেদ কৰিব বুলি জনা গৈছে। ৰে'ল বিভাগৰ তৰফৰ পৰা প্ৰতিটো পৰিয়ালক আগতীয়াকৈ জাননী প্ৰেৰণ কৰা হৈছিল বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। এই উচ্ছেদ অভিযানৰ ফলত গৃহহাৰা হৈ পৰা পৰিয়ালসমূহ শোক আৰু ক্ষোভত ভাগি পৰিছে।



# ধূলাৰ পাণবাৰীত বাল্যবিবাহ সম্পন্ন কৰাত আমছুৰ গোচৰ, আইনী ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ১৯ জুলাই ঃ** দৰঙৰ পাণবাৰী আৰক্ষী চকীৰ অন্তৰ্গত ২নং ধনশিৰিকাষ গাঁৱত বাল্য বিবাহ সম্পন্ন কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰায় ১৫ দিন পূৰ্বে গাঁওখনৰ খাবিবৰ ৰহমানৰ নাবালক পুত্ৰৰ লগত খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত কুঁৱৰী পুখুৰী গাঁৱৰ আবু হানিফাৰ নাবালিকা কন্যাৰ গোপনে সম্পন্ন হয় বাল্যবিবাহ। পাণবাৰী আঞ্চলিক আমছুৰ লগতে স্থানীয় সচেতন ৰাইজে গম পাই বাধা প্ৰদান কৰে যদিও কাৰো বাধাক কেৰেপ নকৰি নাবালিকা কইনাগৰাকীক দৰাৰ ঘৰত ৰখাত আমছুৱে পাণবাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। বাল্য বিবাহ সম্পন্ন কৰা পৰিয়াল দুটাৰ লগতে বাল্য বিবাহ সম্পন্ন কৰা কাৰ্যত জড়িত থকা লোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী জনাইছে বাল্য বিবাহবিৰোধী মঞ্চৰ মুখ্য আহ্বায়ক তথা আমছুৰ কেন্দ্ৰীয় উপদেষ্টা আইনুদ্দিন আহমেদে।

# শিক্ষক, সাংবাদিক তৰুণ চন্দ্ৰ কাকতি সোঁৱৰণী গ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১৯ জুলাইঃ** কামৰূপ জিলাৰ কমলপুৰৰ বিশিষ্ট সমাজকৰ্মী, পূবপাৰ গান্ধীজী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ সংগঠক, সাংবাদিক, আদৰ্শ কৃষক প্ৰয়াত তৰুণ চন্দ্ৰ কাকতিৰ স্মৃতি সজীৱ কৰাৰ মানসেৰে এখন সোঁৱৰণী গ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে। পৰিয়ালবৰ্গৰ উদ্যোগত প্ৰকাশ কৰিবলগা সোঁৱৰণী গ্ৰন্থৰ বাবে এখন সম্পাদনা সমিতি গঠন কৰা হৈছে। প্ৰয়াত কাকতিৰ সান্নিধ্যলৈ অহা ব্যক্তিসকলে কাকতিৰ ব্যক্তিত্ব, কৃতিত্ব আৰু বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিব পৰা ধৰণৰ লেখাসমূহ ১৫ আগষ্টৰ পূৰ্বে প্ৰেৰণ কৰিব লাগিব। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজ সংগঠক, সাংবাদিক, আদৰ্শ কৃষক তৰুণ চন্দ্ৰ কাকতি বৃহত্তৰ কমলপুৰৰ ভালেমান অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। ২০২১ৰ ১৭ নৱেম্বৰত কাকতিয়ে আকস্মিকভাৱে মৃত্যুক আঁকোৱালি লয়। সোঁৱৰণী গ্ৰন্থলৈ লেখা পঠোৱাৰ ঠিকনা-গজেন চন্দ্ৰ শৰ্মাৈ (৮০১১৬-৮৬৯৯৩), সভাপতি, সোঁৱৰণী গ্ৰন্থ সমিতি আৰু দীপেন ভৰালী, (৯৭০৬৫৮৩৭৯৯) সম্পাদক, গাঁও-দ্বিগুণপাৰ (লেজা), ডাকঘৰ-বৰুৱাজানী, জিলা-কামৰূপ (অসম) পিন-৭৮১৩৮০, ই-মেইল- dipenbharali5@gmail.com

■ বড়মপুৰ গাঁও পঞ্চায়তত সভাপতিৰ সংবাদ মেল ■

# অনিয়ম-দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা মহিলাৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱাৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৯ জুলাই ঃ** নগাঁও জিলাৰ বড়মপুৰ উন্নয়ন খণ্ডৰ অধীনৰ বড়মপুৰ গাঁও পঞ্চায়তত ১৫ জুলাই তাৰিখে একাংশ মহিলাই পঞ্চায়তত হোৱা দুৰ্নীতি-অনিয়ম সন্দৰ্ভত পঞ্চায়ত কাৰ্যালয়ত এক উত্তপ্তময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। পঞ্চায়তটোত গোপনে গাঁওসভা অনুষ্ঠিত কৰা আৰু একাংশ ধনী লোকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰা বিষয়ক কেন্দ্ৰ কৰি সাংবাদিকৰ সন্মুখতে সৃষ্টি কৰিছিল এই উত্তপ্ত পৰিস্থিতিৰ। এই সন্দৰ্ভত 'দৈনন্দিন বাৰ্তা'কে ধৰি একাংশ সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিছতে আজি এক সংবাদ মেলৰ আয়োজন কৰি পঞ্চায়তটোৰ সভাপতি কুশল বৰাই কয় যে সেইদিনা বিশেষভাৱে দুগৰাকী মহিলাই ব্যক্তিগত স্বাৰ্থ সিদ্ধি নোহোৱাৰ বাবেই এনে অশোভনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। বিশেষকৈ পঞ্চায়তটোৰ অধীনৰ মণিকা বৰা আৰু ভানু ভূঞা নামৰ মহিলা দুগৰাকীয়ে একাংশ মহিলাক লগত লৈ কিছুমান অপ্ৰয়োজনীয় কথা কৈ সভাপতি কুশল বৰাক জনসাধাৰণৰ মাজত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা চলাইছিল। মণিকা বৰা নামৰ মহিলাগৰাকীয়ে দুটাকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ বিচাৰি বিভিন্ন সময়ত সভাপতিগৰাকীক ভাবুকি দি আহিছিল বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰিছে। ইফালে, ২০১১ চনৰ চৰকাৰী সমীক্ষা অনুসৰি যিসকল লোক চৰকাৰী গৃহৰ হিতাধিকাৰীৰ নাম তালিকাভুক্ত হৈ আছে সেইসকল লোকে বৰ্তমান প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত লাভ কৰিব। এই ক্ষেত্ৰত পঞ্চায়তৰ সভাপতিয়ে কোনো লোকৰ নাম কাটিব নোৱাৰে বা কোনো লোকৰ নাম অন্তৰ্ভুক্ত কৰিব নোৱাৰে বুলি স্পষ্ট কৰি কয় যে এনে ক্ষেত্ৰত মণিকা বৰাৰ স্বামীৰ নাম অন্তৰ্ভুক্ত কৰাটো অসম্ভৱ। ইফালে, সেইখন তালিকাত উৎপল বৰা নামৰ এজন হিতাধিকাৰী আছে যদিও সেইজন মণিকা বৰাৰ স্বামী উৎপল বৰা নহয়। সেইজন উৎপল বৰাৰ পিতৃৰ নাম বেলেগ। এনে ক্ষেত্ৰত মণিকা বৰাৰ স্বামীৰ নাম উৎপল বৰা হোৱা হেতুকে সেইজন উৎপল বৰা তেওঁৰ স্বামী বুলি দাবী কৰি আৱাস যোজনাৰ গৃহ ল'বলৈ সভাপতি আৰু পঞ্চায়তৰ অন্য বিষয়ববীয়াক ভয়-ভাবুকি দি আহিছে বুলি সভাপতিগৰাকীয়ে সংবাদ মেলত অভিযোগ কৰে। এনে ক্ষেত্ৰত মণিকা বৰাই ঘৰটো লাভ কৰাৰ ক্ষেত্ৰত অন্য উপায় নাপাই একাংশ মহিলাক উচটাই দি পঞ্চায়তত অনাহকত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ইফালে সেইদিনা মহিলাসকলে জি আৰ এছগৰাকী জড়িত হৈ থকাৰ কথা উল্লেখ কৰিছিল যদিও জি আৰ এছগৰাকী প্ৰধানমন্ত্ৰী আৱাস যোজনাত জড়িত নহয়। এই আঁচনিত পঞ্চায়তৰ সভাপতি-সচিবৰ লগতে জি পি চিগৰাকীহে বিশেষভাৱে জড়িত। এনে ক্ষেত্ৰত পঞ্চায়তটোত হোৱা দুৰ্নীতি যদি এইসকল মহিলাই প্ৰমাণ কৰিব পাৰে তেনেহ'লে সভাপতি পদৰ পৰা তেওঁ পদত্যাগ কৰিব বুলি প্ৰত্যাহ্বান জনায়। সভাপতিগৰাকীয়ে লগতে মণিকা বৰা আৰু ভানু ভূঞাৰ ওপৰত আইনী ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰে। এনে পৰিৱেশ-পৰিস্থিতিৰ পিছত দৰাচলতে বিষয়টোৱে কোন ফালে গতি কৰে সেয়া সময়েহে ক'ব।

## মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বাগিচা কাৰ্যসূচী উপলক্ষে গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৯ জুলাই ঃ** বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ নিৰ্দেশনা মৰ্মে মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বাগিচা কাৰ্যসূচীৰ অধীনত এক বাগিচা অভিযান কাৰ্যসূচী হিচাপে হোজাই জিলা প্ৰশাসনৰ উদ্যোগত আৰু লংকা মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয় প্ৰাংগণত ১৮ জুলাইত পুৱা ১০ বজাত এই কাৰ্যসূচী আৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত ক্ৰমে গকুল চন্দ্ৰ ব্ৰহ্ম, ৰক্তিম বৰুৱা, উৰ্মি মেধি, মানসজ্যোতি নাথ, সহকাৰী আয়ুক্ত উপাসনা দত্ত, নিৰ্বাচনী বিষয়া জাংমিৰ ৰংফাৰপী, লংকা মহাবিদ্যালয়ৰ অধ্যক্ষ ফটিক তামুলী, বন বিভাগৰ ৰেঞ্জ অফিচাৰ দিব্যজ্যোতি নাথে একোটাকৈ গছপুলি ৰোপণ কৰি এই অভিযান কাৰ্যসূচী আৰম্ভ কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## টিমনা উঃ মাঃ বিদ্যালয়ত সৃষ্টিশীল নৃত্যৰ কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত টিমনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সৌজন্যত আৰু লাহোৱালৰ অন্যতম সংগীত চৰ্চাৰ স্বেচ্ছাসেৱী সংগঠন 'সুৰবাহিনী মদাৰখাত'ৰ উদ্যোগত ৭ জুলাইৰ পৰা অনুষ্ঠিত হোৱা সাতদিনীয়া জ্যোতি সংগীত আৰু জ্যোতি সংগীতৰ আধাৰত সৃষ্টিশীল নৃত্যৰ কৰ্মশালাৰ সোমবাৰে সামৰণি পৰে। সাংস্কৃতিক ৰাজহুৱা সভাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা সভাত কৰ্মশালাৰ সমাপ্তি ঘোষণা কৰাৰ লগতে সভাত বিশেষভাৱে আয়োজিত সাংস্কৃতিক অনুষ্ঠানত গণ-সংগীতৰ ধাৰাবাহিকতা ৰক্ষা কৰা আৰু গণ-সংগীত চৰ্চাৰ পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সাংস্কৃতিক সভাত লাহোৱাল সমষ্টিৰ অন্যতম শিক্ষানুষ্ঠান টিমনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'সুৰবাহিনী মদাৰখাতৰ' মুখ্য উপদেষ্টা কুলেন বুঢ়াগোহাঁই, সভাপতি ব্ৰজেন গোহাঁই, পৰিচালক গুণকান্ত লাহন, সম্পাদক হীৰক বৰপাত্ৰ, দয়ানন্দ গোহাঁই, বিত্ত সম্পাদক ছান গোহাই, সাংস্কৃতিক কৰ্মী অজিত দাসে অংশগ্ৰহণ কৰে। সাংস্কৃতিক ৰাজহুৱা সভাৰ 'ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে' ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই আপ্ত বাক্যক সাৰোগত কৰি সুৰ বাহিনী মদাৰখাতে সংগীত চৰ্চাৰ এক উত্তৰণ আৰু ভৱিষ্যতৰ দিনত সংগীতৰ যাত্ৰাক প্ৰগতিশীলভাৱে আগুৱাই নিয়াৰ প্ৰয়াসত সদায় গণ-সংগীতৰ ধাৰা অব্যাহত ৰখাৰ ক্ষেত্ৰত যোৱাৰ গুৰুত্ব আৰোপ কৰি সভাত বিশিষ্ট মহীৰূহসকলে মননশীল বক্তব্য আগবঢ়ায়। সাংস্কৃতিক ৰাজহুৱা সভাত শিক্ষাব্ৰতী বীণা সেনাপতি, সঞ্জয় দত্ত, সংগীত শিক্ষক ৰমেন দত্ত, মঞ্জু দত্ত, সমাজকৰ্মী অঞ্জন কোঁৱৰকে ধৰি বহু গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## বৰপেটা জিলাৰ নতুন উপায়ুক্তৰূপে আয়ুস গাৰ্গৰ কাৰ্যভাৰ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৯ জুলাই ঃ** সোমবাৰে বৰপেটা জিলাৰ পূৰ্বৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰে নতুন উপায়ুক্তগৰাকীয়ে। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ নতুন উপায়ুক্তগৰাকীৰ। বৰপেটা আৱৰ্ত ভৱনৰ সন্মুখৰ মিলেনিয়াম পাৰ্কত গছপুলি ৰোপণ কৰে নতুন উপায়ুক্তগৰাকীয়ে। উল্লেখ্য যে ১৭ জুলাইৰ পৰা ৰাজ্যত আৰম্ভ হৈছে 'মুখ্যমন্ত্ৰীৰ আনুষ্ঠানিক গছপুলি ৰোপণ কাৰ্যসূচী। 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশস্বৰূপে অহা ১৫ আগষ্টলৈকে ৰাজ্যজুৰি এই কাৰ্যসূচীৰ জৰিয়তে গছপুলি ৰোপণ কৰা হ'ব। বৰপেটা জিলাত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। মিলেনিয়াম পাৰ্কত গছপুলি ৰোপণেৰে পূৰ্বৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ সহযোগত মুখ্যমন্ত্ৰীৰ বিশেষ গছপুলি ৰোপণ কাৰ্যসূচী উদ্বোধন কৰে জিলাখনৰ নতুন উপায়ুক্ত আয়ুস গাৰ্গে। ইপিনে নতুন উপায়ুক্তৰূপে দায়িত্বভাৰ গ্ৰহণ কৰি সংবাদ মাধ্যমৰ জৰিয়তে জিলাবাসী ৰাইজক নমস্কাৰ জনায় আয়ুস গাৰ্গে । জিলাখনৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত প্ৰতিটো কামতে ৰাইজৰ সহযোগ কামনা কৰে নতুন উপায়ুক্তগৰাকীয়ে।

## হাবিবৰঙাবাৰীত সত্ৰীয়া নৃত্য, বৰগীত, খোল বাদ্যৰ প্ৰশিক্ষণ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৯ জুলাই ঃ** গ্ৰামাঞ্চলত মহাপুৰুষ দুজনাৰ অপূৰ্ব অমৰ সৃষ্টি সত্ৰীয়া কলা-কৃষ্টি-সংস্কৃতিৰ বহুল প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে নৱ-প্ৰজন্মক ইয়াৰ প্ৰতি আকৃষ্ট কৰি তোলাৰ মানসেৰে বহুকেইজন দুৰদৰ্শী সংস্কৃতিৱান লোকৰ ঐকান্তিক প্ৰচেষ্টাত ১৯৯২ চনত মধ্য অসমৰ মৰিগাঁৱৰ পূব প্ৰান্তৰ হাবিবৰঙাবাৰীত স্থাপন কৰা হৈছিল হাবিবৰঙাবাৰী সত্ৰীয়া সাংস্কৃতিক বিদ্যালয়। প্ৰতিষ্ঠা কালৰে পৰা বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে হাবিবৰঙাবাৰী সত্ৰীয়া সাংস্কৃতিক বিদ্যালয়ে মহাপুৰুষ গুৰু দুজনাৰ কলা-কৃষ্টিসমূহ প্ৰসাৰৰ উদ্দেশ্যে প্ৰতি বছৰে বিশেষ কৰ্মশালাৰ আয়োজন কৰি আহিছে। তদ্ৰূপ এইবাৰো গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টি সত্ৰীয়া কলা-কৃষ্টি-সংস্কৃতি চৰ্চাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে । এই মৰ্মে, যোৱা ৫ জুলাইৰ পৰা হাবিবৰঙাবাৰী বুঢ়া নামঘৰত এটি সত্ৰীয়া নৃত্যৰ লগতে বৰগীত আৰু খোল বাদ্যৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত কৰিছে । বিশিষ্ট সমাজ সংগঠক, সাংস্কৃতিৱান ব্যক্তি অনিল কুমাৰ ভূঞা, বিদ্যালয়খনৰ সভাপতি সূৰ্য কুমাৰ নাথ আৰু সম্পাদক ৰঞ্জিত ভূঞাৰ বিশেষ তৎপৰতাত পূৰ্ণগতিত চলি থকা এই কৰ্মশালাত অৰ্ধ শতাধিক প্ৰশিক্ষাৰ্থীয়ে ভাগ লৈছে । অহা ২৪ জুলাইলৈকে চলিবলগীয়া এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ গোবিন্দ কলিতা বৰবায়ন উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে।



## দীপাংকৰ দাসক ঢকুৱাখনা বিধানসভা সমষ্টিৰ যুৱ কংগ্ৰেছৰ নতুন সভাপতিৰ দায়িত্ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৯ জুলাই ঃ** দীঘলীয়া জল্পনা-কল্পনা, যুৱ নেতা-কৰ্মীৰ দীৰ্ঘদিনৰ দাবীৰ পিছত সোমবাৰে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী ড° অংকিতা দত্তই অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ প্ৰশাসনিক সম্পাদক অংকুৰ দাসৰ উপস্থিতিত নিযুক্তি প্ৰদান কৰে পূৰ্বৰ লখিমপুৰ জিলা যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক দীপাংকৰ দাসক ১১২নং ঢকুৱাখনা বিধানসভা সমষ্টিৰ যুৱ কংগ্ৰেছৰ নতুন সভাপতি হিচাপে। ভাৰতীয় জাতীয় কংগ্ৰেছ দলক জনমুখী আৰু সাৰ্বজনীন কৰি তোলাৰ স্বাৰ্থত দলৰ প্ৰধান আৰু শক্তিশালী অংগ স্বৰূপ প্ৰদেশ যুৱ কংগ্ৰেছ সমিতিসমূহৰ সাংগঠনিক ভেটি সবলকৰণত আত্মনিয়োগ কৰি আহিছে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি ড° অংকিতা দত্তই । ইপিনে প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি ড° দত্তই যুৱ শক্তি মহা শক্তি হিচাপে গণ্য কৰি ৰাজ্যখনৰ ব্লক যুৱ কংগ্ৰেছ সমিতিসমূহ শক্তিশালী নেতৃত্বৰে পুনৰ গঠনৰ বাবে যুৱ কংগ্ৰেছ সমিতিসমূহৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰা দেখা গৈছে। নৱ-নিযুক্ত সমষ্টিৰ যুৱ কংগ্ৰেছৰ নতুন সভাপতি দাসে দল আৰু যুৱ কংগ্ৰেছৰ নীতি-আদৰ্শ সাৰোগত কৰি দলৰ হকে আগন্তুক দিনবোৰত নিষ্ঠাৰে আৰু গুৰুত্ব সহকাৰে ৰাজনৈতিক বাতাবৰণ সৃষ্টিত ঢকুৱাখনাবাসীৰ সহযোগিতা আৰু পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছে। আনহাতে, ঢকুৱাখনা বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত সভাপতি দীপাংকৰ দাসক লখিমপুৰ জিলাৰ লগতে ঢকুৱাখনা মহকুমা যুৱ কংগ্ৰেছ কমিটীয়ে শুভকামনা জ্ঞাপন কৰে।

## গেদাৰবড়ীত নৃত্য কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাজৰি, ১৯ জুলাই ঃ** প্ৰাচীন কালৰ পৰাই চাৰিবেদ, ৰামায়ণ-মহাভাৰত, পুৰাণসমূহকে মুখ্য কৰি ভৰত-মাতঙ্গ মুনি আৰু মাতঙ্গোত্তৰ যুগৰ সঙ্গীতজ্ঞ মনীষীসকলৰ গ্ৰন্থসমূহৰ যোগেদি জানিব পাৰি যে ১৩ শতিকাত পণ্ডিত শাৰংগদেৱে তেওঁৰ গ্ৰন্থ 'সঙ্গীত ৰত্নাকৰত' 'সঙ্গীত' শব্দৰ প্ৰথম ব্যৱহাৰ কৰিছিল- 'গীতং বাদ্যং চ নৃত্যং ত্ৰয়ং সঙ্গীতমুচ্যতে' অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিও কলাৰ সমাহাৰেই হৈছে সঙ্গীত। ইয়াকে সাৰোগত কৰি নগাঁৱৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া দুই নং গেদাৰবড়ী নামঘৰ প্ৰাংগণত ছদিনীয়া কাৰ্যসূচীৰে ২৩ জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া গ্ৰীষ্মকালীন নৃত্য কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। লোকশিল্পী গুণ শইকীয়াৰ সোঁৱৰণত 'কাকলি সংগীত কাননে' আয়োজন কৰা কৰ্মশালাখনত অংশগ্ৰহণ কৰি সংস্কৃত গীতৰ বিশিষ্ট শিল্পী ৰঞ্জন বেজবৰুৱাই সমাজক সঠিক বাটেৰে আগুৱাই নিবলৈ ধ্ৰুপদী কৃষ্টি-চৰ্চাৰ প্ৰয়োজনীয়তা বিষয়ে দোহাৰি এইক্ষেত্ৰত কাকলি সংগীত বিদ্যালয়ে ভাৰতনাট্যমকে গুৰুত্ব আৰোপ কৰি প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা প্ৰচেষ্টাই অঞ্চলটোক সমৃদ্ধ কৰিব বুলি মন্তব্য আগবঢ়ায়। কাকলি শইকীয়াই আঁত ধৰা অনুষ্ঠানত বেবেজীয়া প্ৰেছ ক্লাবৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়েও যোগদান কৰি সুপ্ত হৈ থকা সৃষ্টিশীল প্ৰতিভাই বিকাশৰ পথ বিচাৰি থাকে আৰু পথ প্ৰশস্ত হ'লেই প্ৰতিভাই স্ৰোতস্বিনীৰ তীব্ৰ গতিৰে ধাৰমান হয় বুলি অভিমত ব্যক্ত কৰি সংগীত বিদ্যালয়খন উঠি অহা নবীন শিল্পীৰ বাবে এখন নিৰ্ভৰযোগ্য বিকাশৰ মঞ্চ হ'ব বুলি উল্লেখ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক মিহিৰ ভূঞা, বিশিষ্ট সমাজকৰ্মী প্ৰভাত ৰাজখোৱা, নিকুঞ্জ সুত, যোগেশ্বৰ ভূঞা, গোলাপ ৰাজখোৱা, ভদ্ৰ বৰা, পাৰুল শইকীয়া, হিমাশ্ৰী বৰদলৈ, ৰেখা কলিতা, মণি দেৱী, জোনালী বৰা, ইলো বৰুৱা প্ৰমুখ্যে গুণী-জ্ঞানী লোকসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত নৃত্য পটীয়সী, নৃত্য পৰিচালিকা উপাসনা মহন্ত আৰু তেওঁৰেই সুযোগ্য শিষ্য অংকুৰজ্যোতি দাসে প্ৰশিক্ষাৰ্থীসকলক ভাৰতনাট্যমৰ আধাৰত শাস্ত্ৰীয় নৃত্য, লঘু শাস্ত্ৰীয় নৃত্য আৰু সৃজনশীল নৃত্য সম্পৰ্কে প্ৰশিক্ষণ আৰম্ভ কৰে। কৰ্মশালাখনত অংশগ্ৰহণ কৰিব বিচৰা নৃত্যানুৰাগীসকলক শীঘ্ৰেই ৯১০১২-১৬০৬৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

## বিহালীৰ বৰগাং নদীত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৯ জুলাই ঃ** বৰগাং আৰক্ষী চকীৰ অন্তৰ্গত বৰভীল চাহ বাগিচাৰ ১০নং লাইনৰ কাষৰ বৰগাং নদীৰ পানী যুঁৱলিত কালি এটা মৃতদেহ উদ্ধাৰ হয়। বৰগাং আৰক্ষী চকীৰ প্ৰভাৰী বুছিং বে'ই জনোৱা মতে, সোমবাৰে প্ৰায় ১১ বজাত বিহালীৰ বৰভীল চাহ বাগিচাৰ দহ নং লাইনৰ এজন প্ৰত্যক্ষদৰ্শীয়ে আৰক্ষীক খবৰ দিয়াত বৰগাং আৰক্ষী সেই স্থানত উপস্থিত হৈ প্ৰায় ৩০/৩৫ বছৰীয়া মহিলাৰ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে বিহালীলৈ প্ৰেৰণ কৰে।

## অসম কৃষি বিশ্ববিদ্যালয়ত মহিলাৰ স্বাৱলম্বিতাৰ ওপৰত প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৯ জুলাই ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সামুহিক বিজ্ঞান মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা আৰু যোগাযোগ পৰিচালনা বিভাগত ১৫ জুলাইত 'অৰ্থনৈতিক স্বাৱলম্বিতাৰ জৰিয়তে নাৰী সবলীকৰণ' বিষয়ত এটি প্ৰশিক্ষণ অনুষ্ঠিত হয়। এদিনীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত যোৰহাট জিলাৰ বিভিন্ন স্থানৰ নিৰ্বাচিত ২০গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। সম্প্ৰসাৰণ শিক্ষা আৰু যোগাযোগ পৰিচালনা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জুলিয়ানা শৰ্মা আৰু সহকাৰী অধ্যাপিকা ড° চয়নিকা বৰাৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা প্ৰশিক্ষণটোত বিজ্ঞানসন্মতভাৱে আচাৰ তৈয়াৰ কৰি কেনেকৈ ক্ষুদ্ৰ উদ্যোগী হিচাপে নিজকে প্ৰতিষ্ঠাপিত কৰিব পাৰি আৰু ইয়াৰ জৰিয়তে অৰ্থনৈতিক স্বাৱলম্বিতা অৰ্জনৰ ওপৰত বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়।




## মুখপত্ৰ 'হালালী' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰদলনি, ১৯ জুলাই ঃ** ১৭ জুলাই দেওবাৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ ধেমাজি জিলা সমিতিৰ উদ্যোগত আৰু বাটঘৰীয়াবাসীৰ সহযোগত ধেমাজিৰ বাটঘৰীয়া আঞ্চলিক ৰাজহুৱা ভৱনত সোণোৱাল কছাৰী সাহিত্য সভাৰ ধেমাজি জিলা সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হৈ যায়। এই অধিৱেশনতে ধেমাজি জিলা সমিতিৰ মুখপত্ৰ 'হালালী' উন্মোচন কৰা হয়। এই হালালীখন উন্মোচন কৰে চিলাপথাৰৰ বিশিষ্ট সাহিত্যিক নন্দেশ্বৰ কছাৰীয়ে। 'হালালী' সম্পাদনা কৰিছে ধেমাজিৰ ভেৰেলী সোণোৱাল গাঁৱৰ উদীয়মান লেখক কল্পজিৎ সোণোৱাল আৰু চিলাপথাৰৰ ৰিণী শইকীয়াই। বিশিষ্ট সাহিত্যিক নন্দেশ্বৰ কছাৰীয়ে উন্মোচকৰ ভাষণত হালালীয়ে নতুন যুগৰ সূচনা কৰিব আৰু যিসকল ব্যক্তিয়ে সোণোৱাল ভাষা শিকিবলৈ চেষ্টা কৰি আছে তেওঁলোককো হালালীয়ে সহায় কৰিব বুলি জানিবলৈ দিয়ে। লগতে নন্দেশ্বৰ কছাৰীয়ে তেওঁৰ ভাষণত বাটঘৰীয়াৰ সফল ব্যক্তিসকলৰ নামো উল্লেখ কৰে। সোণোৱাল কছাৰী ভাষাত লিখা ৩ গল্প, ১টা প্ৰবন্ধ, সোণোৱাল কছাৰীসকলৰ বিষয়ে লিখা ১৯টা প্ৰবন্ধ, ভিন্ন শিতানত ভিন্ন চিন্তাৰে মুঠ ১২টা প্ৰবন্ধৰে ৩২২ পৃষ্ঠাৰ এই হালালীখন সকলোৱে আদৰি ল'ব বুলি উন্মোচকে কয়।

## তামুলপুৰত কেওট জাতীয় পৰিষদৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ জুলাই ঃ** তামুলপুৰ জিলাৰ পশ্চিম টেঙাঝাৰৰ পশ্চিম শুক্লা প্ৰাথমিক বিদ্যালয়ত দেওবাৰে তামুলপুৰ জিলা কেওট জাতীয় পৰিষদৰ এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। অঞ্চলটোৰ কেওট সম্প্ৰদায়ৰ বহু লোক উপস্থিত থকা সভাখনত পৰিষদৰ এখন শাখা সমিতি গঠন কৰা হয় । এই উদ্দেশ্যে হোৱা সভাত সভাপতিত্ব কৰে জিলা সমিতিৰ সভাপতি বাবুল পাটোৱাৰীয়ে । সভাত উপস্থিত থাকি সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰধান সম্পাদক দিলীপ ডেকাই সমগ্ৰ অসমত বসবাস কৰা কেওটসকলক ঐক্যবদ্ধ হৈ জাতীয় পৰিষদত অন্তৰ্ভুক্ত হ'বলৈ আহ্বান জনায়।

## লাহৰীঘাটত ড্ৰাগ্‌ছ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযান অব্যাহত। কালি লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনৰ নেতৃত্বাধীন আৰক্ষীয়ে বিলাসী বাহনসহ দুই ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। গোপন সূত্ৰৰ খবৰ অনুসৰি টেঙাগুৰিৰ পৰা মৈৰাবাৰীলৈ বিলাসী বাহনেৰে গৈ থকা অৱস্থাত লাহৰীঘাট আৰক্ষীয়ে থানাৰ সমুখতে সৰবৰাহকাৰীকেইটাক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীকেইটা ক্ৰমে জৰিবৰৰ বালিপাৰা গাঁৱৰ ছিদ্দিক আলী আৰু ঢেকীজুলিৰ ৰফিকুল ইছলাম বুলি জানিব পৰা গৈছে।




## কৃষ্ণকান্ত সন্দিকৈৰ জন্মদিন উপলক্ষে পঢ়ুৱৈ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, বড়মপুৰ, ১৯ জুলাই ঃ** প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী উপাচাৰ্য ড° কৃষ্ণকান্ত সন্দিকৈৰ জন্মদিন ২০ জুলাই তাৰিখটো চলিত বৰ্ষৰ পৰা চৰকাৰীভাৱে ৰাজ্যৰ সকলো শিক্ষানুষ্ঠানত উদ্‌যাপন কৰিবলৈ কৰা ঘোষণাক সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই আদৰণি জনাইছে। এই সম্পৰ্কত সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকা আৰু প্ৰধান সম্পাদক বল্লদেৱ শৰ্মাই এক বিবৃতিযোগে জনাই যে ৰাজ্যৰ প্ৰাচ্যতত্ত্ববিদগৰাকীৰ জন্মদিনটো সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই যোৱা ২০০৮ চনৰ পৰা অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰি আহিছে আৰু ২০১৪ চনৰ পৰা গ্ৰন্থ অধ্যয়ন, শিক্ষা, সাহিত্য, সংস্কৃতি আদি ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক 'পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ বঁটা' প্ৰদান কৰি আহিছে। যোৱা ২০ জুনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসত চৰকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত 'কৃষ্ণকান্ত সন্দিকৈ বঁটা প্ৰদান কৰাৰ বাবে সন্থাই চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু প্ৰথমবাৰৰ বাবে বিশিষ্ট গৱেষক ড° নৰেন কলিতাক এই বঁটা প্ৰদান কৰাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি জনাই যে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাই ড° নৰেন কলিতাক ২০১৭-১৮ বৰ্ষৰ 'কৃষ্ণকান্ত সন্দিকৈ বঁটা'ৰ বাবে বাছনি কৰিছিল। সন্থাই অসমত এখন পুথিভঁৰাল আইন প্ৰণয়নৰ বাবে দীৰ্ঘদিন ধৰি চৰকাৰক দাবী জনাই আহিছে আৰু সেইদৰে পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈৰ জন্মদিনটি চৰকাৰীভাৱে উদ্‌যাপনৰ বাবে অনুৰোধ জনাই আহিছিল। এই সম্পৰ্কত যোৱা ১৪ জুলাইত অসমৰ শিক্ষামন্ত্ৰীক তেওঁৰ দিছপুৰস্থিত কাৰ্যালয়ত সন্থাৰ এটি প্ৰতিনিধি দলে এই বিষয়ত এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয় আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰতিনিধি দলটোক কৃষ্ণকান্ত সন্দিকৈৰ জন্মদিনটো চৰকাৰীভাৱে পঢ়ুৱৈ দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ জনায়। সেয়ে সন্থাই মন্ত্ৰীগৰাকীৰ এই ঘোষণাক আদৰণি জনাইছে।

## নাগ্ৰীজুলিত জ্যোতি সংগীত-বিষ্ণু ৰাভা সংগীতৰ কৰ্মশালাৰ সামৰণি


**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৯ জুলাই ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত বিটিআৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত তামুলপুৰৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু শংকৰদেৱ সাংস্কৃতিক মহাবিদ্যালয়, নাগ্ৰীজুলিৰ সহযোগত ৮ জুলাইৰ পৰা আৰম্ভ হোৱা ১০দিনীয়া জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীতৰ কৰ্মশালাৰ কালি সফল সামৰণি পৰে। শংকৰদেৱ একাডেমী জাতীয় বিদ্যালয়, নাগ্ৰীজুলিত দিনৰ এঘাৰ বজাৰ পৰা লতিবাৰী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধানাচাৰ্য উপেন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত আৰু শংকৰদেৱ সাংস্কৃতিক মহাবিদ্যালয়, নাগ্ৰীজুলিৰ অধ্যক্ষ ৰঞ্জন কুমাৰ দাসে আদৰণী ভাষণ পাঠ কৰা সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিটিআৰৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভাই কয়— আমাৰ দেশৰ পৰম্পৰাগত সংস্কৃতি বা সংগীতৰ প্ৰতি আমাৰ নৱ-প্ৰজন্মৰ একাংশই অনিহা প্ৰকাশ কৰি পাশ্চাত্য সংগীতৰ প্ৰতি ধাৱমান হোৱা পৰিলক্ষিত হৈছে। আনহাতে, যিটো সময়ত আমাৰ থলুৱা বনগীত, লোকগীত, ৰাভা সংগীত জ্যোতি সংগীত আদি লাহে লাহে হেৰুৱাবলৈ আৰম্ভ কৰিছে তেনে সময়ত আমাৰ বিটিআৰৰ সাংস্কৃতিক বিভাগে এইবোৰ উদ্ধাৰ, প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা লৈছে, ই সচাকৈয়ে শলাগিবলগীয়া। এনে প্ৰচেষ্টাৰ ফলতে আমাৰ থলুৱা সংগীতে পুনৰ প্ৰাণ পাই উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ নৱ-প্ৰজন্মৰ শিক্ষাৰ্থীসকলক ভৱিষ্যতলৈ এনে সংগীতৰ নিয়মীয়াকৈ চৰ্চা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়নে আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যি সাৰুৱা ভাষণ প্ৰদান কৰে। সামৰণী অনুষ্ঠানত উপস্থিত থাকি সাংবাদিক তীৰ্থ ৰঞ্জন মহন্ত, ধনজিৎ শইকীয়াকে ধৰি কেইবাজনেও উদগনিমূলক ভাষণ প্ৰদান কৰে। প্ৰায় তিনিকুৰিৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাৰ সামৰণী অনুষ্ঠানত কণ কণ শিক্ষাৰ্থীসকলে জ্যোতি সংগীত আৰু বিষ্ণু ৰাভা সংগীত পৰিৱেশন কৰি অনুষ্ঠানটো অধিক মনোগ্ৰাহী কৰি তোলে। আজিৰ সামৰণী অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ উপৰি শিক্ষক বীৰেন ডেকা, সমাজকৰ্মী ঘনশ্যাম শৰ্মা, ধীৰচন মেধি, ধৰ্ম বৈশ্য আদি বিশিষ্ট লোকসকল উপস্থিত থাকি অনুষ্ঠানটো গাম্ভীৰ্যপূৰ্ণ কৰি তোলে।

## জাগীয়ালৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সমাজহিতৈষী উমেশ চন্দ্ৰ বৰাক নিজা গৃহত সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নৰ্নৈ, ১৯ জুলাই ঃ** এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত নগাঁও জিলাৰ বেবেজীয়াৰ নিকটৱৰ্তী জাগীয়াল গাঁৱৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সমাজহিতৈষী উমেশ চন্দ্ৰ বৰাক যোৱা দেওবাৰে বিয়লি দক্ষিণপাট অঞ্চলৰ ৰাইজৰ উদ্যোগত তেওঁৰ নিজা বাসগৃহত এটি সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক টংকেশ্বৰ দাসে সঞ্চালন কৰা সম্বৰ্ধনা কাৰ্যসূচীৰ আঁত ধৰে কৃতী শিক্ষক তথা মনচুন কলা পৰিষদৰ সভাপতি লৱকান্ত শৰ্মাই। সভাত উমেশ চন্দ্ৰ বৰাৰ জীৱন আৰু কৃতী সম্পৰ্কে আলোকপাত কৰাৰ লগতে তেওঁৰ জীৱনজোৰা সাধনাৰ বাবে সম্ভাষণ জনাই অৱসৰপ্ৰাপ্ত বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰেমেশ্বৰ দাস, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, বৰকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, জাগীয়াল ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক পূৰ্ণ নাথ, দক্ষিণপাট সমবায় সমিতিৰ সভাপতি ঘন দাস, লৱকান্ত শৰ্মা, নৱজ্যোতি বৰা আৰু শংকৰদেৱ সংঘৰ ৰাজেন শইকীয়াই। অনুষ্ঠানত অঞ্চলৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি ক্ৰমে প্ৰাক্তন অধ্যক্ষ গুৰুমুখ সিং, মোহিনী মোহন লস্কৰ, ললিত সিং, মুৰুলী মজুমদাৰ, প্ৰবীণ মজুমদাৰ, লোকনাথ বৰা, ক্ষীতিশ দাস প্ৰমুখ্যে অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে কৃতী শিক্ষক উমেশ চন্দ্ৰ বৰাই দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলি ১৯৫৩ চনত নতুনকৈ প্ৰতিষ্ঠা হোৱা শংকৰদেৱ হাইস্কুলত প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। ১৯৭৬ চনত শংকৰদেৱ হাইস্কুল উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱাত তাৰ অধ্যক্ষ হিচাপে দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি ১৯৯৪ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। ১৯৯৪ চনত প্ৰতিষ্ঠা হোৱা দক্ষিণপাট মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক হিচাপে উমেশ চন্দ্ৰ বৰাই অশেষ ত্যাগ আৰু কষ্টৰে মহাবিদ্যালয়ৰ উন্নতিৰ দিশত সেৱা আগবঢ়াইছিল। তেওঁ কেইবাবছৰো শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি হিচাপে দক্ষতাৰে কাৰ্য সম্পাদন কৰিছিল। বৃহত্তৰ জাগীয়াল অঞ্চলৰ সকলো শৈক্ষিক-সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰত তেওঁ ওতপ্ৰোতভাৱে জড়িত হৈ নিজ চিন্তা আৰু চেতনাৰে সফলতাৰে নেতৃত্ব প্ৰদান কৰিবলৈ সমৰ্থ হৈছিল। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে সামৰণি পৰা অনুষ্ঠানটিত অঞ্চলৰ সকলোৱে মাজত সমাদৃত উমেশ চন্দ্ৰ বৰাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু উপস্থিত সকলোৱে কামনা কৰে।



# নৱপ্ৰজন্ম আৰু স্বামী বিবেকানন্দ



■ মাণিক পাল

সাম্প্ৰতিক সময়ৰ নৱপ্ৰজন্মৰ জীৱনশৈলী কাৰ্যতঃ বৰ চিন্তনীয় বিষয় হৈ পৰিছে। যি পথেৰে আৰু যি ধৰণে তেওঁলোকে জীৱন যাত্ৰা আৰম্ভ কৰিছে তাত কেৱল তেওঁলোকৰ নিজৰ অনুপকাৰ হোৱা নাই, আমাৰ সমাজ তথা দেশৰো অনুপকাৰ হৈছে। কাৰণ আজিৰ নৱপ্ৰজন্ম কাইলৈ দেশৰ ভৱিষ্যৎ। বাস্তৱতে তেওঁলোকে বিদেশী সভ্যতা-সংস্কৃতিৰ অন্ধ অনুকৰণ কৰি আৰু আধুনিকতাৰ মায়াজালত পৰি নিজৰ জীৱনকে পাতিত্য কৰিছে। কাৰণ উজাগৰে থাকি বাৰ-ৰেষ্টুৰেন্টত পাৰ্টী কৰা, সুৰাপান কৰি মাতাল হৈ গাড়ী-মটৰ চলোৱা, উৎসৱ-পাৰ্বণত মদ খাই মাতলামি কৰা, গুট্খা খাই য'তে-ত'তে পিক পেলোৱা, ডাঙৰক সন্মান নকৰা, গুৰু-গোসাঁই নামানি নিজৰ মতে চলা, পঢ়া-শুনা বাদ দি ম'বাইল গেমত আত্মহাৰা হোৱা আদি ভাৰতীয় সভ্যতা-সংস্কৃতিৰ অংশ নহয়। কাৰণ ভাৰতীয় সভ্যতা-সংস্কৃতি বিভিন্ন ভাষা, গোষ্ঠী, সংস্কৃতি, ধৰ্ম আৰু সাহিত্যক লৈ গঠিত এক সমন্বয়ৰ সংস্কৃতি। যি সভ্যতা-সংস্কৃতিয়ে আমাক সদায় শিকাই আহিছে সাধুতা, নম্ৰতা, ভদ্ৰতা, পৱিত্ৰতা, নমনীয়তা, সত্য-সততা, সহানুভূতিশীলতা, শিষ্টাচাৰ। তাৰ উপৰিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ বিভ্ৰান্ত তথা বিশৃংখল সমাজ-জীৱনক সনাতন ধৰ্মমতেৰে উদ্ভাসিত কৰি তুলিছিল। তেখেতে জাতীয় জীৱনৰ সকলো দিশতে সংস্কাৰমূলক দৃষ্টিভংগীৰে এক পৰিশীলিত জীৱনবোধ জগাই তুলিবলৈ নিৰন্তৰ প্ৰয়াস কৰিছিল। যাৰ ফলস্বৰূপে আমি ভাৰতীয় জীৱনশৈলীত স-সন্মানে নিজৰ স্থিতিক লৈ গৌৰৱ কৰিব পাৰিছোঁহঁক। আমাৰ জাতীয় সংস্কৃতিৰ ৰীতি-নীতি, চিন্তা-ভাৱনা, সৃজন-মনন এই সকলোতে শ্ৰীশ্ৰী শংকৰদেৱৰ পৰশ অনস্বীকাৰ্য। গুৰুজনাৰ প্ৰতিটো সৃষ্টিকৰ্মই অসমীয়া জাতিটোক সমৃদ্ধিশালী কৰি তুলিছে। এই মহান গুৰুজনাৰ প্ৰশংসা কৰি গীতিকবি যতীন্দ্ৰ নাথ দুৱৰাই লিখিছিল —

'কোন দূৰ অতীতৰ ধ্যান মগ্ন যোগী তুমি
তব পুণ্য কিৰণেৰে কৰিলা পৱিত্ৰ ভূমি ?
নিৰলে বজাই বীণা কোন কবি কাননত
স্বৰ্গৰ বাতৰি আনি দিলা দেৱ মৰতত?'

কিন্তু বৰ পৰিতাপৰ বিষয় যে আজিৰ নৱপ্ৰজন্মই ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু গুৰুজনাই দি থৈ যোৱা জাতীয় সংস্কৃতি, ৰীতি-নীতি, চিন্তা-ভাৱনা আদি পৰিহাৰ কৰি পশ্চিমীয়া সভ্যতাৰ অন্ধ অনুকৰণ কৰি দিনে দিনে উগ্ৰ, চঞ্চল, অবাধ্য, উচ্ছৃংখল, উদণ্ড হ'বলৈ ধৰিছে। আধুনিকতাৰ মায়াজালত পৰি নিজৰ অস্তিত্ব দিনে দিনে হেৰুৱাই পেলাব ধৰিছে। আপুনি যদি ভালদৰে লক্ষ্য কৰে তেন্তে দেখিব যে তেওঁলোক আজিকালি কিতাপ, আলোচনী, বাতৰি কাকত আদিৰ সলনি ম'বাইল, গুট্খা, সুৰা আৰু ড্ৰাগ্‌ছৰ জালত পৰি কক্‌বকাব ধৰিছে। এইবোৰৰ অবিহনে তেওঁলোকৰ জীৱন আধৰুৱা। কিতাপৰ নাম শুনিলে তেওঁলোকৰ এলাৰ্জী হয়। কিন্তু তেওঁলোকে পাহৰি গৈছে যে দিনে-নিশাই গুট্খা খাই কেৱল নিজৰ শৰীৰ আৰু মনকে প্ৰদূষিত কৰা নাই, তেওঁলোকৰ ৰঙীন পিকবোৰে আমাৰ সমাজ তথা পৰিৱেশকো প্ৰদূষিত কৰিছে। পিকৰ দপ্‌দপনিত আপুনি ৰাস্তাই-ঘাটে খোজ দিব নোৱাৰে। তেওঁলোক গুট্খাৰ নিচাত ইমান মতলীয়া হৈ পৰিছে যে দেৱী সৰস্বতীৰ পুণ্যস্থান বুলি পূজা কৰা শিক্ষানুষ্ঠানকো ৰঙীন পিকবোৰেৰে ৰঙা কৰিছে। এটা সময়ত যি শিক্ষানুষ্ঠানক ভাৰতীয় সংস্কৃতিয়ে পৱিত্ৰ স্থান বুলি শিকাইছিল সেই শিক্ষানুষ্ঠানৰ পৱিত্ৰতা আজিকালি নোহোৱা হ'বলৈ ধৰিছে। যি সময়ত ঘৰত বহি কিতাপ পঢ়িব লাগে সেই সময়ত বাটত জুম পাতি ম'বাইল গেম খেলিছে, যি সময়ত শুব লাগে সেই সময়ত পাৰ্টী কৰিছে আৰু যি সময়ত কাম কৰিব বা পঢ়িব লাগে সেই সময়ত শুই আছে। ড্ৰাগ্‌ছ আৰু মদত মাতাল হৈ স্পীড লিমিট নামানি গাড়ী-মটৰ চলাই কেৱল নিজৰ মৃত্যুকে টানি অনা নাই, আনৰ মৃত্যুকো টানি আনিছে। নিজৰ উগ্ৰ আৰু অবাধ স্বাধীনতা ভোগ কৰিবলৈ গৈ আন দহজনৰ স্বাধীনতাক হনন কৰিছে। উদাহৰণস্বৰূপে আমি তীব্ৰ শব্দৰে ডি জে বজাই ওৰে ৰাতি কৰা পাৰ্টীৰ কথা ক'ব পাৰোঁ। এইবোৰ তেওঁলোকে কি কৰি আছে এবাৰ তেওঁলোকে ভাবি চাইছেনে ? তেওঁলোকে হোমেন বৰগোহাঞিদেৱৰ এষাৰ কথা সদায় মনত ৰাখিব লাগে — 'আমি যদি নিজে আমাৰ জীৱনটো মূল্যহীন কৰি নোতোলোঁ, তেন্তে কোনো মানুহৰে জীৱন মূল্যহীন হ'ব নোৱাৰে।'

মই নকওঁ যে ম'বাইল ফোন বা স্মাৰ্টফোন একেবাৰে বেয়া বস্তু। কিন্তু ইয়াক ব্যৱহাৰ কৰাৰ আগতে নৱপ্ৰজন্মক ইয়াৰ ইতিবাচক আৰু নেতিবাচক দিশবোৰ ভালদৰে অধ্যয়ন কৰি ল'বলৈ অনুৰোধ কৰিম। কাৰণ সকলো বৈজ্ঞানিক আৱিষ্কাৰৰ লগত ইতিবাচক আৰু নেতিবাচক দুটা দিশ থাকে। ইয়াৰ নেতিবাচক দিশবোৰৰ পৰা নিজকে ৰক্ষা কৰিব পাৰিলেহে আমি ইয়াৰ সুফল ভোগ কৰিব পাৰিম। আমি যদি ম'বাইলত গেম খেলাৰ পৰিৱৰ্তে বিভিন্ন জ্ঞান আহৰণৰ মাধ্যম বা আহিলা হিচাপে ইয়াক ব্যৱহাৰ কৰোঁ তেন্তে ই আমাক অধিক সুযোগ আৰু সুবিধা প্ৰদান কৰিব। কিছুমান ইতিবাচক দিশ হ'ল — ম'বাইল বা স্মাৰ্টফোনৰ জৰিয়তে আমি বিভিন্ন ধৰণৰ কিতাপ ডাউনলোড কৰি পঢ়িব পাৰোঁ, বিভিন্ন বাতৰি কাকতবোৰ ই-পেপাৰৰ মাধ্যমে পঢ়িব পাৰোঁ, বিভিন্ন ধৰণৰ শৈক্ষিক সম্পৰ্কীয় এপবোৰৰ জৰিয়তে অনলাইন ক্লাছ কৰি কম্পিটেটিভ পৰীক্ষাৰ প্ৰস্তুতি ল'ব পাৰোঁ, দেশ-বিদেশৰ কথা আমি ঘৰত বহিয়েই জানিব পাৰোঁ, ইউটিউবৰ জৰিয়তে অনলাইন ক্লাছ কৰিও বিভিন্ন কম্পিটেটিভ পৰীক্ষাৰ প্ৰস্তুতি ল'ব পাৰোঁ, অনলাইন আলোচনী পঢ়িব পাৰোঁ। মনত ইচ্ছা আৰু আগ্ৰহ লৈ সঠিকভাৱে সঠিক পথেৰে ইয়াক ব্যৱহাৰ কৰিব পাৰিলে ইয়াৰ দ্বাৰা আমি এক নতুন জীৱন লাভ কৰিব পাৰোঁ। আনহাতে, আমি যদি ইয়াৰ সঠিক প্ৰয়োগ কৰিব নোৱাৰোঁ তেন্তে ই আমাৰ জীৱন ধ্বংস কৰি দিব পাৰে। আচলতে ম'বাইল বা স্মাৰ্টফোনটো হ'ল জুইৰ দৰে। জুইৰ সঠিক প্ৰয়োগ কৰি যেনেকৈ আমি জীৱন বচাব পাৰোঁ, ঠিক তেনেকৈ অকমান ভুল হ'লেই ই আমাৰ জীৱন কাঢ়ি নিব পাৰে। আমি যদি ভালদৰে নিৰীক্ষণ কৰোঁ তেন্তে দেখা পাম ম'বাইলৰ ইতিবাচক দিশবোৰৰ প্ৰতি পিঠি দি নেতিবাচক দিশৰ প্ৰতি অত্যধিক আসক্তি হৈছে বৰ্তমানৰ নৱপ্ৰজন্ম। কাৰণ ম'বাইলত জ্ঞান আহৰণৰ পৰিৱৰ্তে হোৱাটছ-এপ, ফেচবুক, ইনষ্টাগ্ৰাম, বিভিন্ন অনলাইন গেম, অটিটি প্লে-টফৰ্মত ব্যস্ত হৈ সময় অতিবাহিত কৰিছে। আগৰ দৰে নৱপ্ৰজন্মই এতিয়া ফুটবল, ক্ৰিকেট নেখেলে, পথাৰে পথাৰে ঘূৰি নুফুৰে, নৈত সাঁতুৰিবলৈ নাযায়, মাৰ্বল নেখেলে, পাৰ-পানী নেখেলে, কাৰণ তেওঁলোক এতিয়া ম'বাইল নামৰ আধুনিক যন্ত্ৰত ব্যস্ত। ইয়াৰ বাবে শাৰীৰিক আৰু মানসিকভাৱে তেওঁলোক দিনে দিনে দুৰ্বল হৈ গৈ আছে। যি কিতাপ পঢ়িলে জ্ঞান হয় সেই কিতাপ এতিয়া তেওঁলোকৰ বাবে কেৱল পৰীক্ষাত নম্বৰ তোলা কাগজ হৈ পৰিছে। পাঠ্যক্ৰমৰ কিতাপেই ভালকৈ নপঢ়ে, আলোচনী, বাতৰি-কাকততো দূৰৰে কথা। ই আমাৰ সমাজ আৰু দেশৰ বাবে এক অশনি সংকেত। মই কথাষাৰ এনেই কোৱা নাই, কাৰণ এজন শিক্ষক হিচাপে মোৰ চকুৰ সন্মুখতে বহু মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱন ধ্বংস হোৱা দেখিছোঁ ম'বাইল মেনিয়াৰ বাবে।

নৱপ্ৰজন্মক মই অনুৰোধ কৰিম বিদেশী সভ্যতা-সংস্কৃতিৰ অন্ধ অনুকৰণ নকৰি ভাৰতীয় সভ্যতা-সংস্কৃতিক অনুকৰণ কৰিবলৈ আৰু ভাৰতবৰ্ষ সম্পৰ্কে স্বামী বিবেকানন্দই কোৱা কথাবোৰক হৃদয়ংগম কৰিবলৈ। স্বামী বিবেকানন্দই কৈছিল ভাৰতবৰ্ষত কি নাই যে আমি বিদেশী সভ্যতা-সংস্কৃতিক অনুকৰণ কৰোঁ। তেওঁ ভাৰতবৰ্ষ সম্পৰ্কে বৰ্ণনা কৰি কৈছিল —'পৃথিৱীৰ ভিতৰত এনে কোনো যদি দেশ থাকে যাক আমি 'পুণ্যভূমি' বুলি ক'ব পাৰোঁ, এনে যদি কোনো স্থান থাকে য'ত মানুহৰ ভিতৰত ক্ষমা, দয়া, পৱিত্ৰতা, শান্ত ভাৱ প্ৰবৃত্তি সদগুণবোৰৰ বিকাশ আটাইতকৈ বেছি হৈছে আৰু এনে যদি কোনো স্থান থাকে য'ত সদায়ে আধ্যাত্মিকতা আৰু অন্তৰ্দৃষ্টিৰ বিকাশ হৈছে, তেন্তে নিশ্চিতভাৱে ক'ব পাৰি যে সেই ঠাইখন বা দেশখন হ'ল আমাৰ মাতৃভূমি ভাৰতবৰ্ষ।' ভাৰতৰ ইতিহাসত এনে কোনো যুগ নাই যি যুগত সমগ্ৰ পৃথিৱীক আধ্যাত্মিকতাৰ দ্বাৰা পৰিচালিত কৰিব পৰা মহাপুৰুষৰ জন্ম হোৱা নাই বা অভাৱ হৈছিল। আমাৰ মাতৃভূমিৰ প্ৰতি সমগ্ৰ জগতৰ ঋণ অপৰিসীম। খ্ৰীষ্টান ধৰ্ম যেতিয়া সৃষ্টি হোৱা নাছিল তাৰ অন্ততঃ ৩০০ বছৰ আগতে আমাৰ ধৰ্ম সুপ্ৰতিষ্ঠিত। বিজ্ঞানৰ ক্ষেত্ৰতো একে কথা প্ৰচীন ভাৰতৰ আন এটি দান হ'ল বৈজ্ঞানিক দৃষ্টিসম্পন্ন চিকিৎসকৰ দল। ছাৰ উইলিয়াম হান্টাৰৰ মতে নানা ৰাসায়নিক পদাৰ্থৰ আৱিষ্কাৰ আৰু বিকল কৰ্ণ আৰু নাসিকাৰ পুনৰ্গঠনৰ উপায় নিৰ্ণয়ৰ দ্বাৰা ভাৰতবৰ্ষ আধুনিক চিকিৎসা বিজ্ঞানক সমৃদ্ধ কৰিছে। অংকশাস্ত্ৰত ভাৰতৰ কৃতিত্ব আৰু বেছি। বীজগণিত, জ্যামিতি, জ্যোতিৰ্বিদ্যা আৰু বৰ্তমান বিজ্ঞানৰ বিজয়গৌৰৱ স্বৰূপ মিশ্ৰগণিত সকলোৰে জন্ম ভাৰতবৰ্ষত। বৰ্তমান সভ্যতাৰ ভিত্তি মূল স্বৰূপ সংখ্যাদশকো ভাৰত মনীষীৰেই সৃষ্টি। দহটি সংখ্যাবাচক দশমিক শব্দ বাস্তৱিক সংস্কৃত ভাষাৰ শব্দ। দৰ্শন, সংগীত, সাহিত্য সকলো ক্ষেত্ৰতে ভাৰতৰ স্থান সদায় উচ্চ। জাৰ্মানীৰ শ্ৰেষ্ঠ কবিয়ে আমাৰ 'শকুন্তলা' নাটক সম্বন্ধে সংক্ষিপ্ত মন্তব্যত কৈছিল—'স্বৰ্গ আৰু পৃথিৱী সন্মিলিত।' 'আৰাবিয়ান নাইট' নামৰ বিখ্যাত কথা সাহিত্যৰ উৎপত্তিত ভাৰততেই। শিল্পকলাৰ ক্ষেত্ৰত ভাৰতেই প্ৰথম তুলি আৰু ৰঙা ৰং উৎপাদন কৰে। চেনিও ভাৰততে প্ৰথম তৈয়াৰ হৈছিল। ইংৰাজী ছুগাৰ (Sugar) শব্দটো সংস্কৃত শৰ্কৰাৰ পৰা উৎপন্ন হোৱা। মুঠতে ভাৰত সকলো দিশৰ পৰা ইমান সমৃদ্ধ আছিল যে ইউৰোপীয়সকলৰ লগতে বহু বিদেশীয়ে ভাগ্য নিৰ্ণয়ৰ বাবে ভাৰতত আহিছিল। স্বামী বিবেকানন্দই কোৱাৰ দৰে য'ত প্ৰাচীন কালত সকলো বিদেশী লোকে ভাৰতীয় সভ্যতা-সংস্কৃতিক অনুকৰণ কৰি সমৃদ্ধ হ'ব যত্ন কৰিছিল আৰু আজি সেই সভ্যতা-সংস্কৃতিক ত্যাগ কৰি বিদেশী সভ্যতা-সংস্কৃতিৰ অন্ধ অনুকৰণ কৰি পাতিত্য হ'বলৈ ধৰিছোঁ।

ভাৰতীয় যুৱকসকলক সফলতাৰ মূলমন্ত্ৰ ব্যাখ্যা কৰি স্বামী বিবেকানন্দই কৈছিল—'আমি সকলোৱে জীৱনত এটা উদ্দেশ্য বাচি ল'ব লাগে আৰু সেই উদ্দেশ্যৰ বিষয়ে চিন্তা কৰিব লাগে, সপোন দেখিব লাগে, সেই উদ্দেশ্যক লৈ জীয়াই থাকিব লাগে। মন, মস্তিষ্ক, মাংসপেশী, স্নায়ুকে আদি কৰি শৰীৰৰ সমগ্ৰ অংগ-প্ৰত্যংগক সেই উদ্দেশ্যত নিয়োজিত কৰিব লাগে আৰু আন সকলো চিন্তাবোৰক ত্যাগ কৰিব লাগে। এয়াই হ'ল জীৱনৰ সফলতাৰ মূলমন্ত্ৰ।' তেওঁ দেশৰ যুৱকসকলক আহ্বান কৰি কৈছিল —'হে বীৰ যুৱকবৃন্দ আৰু কিছুৰেই দৰকাৰ নাই, দৰকাৰ আছে মাথোঁ প্ৰেম, সৰলতা আৰু সহিষ্ণুতাৰ। জীৱনৰ অৰ্থ বিস্তাৰ, বিস্তাৰ আৰু প্ৰেম একেই কথা। গতিকে প্ৰেমেই জীৱন, প্ৰেমেই জীৱনৰ একমাত্ৰ গতানুগতিকতা। স্বৰ্থপৰতাই মৃত্যু, জীয়াই থাকিলেও মৃত্যু আৰু দেহাৱসানেও এই স্বাৰ্থপৰতাৰ প্ৰকৃত মৃত্যুস্বৰূপ। শতকৰা ৯০জন নৰপশুৱেই মৃত প্ৰেমতুল্য কাৰণহে যুৱকবৃন্দ যাৰ হৃদয়ত প্ৰেম নাই তেওঁ মৃত নহয়তে কি ? হে যুৱকবৃন্দ দৰিদ্ৰ, অজ্ঞ আৰু নিপীড়িত মানুহৰ দুখ-যন্ত্ৰণাক প্ৰাণে প্ৰাণে অনুভৱ কৰা।' তেওঁ কৈছিল জীৱনত সফল হ'বলৈ তিনিটা গুণৰ দৰকাৰ-

১) সাধুতাৰ শক্তিত গভীৰ বিশ্বাস ।
২) হিংসা আৰু ভয়ক ত্যাগ কৰা ।
৩) যিসকলে ভাল হ'বলৈ বা ভাল কামত যত্নপ্ৰাণ হৈছে তেওঁলোকক সহায় কৰা।

তেওঁ কৈছিল 'কাম দেখি ভয় নাখাবা, সৰু কামৰ পৰাই মানুহ ডাঙৰ হয়। সাহস ৰাখিবা, নেতা হ'ব নিবিচাৰি সেৱক হোৱা। সদায় মনত ৰাখিবা যে তোমালোক সকলো ডাঙৰ ডাঙৰ কামৰ বাবে জন্ম গ্ৰহণ কৰিছা।'

ম'বাইল, টিভি আদিৰ দৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰবোৰে যে মানুহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব সেই কথা মহান দাৰ্শনিক এৰিষ্টটলে আজিৰ পৰা প্ৰায় আঢ়ৈ হাজাৰ বছৰ আগতেই কৈছিল। তেওঁ কৈছিল এই বৈজ্ঞানিক আৱিষ্কাৰৰ ফলত মানুহে কাম কৰা সময়তকৈ আজৰি সময়ৰ গুৰুত্ব বেছি হ'ব। তাৰ উপৰিও ইংৰাজ দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলেও কৈছিল —'জীৱিকাৰ কাৰণে কৰা পৰিশ্ৰমৰ বাহিৰে বাকী গোটেইখিনি সময় যদি মানুহে নিষ্ক্ৰিয় আমোদ-প্ৰমোদ কৰিয়েই কটাই দিয়ে, তেন্তে মানুহৰ নৈতিক আৰু মানসিক বিকাশ বাধাপ্ৰাপ্ত হ'ব আৰু তাৰ ফলত বহু যুগৰ সাধনাৰে গঢ়া মানুহৰ সভ্যতা-সংস্কৃতিৰ অৱনতি ঘটিবলৈ আৰম্ভ কৰিব। বাৰ্ট্ৰাণ্ড ৰাছেলৰ আশংকাই যেন এতিয়া বাস্তৱত পৰিণত হৈ আছে।

*ফোন ঃ ৮৬৩৮৯৪৭২৯২*

---

এক মিনিটৰ গল্প—

## বলিয়া বান

■ পূৰবী তালুকদাৰ

গাঁৱৰ মানুহবোৰে হাতে হাতে টালি-টোপোলা লৈ মাথোঁ দৌৰিছে পুৱাৰে পৰা ওফন্দি উঠা নৈখনে পলকতে মথাউৰি ছিগি গাঁওখন ডুবালে, চাৰিওফালে হুৱাদুৱা।

প্ৰতিবছৰে এনেকৈ নৈখনে গাঁওখনৰ মানুহবোৰক কোঙা কৰি থৈ যায়। আনবাৰৰ দৰে এইবাৰো নৈয়ে কাল ৰূপ ধৰাৰ আগতেই জয়াই ঘৰৰ বয়-বস্তুবোৰ যিখিনি পাৰে দৌৰাদৌৰিকৈ বান্ধিছিল। এতিয়াও কিছু বান্ধিবলৈ আছেই। নাই বুলিলেও ঘৰ এখনত লাম-লাকটু কম থাকেনে? জয়াৰ পিতাক, খুৰাক সকলোলৈকে অলপ খঙো উঠিছিল। সিহঁতকনো কিহে পাইছিল নৈৰ কাষতে থকা ঘৰৰ ল'ৰা এজনলৈ বিয়া দিবলৈ? প্ৰতি বছৰে তাইৰ কম দুৰ্গতি হয়নে 'মথাউৰি ভাগিল ঐ ৰাইজ, সোনকালে ঘৰৰ ভিতৰৰ পৰা ওলাই নিৰাপদ ঠাইলৈ যাব লাগে।' গাঁৱৰ ডেকাবোৰে চিঞৰিছিল। জয়াৰ বুকুখন কঁপি উঠিছিল। তাইৰ হিয়াঢাকুৰি কান্দিবলৈ মন গৈছিল। লৰালৰিকৈ তাই সাত বছৰীয়া জীয়েকক নীহাৰৰ কোলাত দি তাইক আগতে নিৰাপদ ঠাইত থৈ আহিবলৈ ক'লে। নীহাৰে জীয়েকক কান্ধত তুলি লৈ গাঁৱৰ মানুহে আশ্ৰয় লোৱা ওখ ঠাইখিনিত থ'লেগৈ।

জয়াক আৰু ঘৰৰ পৰাখিনি বস্তু আনিবলৈ খৰখেদাকৈ সি উভতিব বিচাৰিছিল। কিন্তু বানৰ পানীৰ মাজেৰে আধা মাইলৰ পথছোৱা পাৰ হওঁতেও তাৰ সময় লাগিল। বহু ঠাইত প্ৰবল সোঁতে তাক যেন উটুৱাইহে নিব। সি তাৰ ঘৰৰ ঠাইখিনি ঠিকেই পালেগৈ। পিছে ঘৰটোহে বিচাৰি নাপালে। কিছু দূৰত ঘৰৰ ভগা চালি আৰু বেৰৰ কিছু অংশ উটি গৈ থকা তাৰ চকুত পৰিল। 'জয়া ঐ, অ' জয়া তই ক'ত আছ?' বুলি চিঞৰি থকা নীহাৰৰ টেঁটুফলা চিঞৰ কোনেও নুশুনিলে। পানীৰ কোবাল সোঁতৰ শব্দত তাৰ মাতটোও মিলি গ'ল। পিছফালৰপৰা পৰা ঢকা এটাহে যেন সি অনুভৱ কৰিলে। হাতেৰে খেপিয়াই ক'ৰবাত ধৰিবলৈও সি সুবিধা নাপালে। লগে লগে মানুহজন ক'লৈ যে ভাহি গ'ল

কিছু সময় পাছত গাঁৱৰ মানুহে আশ্ৰয় লোৱা ওখ ঠাইটুকুৰাত কণমানিজনীয়ে মাক-দেউতাকক বিচাৰি বিচাৰি কান্দোনত ভাগি পৰাৰ এটি কৰুণ দৃশ্যহে গ'ল।

*ফোন ঃ ৮৯৫১৮১৯২৬*



---

অণুগল্প—

## সততা

■ ফুলেশ্বৰ শইকীয়া

মাধৱীয়ে ৱাল ক্ল'কটোলৈ চালে। আবেলি দুই বাজিবৰ হৈছে, মাইনাক স্কুলৰ পৰা অনাৰ সময়।

তাই ততাতৈয়াকৈ স্কুটীখনত উঠি কোবাকুবিকৈ স্কুললৈ বুলি ৰাওনা হ'ল। মাকক দেখি মাইনাই দৌৰি অহাদি আহি স্কুটীৰ পিছৰ ছীটটোত বহিল। আদবাটতে কেণাটো লাগিল। এজন পুলিচে আহি আগভেটি ধৰিলে- 'হেলমেট ক'ত? দুয়োজনীয়ে বিনা হেলমেটত ফৰফৰাই আহিছ' যে ?'

মাধৱীৰ বুকুখন চেৰেং কৰিলে। কি হ'ব এতিয়া? স্কুটীৰ পৰা নামি অনুনয়-বিনয় কৰি তাই ক'লে- 'লৰালৰিকৈ আহোঁতে হেলমেট আনিবলৈ পাহৰি গ'লোঁ। ক্ষমা কৰিব।'

'No, No mercy. এহেজাৰ টকাৰ ৰচিদ কাটি দে, মদন।'

মাধৱীৰ উপায় নাছিল। ওচৰৰ এটিএমৰ পৰা টকা এহেজাৰ উলিয়াই আনি কনিষ্ঠবলজনৰ হাতত দি ৰচিদখন লৈ ঘৰমুখী হ'ল। এইখিনি সময়তে তাইৰ স্বামী ৰজত দিনৰ ভাতসাঁজ খাবলৈ আহে।

ৰজতে ভিতৰলৈ সোমাই আহি মাধৱীৰ হাতত টকা এহেজাৰ দি ক'লে-'আইন সকলোৰে বাবে সমান। আইন ভংগকাৰীক মই কেতিয়াও ক্ষমা নকৰোঁ।'

মাধৱীয়ে ৰজতৰ দুয়োহাত খামুচি ধৰি ক'লে- 'দেশে তোমাৰ দৰে দক্ষ আৰু সততাৰে কাম কৰা পুলিচ বিষয়া বিচাৰে, ৰজত।'

## সন্তুষ্টিৰ ভাতসাঁজ

■ স্মৃতিৰেখা সোণোৱাল

ৰন্ধা ভাতসাঁজৰ এশ এটা বদনাম গাই কাহীখন ঠেলা মাৰি গিৰীয়েকৰূপী মানুহটো অফিচলৈ ওলাই গ'ল। কাহীখনৰ এটাও ভাত হাতেৰে চুই নাচালে।

সেইকণ সময়তে ঘৰৰ দুৱাৰমুখত এজন ভিক্ষাৰী উপস্থিত হ'ল; কলিংবেলটো বাজিল।

'মাই, কালিৰে পৰা একো খোৱা নাই। কিবা আছে যদি খাবলৈ দিয়া নহ'লে পইচাকে দিয়া। মই নিজে কিনি খাম।'

'আহক। ভিতৰলৈকে আহক।'

গিৰীয়েকলৈ বাঢ়ি থোৱা ভাতসাঁজ ভিক্ষাৰীজনলৈ আগবঢ়াই দিলে। ভিক্ষাৰীজনে বৰ তৃপ্তিৰে ভাতসাঁজ খালে। কাহীখনত এটাও ভাত বাকী নাথাকিল। তাই ৰন্ধা খাদ্যৰ প্ৰশংসাও কৰিলে।

নন্দিনীৰ চকু চলচলীয়া হ'ল। একেসাঁজ ভাত- মানুহভেদে সন্তুষ্টি বেলেগ বেলেগ।

*শান্তিপুৰ, জিলিকনি চ'ক*
*নলবাৰী ঃ ৭৮১৩৩৫*
*ফোন ঃ ৯৮৫৪১২৪০২৩*



---

# সামাজিক পতন আৰু মানৱীয়তাৰ বিলুপ্তি

■ পুষ্পাঞ্জলি শিৱমশৰ্মা

মানুহৰ দৈনন্দিন জীৱনধাৰাত এতিয়া বহুদিশৰ পৰাই নানা অপশক্তিয়ে গা কৰি উঠা দেখা গৈছে। সামাজিক অপসমযোজনে মানুহক মানৱীয় চিন্তাৰ পৰা বিমুখ কৰিব ধৰিছে। এই অপশক্তিবিলাকৰ ভিতৰত প্ৰধানকৈ বৰ্তমান সময়ত ভোগবাদী মানসিকতাকো অন্যতম বুলি ক'ব পাৰি।

পৃথিৱীখনত দ্ৰুতগতিত পৰিৱৰ্তন হৈ থকা জাগতিক বস্তুবোৰৰ লগতে মানুহৰ মানসিক পৰিৱৰ্তনো দ্ৰুত হ'ব ধৰিছে। সকলোৱে এক সহজ আৰু বিলাসী আৰামদায়ক জীৱন যাপনৰ লোভ এটাত পোত খাই যাব ধৰিছে। সহজতে ধন উপাৰ্জনৰ লালসাই কম বয়সৰ পৰাই ল'ৰা-ছোৱালীক গ্ৰাস কৰিব লৈছে।

টকা-পইচাৰ লালসাই লাহে লাহে সিহঁতৰ মনস্তত্ত্বৰো স্খলন আনিছে। এইটো ভয়ানক, কাৰণ মনস্তত্ত্বৰ স্খলনে এজন ব্যক্তিক কিমান তললৈ নিব পাৰে তাক অনুমান কৰাটো সহজ নহয়।

মানুহৰ মাজত সাম্প্ৰতিক দ্ৰুতগতিত বাঢ়ি গৈ থকা মানসিক স্খলন তথা নৈতিকতাৰ অৱক্ষয়ৰ বাবে সমাজত অপৰাধবোৰ বাঢ়িব ধৰিছে।

সমাজত সামাজিক প্ৰাণী হিচাপে মানুহবোৰৰ লাহে লাহে সংযোজন কৰাৰ ক্ষমতা বিলুপ্ত হ'ব ধৰিছে। ইজনে সিজনক সহ্য নকৰা হৈছে। হিংসা, খিয়লা-খিয়ালি বাঢ়িব ধৰিছে, সহযোগিতাৰ অভাৱ হ'ব ধৰিছে।

এইক্ষেত্ৰত অধ্যাপক ড° ওমৰ ফাৰুকে কৈছে, 'এতিয়া অপৰাধৰ মাত্ৰ আগতকৈ এক নতুন মাত্ৰা লাভ কৰিছে। অপৰাধবিজ্ঞানৰ ভাষা মতে শত্ৰুভাৱাপন্ন মনোভাৱে যদি তীব্ৰ আকাৰ ধাৰণ কৰে তেতিয়া অপৰাধী এক বিকৃত মানসিকতাৰ হৈ পৰে।

নতুন অপৰাধবিলাকৰ অন্যতম কাৰণ হিচাপে অবাধ প্ৰযুক্তিপ্ৰবাহ আৰু ইয়াৰ ফলত পৰ্ণোগ্ৰাফী আদিৰ দৰে বিভিন্ন অপসংস্কৃতিৰ আগ্ৰাসন অন্যতম।

এই দিশত এখন আইনৰ প্ৰয়োগ লগতে পৰিবাৰসহ সামাজিক আৰু ৰাষ্ট্ৰীয় নজৰদাৰিৰ প্ৰয়োজন।

তাতে যদি এনে স্খলন শৈশৱৰ কালছোৱাৰ পৰাই আৰম্ভ হয়, ই অতিশয় ভয়াৱহ পৰিণামদায়ক হ'ব পাৰে। জাতীয় মানসিক স্বাস্থ্য সঞ্চালকালয়ৰ পৰিচালক অধ্যাপক ডাঃ মোহিত কামাল কালেৰ মতে 'নৈতিকতাৰ অৱক্ষয় আৰু মানসিক অস্থিৰতাৰ বাবে মানুহ অসহিষ্ণু হৈ পৰে। অসহিষ্ণু মানুহৰ মগজুৰ বিচাৰ-বিবেচনা কৰা কোষসমূহৰ কাৰ্যকাৰিতা কমি যায়।

সিহঁতৰ বিচাৰ-বিবেচনাবোধ শূন্য হৈ যায়। নিয়মিত মাদকদ্ৰব্য সেৱন কৰিলেও তাৰ মস্তিষ্কৰ জাজমেন্টল (বিচাৰ কৰা শক্তি) কোষৰ এক্টিভিটি কমি যায়।

শিশুকালত এটি শিশুৰ যেনেকুৱা চিন্তাধাৰা বা মানসিক অৱস্থা হ'ব লাগে সাম্প্ৰতিক সময়ত কিন্তু তাৰ ওলোটা আৰু ভয়ংকৰ প্ৰতিচ্ছবি এখন সমাজত পৰিস্ফূট হৈছে।

মাক-দেউতাকৰ তেওঁলোকৰ সন্তানৰ প্ৰতি সময়হীনতা আৰু এক বিলাসী জীৱন উদ্‌যাপনৰ ধাৰাটোক প্ৰত্যক্ষ কৰি অলক্ষিতে সন্তানসকলো একে পথৰেই পথিক হ'ব ধৰিছে।

মনোবিজ্ঞানীসকলৰ মতে মানসিক অস্থিৰতাৰ বাবে ক্ৰমাৎ নৃশংসতাপূৰ্ণ অপৰাধ বাঢ়িব ধৰিছে।

মনৰ মাজত চলি থকা কিছুমান কথা বা অহৰহ আহি থকা ভাবধাৰাবোৰে সঠিক দিশ নিৰ্ধাৰণ কৰিব নোৱাৰিলে, এটা সঠিক ৰাস্তাৰ সন্ধান নাপালে, মগজুত খেলি থকা প্ৰশ্নবোৰে উত্তৰ বিচাৰি নাপাই জুমুৰি মাৰি ধৰে।

এক উকমুকনিয়ে লাহে লাহে মানুহজনৰ কৰ্ম আচৰণৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিব আৰম্ভ কৰে। তেতিয়াই এজন ব্যক্তিৰ তেওঁৰ দৈনন্দিন জীৱনধাৰণ প্ৰণালীৰ ওপৰত ই এক বিয়োগাত্মক প্ৰভাৱ পেলাব আৰম্ভ কৰে। মগজু আৰু মনে এক দোদুল্যমান অৱস্থাত পৰি কক্‌বকাব ধৰে।

ব্যক্তিবিশেষৰ জীৱন পথত সঠিক দিশৰ সন্ধান পাই গ'লে ঠিক থাকে, কিন্তু বাহ্যিক যদি কিবা অপশক্তিৰ দ্বাৰা সি প্ৰভাৱিত হয় তেতিয়াই মনৰ অৱস্থাৰ অৱনতি হ'বলৈ ধৰে আৰু ই লাহে লাহে অৱক্ষয়লৈ গতি কৰে।

বহুক্ষেত্ৰত মানসিক অস্থিৰতা আৰু হতাশাই বহুত মানুহৰ মনত হিংস্ৰ মনোভাৱ আৰু আত্মঘাতীৰ মানসিকতাৰ সৃষ্টি কৰি আহিছে। চাইবাৰ জগতত নেতিবাচক কৰ্ম-কাণ্ড আৰু তাৰ অপকাৰী প্ৰভাৱে নতুন ধৰণৰ অপৰাধপ্ৰৱণতাৰ জন্ম দিছে।

বহুক্ষেত্ৰত আমি মন নকৰোঁ, কিন্তু সমাজত হোৱা বিভিন্ন অপৰাধৰ গুৰি অপৰাধীৰ শৈশৱৰ পৰাই আৰম্ভণি হ'ব ধৰে। ক'ৰবাত নহয় ক'ৰবাত ঘৰৰ পৰাই পোৱা অৱহেলা, অমনোযোগিতা, শাসনৰ অভাৱ, ভাল-বেয়াৰ সংজ্ঞা নজনা তথা শৈশৱত বিভিন্ন উৎসৰ পৰা পোৱা মানসিক টেনছন ইয়াৰ বাবে দায়ী।

পৰিয়ালত সংঘটিত বিভিন্ন আপত্তিজনক ঘটনা তথা পৰিয়ালৰ লোকৰ পৰাই অপসমযোজনে লাহে লাহে এজন শিশুৰ মন-মগজুত এনেকৈ ঘৰ কৰি লয় যে অনাগত সময়ত যেতিয়াই-তেতিয়াই তাৰ বহিৰ্প্ৰকাশ ঘটে সি অতি হানিকাৰক হৈ পৰে। যাৰ বাবে শিশু এটি লাহে লাহে হেৰাই যাব ধৰে এক নামহীন অন্ধকাৰৰ দিশত।

যেতিয়া জীৱন পথত এনেকুৱা কিছুমান ঘটনা বা কথা এজন ব্যক্তিৰ লগত ঘটিব আৰম্ভ কৰে আৰু য'ত নেকি তেওঁৰ মতে কথাবোৰ নহয় তেতিয়া মানসিকভাৱে আক্ৰমণাত্মক হৈ উঠা দেখা যায়।

পৰিণতি স্বৰূপে তাৰ কুফল নিৰ্দোষ ব্যক্তিবিশেষেই ভোগ কৰিব লাগে। হাজাৰ হাজাৰ বছৰ ধৰি মহামানৱসকলৰ বাণীয়ে আমাক অনুপ্ৰেৰণা দি আহিছে, চিন্তা আৰু কৰ্মক সমৃদ্ধ কৰিছে।

সেইসকলৰ কিন্তু ক'তো আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নাছিল, কিন্তু তেওঁলোকে নৈতিক শিক্ষাৰে পুষ্ট আছিল। সেই নৈতিক শিক্ষা লাভ কৰিছিল পৰিয়ালৰ পৰা, বিশেষকৈ মাকৰ পৰা।

সন্তানৰ নৈতিক শিক্ষাৰ ক্ষেত্ৰত অন্যতম বাটকটীয়া হিচাপে মাকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

মাতৃসকলে সৰুৰে পৰাই তেওঁলোকৰ সন্তানসকলক মাতৃত্বৰ উমাল পৰশেৰে এই দিশত নানা ধৰণে শিক্ষা প্ৰদান কৰিলে শিশুসকল সংস্কাৰী হৈ নুঠাৰ কোনো কাৰণ নাথাকে নিশ্চয়।

বৰ্তমান প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ এটি বিশাল অংশৰ আজিকালি গুৰুৰ প্ৰতি তাচ্ছিল্য আৰু ব্যংগাত্মক ব্যৱহাৰ প্ৰদৰ্শনৰো উদাহৰণ বাঢ়ি যাব ধৰিছে।

পাছ-ফেল প্ৰথা কিছু স্তৰত উঠি যোৱাটোও নৈতিক মূল্যবোধৰ অৱক্ষয়ৰ অন্যতম কাৰণ বুলি ক'ব পাৰি। বৰ্তমান ভোগবাদী সমাজত প্ৰলোভনৰ প্ৰচুৰ উপকৰণে ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক অৱক্ষয়ৰ সূচনা কৰিছে।

ফোন, ইন্টাৰনেট, কেবল টিভিৰ ৰমৰমীয়া উপযোগিতাই বিয়োগাত্মক ভূমিকা বহন কৰিছে। যৌথ পৰিয়ালবোৰ ভাঙি যাব ধৰিছে। ঘৰৰ সদস্যই ইজনে-সিজনক সহ্য নকৰে।

মৰম-সহানুভূতি, আৱেগ-আব্দাৰ এই ধাৰণাৰ বিলুপ্তি ঘটিছে। এটা বা দুটা সন্তানৰ মাক-দেউতাকে সন্তানক যি লাগে তাকে দিছে অভাৱ আৰু প্ৰয়োজনৰ মাত্ৰা নাইকিয়া কৰি পেলাইছে।

সেই সকলোবোৰ শিশুৱে সহজেই পোৱাৰ বাবে কাকো নমনা হৈছে অতিমাত্ৰা মৰমৰ বাবে অইন কাৰোৰে অস্তিত্বই শিশুক প্ৰভাৱান্বিত নকৰা হৈছে।

এতিয়া এনেকুৱা পৰ্যায় পাইছে যে বিদ্যালয়ত ছাত্ৰক কাপোৰ-কানি, চুলিৰ ষ্টাইল আদিৰ ওপৰত শিক্ষকে মাৰ্জিত হ'ব দিলে তাক ওলোটাই ছাত্ৰই সেইজন শিক্ষকৰে ভিডিঅ' কৰি সামাজিক মাধ্যমত হেয় কৰাৰ উদাহৰণো ঘটি গৈছে ।

এয়া এক ভয়াৱহ নৈতিক বিপৰ্যয়ৰ অশনি সংকেত।

কম বয়সীয়া মাদকাসক্তৰ সংখ্যা বাঢ়ি গৈ আছে। সহজে টকা ঘটাৰ হেতু নানান অপকৰ্ম কৰিবলৈ দ্বিধাবোধ নকৰা হৈছে।

সকলো মানুহে প্ৰতি সৰু নাইবা বৰ, এটা হ'লেও অভ্যাস থাকে। আচাৰ-ব্যৱহাৰ অনুসৰিও মানুহৰ মাজত একো-একোটা ভিন ভিন অভ্যাসৰ জন্ম হয়।

তদুপৰি ঘৰৰ পৰিৱেশো এক অন্যতম কাৰণ হ'ব পাৰে, সজ নাইবা বদ অভ্যাস গঠনৰ দিশত।

ভোগবাদী মানসিকতা মানৱ মনত নিৰ্মিত কৃত্ৰিম পথৰ এক চাকনৈয়াৰ দৰে।

এটা অভাৱ পূৰ্ণ হোৱাৰ লগে লগে আকৌ নতুন এটাৰ উৎপত্তি হৈ যায়।

লাহে লাহে এই মকৰা জালসদৃশ পৰিস্থিতিত ভৰি দি মানুহ ওলাব নোৱাৰা হৈ যায়।

ভোগবাদী মানসিকতাই এটা অক্টোপাছৰ লেখীয়াকৈ সমাজত মানুহক হেঁচা মাৰি ধৰি সমাজ আৰু পৰিয়ালৰ মাজত ভাল চিন্তা, সহনশীলতা, দয়া-কৰুণা আদিৰ দৰে ভাল গুণবোৰক চুহি নোহোৱা কৰিব ধৰিছে।

গতিকে সময় থাকোঁতেই সঠিক শিক্ষা আৰু মাৰ্গদৰ্শনেৰে জীৱনত সঠিক মূল্যবোধক ধাৰণ কৰাৰ বাবে যত্নপৰ হ'ব লাগে।

*ফোন ঃ ৮৪৮৬৮৯৪৯১৬*

---

# ইণ্টাৰনেট কল আৰু কল ৰাউটিং

■ চঞ্চল সিংহ



গুৱাহাটী আৰক্ষীৰ অপৰাধ শাখাই অবৈধ কল ৰাউটিং নেটৱৰ্কৰ এটা ৰেকেট গ্ৰেপ্তাৰ কৰি প্ৰশংসনীয় কাম কৰিছিল। তিনিজন লোকক গ্ৰেপ্তাৰ কৰাৰ উপৰি আৰক্ষীয়ে বিভিন্নসংখ্যক চেনেল, ৰাউটাৰ, ছাৰ্ভাৰ, কম্পিউটাৰ ছিষ্টেম আৰু ম'বাইল ফোনৰ তিনিটা জিঅ' এছআইপি (Session Initiation Protocol) ডিভাইচ জব্দ কৰে। প্ৰণালীবোৰে ভাৰতত বিদেশী কল প্ৰেৰণ কৰে, যাৰ দ্বাৰা ভাৰতীয় টেলিকম সেৱা প্ৰদানকাৰীৰ আইনী আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় গেটৱে উপেক্ষা কৰা হয়।

সাধাৰণ টেলিফোন নেটৱৰ্ক আৰু ভিঅ'আইপিৰ মাজত এখন দলং নিৰ্মাণ কৰিবলৈ এটা ভিঅ'আইপি গেটৱে ব্যৱহাৰ কৰা হয়। পিবিএ' ছফ্‌টৱেৰৰ সহায়ত গেটৱে ডিভাইচবোৰ সাধাৰণতে ভিঅ'আইপি সম্পদৰ সৈতে উত্তৰাধিকাৰী ফোন প্ৰণালী সংযোগ কৰিবলৈ বা আধুনিক ভিঅ'আইপি ফোন প্ৰণালীবোৰ উত্তৰাধিকাৰী ফোন লাইনৰ সৈতে সংযোগ কৰিবলৈ ব্যৱহাৰ কৰা হয়। ইণ্টাৰনেটত বহুতো মুক্ত উৎস ছফ্‌টৱেৰ উপলব্ধ আছে, যাৰ জৰিয়তে এজন ব্যৱহাৰকাৰীয়ে একেটা নেটৱৰ্কৰ মাজত বা নেটৱৰ্কৰ বাহিৰত কল ট্ৰাংক কৰিব পাৰে। কলবোৰ হয় অডিঅ' বা ভিডিঅ' বা দুয়োটা হ'ব পাৰে। এজন সাধাৰণ টেলিফোন ব্যৱহাৰকাৰীয়ে আইনী বাধ্যবাধকতা উপেক্ষা কৰি যিকোনো দেশলৈ সেই ছফ্‌টৱেৰ আৰু ট্ৰাংক ডিভাইচৰ জৰিয়তে তেওঁৰ কলটো ট্ৰাংক কৰিব পাৰে। কিছুমান কৰ্পোৰেট কাৰ্যালয়ে তেওঁলোকৰ বিভিন্ন কাৰ্যালয়ক বিভিন্ন স্থানত সংযোগ কৰিবলৈ সেই ভিঅ'আইপি ডিভাইচবোৰস্থাপন কৰে।

এতিয়া প্ৰশ্ন হৈছে, দূৰসংযোগ বিভাগবোৰে সেই কলবোৰ কেনেদৰে অনুসৰণ কৰিব? চৰকাৰৰ দ্বাৰা সেই সুৰংগ ৰেখাবোৰ অনুসৰণ কৰি এক গধুৰ ৰাজহ লোকচান প্ৰতিহত কৰিব পাৰি। এই পদ্ধতিত ব্যৱহৃত প্ৰটোকলটো হৈছে এছআইপি (Session Initiation Protocol) যিটো টেলিকম বিভাগৰ স্কেনাৰৰ অধীনত থাকিব লাগে। লগতে কিছুমান বন্দৰ আছে যাক নেটৱৰ্ক পেছাদাৰীসকলৰ এটা বিশেষজ্ঞ গোটৰ দ্বাৰা নিৰীক্ষণ কৰা উচিত। কোনে জানে কিমানটা ডাঙৰ শ্বট কোম্পানীয়ে এই পদ্ধতিৰে ৰাজহ প্ৰৱঞ্চনা কৰিছে।

*গণসংযোগ আৰু সাংবাদিকতা বিভাগ*
*তেজপুৰ বিশ্ববিদ্যালয়*

## প্ৰথম পৃষ্ঠাৰ পৰা—

## লালপুলত ২৫ মেগাৱাট ক্ষমতা

সংকল্প লৈছে। সকলো সমস্যাৰ ভিতৰত জলবায়ু পৰিৱৰ্তন সমগ্ৰ বিশ্বৰ বাবে মূল সমস্যা বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনক বিকাশৰ নতুন উচ্চতালৈ লৈ যোৱাৰ যাত্ৰাত অসম চৰকাৰে প্ৰকৃতি আৰু পৰিৱেশৰ অনুকূল পদক্ষেপসমূহ আগুৱাই নিয়াৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছে। সেইবাবে শক্তিৰ নবীকৰণ যোগ্য উৎসৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে প্ৰদূষণৰ ফলত সূৰ্য্য আৰু পৃথিৱীৰ মাজৰ আৱৰণ ক্ৰমাৎ হ্ৰাস পোৱাৰ ফলত জলবায়ুৰ উষ্ণতা অস্বাভাৱিকভাৱে বৃদ্ধি পাব ধৰিছে। অহা ৫ বছৰত ৰাজ্যত নবীকৰণ যোগ্য শক্তি উৎপাদনৰ জৰিয়তে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ ৰাজ্যখনে নবীকৰণ যোগ্য শক্তিৰ উৎসৰ জৰিয়তে অতিৰিক্ত শক্তি আহৰণ কৰাই নহয়, স্বনিৰ্ভৰশীল আৰু পৰিৱেশ প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত এক সবল ভূমিকা গ্ৰহণ কৰিব পাৰিব। সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত লোকসকলক এটা মাহৰ ভিতৰতে ক্ষতিপূৰণ দিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে। ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত শিৱিৰৰ পৰা নিজ গৃহলৈ উভতি যোৱা বান ক্ষতিগ্ৰস্ত লোকক ৩৮০০ টকাকৈ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী হিচাপে স্বাধীনতা দিৱসৰ অমৃত কালত অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে তিনিদিন কৰি প্ৰতিগৰাকী ভাৰতীয়কে নিজগৃহত ৰাষ্ট্ৰীয় ত্ৰিৰংগা উত্তোলন কৰিবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ বাবে প্ৰতিখন ৰেচন কাৰ্ডৰ দোকানত সুলভ মূল্যত এই ত্ৰিৰংগা উপলব্ধ কৰা হৈছে বুলি তেওঁ কয়। স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে প্ৰতিখন জিলাত ৭৫ টাকৈ 'অমৃত সৰোবৰ' নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে বুলি তেওঁ উল্লেখ কৰে। তদুপৰি গছ পুলি ৰোপনেৰে প্ৰাতিষ্ঠানিক পৰিসৰৰ সৌন্দৰ্য বৰ্দ্ধনৰ ক্ষেত্ৰত ৭৫ জোপা 'অমৃত বৃক্ষ' ৰোপনেৰে পৰিৱেশ সুৰক্ষা বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। অহা ১০ অক্টোবৰৰ পৰা অৰুণোদয় আঁচনিৰ ধন ১ হাজাৰ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সময়মতে যাতে বিদ্যুৎ বিল পৰিশোধ কৰিব পাৰে তাৰ বাবে এই ধন ২৫০ টকা বৃদ্ধি কৰা হৈছে। অসমৰ প্ৰত্যেক সমষ্টি ৬ হাজাৰকৈ পৰিয়ালে অৰুণোদয় আঁচনি লাভ কৰিব । এই মাহৰপৰা বিষয়া আৰু ছাত্ৰ-ছাত্ৰী সকলে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ ঘৰলৈ গৈ জৰীপ আৰম্ভ কৰিব । হিতাধিকাৰী পৰিয়ালসকলৰ বাবে 'অৰুণোদয় পৰিয়াল' নামৰ এটি লগো আগবঢ়োৱা হ'ব আৰু আঁচনিৰ অধীনৰ প্ৰতিটো পৰিয়ালৰ গৃহৰ সন্মুখত এই লগো আঁৰা থাকিব। যিসকলৰ আৰ্থিক অৱস্থা স্বচ্ছল বা আঁচনিৰ দ্বাৰা স্বচ্ছল হৈছে তেওঁলোকক আন সকল আৰ্থিক ভাৱে দুৰ্বলৰ বাবে অৰুণোদয়ৰ বাট মুকলি কৰাৰ বাবে তেওঁ আহ্বান জনায়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ সকলক এইবেলি কম্পিউটাৰৰ পৰিৱৰ্তে ১৬ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব বুলি সভাত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্গাপূজাৰ আগে-পাছে উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰী সকলক স্কুটি প্ৰদান কৰাৰ লগতে লেটাৰ নম্বৰ সহ উচ্চতৰ মাধ্যমিকত উৰ্ত্তীণ ছাত্ৰসকলকো স্কুটি আগবঢ়োৱাৰ ব্যৱস্থা কৰা হ'ব। গোৰ্খা সকলৰ লগতে সকলো অনুসূচীত জাতি, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ অন্তৰ্ভূক্ত সকল স্বাভাৱিক ভাৱেই খিলঞ্জীয়া বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'মিছন বসুন্ধৰা ১' জৰিয়তে অসমত মাটিৰ স্থায়ী পট্টা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে, ঠিক তাৰ লেখিয়াকৈ বিটিআৰত খিলঞ্জীয়াৰ ভূমি অধিকাৰ সাব্যস্ত কৰাৰ স্বাৰ্থত 'বিটিআৰ বসুন্ধৰা' আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত চক্ৰ বিষয়া সকলক প্ৰশিক্ষণ দি থকা হৈছে বুলি বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে জানিব দিছে বুলি তেখেতে সভাত মন্তব্য কৰে। কৃষকৰ পৰা ধান ক্ৰয়ৰ বাবে বৰ্তমান নিৰ্ধাৰিত ১৯৬০ টকা মূল্যৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা অক্টোবৰৰ পৰা ২০২০ টকালৈ বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই এটা বছৰত ৰাজ্য চৰকাৰে ৫ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছে। এই পৰিমাণ আৰু বৃদ্ধি পাব। অহা বছৰৰ পৰা কৃষকে ধান ক্ৰয়ৰ টকা মাত্ৰ তিনি দিনৰ ভিতৰতে ঘূৰাই পাব বুলি তেওঁ সভাত কয়। বড়ো ভূমিত শিক্ষাৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে উচ্চ শিক্ষাৰ এক নতুন দিগন্তৰ সূচনা কৰি অহা ছেপ্তেম্বৰ মাহত অসম বিধানসভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এটা চৌহদ ওদালগুৰিত মুকলি কৰাৰ বাবে আইন গৃহীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি তেঁও কয় যে ইয়াৰ ফলত ওদালগুৰি জিলা উচ্চ শিক্ষাৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হ'ব । ৰাইজৰ দীৰ্ঘ দিনীয়া আকাংক্ষা বাস্তৱায়িত কৰি ৰৌতা আৰু ওদালগুৰি পথৰ দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ১৮ কোটি টকাৰ অনুমোদন জনাইছে। অহা আগষ্ট মাহৰ শেষৰফালে বা ছেপ্তেম্বৰ মাহৰ প্ৰথম ভাগত এই দলংখন নিৰ্মাণৰ কাম হাতত লোৱা হ'ব। শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচাই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই বক্তব্য প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত জলসিঞ্চন আৰু নগৰ উন্নয়ন আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক চৰন বড়ো, মজিবুৰ ৰহমান প্ৰমুখ্যে বিটিআৰৰ সন্মানীয় সদস্য তথা কাৰ্যবাহী সদস্যসকল, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, ভাৰতীয় জনতা পাৰ্টী ওদালগুৰি জিলাৰ সভাপতি সুনীল বসুমতাৰী ইউ পি পি এলৰ ওদালগুৰি জিলাৰ সভাপতি ৰবীন্দ্ৰ বসুমতাৰী, এপিডিচিএল আৰু এজিচিএলৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

## বন কৰা যুৱতীৰ মৃত্যুক লৈ

শালনীবাৰী আৰক্ষী চকীৰ অন্তৰ্গত ৰেঙনীঝাৰ গাঁৱৰ চৰকাৰী গাঁওবুঢ়া চূড়ানন্দ গগৈয়ে লৈ আনে তেওঁৰ ঘৰলৈ। দুখীয়া দৰিদ্ৰ পৰিয়ালটোক বিভিন্ন প্ৰলোভনেৰে ছবছৰ বয়সতে আনি বন কৰা ছোৱালী হিচাপে নিয়োজিত কৰে কণমানি চনুক। দিন বাগৰাৰ লগে লগে বন কৰা চনু প্ৰায় চৈধ্যবছৰীয়া তথা গভৰু হ'ল। পৰিয়ালৰ লোকৰ পৰা যোগাযোগ আঁতৰাই ৰখা হয় চনুক । কালি হঠাৎ মৃত্যু হোৱা বুলি খবৰ দিয়ে নিৰক্ষৰ তথা দৰিদ্ৰ পিতৃ ৰাজেন ছুনাৰীক। প্ৰথম অৱস্থাত জ্বৰ হোৱা বুলি কৈ পিছত আত্মহত্যা কৰা বুলি এখন নাটক ৰচনা কৰে চৰকাৰী গাঁওবুঢ়া চূড়ানন্দ গগৈয়ে। নিজৰ কন্যাৰ আকস্মিক মৃত্যুৰ খবৰে স্তম্ভিত কৰে চনুৰ পিতৃৰ লগতে স্থানীয় ৰাইজক। পিছত চনুৰ পৰিয়াল স্থানীয় ৰাইজৰ লগতে আদিবাসী ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল আহি চৰকাৰী গাঁওবুঢ়াৰ ঘৰত বন কৰা হিচাপে থকা চনুৰ আকস্মিক মৃত্যুত দুখ প্ৰকাশ কৰাৰ লগতে লম্পট গাঁওবুঢ়াই দৰিদ্ৰতাৰ সুযোগ লৈ চনুক বলাৎকাৰ কৰি মুখলজ্জা ঢাকিবৰ বাবে হত্যা কৰি আত্মহত্যাৰ নাটক কৰা বুলি অভিযোগ কৰে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। এই মৃত্যু সাধাৰণ মৃত্যু নহয়, এয়া গাঁওবুঢ়া চুড়ানন্দ গগৈয়ে বলাৎকাৰ কৰি হত্যা কৰিছে, গতিকে চূড়ানন্দ গগৈৰ বিৰুদ্ধে উচিত তদন্ত কৰি দৃষ্টান্তমূলক শাস্তিৰ দাবী কৰি স্থানীয় শালনিবাৰী আৰক্ষী চকীত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ লগতে চনুৰ পিতৃ ৰাজেন ছুনাৰীয়ে এখন এজাহাৰ দাখিল কৰে আৰক্ষীৰ চকীত।

## এপষেকত অভিযোগনামা

(ডি আই জি) সত্যৰাজ হাজৰিকাই । এখন সংবাদ মেলত অসম আৰক্ষীৰ কেন্দ্ৰীয় মণ্ডলৰ ডি আই জি সত্যৰাজ হাজৰিকাই কয় যে- তদন্তকাৰী বিষয়াই বিচৰা তিনিটা প্ৰতিবেদন অহাৰ পিছতে অভিযোগনামা দাখিল কৰা হ'ব। নগাঁৰৰ আৰক্ষী অধীক্ষক লীনা দলে, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰুপম হাজৰিকাই অংশ লোৱা সংবাদ মেলনতত ডি আই জি হাজৰিকাই কয় যে, বটদ্ৰৱা থানাৰ ঘটনাত ২৫জনক অভিযুক্ত কৰা হৈছে। ইয়াৰে ১১জনক গ্ৰেপ্তাৰ কৰা হৈছে আৰু এজন অভিযুক্তৰ মৃত্যু হৈছে। থানা জ্বলাই দিয়াৰ সময়ত হেংগদাৰপৰা পলাই যোৱা এজন অপৰাধীক বিচাৰি থকা হৈছে বুলি মন্তব্য কৰে শীৰ্ষ আৰক্ষী বিষয়াজনে। থানাখন জ্বলোৱাৰ সময়ত কোনে জুইশলা বাহৰ যোগান ধৰিছিল, কোনে কেৰাচিন তেল যোগান ধৰিছিল এই বিষয়বোৰৰ প্ৰতিবেদন এতিয়াও আৰক্ষীৰ হাতত নাই। বটদ্ৰৱা থানা জ্বলাই দিয়াৰ অন্যতম অভিযুক্ত ১৩জন অসমৰ বাহিৰত পলাতক হৈ আছে নে নাই এই সম্পৰ্কত বিশেষ তথ্য নাই বুলি মন্তব্য কৰে ডি আই জি হাজৰিকাই। ঘটনাটোৰ মূল অভিযুক্ত মাজিলা খাতুনৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে বুলিও তেওঁ মন্তব্য কৰে। বটদ্ৰৱা থানা জ্বলোৱাৰ সময়ত বটদ্ৰৱা থানাত কৰ্তব্যৰত আৰক্ষী বিষয়া তথা আৰক্ষী লোকসকলৰ ওপৰত সমান্তৰাল তদন্ত অব্যাহত আছে। তেওঁলোকক বিভাগীয় শাস্তি দিয়া হৈছে বুলিও আৰক্ষী বিষয়া হাজৰিকাই মন্তব্য কৰে। তেওঁ কয় যে কি পৰিস্থিতিত পৰি দুষ্কৃতিকাৰীয়ে বটদ্ৰৱা থানা জ্বলাইছিল আৰু সময়ত কৰ্তব্যৰত আৰক্ষীয়ে গুলীচালনা নকৰিলে এই সম্পৰ্কতো এজন জ্যেষ্ঠ আৰক্ষী বিষয়াৰ দ্বাৰা তদন্ত চলোৱা হৈছে। বটদ্ৰৱা থানাত পঞ্জীয়নভুক্ত বহুকেইটা গোচৰৰ নথি-পত্ৰও দুষ্কৃতিকাৰীয়ে থানা জ্বলাওঁতে অগ্নিদগ্ধ হৈছিল। এই গোচৰসমূহৰ নথি-পত্ৰ পুনৰুদ্ধাৰৰ ব্যৱস্থা কৰা হৈছে। বটদ্ৰৱা থানা কাইলৈ [illegible] পৰ্যায়ত থানাটো পুনৰ মুকলি কৰা হ'ব বুলি শীৰ্ষ আৰক্ষী বিষয়াজনে মন্তব্য কৰে।

## পুনৰ অৱসৰপ্ৰাপ্ত শিক্ষকৰ

জালত পৰি ধন হেৰুৱাবলগীয়া হোৱাৰ পিছত শেহতীয়াকৈ কালি বহাৰ এজন লোকে প্ৰৱঞ্চকৰ জালত পৰি ১২ লক্ষাধিক টকা হেৰুওৱাৰ ঘটনা পোহৰলৈ অহাৰ পিছতে আজি পুনৰ বহাৰ মোলানকটাৰ এজন অৱসৰপ্ৰাপ্ত শিক্ষকৰ পৰা ৫১ হাজাৰ টকা এটিএম প্ৰৱঞ্চকে লুটি নিয়ে। জানিব পৰা মতে বহাৰ মোলানকটাৰ নিবাসী তথা সৰাগাঁও এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক হৰকান্ত দাসে আজি দুপৰীয়া বেংকৰ পৰা টকা উঠাব বাবে বহাৰ নতুন চাৰিআলিৰ ষ্টেট বেংকৰ এ টি এমত প্ৰৱেশ কৰি ৯০০০ টকা উলিওৱাৰ পিছতে দুজন যুৱক এটিএমলৈ সোমাই আহি এজনে অৱসৰপ্ৰাপ্ত শিক্ষক জনক আপোনাৰ একাউণ্ট ব্লক দেখুৱাই আছে বুলি কৈ পুনৰ কাৰ্ডখন সুমুৱাই দিবলৈ কয়। যুৱকজনৰ কথাত পতিয়ন গৈ দাসেও পুনৰ কাৰ্ডখন সুমুৱাই দিওঁতেই যুৱকজনে হে গ'ল বুলি কৈ নিজেই কাৰ্ডখন উলিয়াই দিয়া আৰু কৌশলেৰে আন এখন কাৰ্ড দাসৰ হাতত তুলি দিয়ে। ইয়াৰ কিছু সময়ৰ পিছতে অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীৰ ধন উঠোৱা মেছেজ অহাতহে আচল কথা ওলাই পৰে। পিছত তেওঁৰ একাউণ্টৰ পৰা ৫১ হাজাৰ টকা প্ৰৱঞ্চকে উঠাই নিয়াৰ বিষয়ে জানিব পাৰে। বহাত এনেদৰে ধাৰাবাহিকভাৱে এটিএম প্ৰৱঞ্চকৰ জালত পৰি ধন হেৰুৱাবলগীয়া হোৱাটো অতিশয় চিন্তাজনক হৈ পৰিছে। এই ঘটনাৰ পৰা বহাত এটা এনে প্ৰৱঞ্চকৰ দলে যে বাহৰ পাতিছে সেয়া নিশ্চিত হৈ পৰিছে। আৰু অধিক এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাকৈ আৰক্ষীক বিশেষ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজে দাবী জনাইছে।

## লেপেটকটা চাহ বাগিচাত

হৈ মৃত্যুৰ সৈতে যুঁজি আছে। বাগিচাখনৰ ফেক্টৰীৰ CTC মেচিনত সোমাই মইনা নায়ক নামৰ মহিলা শ্ৰমিক এগৰাকী গুৰুতৰভাৱে আহত হৈছে। গুৰুতৰভাৱে আহত শ্ৰমিকগৰাকীক প্ৰথমে AMCH আৰু তাৰ পৰা GMCH লৈ পঠিওৱা হৈছে। উল্লেখ যে আজি পুৱাৰ ভাগত মহিলা শ্ৰমিকগৰাকীয়ে ফেক্টৰী পৰিষ্কাৰ কৰি থকা অৱস্থাত এই ঘটনাটো সংঘটিত হয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে চাহ বাগিচা আইন মতে কোনো মহিলা শ্ৰমিক ফেক্টৰীৰ ভিতৰত অথবা CTC মেচিনৰ ওচৰত কাম কৰিব নোৱাৰে অথবা তেওঁলোকক তেনে কামত নিয়োজিত কৰিব নোৱাৰে। এনে কঠোৰ নিয়ম থকাৰ পিছতো এগৰাকী মহিলা শ্ৰমিকক বাগিচা কৰ্তৃপক্ষই কেনেকৈ CTC এলেকাত কামত নিয়োজিত কৰাইছিল সেই লৈ ডাঙৰ প্ৰশ্ন উদয় হৈছে। ঘটনাৰ খবৰ পাই ATSA, AASA আৰু ACMS ৰ প্ৰতিনিধি বাগিচাৰ ফেক্টৰীত উপস্থিত হয়। তেওঁলোকে এই ঘটনাৰ তদন্ত বিচাৰে। নিজ মন্তব্য প্ৰকাশ কৰি তেওঁলোকে কয় যে বাগিচা কৰ্তৃপক্ষৰ ভুলৰ বাবেই যিহেতু এই ঘটনা সংঘটিত হৈছে গতিকে ইয়াৰ এটা উচিত তদন্ত হ'ব লাগিব আৰু দোষীয়ে শাস্তি পাব লাগে।

## লক্ষীপুৰত জলজীৱন আঁচনিৰ

কাম। আজি টেংকীৰ কাম কৰিবলৈ লৈছিল বনুৱাই । ছেংবান চাংমা, হামিদুল শ্বেখ আৰু মণি হুছেইনে কাম কৰিবলৈ টেংকীৰ ভিতৰত সোমাইছিল। হামিদুল শ্বেখে প্ৰথমতে টেংকীত সোমোৱাৰ পিছতেই অক্সিজেনৰ অভাৱত দ' টেংকীৰ ভিতৰত সোমাই যায়। লগে লগে শ্বেখক উদ্ধাৰ কৰাৰ বাবে ছেংবান চাংমা আৰু মণি হুছেইনে চেষ্টা কৰে। কিন্তু তেওঁলোক দুয়োজনেও অক্সিজেনৰ অভাৱত তললৈ পৰি যায়। লগে লগে হুলস্থুল লাগে ঘটনাস্থলীত। স্থানীয় ৰাইজে ৰংছাই আৰক্ষী চকীত খবৰ দিয়াত ৰংছাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। ৰংছাই আৰক্ষী আৰু স্থানীয় ৰাইজৰ প্ৰচেষ্টাত অৱশেষত উদ্ধাৰ কৰিবলৈ সক্ষম হয় তিনিওকে। উদ্ধাৰৰ পিছতেই মুমূৰ্ষু অৱস্থাত লক্ষীপুৰ মহকুমা স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও ছেংবান চাংমা আৰু হামিদুল শ্বেখক মৃত বুলি চিকিৎসকে প্ৰকাশ কৰে। আনপিনে গুৰুতৰভাৱে আহত মণি হুছেইনক উন্নত চিকিৎসাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## বানোৱাৰীপুৰত ৪ ব্যক্তিৰ

তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। স্থানীয় ৰাইজ আৰু আটছাৰ বিষয়ববীয়াই জানিবলৈ দিয়া মতে বাগিচাখনৰে সুনীল ভূঞা নামৰ লোকজনৰ ঘৰত শনিবাৰে এখন বিয়া আছিল। সেই বিয়ালৈ বিভিন্ন স্থানৰ নিমন্ত্ৰিত অতিথিও আহিছিল। পিছদিনা অৰ্থাৎ দেওবাৰে সেই ঘৰখনত ৰাতি পৰিয়ালৰ লোকসকলে সদ্যসমাপ্ত বিবাহৰ কথা-বতৰা পাতি থকা অৱস্থাতেই প্ৰায় ১০ মান বজাত বাগিচাখনৰে জিতেন নামৰ যুৱকজনে পথৰ কাষতে লাগি থকা সুনীল ভূঞাৰ ঘৰৰ খিৰিকীৰে ভুমুকি মাৰে আৰু তেনেতে এটি কণমানি ছোৱালীয়ে দেখা পায় চিঞৰ-বাখৰ কৰাত গৃহস্থ সুনীলে জিতেন মাঝিক ধৰি কিয় এনেদৰে ভুমুকি মাৰিছিলি বুলি সোধা-পোছা কৰাত দুয়োজনৰ মাজত বাকযুদ্ধৰ সূত্ৰপাত হয় আৰু সুনীলৰ নেতৃত্বত এটি দলে জিতেন মাঝিক বেয়াকৈ মাৰধৰ কৰে। ফলত গুৰুতৰভাৱে আহত জিতেনক সেই সময়ত আত্মীয় লোক এজনে পথৰ ওপৰত মুমূৰ্ষু অৱস্থাত পৰি থকা দেখা পায় ঘৰলৈ আনি তেওঁৰ পত্নীক চমজাই দিয়ে। মৃত জিতেনৰ পত্নীয়ে জনোৱা মতে উক্ত দিনা ৰাতি ঘৰত কোনো লোক নথকাৰ বাবে তেওঁ স্বামীক চিকিৎসালয়লৈ নিব নোৱাৰিলে। পিছদিনা অৰ্থাৎ সোমবাৰে আত্মীয়ৰ সহযোগত জিতেনৰ পত্নীয়ে স্বামীক প্ৰাথমিক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ নিয়াত চিকিৎসকে জিতেনৰ স্বাস্থ্য পৰীক্ষা কৰি উন্নত চিকিৎসাৰ বাবে গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ নিয়াৰ পৰামৰ্শ আগবঢ়ায়। আৰ্থিক দুৰৱস্থাৰ বাবে চিকিৎসকে দিয়া পৰামৰ্শ অনুসৰি পত্নীয়ে স্বামীক গোলাঘাটলৈ নিব নোৱাৰিলে। যাৰ ফলস্বৰূপে সোমবাৰৰ ৰাতি জিতেনে শুই থকা অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। ঘটনা সন্দৰ্ভত স্থানীয় লোকে গাঁওবুঢ়া, গাঁওৰক্ষী বাহিনী আৰু দেৰগাঁও আৰক্ষীক খবৰ দিয়াত সকলো আহি ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ ঘটনাৰ প্ৰাথমিক তদন্ত কৰি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, স্থানীয় লোক আৰু পৰিয়ালৰ লোকৰ অভিযোগৰ ভিত্তিত দেৰগাঁও আৰক্ষীয়ে সুনীল (ভদং) ভূঞা, সুৰেশ (পদীনা) ঘাটোৱাৰ, সঞ্জীৱ ভূঞা আৰু অনিল ভূঞাক সোধা-পোছাৰ বাবে আটক কৰিছে।

## নগৰবেৰাত স্বামীয়ে হানি

ভিতৰতে চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যা কৰে। লগে লগে অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হয় আৰু স্থানীয় ৰাইজে টুপামাৰী আৰক্ষীক খবৰ দিয়ে। হত্যা কৰাৰ পিছতেই বাহেজ আলীয়ে পলায়নৰ চেষ্টা কৰিব লওঁতেই স্থানীয় ৰাইজৰ সহযোগত টুপামাৰী আৰক্ষীয়ে আটক কৰে হত্যাকাৰী বাহেজ আলীক। পিছত টুপামাৰী আৰক্ষীয়ে মৃতদেহটো চমজি লৈ মৰণোত্তৰ পৰিক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ দিহা কৰে বুলি জানিব পৰা গৈছে। ইতিমধ্যে সমগ্ৰ হত্যাকাণ্ডৰ তদন্ত অব্যাহত ৰাখিছে টুপামাৰী আৰক্ষীয়ে। উক্ত হত্যাকাণ্ডই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য বিয়পিছে।

## বঙাইগাঁৱত ঔষধ কোম্পানীৰ

উত্থাপন কৰিছে ৰিপ্ৰেজেনটেটিভছসকলে। ইয়াৰ ফলস্বৰূপে মেডিকেল ৰিপ্ৰেজেনটেটিভছসকলৰ সৰ্বভাৰতীয় সংগঠন এফএমআৰএআয়ে মেডিকেল ৰিপ্ৰেজেনটেটিভছৰ চাকৰিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত মঙলবাৰে 'এণ্টি ভিক্টিমাইজেচন দে' পালনৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমৰ আন আন ঠাইৰ লগতে বঙাইগাঁৱতো চি আৰ ইউ-এ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। জিলাখনৰ মেডিকেল ৰিপ্ৰেজেনটেটিভছসকলে পুৱা ১১ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ কামৰ পৰা বিৰত থাকি প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰতিবাদৰ অংশ হিচাপে চি আৰ ইউৰ সদস্যসকলে বঙাইগাঁও জিলাৰ শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ১ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী পালন কৰে আৰু শ্ৰম আয়ুক্তক চাকৰিৰ নিৰাপত্তা সুনিশ্চিত কৰা, শ্ৰম-আইনসমূহ প্ৰযোজ্য কৰা, ঔষধৰ মূল্যবৃদ্ধি ৰোধ কৰা আদি বিভিন্ন দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে ইতিমধ্যে জিলাখনৰ লগতে ৰাজ্যখনত ফাইজাৰ, হিমালয়া, ভাৰত চেৰাম, টিটিকে, জাইডাছ আদি ঔষধ কোম্পানীৰ ভিক্টিমাইজেচনৰ ফলত কেইবাজনেও চাকৰি হেৰুৱাবলগীয়া হৈছে বুলিও জানিবলৈ দিয়ে চি আৰ ইউৰ সদস্যসকলে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰাসকলে দাবীসমূহৰ সমৰ্থনত বিভিন্ন শ্ল'গানো দিয়ে।

## ছাত্ৰীৰ অন্তৰ্বাস খুলিবলৈ বাধ্য

দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটো দেওবাৰে সংঘটিত হৈছিল যদিও লাজ-অপমানৰ বাবে বিষয়টো গাপ দি ৰখা হৈছিল। পিছত মঙলবাৰে এনে অপমানজনক ঘটনাৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত অভিযোগ দাখিল কৰা হৈছে। প্ৰাপ্ত তথ্য মতে কেৰালা প্ৰদেশৰ কোল্লাম জিলাৰ এটা পৰীক্ষাকেন্দ্ৰত এই ঘটনা সংঘটিত হৈছিল। নীট পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে অহা শিক্ষাৰ্থীসকলৰ অন্তৰ্বাস খুলি ৰখা হৈছিল। মেটেল ডিটেকটৰৰ দ্বাৰা পৰীক্ষাগৃহত প্ৰৱেশৰ সময়ত ছাত্ৰীৰ অন্তৰ্বাসত থকা ধাতুৰ বুটাম বা পিন জাতীয় সামগ্ৰীৰ বাবে ৰঙা লাইট জ্বলি উঠিছিল। গতিকে কাষৰ কোঠালৈ নি নিৰাপত্তাৰক্ষীয়ে দাবী ধমকিৰে ছাত্ৰীক অন্তৰ্বাস খুলি থৈ যাবলৈ বাধ্য কৰাইছিল। কেবল এগৰাকী বা দুগৰাকী নহয়, পৰীক্ষাকেন্দ্ৰটোত কেইবাশ ছাত্ৰীৰ এনে অপমানজনক পৰিস্থিতিৰ মুখামুখি হ'বলগীয়া হোৱা বুলি প্ৰকাশ পাইছে। নিজৰ ভৱিষ্যৎ ডাঙৰ নে অন্তৰ্বাস ডাঙৰ, অন্তৰ্বাস খুলিব নিবিচাৰিলে চিকিৎক হোৱাৰ সপোন ত্যাগ কৰিব লাগিব আদি ধৰণৰ দাবী ধমকিৰে বাধ্য কৰোৱা হৈছিল। ইফালে এগৰাকী ছাত্ৰীৰ পিতৃয়ে মঙলবাৰে স্থানীয় আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। এই ঘটনা সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পিছত কেৰালাৰ শিক্ষামন্ত্ৰী আৰ বিন্দুৱে কেন্দ্ৰীয় চৰকাৰৰ শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানলৈ এখন অভিযোগ পত্ৰ প্ৰেৰণ কৰিছে। লগতে গোটেই বিষয়টো তদন্ত কৰিবলৈ দাবী জনাইছে।

## চামগুৰিত ড্ৰাগ্ছ পেডলাৰক

লোকে এজন ড্ৰাগ্ছ পেডলাৰক আটক কৰে। জানিব পৰা মতে খাটোৱাল থানাৰ অন্তৰ্গত ব্ৰহ্মচাৰী সত্ৰত আজি বিয়লি প্ৰায় ৩.৩০ মান বজাত স্থানীয় একাংশ লোকে উলুৱনি অঞ্চলৰ চুৰুদ্দিন ইছলাম (২৮) নামৰ এজন ড্ৰাগ্ছ পেডলাৰক আটক কৰাৰ লগতে দুটা খালী কণ্টেইনাৰ জব্দ কৰে যদিও আন দুজন যুৱক পলাই যাবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত খাটোৱাল থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ড্ৰাগ্ছ পেডলাৰজনক আটক কৰাৰ লগতে আৰু অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে ।

## তিনি বছৰত চাৰি লাখৰ ত্যাগ

বিষয়টো কোনেও স্পষ্ট কৰিব পৰা নাই। কেবল পৰিসংখ্যা সদৰী কৰি সন্তুষ্ট হৈছে কেন্দ্ৰীয় চৰকাৰ। লোকসভাত মঙলবাৰে কেন্দ্ৰীয় গৃহৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰকাশ কৰিছে এই তথ্য। তেওঁ কয় যে বিগত তিনি বছৰত ৩,৯২,৬৪৩ জন ভাৰতীয় লোকে নাগৰিকত্ব প্ৰত্যাহাৰ কৰিছে। ইফালে ভাৰতেও বিশ্বৰ ১২০ খন দেশৰ নাগৰিকক আকোঁৱালি লৈ আহিছে। সেয়েহে ভাৰতৰ পৰাও মাজে সময়ে একাংশই এনেদৰে বিদেশত নাগৰিকত্ব গ্ৰহণ কৰি আহিছে বুলি মন্ত্ৰীজনে প্ৰকাশ কৰিছে। ২০১৯, ২০২০ আৰু ২০২১ চনত প্ৰায় চাৰি লাখ লোকে দেশ এৰি গুচি গৈছে। ইয়াৰে ১,৭০,৭৯৫ জনে গ্ৰহণ কৰিছে আমেৰিকাৰ নাগৰিকত্ব। ইফালে কানাডালৈ গৈছে ৬৪,০৭১ জনে। অষ্ট্ৰেলিয়াৰ নাগৰিকত্ব লৈছে ৫৮,৩৯১ জনে আৰু ইংলেণ্ডলৈ গুচি গৈছে ৩৫,৪৩৫ জন ভাৰতীয়ই। কেন্দ্ৰীয় মন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি ইটালিত নাগৰিকত্ব লৈছে ১২,১৩১ জনে; নিউজিলেণ্ডত নাগৰিকত্ব লৈছে ৮,৮৮২ জনে; ছিংগাপুৰত নাগৰিকত্ব লৈছে ৭,০৪৬ জনে ; জাৰ্মানীত নাগৰিকত্ব লৈছে ৬,৬৯০ জনে, চুইডেনত ৩,৭৫৪ জনে আৰু পাকিস্তানত নাগৰিকত্ব লৈছে ৪৮ জন ভাৰতীয়ই। এনেকৈয়ে দেশ এৰি গুচি যোৱা স্বদেশীৰ পৰিসংখ্যা সদনত সদৰী কৰিছে কেন্দ্ৰীয় মন্ত্ৰীয়ে।

## কেৰেলাত নগাঁৱৰ যুৱকৰ

ঘৰ নগাঁৱৰ চেঁচামুখত। প্ৰেমজনিত কাৰণতে ধনমণিয়ে আত্মহত্যা কৰাৰ সন্দেহ কৰিছে পৰিয়ালৰ লোকে।

## বেংগালুৰুলৈ যোৱাৰ পথত

বেংগালুৰুলৈ যোৱাৰ পথত ৰে'লৰ পৰাই নিৰুদ্দিষ্ট হয়। জানিব পৰা মতে অৰবিন্দ পাটৰ নামৰ লোকজনে একে গাঁৱৰে দীপাংকৰ মেধি নামৰ লোকজনৰ লগত কামৰ সন্ধানত বেংগালুৰুলৈ গৈছিল। দুয়োজনে চাপৰমুখ ৰে'ল ষ্টেচনৰ পৰাই একেলগে ৰে'লেৰে গৈছিল। নিশা দুয়োজনে যাত্ৰাৰ পথতে শুবলৈ লয় আৰু পুৱা দীপাংকৰে অৰবিন্দক দেখা নাপাই ৰে'লখনতে বিচাৰ-খোঁচাৰ কৰে যদিও সন্ধান পাবলৈ সক্ষম নহ'ল। ইয়াৰ পিছতে দীপাংকৰে ৰে'লৰ পৰা নামি ষ্টেচনৰ ৰে'ল আৰক্ষীক বিষয়টো অৱগত কৰাৰ লগতে অৰবিন্দৰ পৰিয়ালৰ লোককো কথাটো অৱগত কৰে। কিন্তু দহ দিনৰ পিছতো লোকজনৰ বিষয়ে কোনো সন্ধান নোপোৱাত আজি পৰিয়ালৰ লোকে চাপৰমুখ ৰে'ল আৰক্ষীক এজাহাৰ দিয়ে। পৰিয়ালৰ লোকে লোকজনৰ সন্ধানৰ বাবে আশাৰে বাট চাই আছে।

## ধন লোৱাৰ অভিযোগত

তাৰেই প্ৰমাণ হিচাপে আজি মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ বিষয়াৰ হাতত পৰা তথ্য-প্ৰমাণৰ ভিত্তিত গ্ৰেপ্তাৰ হ'বলগীয়া হয় এগৰাকী স্বাস্থ্য বিভাগৰ কৰ্মচাৰী। জানিব পৰা মতে বিপিন কলিতা নামৰ বাক্সা জিলা স্বাস্থ্য বিভাগৰ উচ্চ বৰ্গৰ সহায়কগৰাকীয়ে পেঞ্চনৰ কামৰ বাবে নিলিমা ভূঞা নামৰ এগৰাকী অৱসৰপ্ৰাপ্ত নাৰ্ছৰ পৰা ৫০০০ টকা দাবী কৰিছিল। দাবী কৰা ধন লোৱাৰ সময়তে আজি হাতে-লোটে ধৰা পৰে বিপিন কলিতা নামৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰীগৰাকী । আজি প্ৰথমতে বৰমা বৰঝাৰৰ বিপিন কলিতাৰ নিজা বাসগৃহত মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাই তালাচী চলোৱাৰ অন্তত অভিযানকাৰী দলটোৱে মুছলপুৰৰ জিলা কেন্দ্ৰত উপস্থিত হয়। জিলা কেন্দ্ৰত থকা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত বিভাগটোৰ উচ্চবৰ্গৰ সহায়ক বিপিন কলিতাক দুৰ্নীতি নিবাৰক শাখাই প্ৰায় তিনি ঘণ্টা ধৰি মাৰাথান জেৰা চলোৱাৰ অন্তত গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ নিয়ে । অৱশ্যে দুৰ্নীতি নিবাৰণ বিষয়াই তদন্তৰ খাতিৰত এতিয়াও মুখ খোলা নাই যদিও ঘোচ লোৱাৰ অপৰাধত গ্ৰেপ্তাৰ হোৱা বুলি সদৰী কৰে । উল্লেখ্য যে গ্ৰেপ্তাৰ হোৱা বিপিন কলিতা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ সম্পৰ্কীয় লোক বুলি জানিব পৰা গৈছে।

## ইটানগৰ হোলোংগীত

সময়তহে স্পষ্ট হ'ব। ইফালে অসম-অৰুণাচল সীমান্ত গহপুৰ নগৰৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ আৰু অৰুণাচল প্ৰদেশৰ ইটানগৰৰ পৰা ১৫ কিলোমিটাৰ দূৰত থকা হোলোংগীৰ এই বিমানবন্দৰত ইটানগৰক বিমান মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হৈছে বুলি জানিব পৰা গৈছে। ইফালে এই বিমানবন্দৰটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'লেই অৰুণাচল প্ৰদেশৰ গুৰুত্বপূৰ্ণ চহৰৰ সৈতে বিমান প্ৰৱেশৰ বিশেষ সুবিধা লাভ কৰিব বুলি জানিবলৈ দিয়ে বিমানবন্দৰ কৰ্তৃপক্ষই। আনহাতে, প্ৰথমখন বিমান পৰীক্ষামূলকভাৱে অৱতৰণ কৰাৰ পিছতে টুইটাৰযোগে মঙলবাৰে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে সকলোৰে বাবে এক গৌৰৱৰ মুহূৰ্ত বুলিও উল্লেখ কৰে। আনহাতে, বিমানবন্দৰটো কেইবাটাও উন্নয়নমূলক প্ৰকল্প হিচাপে অন্তৰ্ভুক্ত কৰাৰ চিন্তা কৰিছে মুখ্যমন্ত্ৰীয়ে। বিমানবন্দৰৰ ফুটপাথ নিৰ্মাণ, বায়ুৰ কাষৰ কাম, টাৰ্মিনেল বিল্ডিং নিৰ্মাণ আৰু চহৰৰ কাষৰ পৰা কম সময় ভিতৰতে সংযোগ হ'ব পৰা সুবিধা উন্নত যাতায়াত ব্যৱস্থা। ইফালে নিৰ্মীয়মাণ বিমানবন্দৰটো এ-320 বিমানৰ বাবে প্ৰস্তুত কৰা হৈছে যদিও ভৱিষ্যতে এ-321 বিমান ৰখাৰ বাবে 500 মিটাৰ ৰাণৱে সম্প্ৰসাৰণৰ পৰিকল্পনা কৰা হৈছে বুলি জানিব পৰা গৈছে। এই বিমানবন্দৰটো অৰুণাচল প্ৰদেশক দক্ষিণ-পূব এছিয়াৰ এক গুৰুত্বপূৰ্ণ প্ৰৱেশদ্বাৰলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পদক্ষেপৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে স্বীকৃত দিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। ইয়াৰ দ্বাৰা আঞ্চলিক অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি হয় বুলি প্ৰকাশ কৰা লগতে এই বিমানবন্দৰৰ পৰা বিশেষভাৱে বিশ্বনাথ জিলাৰ বিহালী সমষ্টি, গহপুৰ সমষ্টি, চতিয়া সমষ্টিৰ লগতে লখিমপুৰ জিলাৰ লোকসকলৰ সুবিধা হ'ব।

## শিৱসাগৰ আদালতত হাজিৰ

শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈসহিত আন কেইবাজনো অভিযুক্ত আজি শিৱসাগৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ হয়। নাগৰিকত্ব সংশোধনী আইন ২০১৯ক বিৰোধ কৰি সেই সময়ত শিৱসাগৰ নগৰত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ অখিল গগৈকে ধৰি বহু জাতি-জনগোষ্ঠীয় সংগঠনে এক বিৰাট সমদল বাহিৰ কৰি হাজাৰ হাজাৰ লোকৰ উপস্থিতিত নগৰখন স্থবিৰ কৰি উপায়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰিছিল। উক্ত প্ৰতিবাদ যদিও শান্তিপূৰ্ণ আছিল তথাপি পৰৱৰ্তী সময়ত শিৱসাগৰ আৰক্ষীয়ে ১৪৪ ধাৰা ভংগ আৰু আইনক বিৰোধ কৰি ৰাইজক উচটনি জনাই ৰাষ্ট্ৰদ্ৰোহ কৰাৰ অভিযোগত এক নিজাববীয়া গোচৰ ৰুজু কৰিছিল। এই গোচৰৰে চাৰ্জ ফ্ৰেইমিং আৰু শুনানিৰ বাবে আজি অখিল গগৈকে ধৰি অসম ছাত্ৰ-যুৱ সন্মিলনৰ সভাপতি জিন্তু মেছ, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ লক্ষ্যজ্যোতি গগৈ আৰু মানস কোঁৱৰ আজি আদালতত হাজিৰ হয়। আনহাতে, আজি আদালতত উপস্থিত হৈ অখিল গগৈয়ে কি গোচৰৰ বাবে আদালতত হাজিৰ হ'ল সেই সন্দৰ্ভত সদৰী কৰে যদিও লক্ষণীয়ভাৱে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত মৌন হয় ৰয়। ইয়াৰ বিপৰীতে অসম যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জিন্তু মেছে এই গোচৰ বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে মাত মতাৰ বাবে ভুৱা গোচৰ জাপি দিয়া বুলি মন্তব্য কৰে।

## বানত বিধ্বস্ত হাঁহিনী গাঁও

ছাত্ৰ-ছাত্ৰীৰ লগতে কৃষি কাৰ্যত ব্যৱহৃত ট্ৰেক্টৰৰ লগতে গৰু-ছাগলী অনা-নিয়া কৰাৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিব লগা হৈছে। উল্লেখ্য যে নিৰ্মাণৰ এবছৰ নোহোৱা ব' কালভাৰ্টটো আৰু পকী পথটো বানপানীত এনেদৰে ভাঙি-ছিগি যাব বুলি ৰাইজে ভবাই নাছিল। বিগত এমাহ দিন ধৰি ৰাইজে উপায়ান্তৰ হৈ ওচৰৰ ধাননি পথাৰেৰে বোকা-পানী গছকি যাতায়াত কৰিবলৈ বাধ্য হৈছে। ইফালে বিগত এমাহ ধৰি ঠিকাদাৰে কোনো ছাব ৰে নিৰ্মাণ নকৰাকৈয়ে উক্ত ব' কালভাৰ্টসহ ভাগি-ছিগি যোৱা পথটোত বাঁহৰ দলং নিৰ্মাণ কৰিবলৈ লোৱাত ক্ষোভিত হৈছে স্থানীয় ৰাইজ। তদুপৰি অতি লেহেমীয়া গতিৰে বাঁহৰ দলং নিৰ্মাণ কৰিবলৈ লোৱাৰ লগতে বাঁহৰ দলঙৰ বাবে যি কাঠৰ খুঁটা পুতিছে, সেই লৈও এতিয়া ৰাইজৰ চকু কপালত উঠিছে। অদক্ষতাসম্পন্ন ব্যক্তিৰ দ্বাৰা অতি নিম্ন মানৰ বাঁহৰ দলং নিৰ্মাণ কাৰ্য দেখি স্থানীয় ৰাইজ ক্ষোভিত হৈছে। ৰাইজে অতি সোনকালে উন্নত মানৰ দলং নিৰ্মাণৰ পূৰ্বে যাতায়াতৰ বাবে সাধাৰণভাৱে হ'লেও ছাব ৰে এটা নিৰ্মাণ কৰিবলৈ দাবী জনাইছে। লগতে নিৰ্মাণ কৰিবলগীয়া উক্ত বাঁহৰ দলংখনো বিভাগীয়ভাৱে উন্নত মানৰ বাঁহৰ দলং নিৰ্মাণ কৰিবলৈ দাবী জনায়। স্থানীয় ৰাইজে যথাসম্ভৱ পুনৰ পকী ব' কালভাৰ্ট নিৰ্মাণ কৰাৰ লগতে কালভাৰ্টৰ দুই মূৰ পুনৰ পকী কৰি উন্নত মানৰ যাতায়াতৰ ব্যৱস্থা কৰিবলৈ অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰী আৰু জিলা প্ৰশাসনৰ ওচৰত আবেদন জনাইছে।

## ১০ দিনত ভাগ্য নিৰূপণ হ'ব

নেতৃত্বৰ বিৰুদ্ধে মুছলমানক শোষণ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি আহিছে। সেয়েহে যোৱা এপ্ৰিল মাহত শ্বেৰমান আলী, শশীকান্ত দাস আৰু ছিদ্দিক আহমেদৰ বিধায়কপদ খাৰিজৰ বাবে কংগ্ৰেছ বিধায়িনী দলৰ মুৰব্বীয়ে লিখিতভাৱে বিধানসভাৰ অধ্যক্ষৰ ওচৰত আবেদন জনাইছিল। এই আবেদনৰ ভিত্তিত মঙলবাৰে শ্বেৰমান আলীৰ শুনানি গ্ৰহণ কৰা হয়। সংবিধান সম্পৰ্কীয় অভিজ্ঞতা আৰু জ্ঞান থকা প্ৰায় আধা ডজন অধিবক্তা উপস্থিত আছিল আজি শুনানি পৰ্বত। অধ্যক্ষৰ সন্মুখত কংগ্ৰেছৰ অভিযোগৰ সম্পৰ্কত এটা এটাকৈ প্ৰশ্নৰ উত্তৰ দিব লগা হ'ল নিলম্বিত বিধায়কজনে। ইফালে ইয়াৰ পিছৰ পৰ্যায়ত অন্য দুজন বিধায়কৰো শুনানি লোৱা হ'ব। তিনিওজনৰে শুনানি গ্ৰহণৰ পিছত কংগ্ৰেছ নেতৃত্বক তথ্য প্ৰমাণসহ তেওঁলোকে দাখিল কৰা অভিযোগৰ সত্যতা নিৰূপণৰ বাবে আহ্বান জনোৱা হ'ব। এনেকৈয়ে এক আইনী প্ৰক্ৰিয়াৰ মাজেৰে গোটেই প্ৰক্ৰিয়াটো নিষ্পত্তি কৰাৰ কৰ্তৃত্ব এতিয়া বিধানসভাৰ অধ্যক্ষৰ হাতত মজুত থকা বুলিব পাৰি।

## মোৰাঝাৰত অগ্নিকাণ্ডত জাহ

সামগ্ৰীৰ লগতে প্ৰায় চাৰি কুইণ্টল মুগী জুইত পুৰি যায়। উল্লেখ্য যে কিহৰ পৰা এই অগ্নিৰ সূত্ৰপাত হৈছে পোহৰলৈ অহা নাই যদিও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ভুক্তভুগীয়ে এজাহাৰ দাখিল কৰাও বুলি জনা গৈছে।

## হাজোৰ বুল্লুট কোঁৱৰপুৰত এগৰাকী ৬০ বছৰীয়া মহিলা নিৰুদ্দেশ ঃ হাজো থানাত এজাহাৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৯ জুলাই ঃ** কামৰূপ জিলাৰ হাজো থানাৰ অধীনস্থ কোঁৱৰপুৰত এগৰাকী মহিলা বিগত দুমাহে নিৰুদ্দেশ হৈ আছে। নিৰুদ্দেশ হোৱা মহিলাগৰাকীৰ নাম জিৰাতন বিবি। বয়স ৬০ বছৰ। প্ৰায় পাঁচ ফুট ওখ, গাৰ বৰণ বগা। হাজোৰ বুল্লুট কোঁৱৰপুৰ নিবাসী সূৰ্য আলীৰ পত্নী তথা আঠোটাকৈ সন্তানৰ মাতৃ জিৰাতন বিবি (৬০) বিগত দুমাহ ধৰি নিৰুদ্দেশ হৈ থকা ঘটনাৰ পিছত অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। ঘটনাৰ সন্দৰ্ভত পৰিয়ালৰ সূত্ৰে জানিবলৈ দিয়া অনুসৰি মহিলাগৰাকী মানসিকভাৱে সামান্য অসুস্থ আছিল। মহিলাগৰাকী পূৰ্বেও কেতিয়াবা ঘৰৰ পৰা ওলাই গৈছিল যদিও পুনৰ ঘৰলৈ ঘূৰি আহিছিল। কিন্তু বিগত দুমাহ পৰ্যন্ত নিজ ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকসকল অধিক চিন্তাত পৰিছে। পৰিয়ালৰ লোকে ঘৰৰ আলহী-অতিথিৰ উপৰি বিভিন্ন ঠাইত বিচাৰ কৰিও আজি পৰ্যন্ত কোনো সন্ধান পোৱা নাই মহিলাগৰাকীৰ। সেয়েহে আজি পৰিয়ালৰ লোকে মহিলাগৰাকী নিৰুদ্দেশ হোৱা সন্দৰ্ভত হাজো থানাত এখন এজাহাৰ দাখিল কৰে। তদুপৰি পৰিয়ালৰ লোকে মহিলাগৰাকীৰ কোনো সন্ধান পালে- ৯৩৬৬৪-৩৩৯০২, ৯৩৬৫০-২০৪১৭ আৰু ৬০০৩৭-৪৭৭৭৯ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সংবাদ মাধ্যমযোগে অনুৰোধ জনাইছে । পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ঘটনা সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে।

## বন্যহস্তীৰ বাবেই ২৪০ বিঘা

চপোৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হৈছে। বিশেষকৈ যিসমূহ অঞ্চলত হাতী-মানুহৰ সংঘাতৰ কবলত ধান খেতি কৰিব পৰা নাছিল সেইসকল লোকে বিগত চাৰি বছৰ ধৰি পথাৰৰ ধান চপাব পাৰিছে। 'হাতীবন্ধু'ৰ সহযোগত স্থানীয় প্ৰকৃতিপ্ৰেমী যুৱক বিনোদ দুলু বৰাৰ উদ্যোগত আৰু হাতীখলি ৰংহাং গাঁৱৰ ৰাইজে কালি শুভাৰম্ভ কৰিছে ২৪০ বিঘা মাটিত ধানখেতি। এই ধানখেতিখিনি একমাত্ৰ বনৰীয়া হাতীয়ে খাবৰ কাৰণেই প্ৰস্তুত কৰি তোলা হৈছে। এইক্ষেত্ৰত কালি 'হাতীবন্ধু'ৰ সঞ্চালক বিশেষকৈ প্ৰদীপ ভূঞাৰ নেতৃত্বত হাতীখলি ৰংহাং গাঁৱৰ ৰাইজে কঠীয়া ৰোপণৰ কাম আৰম্ভ কৰিছে। সাংবাদিকক জানিবলৈ দিয়া অনুসৰি, যোৱা বছৰ তেওঁলোকে ২০০ বিঘা মাটিত খেতি কৰিছিল যদিও এইবাৰ অধিক পৰিমাণৰ মাটিত ধানখেতিৰ লগতে হাতীৰ খাদ্য হিচাপে নেপিয়াৰকে ধৰি বিভিন্ন ঘাঁহ খেতিও কৰিবৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে । ইয়াৰ উপৰি বনৰীয়া হাতীৰ খাদ্য হিচাপে ঔ-টেঙাও পাহাৰীয়া অঞ্চলটোত 'হাতীবন্ধু'ৰে ৰোপণ কৰিছে, যাৰ কাৰণে ধান খেতিৰ সময়ত বনৰীয়া হাতীয়ে জনাঞ্চলত উপদ্ৰৱ চলোৱাত ৰোধ হৈছে।

## বিজেপি চৰকাৰে দেশত 'কৰ'

কোনোটো দলেই ধোঁৱা তুলসীৰ পাত নহয়। দুয়োটা দলেই নিজৰ নিজৰ দুৰ্বলতা ঢাকিবৰ বাবে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বৰে পৰা বোকা ছটিওৱা ৰাজনীতি আৰম্ভ কৰিছে। কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ কিছুসংখ্যক নেতা বিজেপিৰ পকেটত আছে। ইপিনে তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰক ৰক্ষণাবেক্ষণ দিবলৈ গৈ তৃণমূল কংগ্ৰেছৰ অসমৰ সভাপতি ৰিপুণ বৰাই কয় যে- 'মহুৱা মৈত্ৰই আহোম সম্প্ৰদায়ক আক্ৰমণ কৰি কোনো টুইট কৰা নাই। এইটো ভুল ব্যাখ্যা হৈছে। মহুৱা মৈত্ৰই ৰঞ্জন গগৈকহে কৈছিল। কোনো সম্প্ৰদায়ক আক্ৰমণ কৰা নাছিল।' আনহাতে, কৰৰ যোগেদি মোদী চৰকাৰে দেশৰ জনতাৰ ওপৰত সন্ত্ৰাসবাদ চলাইছে বুলি মন্তব্য কৰি বৰাই লগতে কয় যে জি এছ টিৰ দ্বাৰা নৰেন্দ্ৰ মোদীয়ে দেশত লুটৰাজ আৰম্ভ কৰিছে। চৰকাৰ চলাবলৈ পুঁজি নথকাৰ বাবে মোদী চৰকাৰে সৰ্বসাধাৰণ ৰাইজৰ ওপৰত কৰ জাপি দিছে। বিজেপি চৰকাৰ পুঁজিপতি আৰু জনবিৰোধী চৰকাৰ। এই চৰকাৰ কেতিয়াও জনদৰদী চৰকাৰ নহয়। নগাঁও জিলা সাহিত্য সভা ভৱনত অনুষ্ঠিত সভাখনত ৰিপুণ বৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কঠোৰ সমালোচনা কৰি কয় যে- 'মোদীয়ে সৰ্বসাধাৰণ ৰাইজৰ পৰিৱৰ্তে পুজিপতিৰ স্বাৰ্থত কাম কৰি আহিছে। মোদীয়ে দেশৰ সম্পত্তি বিক্ৰী কৰি তলি উদং কৰিব।' ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰসংগ উল্লেখ কৰি বৰাই কয় যে-'এই নিৰ্বাচনত কিনা-বেচা, ভয়-ভীতি, হৰ্চ ট্ৰেডিঙৰ ৰাজনীতি চলিল।' কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিজেপিৰে মিত্ৰতা নতুন কথা নহয় বুলিও বৰাই কটাক্ষ কৰে। সমাজকৰ্মী নুৰজাহান বেগমৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক মহিলা সমিতিৰ সভানেত্ৰী পাপৰী মালাকাৰৰ লগতে জ্যোৎস্না বৰা, ইক্ৰামুল হুদা আদিয়ে অংশগ্ৰহণ কৰে। সভাতেই নগাঁৱৰ ৩২গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। আজিৰ সভাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰায় শতাধিক লোকে তৃণমূল কংগ্ৰেছত যোগদান কৰে।

## আৰম্ভ হ'ল 'স্বনিৰ্ভৰ নাৰী'

কৰি আহিছে। বিভিন্ন থলুৱা সামগ্ৰীৰে বস্ত্ৰ তৈয়াৰ কৰি তেওঁলোকে অসমীয়া আভিজাত্যক বিশ্বৰ বুকুত স্বমহিমাৰে মহিমামণ্ডিত কৰি তুলিছে। অসমীয়া শিপিনীসকলে প্ৰাচীন পৰম্পৰা অনুসৰি কেইপদমান বস্ত্ৰ বৈ উলিওৱাটো ইতিহাসেও সমৰ্থন কৰে।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত 'স্বনিৰ্ভৰ নাৰী' নামেৰে ধ্বজাবাহী আঁচনিখন শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এনে এক গৌৰৱোজ্জ্বল ইতিহাসেৰে সমৃদ্ধ আৰু অৰ্থনৈতিকভাৱে গুৰুত্বপূৰ্ণ হস্ততাঁত খণ্ডত জড়িত বয়ন শিল্পীসকলক আৰ্থিকভাৱে স্বচ্ছল কৰি তোলা আৰু পৰম্পৰাগত হস্ততাঁত শিল্পক অধিক আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লৈছে। অসমৰ শিপিনীসকল অতি দক্ষ আৰু সুনিপুণ। কিন্তু এইসকল শিপিনীয়ে উপযুক্ত বজাৰ লাভ নকৰা বাবে উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। তেওঁ লগতে কয় যে এই দিশৰ প্ৰতি লক্ষ্য ৰাখি ২০২১ চনৰ ৭ জুলাইৰ ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ আলোচনা আৰু পৰৱৰ্তী বাজেট ঘোষণা অনুসৰি হস্ততাত বস্ত্ৰশিল্প সঞ্চালকালয়ে আৰ্টফেড আৰু অসম চৰকাৰৰ বেচাকিনা নিগমৰ জৰিয়তে 'স্বনিৰ্ভৰ নাৰী' নামেৰে এই ধ্বজাবাহী আঁচনিখন ৰূপায়ণৰ পদক্ষেপ লোৱা হৈছে। এই আঁচনিৰ অধীনত পৰম্পৰাগতভাৱে তৈয়াৰ কৰা হস্ততাঁত বস্তু যেনে গামোচা, আৰনাই, ডুমেৰ আৰু আন আন বস্ত্ৰসমূহ কোনো মধ্যভোগীৰ সহায় নোহোৱাকৈ পোনপটীয়াকৈ শিপিনীসকলৰ পৰা ক্ৰয় কৰা হ'ব। ক্ৰয় কৰা উক্ত সামগ্ৰী সমূহ আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা কিনা নিগমৰ বিভিন্ন শাখা তথা ই-বিপননৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰা হ'ব। যিহেতু ৰাজ্যৰ সৰহ সংখ্যক শিপিনীয়ে বয়নৰ ক্ষেত্ৰত পৰম্পৰাগত কৌশল ব্যৱহাৰ কৰি আহিছে সেয়েহে প্ৰয়োজন সাপেক্ষে তেওঁলোকক বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰ সমূহৰ জৰিয়তে উন্নত মানৰ বস্ত্ৰ উৎপাদনৰ কৌশলৰ প্ৰশিক্ষণ প্ৰদানৰো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ শিপিনীসকলে 'স্বনিৰ্ভৰ নাৰী' প'ৰ্টেল যোগে পঞ্জীয়নভুক্ত হ'ব লাগিব। এনে পঞ্জীয়নকৃত শিপিনীগৰাকীক আধাৰ নম্বৰৰ লগত সংযোজিত কৰা হ'ব। চৰকাৰৰ দ্বাৰা গঠিত এখন বিশেষজ্ঞ কমিটীয়ে পৰম্পৰাগত হস্ততাঁত বস্ত্ৰৰ জোখ, গুণগত মানৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ধাৰণ কৰা মূল্যত শিপিনীসকলৰ পৰা সামগ্ৰীসমূহ ক্ৰয় কৰা হ'ব। শিপিনীসকলক ডিজিটেল পদ্ধতিৰে ক্ৰয় কৰা সামগ্ৰীৰ মূল্য আদায় দিয়া হ'ব। সামগ্ৰীসমূহ ক্ৰয় কৰাৰ চাৰিদিনৰ ভিতৰত সমুদায় মূল্য শিপিনীসকলক আদায় দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। পঞ্জীয়নকৃত শিপিনীৰ সংখ্যাৰ ভিত্তিত জিলা পৰ্যায়ত সামগ্ৰী ক্ৰয় কেন্দ্ৰৰ সংখ্যা নিৰূপণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অধিক সংখ্যক শিপিনী থকা উন্নয়ন খণ্ডতো সামগ্ৰী ক্ৰয় কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। নিৰ্বাচিত কেন্দ্ৰসমূহ প্ৰথম পৰ্যায়ত ১৫ দিনৰ বাবে মুকলি থাকিব যদিও প্ৰয়োজন সাপেক্ষে ৩০ দিন পৰ্যন্ত এই কেন্দ্ৰসমূহ খোলা ৰখা হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে গামোচা কেৱল বস্ত্ৰ নহয়, অসমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতীক। ই আমাৰ পৰম্পৰা আৰু ঐতিহ্যৰ সৈতে সংযুক্ত। হস্ততাঁত বস্ত্ৰশিল্পৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ বাবে জাতীয় প্ৰেমেৰে উদ্বুদ্ধ হ'ব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে জাতীয়তাবোধ চেতনা ঘৰে ঘৰে হ'ব লাগিব। আমাৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ দিশত আগ্ৰাসী মনোভাৱেৰে কাম কৰিব লাগিব। মুখ্যমন্ত্ৰী কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমীয়া গামোচা পৰিধান কৰি সমগ্ৰ দেশতে ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছে। এই সুবিধা গ্ৰহণ কৰি অসমীয়া গামোচা দেশত জনপ্ৰিয়কৰণৰ বাবে পদক্ষেপ ল'বলৈ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগক আহ্বান জনায়। তেওঁ জনসাধাৰণ আৰু বিভিন্ন সংগঠনক ৰাজ্যখনৰ হস্ততাঁত যোগে উৎপাদিত বস্ত্ৰ ক্ৰয় কৰিবলৈ আহ্বান জনায়। হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মই ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা, ৰাজহ মন্ত্ৰী যোগেন মহন, বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক গোবিন্দ বসুমতাৰী, কেইবাগৰাকীও বিধায়ক, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ শীৰ্ষ বিষয়া আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# উপ-ৰাষ্ট্ৰপতি পদৰ বাবে সন্মিলিত বিৰোধী প্ৰাৰ্থী মাৰ্গাৰেট আলভাৰ মনোনয়ন দাখিল



**নতুন দিল্লী, ১৯ জুলাই ঃ** দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতিৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনৰ ভোটগ্ৰহণ এদিনৰ পূৰ্বে সমাপ্ত হোৱাৰ পিছত মঙলবাৰে উপ-ৰাষ্ট্ৰপতি পদৰ বাবে মনোনয়নপত্ৰ দাখিল কৰিছে মাৰ্গাৰেট আলভাই। এইগৰাকী জ্যেষ্ঠ আৰু বহু অভিজ্ঞ নেত্ৰীক প্ৰক্ষেপ কৰিছে বিৰোধী ৰাজনৈতিক দলবোৰৰ সন্মিলিত মঞ্চই। উল্লেখ্য যে কালি অৰ্থাৎ সোমবাৰে এন ডি এ মৰ্চাৰ প্ৰক্ষেপিত প্ৰাৰ্থী জগদীপ ধানখাৰে একেটা পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ইফালে মনোনয়ন পত্ৰ দাখিল পিছত তেওঁ কয় যে যোৱা ৫০ বছৰ ধৰি ৰাজনৈতিক জীৱনত সময় পাৰ কৰিছে যদিও আজি সন্মিলিতভাৱে একত্ৰিত হোৱাৰ অভিজ্ঞতা এক বিৰল। সংসদৰ দুয়োখন সদনৰ সদস্য হিচাপে এসময়ত কাৰ্যনিৰ্বাহ কৰা মাৰ্গাৰেট আলভাই কেন্দ্ৰীয় মন্ত্ৰীসভাৰ উপৰি একাধিক ৰাজ্যৰ ৰাজ্যপাল হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ৰাষ্ট্ৰসংঘত ভাৰতৰ প্ৰতিনিধি হিচাপে মাৰ্গাৰেট আলভাই এতি সাহসী ভূমিকা পালন কৰাৰ কথা সকলোৰে মানসপটত আছে। সেয়েহে নিজৰ প্ৰতিশ্ৰুতি পূৰণত সদায় অগ্ৰসৰ হ'ব বুলি অভিহিত কৰা জ্যেষ্ঠ নেত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে এইবাৰ সংসদত দেশৰ জনতাই কিছু পৰিৱৰ্তন বিচাৰিছে। সেয়েহে তেওঁৰ দীৰ্ঘদিনৰ ৰাজনৈতিক জীৱনৰ যি অভিজ্ঞতা আৰু সাধাৰণ ৰাইজৰ বিকাশৰ বাবে পালন কৰি অহা দায়িত্ব আৰু কৰ্তব্য প্ৰতিফলিত কৰিবলৈ সুযোগ দিব বুলি আশা ব্যক্ত কৰিছে। এনেকৈয়ে আগষ্ট মাহৰ প্ৰথম সপ্তাহত ভোট গ্ৰহণ হ'বলগা উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বিৰোধীৰ এইগৰাকী শক্তিশালী প্ৰাৰ্থীৰ পক্ষত বিভিন্নজনে সহযোগ কৰা পৰিলক্ষিত হ'ল। অৱশ্যে অহা ২১ জুলাইত ভোট গণনা হ'ব লগা ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ ফলাফলৰ পিছত একাংশৰ মনোভাব সলনি হোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

### সংসদত লাগিছে শিৱসেনাৰ কাজিয়া

## ১২ সাংসদে নিজৰ দলপতি সলনি কৰিলে



**নতুন দিল্লী, ১৯ জুলাই ঃ** মহাৰাষ্ট্ৰৰ ৰাজনৈতিক কাজিয়া এইবাৰ সংসদৰ মজিয়াত দেখা গ'ল। বিশেষকৈ ৰাজ্যখনত শিৱসেনা দলৰ মাজত হোৱা সংঘাত আৰু নেতৃত্ব সলনিৰ লগতে মুখ্যমন্ত্ৰী সলনিৰ পিছত লোকসভাত এতিয়া দলপতি সলনিৰ যুঁজ আৰম্ভ হৈছে। সোমবাৰৰ পৰা সংসদৰ দুয়োখন সদনৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হৈছে। লোকসভাত শিৱসেনাৰ আছে ১৯ সাংসদ। ইয়াৰে ১২জন সাংসদে স্বাক্ষৰ কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ হাতত প্ৰদান কৰিছে এখন পত্ৰ। এই পত্ৰত কোৱা হৈছে যে লোকসভাৰ মজিয়াত শিৱসেনাৰ নতুন দলপতি হিচাপে স্বীকৃতি দিব লাগে ৰাহুল ছেৱালী নামৰ নেতাজনক। ইফালে বৰ্তমানৰ দলীয় নেতা ভাবনা গাৱালি হ'ব লাগে মুখ্য সচেতক। এনেকৈ বাৰ সাংসদে লোকসভাৰ অধ্যক্ষৰ লগতে লোকসভাৰ সচিব আৰু অন্যান্যসকলক লিখিতভাৱে দিয়া পত্ৰৰ বিষয়টোৱে পুনৰ মহাৰাষ্ট্ৰত ৰাজনৈতিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে, শিৱসেনাৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে প্ৰকাশ কৰা অনুসৰি এখন সুকীয়া পত্ৰ প্ৰেৰণ কৰিছে এই গোটটোৱে। সেই অনুসৰি নিজকে প্ৰকৃত শিৱসেনা বুলি দাবী কৰিছে এই গোটটোৱে। তেওঁলোকে ভাবনা গাৱালিক মুখ্য সচেতক পদৰ পৰা অপসাৰণৰ দাবী কৰিছে। ইয়াৰ বিপৰীতে ৰাজন বীছাৰি নামৰ সাংসদজনক মুখ্য সচেতক হিচাপে স্বীকৃতি দিবলৈ আহ্বান জনোৱা হৈছে। আনহাতে, সাংসদ বিনায়ক ৰাউতে কয় যে তেওঁলোকৰ দলৰ বাবে মুখ্য সচেতক হিচাপে কাৰ্যনিৰ্বাহ কৰিব সাংসদ ৰাজনে। এনেকৈয়ে অলপতে শিৱসেনাৰ দুই তৃতীয়াংশ বিধায়কে উদ্ধৱ থাকৰেৰ সংগ ত্যাগ কৰি একনাথ সিন্দেক সমৰ্থন আৰু একনাথে মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিবলৈ সক্ষম হোৱাৰ দৰে লোকসভাতো ১৯ সাংসদৰ ভিতৰত বৰ্তমান ১৪ জন সাংসদ একনাথ সিন্দেৰ পক্ষত থকা বুলি দাবী কৰা হৈছে।

## প্ৰসিদ্ধ গজল শিল্পী ভূপিন্দৰ সিং প্ৰয়াত

### ভাৰতীয় সংগীত জগতত শোকৰ ছাঁ


**নতুন দিল্লী, ১৯ জুলাই ঃ** প্ৰসিদ্ধ গজল শিল্পী ভূপিন্দৰ সিঙৰ পৰলোকপ্ৰাপ্তি ঘটিছে। তেওঁক ১০ দিন পূৰ্বে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। মঙলবাৰে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২বছৰ। তেওঁৰ মৃত্যুত ভাৰতীয় সংগীত



জগতত শোকৰ ছাঁ পৰিছে।গজল শিল্পী হিচাপে দেশজুৰি খ্যাতি আছিল তেওঁৰ। ভূপিন্দৰ সিঙৰ কণ্ঠ শ্ৰোতাসকলৰ মনত চিৰকাল সজীৱ হৈ থাকিব। সোমবাৰে সন্ধিয়া ৭:৪৫ বজাত মুম্বাইৰ জুহুৰ এখন চিকিৎসালয়ত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে।বিখ্যাত গজল শিল্পীজন বিভিন্ন শাৰীৰিক সমস্যাত ভুগি আছিল। তেওঁৰ অসুস্থতা গুৰুতৰ হৈ পৰাত তেওঁক দহদিন পূৰ্বে চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। চিকিৎসকৰ মতে ভূপিন্দৰ সিঙৰ ক'লন কেন্সাৰত আক্ৰান্ত হৈছিল। কৰোনা পৰীক্ষাৰ প্ৰতিবেদনো তেওঁৰ পজিটিভ আহিছিল।ভূপিন্দৰ সিঙৰ ১৯৪০ চনত পঞ্জাৱৰ অমৃতসৰত জন্ম হৈছিল। পাঁচ দশকজোৰা কেৰিয়াৰত তেওঁ সংগীত উদ্যোগৰ অসংখ্য প্ৰতিষ্ঠানৰ সৈতে কাম কৰিছিল। মহম্মদ ৰফি, আৰ ডি বৰ্মন, লতা মংগেশকাৰ, আশা ভোচলে আৰু বাপ্পী লাহিড়ীৰ দৰে প্ৰসিদ্ধ শিল্পীসকলৰ সৈতে তেওঁৰ বহুতো স্মৰণীয় সংগীত উপহাৰ দিছে। ভূপিন্দৰ সিঙে তেওঁৰ দেউতাকৰ পৰা গান শিকিবলৈ আৰম্ভ কৰিছিল। ভূপিন্দৰ সিঙে এগৰাকী পেছাদাৰী সংগীতজ্ঞ হিচাপে অল ইণ্ডিয়া ৰেডিঅ'ত যোগদান কৰিছিল। পিছত তেওঁ দূৰদৰ্শনতো যোগদান কৰে। তেওঁৰ পত্নী মিতালী সিং এগৰাকী জনপ্ৰিয় গায়িকা।নিজৰ দীঘলীয়া কেৰিয়াৰত ভূপিন্দৰ সিঙে 'থোড়ি চি জমিন থোড়া আছমান' (চিতাৰা, লতা মংগেশকাৰৰ সৈতে গান গাইছিল), 'দিল দুন্দা হে' (মৌসম), 'নাম গুম জায়েগা' (কিনাৰা)ৰ দৰে জনপ্ৰিয় গান গাইছিল। ভূপিন্দৰ সিঙৰ গায়িকা পত্নীৰ সৈতেও কেইবাটাও বিখ্যাত গান আছে। 'দো দিৱানে চহৰ মে', 'নাম গুম জায়েগা', 'এক আকেলা ইছ চহৰ মে', 'কভি কিচি কো মুকাম্মলা'ৰ দৰে চুপাৰহিট গানো গাইছে যুটীটোৱে।

### লিটাৰত ৪ টকা দৰত ছত্তীশগড়ে ক্ৰয় কৰিব গো-মূত্ৰ

## মুখ্যমন্ত্ৰী ভূপেশ বাঘেলাৰ ঘোষণাৰ পিছত ৰাজ্যজুৰি খলকনি



**ৰায়পুৰ, ১৯ জুলাই ঃ** চত্তিশগড়ৰ কংগ্ৰেছী মুখ্যমন্ত্ৰী ভূপেশ বাঘেলাৰ এটা ঘোষণাই ৰাজ্যখনত খলকনি তুলিছে। তেওঁ কয় যে ঔষধ প্ৰস্তুত কৰিবৰ বাবে চৰকাৰে গো-মূত্ৰ ক্ৰয় কৰিব। অহা ২৮ জুলাই তাৰিখৰ পৰা ৰাজ্যখনত স্থানীয়ভাৱে উদযাপিত গো-সম্পদকেন্দ্ৰিক হাৰেলি উৎসৱ আছে। এই উৎসৱত যিমানবোৰ গো-মূত্ৰ ত্যাগ কৰিব, সেই আটাইবোৰ বাঘেলা চৰকাৰে ক্ৰয় কৰিব বুলি ঘোষণা কৰিছে। ইফালে ৰাজ্যখনত কেবাস্থানতো গো-মূত্ৰ ক্ৰয় আৰু বিক্ৰয় কেন্দ্ৰ স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। প্ৰতি লিটাৰ কেঁচা গো-মূত্ৰৰ বাবে চাৰি টকাকৈ মূল্য আদায় দিয়া হ'ব চৰকাৰীভাৱে। ইয়াৰ বাবে গো-ধন ন্যায় যোজনা শীৰ্ষক এক নতুন আঁচনি কাৰ্যকৰী কৰিবলৈ তেওঁৰ চৰকাৰ বদ্ধপৰিকৰ। ইয়াৰ লগতে গো-ধন ন্যায় মিছন স্থাপন কৰিবলৈয়ো সাজু হোৱা বুলি প্ৰকাশ কৰিছে।



*জন্তুৰ দেহৰ পৰা মানৱ শৰীৰলৈ সংক্ৰমিত হোৱা মাৰবাৰ্গ আৰু মংকী পক্সৰ সংক্ৰমণৰ পিছত মানৱ দেহত প্ৰকাশ পোৱা পাৰ্শ্বক্ৰিয়াৰ ভয়ানক ছবি*

## মাৰবাৰ্গ ভাইৰাছৰ আতংক ! প্ৰতি ১০জনৰ ভিতৰত ৮জনৰ মৃত্যুৰ আশংকা

**নতুন দিল্লী, ১৯ জুলাই ঃ** কৰোনা ভাইৰাছ মাঙ্কিপ'ৰ পিছত এইবাৰ নতুন মাৰবাৰ্গ ভাইৰাছৰ আতংক বিয়পিছে। মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণৰ ফলত ঘানাত ইতিমধ্যে দুজন লোকৰ মৃত্যু হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই সতৰ্ক কৰি দিছে যে সাৱধান নহ'লে সহজেই এই ভাইৰাছ নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব পাৰে। ইয়াত মৃত্যুৰ হাৰ ৮৮ শতাংশলৈকে হ'ব পাৰে।বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ইবোলাৰ দৰে সংক্ৰামক এই ভাইৰাছ বাদুলিৰ পৰা আহে। ই মানৱ



শৰীৰৰ ফ্লুইডৰ জৰিয়তে মানুহৰ মাজত বিয়পে।এক পৰিসংখ্যা অনুসৰি মাৰবাৰ্গ ভাইৰাছৰ মৃত্যুৰ হাৰ ২৪-৮৮ শতাংশ। গতিকে এই ভাইৰাছ বিয়পিলে কৰ'নাৰ দৰে পৰিস্থিতি সৃষ্টি কৰিব পাৰে।যোৱা ২৬ জুনত এজন লোকক ঘানাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। পিছদিনা তেওঁৰ মৃত্যু হয়। আনহাতে, ২৮ জুনত ভৰ্তি হোৱাৰ দিনাই দ্বিতীয় এজন ব্যক্তিৰ মৃত্যু হয়। মাৰবাৰ্গ ভাইৰাছটো প্ৰআথমিকভাৱে দুয়োজন লোকৰ দেহত পোৱা গৈছিল যদিও নমুনাবোৰ ছেনেগাললৈ প্ৰেৰণ কৰা হৈছিল। পিছত তাতো পজিটিভ ৰিপ'ৰ্ট আহে। মাৰবাৰ্গ ভাইৰাছ যিহেতু অত্যন্ত সংক্ৰামক সেয়ে দুয়োজন লোকৰ মৃত্যুৰ পিছত তেওঁলোকৰ সংস্পৰ্শলৈ অহা ৯০ জন লোকক নিৰীক্ষণত ৰখা হৈছে।বিশ্ব স্বাস্থ্য সংস্থাই জানিবলৈ দিছে যে যোৱা বছৰৰ আগষ্টত পশ্চিম আফ্ৰিকাৰ গিনিত এজন মাৰবাৰ্গ ৰোগী ধৰা পৰিছিল। তাৰ পাঁচ সপ্তাহৰ পিছত গিনি চৰকাৰে ইয়াক মহামাৰী বুলি ঘোষণা কৰে। ইয়াৰ পূৰ্বে ভাইৰাছটো এংগোলা, কঙ্গো, কেনিয়া, দক্ষিণ আফ্ৰিকা আৰু উগাণ্ডাত ধৰা পৰিছিল।মাৰবাৰ্গ ভাইৰাছৰ লক্ষণ কি? যেতিয়া ভাইৰাছটো মানৱ শৰীৰত প্ৰৱেশ কৰে তেতিয়া ২-২১ ধৰি ইনকিউবেচন ম্যাদ থাকে। তাৰ পিছত বিভিন্ন লক্ষণ দেখা দিয়ে। সাধাৰণতে, এই ক্ষেত্ৰত জ্বৰ, মুৰৰ বিষ, মূৰ ঘূৰোৱা, বমি অহা, বুকুৰ বিষ, ডিঙিৰ বিষ, তলপেটত বিষ, ডায়েৰিয়া হ'ব পাৰে। যদি লক্ষণবোৰ অলপ পুৰণি হয়, জণ্ডিচ, অগ্নাশয় ফুলা, হঠাতে ওজন হ্ৰাস, যকৃতৰ সমস্যা, মাল্টি অৰ্গেন বিকল হ'ব পাৰে।

### আৱৰ্জনাৰ গাড়ীত মোদী-যোগীৰ ফটো

## মথুৰাত ভিডিঅ' ভাইৰেল হোৱাৰ পিছতেই চাকৰি গ'ল চাফাই কৰ্মীৰ



**মথুৰা, ১৯ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ ফটো আৱৰ্জনাৰ গাড়ীত পেলাই দিয়াৰ এটা ভিডিঅ' ভাইৰেল হোৱাৰ পিছতেই মথুৰা পৌৰ নিগমত তোলপাৰ লাগে। ঠিকাভিত্তিক চাফাইকৰ্মীজনক দোষী সাব্যস্ত কৰা হয় আৰু তেওঁৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে।বাতৰি অনুসৰি নিগমৰ এজন চাফাইকৰ্মীয়ে ৰাস্তাৰ পৰা আৱৰ্জনা তুলিছিল। এই আৱৰ্জনাৰ মাজত প্ৰধানমন্ত্ৰী মোডী আৰু মুখ্যমন্ত্ৰী যোগীৰ ফটোও আছিল। এই ছবি বেলেগে নাৰাখি চাফাইকৰ্মীজনে আৱৰ্জনাৰ থুপৰ মাজত ৰাখিছিল।জানিব পৰা মতে মথুৰাৰ সুভাষ ইণ্টাৰ কলেজৰ ওচৰত ঘটনাটো ঘটিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ আৱৰ্জনাত ফটো পোৱাৰ পিছত কেইজনমান লোক খঙত জ্বলি উঠে। জাৱৰৰ মাজত এই ছবি দেখি তেওঁলোকে অনাময় কৰ্মীজনক বাধা দিয়ে।অনাময় কৰ্মীজনৰ সৈতে তেওঁলোকৰ এই বিষয়ে কথা কটাকটি হোৱাৰ পিছত হাতাহাতিৰ পৰ্যায়ত উপনীত হয়। তাৰমাজতে একাংশ লোকে হস্তক্ষেপ কৰে আৰু ফটোবোৰ আৱৰ্জনাৰ পৰা আঁতৰাই নিয়ে।ইয়াৰে এটা ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাৰ পিছত বিষয়টোক লৈ ধুমুহাৰ সৃষ্টি হয়। যেতিয়া ঘটনাটো বিষয়াসকলৰ ওচৰলৈ গৈ পায় তেওঁলোকে অভিযুক্ত চাফাইকৰ্মীজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰে।বাতৰি অনুসৰি, গুৰু পূৰ্ণিমা উপলক্ষে উত্তৰ প্ৰদেশৰ মথুৰা-বৃন্দাবন ভ্ৰমণ কৰিবলৈ অহা আলৱাৰৰ চিকিৎসক পংকজ গুপ্তা, অশ্বানী জাওৱালী আৰু নৰেশ ধনৱাতে আৱৰ্জনাৰ থুপত মোডী-যোগীৰ ফটো দেখা পায়। তেওঁলোকে আৱৰ্জনাৰ গাড়ীৰ পৰা দুয়োখন ফটো তুলি নিয়ে আৰু পানীৰে ধুই সেইবোৰ পৰিষ্কাৰ কৰে। পিছত ডাঃ পংকজ গুপ্তাই সেই ফটো আলৱাৰত তেওঁৰ কাৰ্যালয়ত ৰাখিছে।

## দেশৰ ৰাজপথলৈ উভতি আহিছে আৰ এক্স-১০০! কেতিয়া আহিব বজাৰলৈ ?

**নতুন দিল্লী, ১৯ জুলাই ঃ** য়ামাহা আৰ এক্স-১০০ৰ নাম ভাৰতৰ মটৰচাইকেল প্ৰেমীসকলৰ মাজত অতি পৰিচিত। বয়স, ভাষাৰ সীমা অতিক্ৰমি এই মটৰচাইকেল সাধাৰণ লোকসকলৰ হৃদয়ত স্থান লাভ কৰিছে। বাইকখন ১৯৮৫ চনৰ পৰা ১৯৯৬ চনলৈ য়ামাহাই প্ৰস্তুত কৰিছিল। এই বাইকখনৰ বিভিন্ন অংশ এতিয়াও উপলব্ধ। এতিয়া এই আইকনিক মটৰচাইকেলখন ভাৰতৰ ৰাজপথলৈ ঘূৰাই আনিব বিচাৰিছে য়ামাহাই। এক্ষে শেহতীয়া সাক্ষাৎকাৰত ভাৰতৰ য়ামাহাৰ অধ্যক্ষ ইশিন চিহানাই কয় যে যদিও আগতে আৰ এক্স-১০০ মুকলি কৰাৰ কোনো পৰিকল্পনা নাছিল, কোম্পানীটোৱে এতিয়া এই আইকনিক মটৰচাইকেলখন ঘূৰাই আনিব বিচাৰিছে। ইয়াৰ অৰ্থ হৈছে যে আৰ এক্স-১০০ মটৰচাইকেলখন সোনকালেই ভাৰতৰ ৰাজপথলৈ ঘূৰি আহিব পাৰে।অৱশ্যে, এই মটৰচাইকেলখন পুৰণি ২-ষ্ট্ৰোক ইঞ্জিনত মুকলি কৰা নহয়। পুৰণি ২-ষ্ট্ৰোক ১০০চিচি ইঞ্জিনত এই মটৰচাইকেলখনে কেতিয়াও বি এছ ৬ নিৰ্গমন নিয়ম অনুসৰণ কৰিব নোৱাৰিব নাম দি যি কোনো বাইক মুকলি কৰিব নোৱাৰে য়ামাহাই। কাৰণ নতুন আৰ্হিটোত পুৰণি মডেলটোৰ ডিজাইনৰ ছাপ থাকিব লাগিব। যদিও আধুনিক সুবিধা থাকিইলেও এই বাইকখন ৰেট্ৰো ডিজাইনত মুকলি কৰিব পাৰে। আগতে



এই আইকনিক মডেলটো ইয়াৰ দুৰ্দান্ত প্ৰদৰ্শনৰ বাবে জনপ্ৰিয় আছিল। কোম্পানীটোৱে সেই প্ৰত্যাশা পূৰণ কৰিব লাগিব।য়ামাহাৰ ২০২৫ চনলৈকে সকলো বোৰ মুকলি কৰাৰ লক্ষ্য ঠিক কৰি ৰাখিছে। ইয়াৰ অৰ্থ হৈছে নতুন আৰ এক্স-১০০ অহা ২০২৬ চনৰ আগতে মুকলি হোৱাৰ সম্ভাৱনা নাই। য়ামাহাই বৰ্তমান ভাৰতত ১২৫ চিচি স্কুটাৰ,১৫০ চিচি স্পৰ্টছ আৰু ষ্ট্ৰীট মটৰচাইকেল আৰু ২৫০ চিচি ষ্ট্ৰীট বাইক বিক্ৰী কৰে। শেহতীয়াকৈ এই মডেলবোৰৰ মূল্য বৃদ্ধি হৈছে। য়ামাহাই শীঘ্ৰেই ভাৰতত প্ৰিমিয়াম পাৰ্ফমেন্স মডেল মুকলি কৰাৰ বাবে সাজু হৈছে।ইশিন চিহানাই এইটোও কয় যে বিভিন্ন স্কুটাৰৰ পৰীক্ষমূলক চালনা ইতিমধ্যে আৰম্ভ হৈছে। এই মডেলবোৰ ২০২৫ চনত মুকলি কৰা হ'ব। জাপানী কোম্পানীটোৱে বিদেশৰ বজাৰত বিক্ৰী হোৱা বৈদ্যুতিক স্কুটাৰৰ কিছুমান মডেল বিদেশৰ পৰা আমদানি কৰি ভাৰতত বিক্ৰী কৰাৰ পৰিকল্পনা কৰিছে।য়ামাহাৰ বৰ্তমান ভাৰতত দুটা উৎপাদন গোট আছে। তাৰে এটা গ্ৰেটাৰ নয়ডাত আৰু আনটো চেন্নাইত অৱস্থিত। য়ামাহাই ভাৰতত নিৰ্মিত স্কুটাৰ আৰু মটৰচাইকেল বিশ্বৰ ৩০ খন দেশলৈ ৰপ্তানি কৰে।

## টকাৰ মূল্য অৱনমিত ঃ প্ৰথমবাৰলৈ এক ডলাৰত ৮০ টকালৈ হ্ৰাস ভাৰতীয় মুদ্ৰা

**নতুন দিল্লী, ১৯ জুলাই ঃ** ভাৰতীয় মুদ্ৰা প্ৰতি ডলাৰত ৮০ টকালৈ হ্ৰাস পাইছে। মঙলবাৰে প্ৰথমবাৰৰ বাবে আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰা ৮০ টকালৈ হ্ৰাস পালে। মঙলবাৰে বজাৰ খোলাৰ সময়ত ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰা আছিল ৭৯.৯৮ টকা। পূৰ্বে বজাৰ বন্ধৰ সময়ত এইটো আছিল ৭৯.৯৭ টকা।আজি বজাৰ খোলাৰ প্ৰায় লগে লগেই ৮০.০১৭৫ টকাত উপনীত হয়। এইটোৱে এতিয়ালৈকে ভাৰতীয় মুদ্ৰাৰ সৰ্বনিম্ন ৰেকৰ্ড।আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ এই পতনৰ কাৰণ কি? বিশেষজ্ঞসকলে প্ৰাথমিকভাৱে ডলাৰৰ শক্তি বৃদ্ধি, ৰাছিয়া-ইউক্ৰেইন সংঘাত, আন্তৰ্জাতিক বজাৰৰ বিত্তীয় স্থিতি,খাৰুৱা তেলৰ মূল্য তথা বৰ্ধিত বাণিজ্যিক ঘাটিয়েই ইয়াৰ কাৰণ বুলি ক'ব খোজে।আনহাতে, ভাৰতৰ পৰা বিদেশী পৰ্টফলিঅ' বিনিয়োগকাৰীৰ নিৰন্তৰ বহিৰ্গমনকে ধৰি উক্ত কাৰণবোৰৰ বাবে ভাৰতীয় মুদ্ৰা



বহুদিনৰ পৰা চাপত আছে। এই বছৰ আমেৰিকান ডলাৰৰ বিপৰীতে ই প্ৰায় ৭ শতাংশ হ্ৰাস পাইছে।ইপিনে, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ১৮ জুলাইত এই সন্দৰ্ভত কয় যে ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পৰা ভাৰতীয় মুদ্ৰাৰ মূল্য যথেষ্ট হ্ৰাস পাইছে। এই সময়ছোৱাত, আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য প্ৰায় ২৫ শতাংশ হ্ৰাস পায়।কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে লোকসভাত কয় যে ৰাছিয়া-ইউক্ৰেইন সংঘাত, খাৰুৱা তেলৰ মূল্য বৃদ্ধি আৰু সমগ্ৰ বিশ্বতে বিত্তীয় পৰিস্থিতিৰ প্ৰভাৱেই হৈছে ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাসৰ মুখ্য কাৰণ।তেওঁ কয় যে চলিত বিত্তীয় বৰ্ষত বিদেশী পৰ্টফলিঅ' বিনিয়োগৰ দ্ৰুতগতিত বহিৰ্গমন হৈছে। এতিয়ালৈকে বিদেশী বিনিয়োগকাৰীসকলে ভাৰতীয় ইকুইটি বজাৰৰ পৰা প্ৰায় ১৪ বিলিয়ন ডলাৰ উলিয়াই নিছে। ভাৰতীয় মুদ্ৰাৰ পতনৰ এইটো বিশেষ কাৰণ বুলি তেওঁ কয়।



*সোণ-ৰূপৰ নহয়, হীৰাৰ চামুচ মুখত লৈ জন্ম লৈছিল আইপিএলৰ প্ৰাক্তন অধ্যক্ষ ললিত মোদীয়ে। এই কথা প্ৰমাণ কৰিবলৈ তেওঁ শেহতীয়াকৈ ৰাজহুৱা কৰিছে কেতবোৰ ৰাজকীয় ফটো— প্ৰথম ছবিত আফ্ৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি নেলচন মেণ্ডেলা, দ্বিতীয় ছবিত ইংলেণ্ডৰ যুৱৰাজ প্ৰিন্স চাৰ্লি আৰু তৃতীয় ছবিত গুজৰাটৰ তদানীন্তন মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰী ক্ৰমে নৰেন্দ্ৰ মোদী, অমিত শ্বাহৰ সৈতে। শেহতীয়াকৈ সুস্মিতা সেনৰ সৈতে তেওঁৰ নতুন জীৱন আৰম্ভ কৰা বুলি ঘোষণা কৰাৰ পিছত বিভিন্ন মহলে সামাজিক মাধ্যমত সমালোচনা কৰিছিল আৰু ইয়াৰ প্ৰত্যুত্তৰত এই ফটোসমূহ ৰাজহুৱা কৰা দেখা গৈছে*

## মাৰ্কিন কংগ্ৰেছক সম্বোধন কৰিব ইউক্ৰেইনৰ ফাৰ্ষ্ট লেডীয়ে



**কিয়েভ, ১৯ জুলাই ঃ** ইউক্ৰেইনৰ ফাৰ্ষ্ট লেডী ওলেনা জেলেনস্কাই মাৰ্কিন কংগ্ৰেছক সম্বোধন কৰিব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদৰ নিম্ন সদনৰ অধ্যক্ষ নেন্সি পেলোচিৰ কাৰ্যালয়ে সোমবাৰে এই কথা সদৰী কৰিছে। ইউক্ৰেইনৰ ফাৰ্ষ্ট লেডী ওলেনা জেলেনস্কাই বুধবাৰে স্থানীয় সময় অনুসৰি নিশা ১১ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদত ভাষণ দিয়াৰ কথা আছে।অধ্যক্ষ নেন্সি পেলোচিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সকলো সাংসদ তথা চিনেটৰক এই অধিৱেশনত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনাইছে।ইউক্ৰেইনৰ ফাৰ্ষ্ট লেডী ওলেনা জেলেনস্কাই মাৰ্কিন কংগ্ৰেছক এনে এক সময়ত সম্বোধন কৰাৰ কথা যিসময়ত ৰাছিয়াৰ বাহিনীয়ে দেশখনৰ পূব ডনবাছ অঞ্চলত ভয়ংকৰ আক্ৰমণ চলাই আছে। ৰাছিয়াই ২৪ ফেব্ৰুৱাৰীৰ পৰা ইউক্ৰেইনত সামৰিক অভিযান আৰম্ভ কৰিছে। বিগত প্ৰায় ৫ মাহ ধৰি ইউক্ৰেইনত যুদ্ধৰ বিভীষিকাই সাধাৰণ নাগৰিকৰ জীৱন অস্থিৰ-অশান্ত কৰি ৰাখিছে।




## বানাক্ৰান্তলৈ বে-চৰকাৰী অনুষ্ঠানৰ সহায়ৰ হাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৯ জুলাই ঃ** দৰং তথা অসমৰ সামাজিক ক্ষেত্ৰৰ এটা চিনাকি নাম 'ছত্ৰ'। বে-চৰকাৰী অনুষ্ঠান হিচাপে ৰাইজৰ দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ চেষ্টা কৰি আহিছে 'ছত্ৰ' নামৰ অনুষ্ঠানটোৱে। শেহতীয়াকৈ দৰং জিলাত হোৱা প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত পৰিয়ালৰ ওচৰত থিয় হৈছে অনুষ্ঠানটি। জিলাখনৰ বিভিন্ন ঠাইৰ লগতে নৈৰ নদীৰ মথাউৰি ভাঙি তাণ্ডৱৰ সৃষ্টি কৰা বদিয়াসিঁচা, স'লপাম, ঢেঁকীপাৰা, বছাচুবা, পাটগিৰিচুবা আৰু খাছ সোণাপুৰ গাঁৱৰ ১,২৫০টা পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰি ভুক্তভোগী ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। আন্তঃৰাষ্ট্ৰীয় বে-চৰকাৰী সংস্থা এক্ত এলায়েন্সৰ সদস্য 'চাৰ্চ অক্সিলাৰী ফ'ৰ ছ'চিয়েল একশ্বন' চমুকৈ কাছাৰ সহযোগত দিয়াকোনি কাটাষ্ট্ৰোফেনহিৰ অৰ্থ সাহায্যৰে প্ৰদান কৰা বান সাহায্য লাভ কৰি যথেষ্ট উৎফুল্ল অঞ্চলটোৰ ৰাইজ। প্ৰতিটো পৰিয়ালক মচুৰ দাইল, মিঠাতেল, চয়াবিন আৰু পিঁয়াজ অতি কমেও ২০ দিনৰ খাদ্য সামগ্ৰী যোগান ধৰে। উক্ত বিতৰণ কাৰ্যসূচীত 'ছত্ৰ'ৰ কৰ্মীসকলৰ উপৰি কাছাৰ সহকাৰী প্ৰকল্প কাৰ্যবাহী চুকান চাকমা উপস্থিত থাকি কাৰ্যসূচীৰ তদাৰক কৰে।

## নলবাৰীৰ ধীৰেন কুমাৰ বৰ্মনক বৰলুইত ২০২২ বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৯ জুলাই ঃ** বৰলুইত সন্মান ২০২২ বঁটাৰে সন্মানিত হ'ল নলবাৰী বিশিষ্ট সমাজকৰ্মী, নলবাৰী সেৱা দলৰ অধ্যক্ষ ধীৰেন কুমাৰ বৰ্মনক। গুৱাহাটী মহানগৰীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত নৰ্থ-ইষ্ট প্লাছৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ধীৰেন কুমাৰ বৰ্মনক বৰলুইত সন্মান ২০২২ বঁটা প্ৰদান কৰা হয়। আনহাতে, নলবাৰী বালিলেচাত অনুষ্ঠিত সাংবাদিক-সাহিত্যিকৰ ঐক্যমঞ্চ 'গণকণ্ঠ'ৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস উপলক্ষে অভিনেতা ধীৰেন কুমাৰ বৰ্মনক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। যাৰ বাবে সোমবাৰে বিশিষ্ট সমাজকৰ্মী, অভিনেতা ধীৰেন কুমাৰ বৰ্মনে দুয়োটা অনুষ্ঠানক তেওঁক বঁটাৰে সন্মানিত কৰাত ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও ধীৰেন কুমাৰ বৰ্মনে বিভিন্ন বঁটা লাভ কৰি নলবাৰী জিলালৈ সন্মান কঢ়িয়াই আনিছে।




## মৰিগাঁও উপায়ুক্ত কাৰ্যালয় চৌহদত গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জুলাই ঃ** ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ ৭৫ বছৰ উপলক্ষে এই বছৰটো আজাদী কা অমৃত মহোৎসৱ হিচাপে সমগ্ৰ দেশতে উদ্‌যাপিত হৈ আছে। আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অসমতো বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগে সমগ্ৰ ৰাজ্যখনতে 'মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানভিত্তিক গছপুলি ৰোপণ' নামকৰণেৰে মাহজোৰা গছপুলি ৰোপণ কাৰ্যসূচী হাতত লৈছে। আজি কেন্দ্ৰীয়ভাৱে মুখ্যমন্ত্ৰীয়ে জনতা ভৱনত এই অনুষ্ঠানৰ শুভাৰম্ভণি কৰে। মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতিশ চন্দ্ৰ পেগু, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, আদিত্য গগৈ আৰু বিষয়া-কৰ্মচাৰীয়েও গছপুলি ৰোপণ কৰে। জিলাখনৰ বিভিন্ন স্কুল-কলেজ, কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানতো গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে।

## কুঁৱৰীটোল পঞ্চায়তৰ কাৰ্যালয়ত কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৯ জুলাই ঃ** চৰকাৰে বিষয়া-কৰ্মচাৰীৰ কৰ্মসংস্কৃতি লৈ যিমানেই নীতি-নিৰ্দেশনাৰ জাল গুঠিছে, সিমানেই বিষয়া-কৰ্মচাৰীয়ে দায়িত্ব পালনত দেখুওৱা হেমাহীয়ে বিপদত পেলাইছে সৰ্বসাধাৰণক। এনে এক অনিয়মীয়া উপস্থিতিয়ে সমস্যাত পেলাইছে কলিয়াবৰৰ এটা পঞ্চায়তৰ বাসিন্দাক। কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত কলিয়াবৰৰ কুঁৱৰীটোল গাঁও পঞ্চায়তৰ কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতিৰ এক ছবি আজি দেখিবলৈ পোৱা গ'ল। পঞ্চায়তটোৰ কাৰ্যালয়ত এঘাৰ বজালৈকে কৰ্মচাৰী শূন্যৰ। বৃদ্ধ পেঞ্চনৰ তথ্য জমা দিবলৈ আহি বৃদ্ধ-বৃদ্ধাই দিব লগা হৈছে বোন্দাপৰ। সোনকালে কাম শেষ হোৱাৰ আশাত অতিমাত্ৰা গৰমত পুৱা ন বজাতেই প্ৰায় অনাহাৰে আহি বৃদ্ধ-বৃদ্ধাসকলে এপৰলৈকে অপেক্ষা কৰিবলগা হোৱাত ক্ষুব্ধ হৈ পৰে বৃদ্ধ-বৃদ্ধাসকল। উল্লেখ্য যে, পঞ্চায়ত কাৰ্যালয়টোত এনেদৰে কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতিৰ পূৰ্বেও অভিযোগ উত্থাপিত হৈ আহিছে।

## অসমত ৮০ লাখ বাসগৃহ, কাৰ্যালয়, দোকানত জাতীয় পতাকা উত্তোলনৰ লক্ষ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে অসমতো অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে ৮০ লাখ বাসগৃহ, কাৰ্যালয়, দোকানত জাতীয় পতাকা উত্তোলন কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰণালয়ে হাতত লোৱা 'হৰ ঘৰ তিৰংগা' কাৰ্যসূচীৰ অংশস্বৰূপে ৰাজ্যখনৰ গ্ৰাম্য আৰু নগৰাঞ্চলৰ বাসগৃহৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠানসমূহত এই দিনকেইটাত জাতীয় পতাকা উত্তোলনৰ লক্ষ্য স্থিৰ কৰা হৈছে। উল্লেখ্য যে দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে দেশজুৰি উদ্‌যাপিত হৈ থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশস্বৰূপে এইবাৰ কেন্দ্ৰীয় চৰকাৰে 'হৰ ঘৰ তিৰংগা' নামৰ এক অন্যান্য কাৰ্যসূচী হাতত লৈছে। এই কাৰ্যসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশত মুঠ ২০ কোটি বাসগৃহত জন অংশীদাৰিত্বৰে জাতীয় পতাকা উত্তোলনৰ লক্ষ্য স্থিৰ কৰিছে। দেশৰ গৌৰৱৰ প্ৰতীক জাতীয় পতাকা উত্তোলনেৰে দেশবাসীৰ মনত দেশপ্ৰেম বৃদ্ধি আৰু জাতীয় পতাকাৰ সৈতে দেশবাসীৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাই হ'ল এই কাৰ্যসূচীৰ মূল লক্ষ্য। অসমত এই কাৰ্যসূচী সফল কৰাৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, তথ্য আৰু জনসংযোগ বিভাগকে আদি কৰি অন্যান্য চৰকাৰী বিভাগৰ সৈতে যাৱতীয় পৰিকল্পনা প্ৰস্তুত কৰিছে। সেই অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত থকা ৰাজ্যখনৰ আত্মসহায়ক গোটসমূহৰ জৰিয়তে স্থানীয়ভাৱে বৃহৎ সংখ্যাত জাতীয় পতাকা উৎপাদনৰ কাম আৰম্ভ কৰিছে। পতাকা উৎপাদনৰ সমান্তৰালকৈ এই পতাকাসমূহ সাধাৰণ ৰাইজে ক্ৰয় কৰিব পৰাকৈ জিলা আৰু গাঁও পৰ্যায়ত বিপণী মুকলি কৰাৰ কামো বিভাগটোৱে আৰম্ভ কৰিছে। সৰ্বাধিক জনঅংশীদাৰিত্বৰে এই কাৰ্যসূচীৰ সফলতা নিশ্চিত কৰাৰ বাবে চৰকাৰে ব্যাপক সজাগতামূলক কাৰ্যসূচীও হাতত লৈছে। সজাগতা কাৰ্যসূচীৰ জৰিয়তে জন অংশীদাৰিত্ব নিশ্চিত কৰাৰ লগতে জাতীয় পতাকাৰ সৈতে জড়িত দিশসমূহ সম্পৰ্কে সাধাৰণ জনতাৰ মাজত জ্ঞান বৃদ্ধিৰো প্ৰয়াস গ্ৰহণ কৰা হৈছে।

# বৰডুমচা সাপ্তাহিক বজাৰৰ বিতৰ্কিত লেচী আবণ্টনক লৈ আপত্তি দাখিল

## তিনিচুকীয়া জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ পত্ৰ প্ৰেৰণ বঞ্চিত নিবনুৱাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৯ জুলাই ঃ** তিনিচুকীয়া জিলাৰ পৰিষদৰ অন্তৰ্গত বৰডুমচা সাপ্তাহিক বজাৰৰ লেচী আবণ্টন দিয়াক লৈ বৰ্তমানেও বিতৰ্কৰ অন্ত পৰা নাই। অসম-অৰুণাচলৰ সীমান্তৱৰ্তী বৰডুমচা সাপ্তাহিক বজাৰৰ লেচী আবণ্টনৰ বাবে বিগত ৭ জুন ২০২২ তাৰিখে বিভাগৰ তৰফৰ পৰা নিবিদা জাননী জাৰি কৰা হৈছিল। আৰু সেই নিৰ্দেশনাৰ অনুসৰি স্থানীয় নিবনুৱা যুৱক ৰণ্টু সোণোৱালে ২৫,০০,০০০ টকাত এখন টেণ্ডাৰ দাখিল কৰিছিল। একমাত্ৰ ৰণ্টু সোণোৱালৰ বাহিৰে আন কোনেও টেণ্ডাৰ দাখিল কৰা নাছিল। বিভাগৰ তৰফৰ পৰা নিবিদা বাতিলৰ কোনো স্পষ্ট কাৰণ প্ৰদৰ্শন নকৰি উক্ত নিবিদা বাতিল কৰা হৈছিল। কিন্তু কি কাৰণত ৰণ্টু সোণোৱালক বজাৰখনৰ আবণ্টন দিয়া নহ'ল ইয়াক লৈ দুটা পক্ষ মাজত তীব্ৰ বাদানুবাদৰো সৃষ্টি হৈছিল। বিভাগীয় কৰ্তৃপক্ষই পুনৰ নিবিদা আহ্বান কৰিছিল যদিও ৰণ্টু সোণোৱালৰ অভিযোগ যে বিগত লেচীগৰাকীয়ে ভয়-ভাবুকিয়ে কোনো ব্যক্তিকে নিবিদা দিবলৈ নিদিলে আৰু নিবিদা শূন্য হৈৰয়। বৰ্তমান আগৰ লেচীগৰাকীয়ে বজাৰৰ নিবিদাপ্ৰাপ্ত নকৰাকৈয়ে বৰডুমচা সাপ্তাহিক বজাৰৰ কৰ-কাটল উঠোৱা পৰিলক্ষিত হৈছে। উক্ত লেচীগৰাকীৰ বজাৰখন চলোৱাৰ ম্যাদ ইতিমধ্যে উকলি যোৱাৰ পিছতো কেনেদৰে বৰডুমচা সাপ্তাহিক বজাৰৰ কৰ-কাটল তুলিছে বুলি প্ৰশ্ন উত্থাপন কৰিছে ৰণ্টু সোণোৱালে। বিভাগীয় কৰ্তৃপক্ষ লগত হোৱা গোপন বুজাবুজিৰ বাবেই আগৰ লেচীগৰাকীকে বজাৰৰ কৰ-কটাল তুলিবলৈ অনুমতি লাভ কৰিছে বুলি অভিযোগ তুলি নিবনুৱা যুৱক ৰণ্টু সোণোৱালে বৰডুমচা সাপ্তাহিক বজাৰৰ নিবিদাকেন্দ্ৰিক বিতৰ্ক নাইকিয়া কৰি নিবিদা অনুসৰি বজাৰখন লেচীক প্ৰদান কৰিবলৈ তিনিচুকীয়া জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। পৰৱৰ্তী সময়তহে জানিব পৰা যাব তিনিচুকীয়া জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই এইক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰে।

## পথ দুৰ্ঘটনাত মৃত্যু হোৱা সাংবাদিক দীপক মহন্তলৈ গভীৰ শ্ৰদ্ধাঞ্জলি তেজপুৰৰ 'মাটি আখৰা'ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ জুলাই ঃ** অকাল মৃত্যুক সাবটি লোৱা তেজপুৰৰ লগতে ৰাজ্যখনৰে এগৰাকী প্ৰগতিশীল চিন্তাৰ নাট্যকাৰ-পৰিচালক দীপক মহন্তৰ প্ৰতিচ্ছবিৰ সন্মুখত কালি নিশা দীপক মহন্তৰে আন এগৰাকী অনুগামী দক্ষ অভিনেতা, নাট্যকাৰ-পৰিচালক মৃদুল চুতীয়াৰ নেতৃত্বত এদল নাট্যশিল্পী সমৱেত হৈ জনালে গভীৰ শ্ৰদ্ধাঞ্জলি। উল্লেখ্য যে, তেজপুৰৰ 'মাটি আখৰা' নামৰ নাট্যানুষ্ঠানটিয়ে কালি তেওঁলোকৰ অষ্টম প্ৰয়োজনাত দীপক মহন্তৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনপ্ৰিয় অভিনেতা মৃদুল চুতীয়াৰ পৰিচালনাত আৰু মূল চৰিত্ৰত অভিনয়ৰে সফল মঞ্চায়ন কৰে প্ৰয়াত দীপক মহন্তৰ বহু চৰ্চিত তথা জনপ্ৰিয় নাটক 'পিনহ'ল কেমেৰা'। এসময়ত সমগ্ৰ ৰাজ্যখনতে যথেষ্ট চৰ্চা লাভ কৰা, বৰ্তমানৰ সমাজ ব্যৱস্থা আৰু ৰাজনৈতিক বাতাবৰণৰ জীয়া বাস্তৱৰ কাহিনীক তীৰ্যক ব্যংগৰে উপস্থাপন কৰা বিশেষ কাহিনীৰ নাটকখনত মৃদুল চুতীয়াৰ পৰিচালনাৰে সম্পূৰ্ণ লোকবাদ্য প্ৰয়োগ কৰি সুন্দৰ সংগীতৰ প্ৰয়োগ কৰে হিমাংশু বৰা, শিৱানন্দ বৰুৱা আৰু নৱজ্যোতি শইকীয়াই। সেইদৰে বিপুল নাথ আৰু জিতুমণি কলিতাৰ মনোৰম আলোকসম্পাত, দিব্যজ্যোতি নাথৰ ৰূপসজ্জা, গৌতম কোঁচ আৰু শৈলেন্দ্ৰ শইকীয়াৰ দৃশ্যসজ্জাৰে সফল মঞ্চায়ন হোৱা বহু চৰ্চিত নাটকখনৰ মূল চৰিত্ৰত মৃদুল চুতীয়াই নিজেই চমকপ্ৰদ অভিনয় কৰাৰ লগতে তেজপুৰৰ দক্ষ অভিনেতা ৰাজীৱ শৰ্মা, প্ৰশান্ত কুমাৰ বৰা, পুতুল বৰুৱা, ভূপেন বৰুৱা, গৌতম কোঁচ, দীপ কলিতাই অতি সাৱলীল অভিনয় কৰি দৰ্শকক আপ্লুত কৰে। ইয়াৰ লগতে উদীয়মান প্ৰণৱ নাথ, ভাৰ্গৱ বৰা, বিপ্লৱ শৰ্মা, চিন্ময়জ্যোতি শৰ্মা, গৌতম শৰ্মা, দেৱাশীষ কৌশিক, শৈলেন্দ্ৰ নাথ শইকীয়া আৰু একমাত্ৰ নাৰী চৰিত্ৰত এলিচা শইকীয়ায়ো ত্ৰুটিহীন অভিনয়ৰে নাটকখন দৰ্শকৰ অধিক উপভোগ্য কৰি তোলাত দীৰ্ঘ দিনৰ পিছত বহু চৰ্চিত নাটকখনৰ মাজত একাংশ দৰ্শক নষ্টালজিক হৈ পৰা পৰিলক্ষিত হয়। নাট্যানুষ্ঠান 'মাটি আখৰা'ৰ সভাপতি দুল গোস্বামীৰ লগতে অন্যান্য বিষয়ববীয়াসকলৰ উপস্থিতিত নাটকখনৰ কুশীলৱসকলক ৰাইজৰ সন্মুখত বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাই পৰিচয় কৰি দিয়াৰ পিছতেই সকলো কুশীলৱই প্ৰয়াত নাট্যকাৰ দীপক মহন্তৰ প্ৰতিচ্ছবিৰ সন্মুখত সমৱেত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ সময়ত অকাল মৃত্যুক সাবটি লোৱা তেজপুৰৰ জনপ্ৰিয় নাট্যশিল্পীগৰাকীক স্মৰণ কৰি সকলোৰে চকু সেমেকি উঠে।

## মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানমূলক গছপুলি ৰোপণ ডিব্ৰুগড় জিলা উপায়ুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল উন্নয়ন খণ্ডৰ সমীপত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানমূলক গছপুলি ৰোপণ কাৰ্যসূচীৰ দেওবাৰে শুভাৰম্ভ কৰে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে। উক্ত কাৰ্যসূচীত লাহোৱাল উন্নয়ন খণ্ডৰ অন্তৰ্গত সকলো গাঁও পঞ্চায়তৰ সভাপতি, সভানেত্ৰীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানৰ আঁত ধৰে লাহোৱাল উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া তথা কাৰ্যবাহী দণ্ডাধীশ বেদব্ৰত পেগুৱে। উপায়ুক্তগৰাকীক সংগ দিয়ে ডিব্ৰুগড় জিলা পৰিষদৰ সভানেত্ৰী ডেইজী ৰাণী গোহাঁয়ে। উপায়ুক্তগৰাকীয়ে কয় যে গছ থাকিলেহে মানুহ থাকিব। গছ-গছনিয়ে আমাৰ পৰিৱেশটো সুন্দৰ কৰি ৰাখে। সেয়ে গছপুলি ৰোপণ কৰাটো আমাৰ সকলোৰে বাবে কৰ্তব্য হ'ব লাগে।

## বাদুলীপাৰত পথ দুৰ্ঘটনাত এজন নিহত ৰাইজৰ ধিক্কাৰ পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানক




**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ১৯ জুলাই ঃ** আজি পুৱাৰ ভাগত দেৰগাঁও থানাৰ অন্তৰ্গত বাদুলীপাৰৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এ এছ-০৬ এইচ-৯২৩২ নম্বৰৰ ছুইফ্‌ট ডিজায়াৰ আৰু এ এছ-০৫ আৰ-৩৮০৫ নম্বৰৰ মটৰচাইকেলৰ মাজত হোৱা মুখামুখি সংঘৰ্ষত মটৰ চাইকেল আৰোহী বনগাঁৱৰ শ্ৰাৱণ সোণাৰ থিতাতে নিহত হয়। উল্লেখ্য যে, চাৰিলেনযুক্ত পথছোৱাৰ উক্ত স্থানৰ বিপৰীত দিশৰ পথটোত সঘনাই দুৰ্ঘটনা সংঘটিত হৈ অহাৰ ফলত পথ নিৰ্মাণকাৰী সংস্থা হিন্দুস্তান কনষ্ট্ৰাকশ্বন কোম্পানীয়ে যোৱাটো মাহৰ ১০ তাৰিখৰ পৰা পথটো পুনৰ্নিৰ্মাণ কৰিবৰ বাবে যাতায়াত বন্ধ কৰি ৰাখিছে। ফলত একেটা পথেৰে দুয়ো দিশৰ গাড়ী যাতায়াত কৰিবলগীয়া হৈছে। এনে পৰিস্থিতিতে দুৰ্ঘটনাগ্ৰস্ত গাড়ীখনৰ চালকে হয়তো সমুখৰ ফালৰ পৰা যান-বাহন অহাৰ কথা অনুমান কৰিব নোৱাৰি এখন গাড়ী অভাৰট্ৰেক কৰিবলৈ লওঁতেই দুৰ্ঘটনাটো সংঘটিত হ'বলৈ পালে বুলি উপস্থিত ৰাইজে মন্তব্য কৰে। আনহাতে, পথ নিৰ্মাণকাৰী সংস্থাটোৱে নিৰ্মাণৰ নিৰ্দিষ্ট সময়সীমা অতিক্ৰম কৰাৰ কেইবা বছৰ পিছলৈকে পথটোৰ যাতায়াত ব্যৱস্থা সুচল কৰি তুলিব নোৱৰাৰ বাবে নিৰ্মাণকাৰী সংস্থাটোক ঘটনাস্থলীত উপস্থিত ৰাইজে ধিক্কাৰ দিছে।

## কন্যা মহাবিদ্যালয়ত ভাৰ্চুৱেল যোগ কোষ উন্মোচন

**গুৱাহাটী, ১৯ জুলাই ঃ** আজি কন্যা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কন্যা মহাবিদ্যালয় 'যোগ কোষ'ৰ অধীনত আইকিউএচিৰ সমন্বয়ত এটি ভাৰ্চুৱেল যোগ কোষ উন্মোচন কৰা হয়। যোগ কোষৰ সমন্বয়ক, দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক শিখা শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক নীতাঞ্জলি বৈশ্যই। আজিৰ উন্মোচনী সভাত যোগ ক্লাবটি উন্মোচন কৰি মানসিক উৎকৰ্ষ সাধনত যোগ সাধনাৰ প্ৰয়োজনীয়তা শীৰ্ষক এটি মনোজ্ঞ ভাষণ প্ৰদান কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিনীতা গগৈয়ে। সভাত আইকিউএচিৰ সমন্বয়ক তথা ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক গুপ্তজিৎ পাঠকে ছাত্ৰীসকলৰ শৈক্ষিক জীৱনত যোগ সাধনাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য আগবঢ়ায়। সভাৰ শেষত যোগ কোষৰ সহকাৰী সমন্বয়ক তথা বাংলা বিভাগৰ মুৰব্বী অধ্যাপক অনন্যা বয়ে শিক্ষক, ছাত্ৰী তথা উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়ায়।



## হাটখোলাৰ গড়আলি ভোলানাথ শিৱ মন্দিৰত ব'ল ব'ম উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৯ জুলাই ঃ** আজি শাওণ মাহৰ প্ৰথমটো সোমবাৰ। হিন্দু ধৰ্মৰ লোকসকলৰ উপাস্য দেৱতা শিৱৰ আৰাধনাৰ মাহ হিচাপে গণ্য কৰা হয়। আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত আনন্দ বজাৰ হাটখোলাৰ গড়আলি ভোলানাথ শিৱ মন্দিৰতো আজি শাওণৰ প্ৰথম সোমবাৰত শিৱক আৰাধনা কৰাৰ বাবে ভক্তৰ লানি নিছিগা সোঁত বয়। আজিৰ প্ৰথমটো সোমবাৰত গড়আলি ভোলানাথ শিৱ মন্দিৰলৈ পুৱাৰ পৰা আগমন ঘটে শিৱ ভক্তৰ। পুৱা মহাদেৱ কলিতাই নাম-প্ৰসংগ কৰাৰ পিছতে আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰে মন্দিৰ চৌহদত। ভক্তি ৰসৰ নিজৰা বোৱাই হাতত গাখীৰ, পানী, তেল-বন্তি, নৈবেদ্য লৈ শিৱক আৰাধনা কৰিবলৈ ভকত-বৈষ্ণৱৰ লগতে দৰ্শনাৰ্থীৰ আগমন ঘটে। ভক্তসকলে নিজৰ নিজৰ মনোকামনা পূৰণৰ বাবে বেলপাত লৈ শিৱ লিংগত পানী ঢালি পূজা-অৰ্চনা কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে, হাটখোলাৰ গড়আলি ভোলানাথ শিৱ মন্দিৰত শাওণৰ প্ৰতিটো সোমবাৰে ব'ম ব'ম উৎসৱ পালন কৰাৰ লগতে ২৯ শাওণত দৰঙৰ পৰা আমন্ত্ৰিত মহেশ ডেকাসহ শিল্পীবৃন্দই পৰিৱেশন কৰিব নাগৰা নাম। ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্‌যাপন সমিতিয়ে। উল্লেখ্য যে, শাওণৰ প্ৰতিটো সোমবাৰে শিৱভক্তসকলে পৱিত্ৰ বুলি গণ্য কৰি শিৱ লিংগত পানী ঢালি পূজা-অৰ্চনা কৰে। শাওণৰ মাহটোত শিৱ ভক্তসকলে গেৰুৱা বস্ত্ৰ পিন্ধি দলে-বলে গৈ নৈৰ পানী তুলি স্থানীয় মন্দিৰৰ শিৱ লিংগত ঢালি মনোকামনা পূৰণৰ বাবে শিৱক আৰাধনা কৰে। শাওণৰ মাহটো শিৱ মন্দিৰসমূহত ব'ল মাহ হিচাপেও পালন কৰা হয়।

**সাংবাদিকতাৰ স্বতন্ত্ৰতা আৰু নিৰাপত্তাৰ বিষয়টোৰ ওপৰত আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে ঃ ড° সব্যসাচী মহন্ত**

# শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ১৯ জুলাই ঃ** শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ দ্বি-বাৰ্ষিক অধিৱেশনখন দুদিনীয়া কাৰ্যসূচীৰে আজি সম্পন্ন হৈ যায়। পুৱা ৯.৩০ বজাত সংঘৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি খলিলুৰ ৰহমান হাজৰিকাই সংগঠনটোৰ পতাকা উত্তোলন কৰাৰ লগতে স্মৃতি তৰ্পণ কৰে সম্পাদক মনোজ কুমাৰ গগৈয়ে। দ্বি-বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি খলিলুৰ ৰহমান হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলিসভাখন উদ্বোধন কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড° সব্যসাচী মহন্তই। উদ্বোধনী ভাষণত মহন্তই কয় যে- সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰশ্নটোক লৈ আমি যিমান সক্ৰিয় বা সচেতন কিন্তু আমি সিমান সচেতন নহয় সাংবাদিকতাৰ স্বতন্ত্ৰতা আৰু নিৰাপত্তাৰ বিষয়টোক লৈ। ড° মহন্তই কয় যে সমগ্ৰ বিশ্বৰ লগতে আমাৰ অসমতো আমি সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰশ্নক লৈ যিদৰে সৰৱ হৈ থাকো, সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত যিদৰে আমি আলোচনা-বিতৰ্কৰ অৱতাৰণা কৰো ইয়াৰ সমান্তৰালভাৱে সাংবাদিকতাৰ স্বতন্ত্ৰতা আৰু নিৰাপত্তাৰ বিষয়টোৰ ওপৰতো আলোচনা-বিলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে। যিজন সাংবাদিকে সমাজৰ প্ৰতিজন ব্যক্তিৰ বিৰুদ্ধে চলি থকা অন্যায়-শোষণৰ বিৰুদ্ধে মাত মাতি আহে তেৰেঁই কৰ্মক্ষেত্ৰখনত কিমান শোষিত, কিমান নিষ্পেষিত সেয়া সেইগৰাকী সাংবাদিকে নিশ্চয়কৈ অনুধাৱন কৰি আহিছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। আন এক প্ৰসংগত ড° মহন্তই কয় যে- দিন-ৰাতি একাকাৰ কৰি মফচলীয় সাংবাদিকসকলে প্ৰেৰণ কৰা বা-বাতৰিসমূহেই একো একোখন সংবাদ পত্ৰৰ মূল চালিকা শক্তি। কিন্তু এই মফচলীয় সাংবাদিকসকল সৰ্বদিশৰ পৰাই যে শোষিত আৰু বঞ্চিত এই কথা কিন্তু অত্যন্ত গুৰুত্ব সহকাৰে সকলো পক্ষই অনুধাৱন কৰাটো উচিত বুলি মন্তব্য কৰে। মনোজ কুমাৰ গগৈয়ে আঁত ধৰা সভাখন উদ্বোধন কৰে উপায়ুক্ত মেঘনিধি দাহালে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি অসম বাৰ্তাজীৱী সংঘৰ সভাপতি টুটুমণি ফুকনে কয় যে ৰাজ্য চৰকাৰে ত্ৰিশ বছৰৰ পূৰ্বৰে পৰা মফচলীয় সাংবাদিকসকলৰ মজুৰি আৰু প্ৰাপ্য অধিকাৰ নিৰ্ধাৰণৰ বাবে কেইবাখনো আয়োগ গঠন কৰি দিছিল। উক্ত কমিটীসমূহে মফচলীয় সাংবাদিকৰ আৰ্থিক দিশ পৰীক্ষা কৰি ১০-১৫ বছৰৰ পূৰ্বেই প্ৰতিবেদন দাখিল কৰিছিল যদিও উক্ত প্ৰতিবেদন আজিও কাৰ্যকৰী নহ'ল। সেয়ে মালিক পক্ষৰ পৰা পাব লগা মজুৰি আজিও ৰাজ্যৰ সাংবাদিকসকলে লাভ কৰা নাই বুলি উল্লেখ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি নজিউল্লা হাজৰিকাৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা স্মাৰক গ্ৰন্থ 'বাৰ্তা' আনুষ্ঠানিকভাৱে উন্মোচন কৰি বিশিষ্ট নিবন্ধকাৰ তথা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই সাংবাদিক আৰু সাংবাদিকতা সন্দৰ্ভত মনোজ্ঞ বক্তব্য প্ৰদান কৰে। সভাত জিলা বাৰ্তাজীৱী সংঘই কৰ্মশ্ৰী বঁটাপ্ৰাপক তথা শিৱসাগৰ জিলা অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগ, অসম বাৰ্তাজীৱী সংঘৰ প্ৰাক্তন সভাপতি কেশৱ কলিতা আৰু আমাৰ অসম কাকতৰ ডেপুটী এডিটৰ গৌতম শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। মুকলি সভাতে প্ৰথম দিনা অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী আৰু বিজিত প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অসম বাৰ্তাজীৱী সংঘৰ প্ৰাক্তন সাংগঠনিক সম্পাদক ভাস্কৰ শৰ্মা, ৰাণাজ্যোতি নেওগ, শৈলেন বৰুৱা, কমল তালুকদাৰ, দ'ল উন্নয়ন পৰিষদৰ সম্পাদক বসন্ত গগৈ, সমাজকৰ্মী নবাল কিশোৰ খাণ্ডেলিয়াকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে পুৱাৰ ভাগত অনুষ্ঠিত হোৱা সাংবাদিক কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি আমাৰ অসম কাকতৰ ডেপুটী এডিটৰ গৌতম শৰ্মাই কয় যে- অভিধানিক ব্যাকৰণৰ বন্ধু হ'লেহে সাংবাদিকতাৰ পথাৰখনত আগুৱাই যাবলৈ সক্ষম হ'ব। অভিধানিক ব্যাকৰণৰ বন্ধু হোৱাৰ সমান্তৰালভাৱে অসমীয়া ভাষাৰ সকলো দিশৰ ওপৰত গুৰুত্ব দিব লাগিব। তেতিয়াহে বাক্য গঠনত পূৰ্ণতা আহিব। যদি সাংবাদিকতাৰ পথাৰখনত সক্ৰিয় হৈ শুদ্ধ বাতৰি পাঠক সমাজৰ আগত দাঙি ধৰাৰ প্ৰৱল মানসিকতা থাকে তেন্তে এগৰাকী সাংবাদিকৰ শগুণৰ দৰে দৃষ্টি থাকিব লাগিব বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ লগতে তেওঁ কয় যে- ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যম কেতিয়াও পৰস্পৰবিৰোধী নহয়। এটা আনটোৰ পৰিপূৰক। কিন্তু আজিৰ সময়ত সাংবাদিকে সাংবাদিকৰ প্ৰধান শত্ৰু হিচাপে বিবেচিত হৈ আহিছে। এনে হ'লে সাংবাদিকতাৰ যি গৰিমা আছে ই ম্লান পৰিব। এই গৰিমাক অক্ষুণ্ণ ৰাখিবৰ বাবে সাংবাদিকৰ মাজত সংহতি আৰু আত্মীয়তা থাকিব লাগিব। এই সংহতি আৰু আত্মীয়তা থাকিলেহে সাংবাদিকৰ বিৰুদ্ধে মূৰ দাঙি উঠা শক্তিবিলাকক সাংবাদিকৰ সংহতিয়ে ইয়াক প্ৰতিহত কৰিব পাৰিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। শিৱসাগৰৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া জয়ন্ত মাউতে উদ্বোধন কৰা সাংবাদিক কৰ্মশালাখনৰ আন এগৰাকী সমল ব্যক্তি শিৱসাগৰ কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক তথা শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি ড° উৎপল দত্তই কয় যে পৰিৱেশ সাংবাদিক হ'বলৈ হ'লে প্ৰকৃতিক ভাল পাবই লাগিব। লগতে হ'ব লাগিব প্ৰচুৰ জ্ঞানৰ অধিকাৰী। কাৰণ এক তথ্য শুদ্ধ ৰূপত উপস্থাপন কৰিব নোৱাৰিলে ই ভৱিষ্যতৰ ক্ষতি কৰাৰ পূৰ্ণ সম্ভাৱনা থাকে বুলি উল্লেখ কৰে। ইয়াৰ লগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি দিয়া ভাষণত ড° দত্তই উল্লেখ কৰে যে- পৰিৱেশ সাংবাদিকসকলৰ ক্ষেত্ৰখন পৰিচয় কৰাই দিয়াৰ লগতে প্ৰতিটো বিষয়বস্তুৰ ইতিহাস, আন্তৰ্জাতিক পৰ্যায়ত ইয়াৰ শেহতীয়া স্থিতি আদিৰ শুদ্ধ তথ্য পৰিৱেশ সাংবাদিকে প্ৰদান কৰিব লাগিব বুলিও মন্তব্য কৰে। সাংবাদিক কৰ্মশালাত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী আৰু সাংবাদিকে অংশগ্ৰহণ কৰা প্ৰতিগৰাকীকে জিলা বাৰ্তাজীৱী সংঘই একোখনকৈ নামপত্ৰ প্ৰদান কৰে। ইফালে কালি অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত সভাৰ সৰ্বসন্মতি ক্ৰমে পুনৰবাৰ শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি খলিলুৰ ৰহমান হাজৰিকা নিৰ্বাচিত হোৱাৰ লগতে দীপক বড়া, মুনীন্দ্ৰ নাথ শইকীয়া আৰু ৰাতু কুমাৰ দাসক উপ-সভাপতি, মনোজ কুমাৰ গগৈক সাধাৰণ সম্পাদক, মুজাহিদ আলী, নজিউল্লা হাজৰিকা, হিমাংশু আৰু মফিদুল ইছলামক সহকাৰী সাধাৰণ সম্পাদক, আশ্ৰফুৰ ৰহমানক প্ৰচাৰ সম্পাদক, চৈয়দ মুস্তাকুৰ ৰহমান আৰু ৰাতুল শৰ্মা আৰু দিলিস্তান খানক সাংগঠনিক সম্পাদক, দেৱজ্যোতি বৰুৱাক কোষাধ্যক্ষ হিচাপে লৈ এখন ২১জনীয়া শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ সমিতি গঠন কৰা হয়।

প্ৰথম টেষ্টৰ আজি অন্তিম দিন

# শ্ৰীলংকাই দিয়া বিজয়লক্ষ্য দৃঢ়তাৰে অনুসৰণ পাকিস্তানৰ



**গল, ১৯ জুলাই ঃ** শ্ৰীলংকাৰ বিৰুদ্ধে খেলা চলিত শৃংখলাৰ প্ৰথমখন টেষ্টত পাকিস্তানে ঘৰুৱা দলটোৱে দিয়া ৩৪২ ৰাণৰ বিজয়লক্ষ্য দৃঢ়তাৰে অনুসৰণ কৰি সুন্দৰ স্থিতিত উপনীত হৈছে। উল্লেখ্য যে টেষ্টখনৰ আজি চতুৰ্থ দিনাৰ খেলৰ অন্তত শ্ৰীলংকাই দিয়া ৩৪২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি পাকিস্তানে দ্বিতীয় ইনিংছত তিনিটা উইকেট হেৰুৱাই দিয়া ২২২ ৰাণ কৰিছে। দলৰ অপেনাৰ আব্দুলা ছফিকে ১১২ ৰাণৰ শতকীয় ইনিংছ খেলি বেটিং কৰি থকাৰ বিপৰীতে বাবৰ আজমে কৰে ৫৫ ৰাণ। টেষ্ট খনৰ কাইলৈ অন্তিম দিনা হাতত সাতটা উইকেট থকা অৱস্থাত বিজয়ৰ বাবে পাকিস্তানক প্ৰয়োজন ১২০ ৰাণৰ। অৱশ্যে অন্তিম দিনা শ্ৰীলংকাৰ বলাৰেও প্ৰত্যাৱৰ্তন কৰিব পাৰে উইকেটৰ সহায় লৈ। উল্লেখ্য যে আজি শ্ৰীলংকাই আটাইকেইটা উইকেট হেৰুৱাই ৩৩৭ ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু ঘৰুৱা দলটোৱে মুঠ ৩৪২ ৰাণত অগ্ৰগতি লয়। প্ৰথম ইনিংছত শ্ৰীলংকাৰ হৈ ৭৬ ৰাণ কৰা চন্দিমলে দ্বিতীয় ইনিংছত অনবদ্য ৯৪ ৰাণ কৰি অপৰাজিত থাকে। আনহাতে, দলৰ হৈ কুশল মেণ্ডিছে ৭৬ আৰু ফাৰ্ণাণ্ডোৱে ৬৪ ৰাণ কৰে। পকিস্তানৰ হৈ মহম্মদ নাৱাজে পাঁচটা উইকেট দখল কৰে। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাই প্ৰথম ইনিংছত ২২২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, পাকিস্তানে বাবৰ আজমৰ (১১৯) শতক সত্ত্বেও ২১৮ ৰাণত প্ৰথম ইনিংছ সামৰিছিল।

চতুৰ্থ সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপ-২০২২ৰ সামৰণি

# জনপ্ৰিয় কণ্ঠশিল্পী মানসী চহৰীয়াৰ গীতৰ অনুষ্ঠান

## ওদালগুৰি জিলা থাই বক্সিং সন্থাৰ উদ্যোগ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ১৯ জুলাই ঃ** ওদালগুৰি জিলাৰ বৃহত্তৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ক্ৰীড়ানগৰী টংলাস্থিত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ১৫ জুলাইৰ পৰা ১৭ জুলাইলৈকে তিনিদিনীয়াকৈ অনুষ্ঠিত চতুৰ্থ সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপ -২০২ ২ৰ কালি নিশা জনপ্ৰিয় কণ্ঠশিল্পী মানসী চহৰীয়াৰ সাংস্কৃতিক অনুষ্ঠানেৰে সফল সামৰণি পৰে। ওদালগুৰি জিলা থাই বক্সিং সন্থাই আয়োজন কৰা সদৌ অসম ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত অসমৰ ২১খন জিলাৰ পৰা প্ৰায় তিনি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৰুষ-মহিলাৰ উভয়ৰে মাজত অনুষ্ঠিত ছাব জুনিয়ৰ, জুনিয়ৰ, ছিনিয়ৰ ইভেণ্টৰ খেলত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পুৰস্কাৰ বিজয়ীসকলক প্ৰদান কৰাৰ পিছতে নিশা সাংস্কৃতিক অনুষ্ঠানত মানসী চহৰীয়াই গীতৰ শৰাই আগবঢ়ায়। থাই বক্সিং সন্থা,




অসমৰ সভাপতি নৰেন চন্দ্ৰ বসুমতাৰী, কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বৰা, সম্পাদক ৰিতুমণি ৰাভা, থাই বক্সিং সন্থা, অসমৰ অধ্যক্ষ দিঠকানন্দ হাজৰিকা, বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল ৰাভা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক তথা বিশিষ্ট নাট্যযোদ্ধা পৱিত্ৰ ৰাভা, ক্ৰীড়ানুৰাগী ব্যক্তিবিশেষে গণ্যমান্য ব্যক্তি উপস্থিত থকা সামৰণী অনুষ্ঠানত আন্তৰ্জাতিক কাবাদী ৰেফাৰী নমল ৰাভা, সদৌ অসম থাই বক্সিং সন্থা, অসমৰ সম্পাদক ৰিতুমণি ৰাভা উপস্থিত থাকে।

# আজিৰে পৰা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনূৰ্ধ্ব প্ৰতিযোগিতা

**গুৱাহাটী,১৯ জুলাই ঃ** ১২টা দলৰ অংশগ্ৰহণৰে কাইলৈৰ পৰা নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব গুৱাহাটী ক্ৰীড়া সন্থাৰ অনূৰ্ধ্ব ১৩ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজন। কাইলৈৰ পৰা নেহৰু ষ্টেডিয়ামৰ দুয়োখন গ্ৰাউণ্ডত দুপৰীয়া ২.৩০ আৰু ৩.৪০ বজাত মুঠ চাৰিখনকৈ খেল অনুষ্ঠিত হ'ব । প্ৰতিযোগিতাত অংশ লোৱা দলকেইটা হ'ল যোৰাবাৰৰ চেম্পিয়ন গুৱাহাটী চিটী এফচি, আছাম ৰাৰিয়ৰ্ছ এফচি, এনকেএছএফচিচি, কাজিৰঙা এফচি, চন্দ্ৰপুৰ এফচিচি, হাণ্টোছ এফচি, নাৰেংগী এফচিচি, লায়নফ'ৰ্ড এফচি, আকাশ এফচি, উদয়ন কৃষ্টি সংঘ, পেগাছাছ এফচি আৰু চানমাৰি এফচিচি। ২৮ জুলাইত প্ৰতিযোগিতাৰ ছেমিফাইনেল আৰু ৩০ জুলাইত ফাইনেল অনুষ্ঠিত হ'ব । চেম্পিয়ন দলটোৱে অসম ফুটবল সন্থাৰ ৰাজ্যিক অনূৰ্ধ্ব ১৩ লীগৰ মণ্ডল পৰ্যায়ত অংশগ্ৰহণ কৰিব।

# জিলাই-জিলাই যুৱ অলিম্পিক গেমছৰ শিখা ৰেলী

**গুৱাহাটী,১৯ জুলাইঃ** অসমৰ ক্ৰীড়া ক্ষেত্ৰত নতুন নতুন প্ৰতিভা সন্ধানৰ উদ্দেশ্যৰে অসম অলিম্পিক সন্থাই অসম চৰকাৰৰ সহযোগত অহা ২২ৰ পৰা ২৭ জুলাইলৈ গুৱাহাটীত প্ৰথম যুৱ অলিম্পিক গেমছ অনুষ্ঠিত কৰিব। সেয়ে উক্ত প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি অসম অলিম্পিক সন্থাই প্ৰতিখন ক্ৰীড়া জিলাৰ সহযোগত আজিৰে পৰা অলিম্পিক শিখা লৈ সামূহিক দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজি কাৰ্বি আংলং, হোজাই, গোৱালপাৰা, কোকৰাঝাৰ, ডিব্ৰুগড় আদি কৰি উজনি-নামনি, পাহাৰ-ভৈয়ামত অলিম্পিক শিখা লৈ সামূহিক দৌৰ আয়োজন হয়।

*নগেন বৰা সোঁৱৰণী ফুটবল লীগ আৰম্ভ*

# উদ্বোধনী খেলত কঁঠালগুৰি এফ চি বিজয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া সেৱা, মৰিয়নি,১৯ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত মুক্তিযোদ্ধা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগ আজিৰে পৰা আৰম্ভ হৈছে। আজিৰ উদ্বোধনী খেলত কঁঠালগুৰি এফ চিয়ে দিহিঙীয়াপাৰ চাহ বাগিচাক ২-১ গ'লত পৰাজিত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। খেলৰ ন মিনিটতে বিকাশ কৰ্মকাৰৰ গ'লেৰে কঁঠালগুৰিয়ে অগ্ৰগতি লাভ কৰে। কিন্তু দ্বিতীয়াৰ্ধৰ পাঁচ মিনিটত দিহিঙীয়াপাৰৰ অনিমেষ কৰ্মকাৰে এটা গ'ল দি সমতা স্থাপন কৰে। ইয়াৰ পিছত অধিক গতিশীল হৈ পৰে খেলখন। খেলৰ অন্তিম মিনিটত কঁঠালগুৰিৰ ললিত চবৰে এটা গ'ল দি দলক বিজয়ী কৰোৱাৰ লগতে সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। খেলখন পৰিচালনা কৰে ৰাজীৱ কৰ্মকাৰ, মৃগন্ত হাজৰিকা, নিত্যৰঞ্জন ফুকন আৰু প্ৰাঞ্জল পাওগামে। ইয়াৰ পূৰ্বে মৰিয়নি ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্তই। প্ৰতিযোগিতাখন উদ্বোধন কৰে মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই। দাতা পৰিয়ালৰ হৈ অনিল বৰা আৰু ৰেণু বৰা উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত এইবাৰ অসম ক্ৰিকেট দলৰ নিৰ্বাচনী শিবিৰলৈ আমন্ত্ৰণ লাভ কৰা মৰিয়নিৰ ক্ৰিকেট খেলুৱৈ পীয়ুছ প্ৰধানক শুভেচ্ছা জ্ঞাপন কৰা হয়। দীপেন দাসে আঁত ধৰা অনুষ্ঠানটোত জ্যেষ্ঠ ফুটবল সংগঠক প্ৰদীপ মজুমদাৰ, প্ৰাক্তন ফুটবলাৰ মহেশ্বৰ গোৱালা, দীপক তাঁতী, মুন নায়ক, দেবু গোৱালা, অনিল উৰাং, উইলিয়াম ভালুৱী, এন্দ্ৰিয়াছ তাঁতী, উৎপল গগৈ, নেইনা ভূমিজ, মইনা গগৈ, মিকু পাওগাম আদি উপস্থিত থাকে। ২০ জুলাইৰ খেল ঃ কাটনিবাৰী চাহ বাগিচা বনাম বাঁহনী চাহ বাগিচা।

# আই এছ এছ এফ শ্বুটিং বিশ্বকাপৰ পদক তালিকাৰ শীৰ্ষত ভাৰত

**নতুন দিল্লী, ১৯ জুলাই ঃ** চলিত আই এছ এছ এফ শ্বুটিং বিশ্বকাপত আজি অনুষ্ঠিত হোৱা ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল মিক্সড টিম ইভেণ্টত ভাৰতৰ কিশোৰ শ্বুটাৰ অনিশ ভানৱালা আৰু ৰিদম ছাংৱানে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ব্ৰঞ্জৰ পদকৰ খেলখনত চেক গণৰাজ্যৰ আন্না ডেডোভা আৰু মাৰ্টিন প'ধ্ৰাস্কিৰ বিৰুদ্ধে ১৬-১২ ৰ ব্যৱধানত জয়লাভ কৰে ভাৰতীয় যুটিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে চলিত বৰ্ষৰ মাৰ্চত কায়ৰো বিশ্বকাপত ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল মিক্সড দলীয় ইভেণ্টত সোণৰ পদক লাভ কৰা অনিশ ভানৱালা আৰু ৰিদম ছাংৱানে আজি আই এছ এছ এফ শ্বুটিং বিশ্বকাপত তৃতীয় হৈ দ্বিতীয়টো পদক অৰ্জন কৰিলে। স্মৰ্তব্য যে চাংৱন বিশ্বকাপত এতিয়ালৈকে ভাৰতে ১৪ টা পদক লাভ কৰি তালিকাৰ শীৰ্ষত আছে। ভাৰতে পাঁচটা সোণ, সমসংখ্যক ৰূপ




আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। উল্লেখ্য যে কালি পুৰুষৰ শাখাত দেশৰ হৈ সোণ লাভ কৰিছিল মৈৰাজ আহমেদ খানে। পদক নিৰ্ণায়ক ৰাউণ্ডত ৪০ শ্বট কৰি ফাইনেলত উত্তৰ প্ৰদেশৰ ৪৬ বছৰীয়া মৈৰাজ আহমেদ খানে সোণ লাভ কৰে। ভাৰতীয় দলটোৰ জ্যেষ্ঠ সদস্য হিচাপে পৰিগণিত হোৱা তথা দুবাৰৰ অলিম্পিয়ানগৰাকীয়ে ২০১৬ ত ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত বিশ্বকাপতো ৰূপৰ পদক লাভ কৰিছিল। ইফালে, চলিত আই এছ এছ এফ বিশ্বকাপ শ্বুটিঙত ইয়াৰ পূৰ্বে মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী প্ৰি দলীয় ইভেণ্টত ভাৰতৰ অঞ্জুম মৌদগিল, আশী চৌকছে আৰু ছিফট কৌড়ে দলীয় ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ব্ৰঞ্জৰ পদকৰ খেলখনত ভাৰতীয় দলটোৱে অষ্ট্ৰিয়াৰ শ্বিলিন ৱাইবেল, নাডিন উংগেৰেংক, ৰেবেকা ক'কক ১৬-৬ ত পৰাস্ত কৰিৰিছিল।

# অভিলেখ গঢ়ি বিশ্ব এথলেটিকছত কেৰিয়াৰৰ পঞ্চমটো সোণ শ্বেলীৰ



**ইউজিন, ১৯ জুলাই ঃ** জামাইকাৰ শ্বেলী এন ফ্ৰেজাৰ প্ৰাইছে চলিত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ১০০ মিটাৰ দৌৰত পুনৰ সোণৰ পদক লাভ কৰি গৌৰৱময় কেৰিয়াৰৰ পঞ্চমটো খিতাপ দখলেৰে ইতিহাস ৰচনা কৰিছে। উল্লেখ্য যে ৩৫ বছৰীয়া মাতৃ ফ্ৰেজাৰ প্ৰাইছে ১০.৬৭ ছেকেণ্ডত লক্ষ্যত উপনিত হৈ চেম্পিয়নশ্বিপত শ্ৰেষ্ঠত্ব অৰ্জনৰে অভিলেখ গঢ়িবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে তেওঁ ২০০৯, ২০১৩, ২০১৫ আৰু ২০১৯ ৰ বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ১০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, শ্বেৰিকা জেকচনে ব্যক্তিগত শ্ৰেষ্ঠ প্ৰদৰ্শন কৰি ১০.৭৩ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰে আৰু ৰূপৰ পদক দখল কৰাৰ বিপৰীতে চাৰিবাৰৰ অলিম্পিক স্প্ৰিণ্ট চেম্পিয়ন ইলেইন থম্পছন হেৰাহে ব্ৰঞ্জ (১০.৮১) দখল কৰে। কেৰিয়াৰৰ পঞ্চমটো খিতাপ দখলেৰে ইতিহাস ৰচনা কৰি ফ্ৰেজাৰ প্ৰাইছে কয় 'মোৰ সফলতাৰ আঁৰৰ ৰহস্যটো হ'ল মই এতিয়াও এজন প্ৰতিযোগী। মই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ভাল পাওঁ আৰু মই বিশ্বাস কৰোঁ যে ভগৱানে মোক এটা উপহাৰ দিছে।'

প্ৰথম অসম যুৱ অলিম্পিক গেমছৰ প্ৰস্তুতি তুংগত

# গুৱাহাটীত খেল হোৱাৰ পাছতো জি এছ এৰ হতাশাজনক ভূমিকা

**গুৱাহাটী, ১৯ জুলাই ঃ** অহা ২২ ৰ পৰা ২৭ জুলাইলৈ অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগিতাত প্ৰথমবাৰৰ বাবে গুৱাহাটীত আয়োজন কৰি লগা অসম যুৱ অলিম্পিক গেমছৰ প্ৰস্তুতি অন্তিম পৰ্যায়ত উপনীত হৈছে। অসম অলিম্পিক সন্থাই আয়োজনত কোনো সুৰুঙা নৰখাকৈ ৰাজ্যৰ ক্ৰীড়াৰ নতুন প্ৰতিভা আৱিষ্কাৰ কৰাৰ লক্ষ্যৰে প্ৰথম অসম যুৱ অলিম্পিক গেমছ সফলতাৰে অনুষ্ঠিত কৰাত দিনে-নিশাই কাম কৰিছে যদিও গুৱাহাটী ক্ৰীড়া সন্থাৰ অসহযোগিতাৰ দিশটো ক্ৰীড়াপ্ৰেমীৰ দৃষ্টিত লজ্জাজনকভাৱে ধৰা পৰিছে। উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখন গুৱাহাটীত অনুষ্ঠিত হোৱাৰ বাবে স্বাভাৱিকতে অসম অলিম্পিক সন্থাক এশ শতাংশ সহযোগ কৰিব লাগিছিল গুৱাহাটী ক্ৰীড়া সন্থাই। কিন্তু জিএছএৰ গা এৰা মনোভাৱে ক্ৰীড়াপ্ৰেমীক হতাশ কৰি তুলিছে। অৱশ্যে তাৰ পাছতো অসম অলিম্পিক সন্থাই পৰ্যায়ক্ৰমে প্ৰতিটো দিশ সমাধা কৰি গৈছে। 'আমি গুৱাহাটীৰ পৰিৱৰ্তে ৰাজ্যৰ অন্য জিলাত অসম যুৱ অলিম্পিক গেমছ আয়োজন কৰিলে স্থানীয় আয়োজক জিলাখনৰ পৰা প্ৰত্যাশিত সহযোগ লাভ কৰিলোঁহেঁতেন। কিন্তু গুৱাহাটীত আশা কৰা সঁহাৰি পোৱা নাই।' অসম অলিম্পিক সন্থাৰ এগৰাকী শীৰ্ষ সংগঠকে আজি আক্ষেপেৰে এই কথা ব্যক্ত কৰে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে হ'বলগা ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত ৩৫খন জিলাৰ প্ৰায় ৪,৫০০ খেলুৱৈয়ে অংশ ল'ব। অসম যুৱ অলিম্পিক মুঠ ৩১ বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। গুৱাহাটীৰ মুঠ ১০টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব অসম যুৱ অলিম্পিক গেমছ।

# ক্ৰীড়া পেন্সন-এককালীন সাহায্যৰ বাবে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াত পদক প্ৰাপকসকলৰ পৰা আবেদন আহ্বান

**গুৱাহাটী, ১৯ জুলাই ঃ** ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগে অসমৰ স্থায়ী বাসিন্দা তথা অলিম্পিক গেমছ, এছিয়ান গেমছ, কমনৱেল্‌থ গেমছ, বিশ্ব চেম্পিয়নশ্বিপ (অলিম্পিকৰ স্বীকৃতিপ্ৰাপ্ত খেলসমূহ) আৰু নেচনেল গেমছত পদক লাভ কৰা খেলুৱৈসকলক ক্ৰীড়া পেন্সন তথা এককালীন বিত্তীয় সাহায্য আৰু নিয়মীয়া ক্ৰীড়া পেঞ্চন প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি গোলাঘাট জিলাতো জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ত এনে খেলুৱৈসকলৰ তালিকা প্ৰস্তুত কৰি থকা হৈছে। পদক প্ৰাপকসকলক অহা ২৬ জুলাইৰ ভিতৰত পদক লাভৰ প্ৰমাণ-পত্ৰ, নিয়োগৰ স্থিতি উল্লেখ কৰি শপতনামা, বেংক পাছবুক, নিয়োগকৰ্তাই জাৰি কৰা পৰিচয় পত্ৰ (চৰকাৰী, অৰ্ধ-চৰকাৰী, ব্যক্তিগত, অন্যান্যৰ ক্ষেত্ৰত প্ৰযোজ্য), ভোটাৰ পৰিচয়-পত্ৰ আৰু স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰসহ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ ক্ৰীড়া বিষয়াগৰাকীয়ে আহ্বান জনাইছে। উল্লেখ্য যে ২০২১-২২ বৰ্ষত ক্ৰীড়া পেঞ্চন আঁচনিৰ বাবে বাছনিভুক্ত হোৱা ক্ৰীড়াবিদসকলে পুনৰ ইয়াৰ বাবে আবেদন কৰিব নালাগে ।

# ভূৰাগঁৱৰ বালিডোংগাত বিপিএল নৈশ ক্ৰিকেট লীগ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ বালিডোংগা এইচএবি উদ্যোগ প্ৰাংগণত নিশা বালিডোংগা ক্ৰিকেট ক্লাবৰ উদ্যোগত বিপিএল নৈশ ক্ৰিকেট খেলৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিপিএল লীগ ক্ৰিকেট খেলৰ শুভ উদ্বোধন কৰে ভূৰাগাঁও অঞ্চলৰ বিশিষ্ট সমাজ সেৱক তথা ইটাভাতাৰ স্বত্বাধিকাৰী ৰফিকুল ইছলামে। অৱশ্যে উদ্বোধনী অনুষ্ঠানত উক্ত লীগত অংশগ্ৰহণ কৰা ৮টা ক্ৰিকেট দলৰ মালিকসকলৰ লগতে সকলো আমন্ত্ৰিত অতিথিসকল আৰু সাংবাদিকসকলক এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটি পৰিচালনা কৰে উক্ত ক্ৰিকেট ক্লাবৰ সম্পাদক ৰাহিদুৰ ৰহমান বুলবুলে। পৰিচালনা সমিতিয়ে জনোৱা মতে, চলিত লীগ ক্ৰিকেট খেলখন ১৮ জুলাইৰ পৰা ৭ আগষ্টলৈকে চূড়ান্ত ফাইনেলসহ মুঠ ৩১খন খেল অনুষ্ঠিত হ'ব। চূড়ান্ত ফাইনেল খেলত চেম্পিয়ন দলে লাভ কৰিব এটা সুন্দৰ, আটকধুনীয়া চেম্পিয়ন ট্ৰফীৰ লগতে নগদ ৫০,০০০ টকা। আনহাতে, পৰাজিত দল অৰ্থাৎ ৰানাৰ্ছ আপ দলেও লাভ কৰিব এটা ট্ৰফীৰ উপৰিও নগদ ৪০,০০০ টকা। ইয়াৰ উপৰিও মেন অৱ দ্য ছিৰিজ, শ্ৰেষ্ঠ বলাৰ, শ্ৰেষ্ঠ ফিল্ডাৰ আৰু মেন অৱ দ্য মেচৰ খিতাপ অৰ্জন কৰাসকলেও এটাকৈ ট্ৰফীৰ লগতে নিৰ্ধাৰিত অনুযায়ী নগদ ধনো লাভ কৰিব বুলি জানিব পৰা গৈছে। সকলোৰে জ্ঞাত যে বালিডোংগা বুলি ক'লে মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰত অৱস্থিত, তেনেস্থলত গ্ৰীষ্মকালীন সময়ত আয়োজকসকলে স্থানীয় ৰাইজৰ বাবে এক সুন্দৰ মনোৰঞ্জন দিয়াৰ লগতে ক্ৰিকেটৰ প্ৰতি অলেখ জনপ্ৰিয়তাৰো সৃষ্টি কৰিলে। কোনে জানে হয়তো



কালিলৈ এই সৰু লীগৰ পৰাই ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত সুবিধা গ্ৰহণ কৰিব। অৱশ্যে তাৰ বাবে চিলাই বলৰ ক্ৰিকেট খেলৰ প্ৰয়োজন। যিয়েই নহওক কিয়, বালিডোংগাত এইকেইদিন চলিব ফুল এন্টাৰটেইনমেণ্টৰ লগতে পইচা উচুল বেটিং, বলিং আৰু একচেলেঞ্চ কেথচৰ ওপৰিও উইকেট ডাউন আৰু চৌকা-চক্কাৰ বাৰিষ।

# বিশ্বকাপ শ্বুটিঙত ভাৰতৰ মৈৰাজ আহমেদ খানৰ স্বৰ্ণ পদক



**নতুন দিল্লী, ১৯ জুলাই ঃ** ভাৰতৰ প্ৰবীণ শ্বুটাৰ মৈৰাজ আহমেদ খানে আজি চলিত আই এছ এছ এফ বিশ্বকাপ শ্বুটিঙত স্বৰ্ণ পদক লাভ কৰি ইতিহাস সৃষ্টি কৰিছে। উল্লেখ্য যে পুৰুষৰ স্কীটত দেশৰ হৈ প্ৰথমবাৰৰ বাবে এই সফলতা লাভ কৰে মৈৰাজ আহমেদ খানে। পদক নিৰ্ণায়ক ৰাউণ্ডত ৪০ শ্বট কৰি ফাইনেলত উত্তৰ প্ৰদেশৰ ৪৬বছৰীয়া মৈৰাজ আহমেদ খানে সোণ লাভ কৰে। ইফালে, ৩৭ শ্বট কৰি কোৰিয়াৰ মিনছু কিমে ৰূপ আৰু ব্ৰিটেইনৰ বেন লেৱেলিনে ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে ভাৰতীয় শ্বুটাৰজনে যোগ্যতা অৰ্জনৰ দুদিনৰ ভিতৰত ১১৯,১২৫ শ্বট দিয়াৰ পূৰ্বে তেওঁৰ প্ৰথম ব্যক্তিগত সোণৰ ৰূপত পাঁচমুখী শ্বুট অফত আহিছিল। চলিত বৰ্ষত চাংৱনত ভাৰতীয় দলটোৰ আটাইতকৈ বয়সস্থ সদস্য হিচাপে পৰিগণিত হোৱা দুবাৰৰ অলিম্পিয়ানগৰাকীয়ে ২০১৬ ত ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত বিশ্বকাপতো ৰূপৰ পদক লাভ কৰিছিল। চলিত আই এছ এছ এফ বিশ্বকাপ শ্বুটিঙত ইয়াৰ পূৰ্বে মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী প্ৰি দলীয় ইভেণ্টত ভাৰতৰ অঞ্জুম মৌদগিল, আশী চৌকছে আৰু ছিফট কৌড়ে দলীয় ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ব্ৰঞ্জৰ পদকৰ খেলখনত ভাৰতীয় দলটোৱে অষ্ট্ৰিয়াৰ শ্বিলিন ৱাইবেল, নাডিন উংগেৰেংক, ৰেবেকা ক'কক ১৬-৬ ত পৰাস্ত কৰি প'ডিয়ামত স্থান লাভ কৰে।

# ইংলেণ্ডৰ বিৰুদ্ধে শৃংখলা জয় কৰি ৰেংকিঙত উন্নীত ভাৰত




**ডুবাই, ১৯ জুলাই ঃ** ইংলেণ্ডৰ বিৰুদ্ধে ব্ৰিটিছৰ ভূমিত তিনিখনীয়া শৃংখলা জয়লাভ কৰাৰ পাছত ভাৰতীয় ক্ৰিকেট দলে শেহতীয়া আইচিচি এদিনীয়া দলীয় ৰেংকিঙত তৃতীয় স্থান দখল কৰিছে। উল্লেখ্য যে শৃংখলা নিৰ্ণায়ক তৃতীয় মেচত ঋষভ পন্টৰ স্মৰণীয় প্ৰথম এদিনীয়া শতক আৰু হাৰ্দিক পাণ্ডিয়াৰ অলৰাউণ্ড বীৰত্বৰ ফলত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে পাঁচ উইকেটৰ চমকপ্ৰদ বিজয় অৰ্জন কৰে আৰু আলহী দলটোৱে ২-১ ৰ ব্যৱধানত তিনিখনীয়া শৃংখলা হস্তগত কৰিবলৈ সক্ষম হয়। এই সাফল্যৰ পাছত ১০৯ পইণ্ট ৰেটিঙেৰে ভাৰতে পাকিস্তান (১০৬) তকৈ তিনি ৰেটিং পইণ্টৰ অধিক লাভ কৰিছে। উল্লেখ্য যে উইকেটৰক্ষক বেটাৰ ঋষভ পন্টৰ অপৰাজিত ১২৫ ৰান আৰু হাৰ্দিক পাণ্ডিয়াৰ চমৎকাৰ অল ৰাউণ্ড প্ৰদৰ্শনে যোৱানিশা ওল্ড ট্ৰেফৰ্ডত অনুষ্ঠিত তৃতীয় তথা অন্তিম এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত টীম ইণ্ডিয়াক ইংলেণ্ডৰ বিৰুদ্ধে পাঁচ উইকেটৰ জয়লাভ কৰাৰ লগতে ২-১ৰ ব্যৱধানত শৃংখলা জয় সম্পূৰ্ণ কৰাত সহায় কৰে। এই মেচত চাৰিটা উইকেট দখল কৰা পাঁচজন খেলুৱৈৰ সন্মানীয় গ্ৰুপত প্ৰৱেশ কৰে পাণ্ডিয়াই। আইচিচি এদিনীয়া দলীয় ৰেংকিঙত ১২৮ ৰেটিং পইণ্টেৰে নিউজীলেণ্ডে শীৰ্ষস্থান দখল কৰি থকাৰ বিপৰীতে ইংলেণ্ডে ১২১ ৰেটিং পইণ্টেৰে দ্বিতীয় স্থানত আছে। কিন্তু অনাগত সপ্তাহত এই তালিকা পৰিৱৰ্তন হ'ব পাৰে কাৰণ বৰ্তমান পাকিস্তানৰ পিছত মাত্ৰ সাতটা ৰেটিং পইণ্টৰ পিছত ষষ্ঠ স্থানত থকা দক্ষিণ আফ্ৰিকাই ইংলেণ্ডৰ বিৰুদ্ধে আগন্তুক তিনিখন মেচৰ শৃংখলাটো দখল কৰিব পাৰিলে চতুৰ্থ স্থানলৈ উন্নীত হ'ব পাৰে। ইফালে, এই সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখন মেচৰ শৃংখলাত ভাৰতে জয়ৰ ধাৰাবাহিকতা ৰক্ষা কৰিলে নিজৰ অগ্ৰগতি আৰু অধিক বৃদ্ধি কৰিব পাৰিব। পাকিস্তানৰ পৰৱৰ্তী এদিনীয়া শৃংখলা অহা মাহত নেদাৰলেণ্ডৰ বিৰুদ্ধে ৰটাৰডেমত খেলিব। বাবৰ আজমৰ দলটোৱে পাঁচ দিনৰ ভিতৰত ৫০ অভাৰৰ তিনিখন মেচ খেলাৰ কথা আছে।

# এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা বেন ষ্ট'কছৰ অৱসৰ ঘোষণা

**লণ্ডন, ১৯ জুলাই ঃ** ইংলেণ্ড ক্ৰিকেট দলৰ সদস্য বেন ষ্ট'কছে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলৰ পৰা অৱসৰ ঘোষণা কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া শৃংখলাৰ প্ৰথমখন এদিনীয়া মেচৰ পিছতে ইংলেণ্ডৰ অলৰাউণ্ডাৰ বেন ষ্ট'কছে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেল ত্যাগ কৰিব বুলি দেশখনৰ ক্ৰিকেট ব'ৰ্ডে এক বিবৃতিত আজি প্ৰকাশ কৰিছে। ইফালে, এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ষ্ট'কছে কয় ' মঙলবাৰে এদিনীয়া ক্ৰিকেটত ইংলেণ্ডৰ হৈ অন্তিমখন খেল খেলিম। মই এই ফৰ্মেটৰ পৰা অৱসৰ লোৱাৰ সিদ্ধান্ত লৈছোঁ। ইংলেণ্ডৰ হৈ মোৰ সতীৰ্থসকলৰ সৈতে খেলপথাৰত অতিবাহিত কৰা প্ৰতিটো মিনিট মই উপভোগ কৰিব পাইছোঁ। কঠিন সময়ত প্ৰত্যাহ্বানৰ বাটত আমি এক অবিশ্বাস্য যাত্ৰা পাৰ কৰিছোঁ।' ৩১ বছৰীয়া ক্ৰিকেটাৰগৰাকীয়ে লগতে কয় যে এতিয়া মোৰ বাবে তিনিটা ফৰ্মেটত খেলাটো সহজ হৈ থকা নাই। উল্লেখ্য যে যোৱা আই চি চি বিশ্বকাপত ইংলেণ্ডক চেম্পিয়ন কৰোৱাত অলৰাউণ্ডাৰ বেন ষ্ট'কছৰ ভূমিকা আছিল অন্যতম।



# বৰালিমাৰীত ঈদ-উল-আজহাৰ স'তে সংগতি ৰাখি নৈশ কাবাদী প্ৰতিযোগিতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ১৯ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বৰালিমাৰী গাঁও পঞ্চায়তৰ অধীনস্থ সুঁতিৰপাৰ ঈদগাহ ময়দানৰ খেলপথাৰত ঈদ-উল-আজহা উপলক্ষে এক আকৰ্ষণীয় দিবা-নৈশ কাবাদী খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত খেল অনুষ্ঠানত সভাপতিৰ আসন গ্ৰহণ কৰে বিশিষ্ট সমাজকৰ্মী তথা বৰালিমাৰী আঞ্চলিক জাতীয় বিদ্যালয়ৰ সভাপতি জলিল উদ্দিন আহমেদে। খেল পৰিচালকৰ দায়িত্ব পালন কৰে বৰালিমাৰী মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক আব্দুৰ ৰহমান, সহঃ পৰিচালক হিচাপে দায়িত্ব পালন কৰে বৰালিমাৰী অঞ্চলৰ উদীয়মান যুৱক তথা লাহৰীঘাট শিক্ষা খণ্ডৰ গাণনিক আশ্বাদুল আলম, বৰালিমাৰী মজুলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক ছাজিদ আহমেদ মঞ্চত উপস্থিত থাকে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ভূৰাগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু বৰালিমাৰীৰ উদীয়মান যুৱক তথা যুৱ সমাজকৰ্মী ছাদ্দাম আফৰোজ চৌধুৰী। খেলখনত কেইবাটাও খেলুৱৈ দলে অংশগ্ৰহণ কৰে যদিও বৰালিমাৰী লুইত সংঘ আৰু যোৰবিল ছেভেন ষ্টাৰৰ মাজত ফাইনেল খেল অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত বিজয়ী হ'বলৈ সক্ষম হয় যোৰবিল ছেভেন ষ্টাৰ দলটো। শেষত বিজয়ী হোৱা দলটোৰ দলপতিৰ হাতত নগত ধন আৰু বিশেষ ট্ৰফী আগবঢ়ায় সভাপতি জলিল উদ্দিন আহমেদে। পৰাজয় হোৱা দলটোৰ দলপতিৰ হাতত নগত ধন আৰু বিশেষ ট্ৰফী আগবঢ়োৱা পৰিলক্ষিত হয়। ইফালে খেল পৰিচালনাত সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াই ভূৰাগাঁও আৰক্ষী চকীৰ বিষয়াসকলে।

# ডিব্ৰুগড়ত অসম যুৱ অলিম্পিকৰ শিখা প্ৰজ্বলন




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৯ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত আৰু অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত অহা ২২ জুলাইৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকৰ শিখা আজি ডিব্ৰুগড়ত প্ৰজ্বলন কৰা হয়। ডিব্ৰুগড় জিলাৰ পৰা যুৱ অলিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া খেলুৱৈসকল আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত এই অলিম্পিক শিখা আনুষ্ঠানিকভাৱে প্ৰজ্বলন কৰে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ প্ৰতিনিধি তথা অলিম্পিক শিখাৰ ডেপুটী চীফ দ্য মিছন মানৱজিৎ শইকীয়াৰ পৰা অলিম্পিক তৰ্চ গ্ৰহণ কৰি তথা শিখা প্ৰজ্বলন কৰি জিলা উপায়ুক্ত পেগুৱে অংশগ্ৰহণকাৰীসকলক প্ৰতিযোগিতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। লগতে ডিব্ৰুগড় জিলালৈ সুনাম কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি তথা অসম অলিম্পিক সন্থাৰ সদস্য ড° ভাস্কৰজ্যোতি গগৈ, সন্থাৰ উপ-সভাপতি মানসজ্যোতি দত্ত, কোষাধ্যক্ষ ইমদাদ আহমেদ, আন আন বিষয়বীয়াসকলৰ ক্ৰমে-প্ৰীতম দাস, প্ৰশান্ত দত্ত, বিদ্যুৎ বিকাশ দেউৰী, অঞ্জন বৰুৱাৰ উপৰিও ডিব্ৰুগড় জিলাৰ ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায় উপস্থিত আছিল। ইয়াৰ পিছতে শিখা প্ৰজ্বলন কৰি প্ৰতিযোগীসকলে জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ জালান আউটড'ৰ ষ্টেডিয়ামলৈ এক শোভাযাত্ৰা উলিয়ায়। জালান আউটড'ৰ ষ্টেডিয়ামত এই শোভাযাত্ৰাৰ আদৰণী জনায় ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰই। জালান আউটড'ৰ ষ্টেডিয়ামত আৰক্ষী অধীক্ষক মিশ্ৰই আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়ে প্ৰতিযোগীসকলক শুভেচ্ছা জ্ঞাপন কৰে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক নিৰঞ্জন শইকীয়াই জনাইছে যে ডিব্ৰুগড় জিলাৰ পৰা ৩০০ খেলুৱৈয়ে যুৱ অলিম্পিকত অংশগ্ৰহণ কৰিব। তেওঁ আশাবাদী যে খেলুৱৈসকলে জিলাখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। উল্লেখ্য যে তিনিচুকীয়াৰ পৰা অহা এই শিখা ডিব্ৰুগড় জিলাৰ পৰা চৰাইদেউ, নাজিৰা, শিৱসাগৰ, যোৰহাট হৈ গুৱাহাটীলৈ নিয়া হ'ব।

# নুৰুল আমিন প্ৰথম ডিভিজন ফুটবল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুলাই ঃ** নগাঁও নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নুৰুল আমিন প্ৰাইজমানী প্ৰথম ডিভিজন ফুটবল লীগৰ আজি অনুষ্ঠিত খেলত নগাঁও ৰাজস্থানী যুৱক সংঘই ৰেডিয়েল ক্লাবক ১-০ গ'লত পৰাস্ত কৰি লীগৰ পইন্ট অৰ্জন কৰে। বিৰতিৰ সময়লৈ গ'লশূন্যভাৱে সমাপ্ত হোৱা খেলখনৰ অন্তিম মিনিটত ৰাজস্থানীৰ হৈ জয়সূচক গ'লটো দিয়ে বিনন্দ খাটনিয়াৰে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বিজয়ী দলৰ চন্দ্ৰ বসুমতাৰীয়ে। ইয়াৰ আগতে কালি অনুষ্ঠিত হৈ যোৱা দুখন খেলৰ এখনত অম্লান গোষ্ঠীয়ে ত্ৰিনয়ন গোষ্ঠীক ২-১ আৰু আনখত উদয় সংঘই বঢ়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ২-১ গ'লত পৰাস্ত কৰি লীগৰ পইন্ট অৰ্জন কৰিছিল।

## মহাৰজত জয়ন্তী উপলক্ষে আগিয়াত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা

# তাৰাইবাৰী এফ চি ক্লাব ১ গ'লত বিজয়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ১৯ জুলাই ঃ** গোৱালপাৰা জিলাৰ আগিয়া যোগেন্দ্ৰ নাথ মেমোৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা চিনাৰাম ৰাভা আৰু পৰমেশ্বৰ সূত্ৰধৰ সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়। আজিৰ এই উদ্বোধনী অনুষ্ঠানত উদ্বোধনী ভাষণ তথা ফুটবল মাৰি গোৱালপাৰা জিলাৰ এপিটিএফৰ কমাণ্ডেণ্ট মৃণাল ডেকাই শুভ উদ্বোধন কৰে। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক ক্ৰমে দীপক নাথ আৰু সঞ্জীৱ দাসে জনায় যে এই অঞ্চলৰ বিভিন্ন গ্ৰামাঞ্চলৰ পৰা উদীয়মান খেলুৱৈসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এই প্ৰাইজমানী ফুটবল খেলখনৰ আয়োজন কৰা হৈছে। ইতিমধ্যে এই অঞ্চলৰ পৰা ২৬টা দলে খেলত অংশগ্ৰহণ কৰাৰ বিপৰীতে অহা ১৫ আগষ্টৰ ভিতৰতে চূড়ান্ত খেলখন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। আজিৰ এই উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা জিলাৰ বিভিন্ন দিশৰ বিশিষ্ট সমাজ কৰ্মীসকল উপস্থিত থকাৰ লগতে ৰাভা হাছং স্বায়ত্ত শাখিত পৰিষদৰ ১৫নং মুক্ত সমষ্টিৰ সদস্যা সূচিত্ৰা নাথ উপস্থিত থাকে। আনহাতে, উদ্বোধনী খেলত তাৰাইবাৰী এফ চি দলে ঘেঙামাৰী টাইগাৰ ক্লাব ফুটবল দলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

# শলগুৰিৰ ওমকাৰ নাট্যগোষ্ঠীৰ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাওঁ, ১৯ জুলাই ঃ** যোৱা ১৭ জুলাইত শ্ৰীশ্ৰী শলগুৰি সত্ৰ বৰনামঘৰত ওমকাৰ নাট্যগোষ্ঠীৰ উদ্যোগত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ৰাজহুৱা সভাত সভাপতিত্ব কৰে সত্ৰৰ ডেকা সত্ৰাধিকাৰ শশীন্দ্ৰ দেৱগোস্বামীয়ে। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ দুলাল দত্ত, বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি বসন্ত দত্ত, কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ কনচেং, সমাজকৰ্মী মোহন দত্ত। আদৰণী ভাষণ প্ৰদান কৰে ওমকাৰ নাট্যগোষ্ঠীৰ সভাপতি, শিক্ষক প্ৰণৱ গগৈয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি গোষ্ঠীৰ যুটীয়া সম্পাদক পনোজ কুমাৰ দত্তই অহা ২০২৩ বৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে আহিনী পথাৰ সমন্বয় ক্ষেত্ৰত সদৌ অসম ভিত্তিত এখনি ভাওনা প্ৰতিযোগিতা আয়োজন আৰু অঞ্চলটোলৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ বাবে সভাখন আয়োজন কৰা বুলি জনায়। শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ আৰু উচ্চ মাধ্যমিক পৰীক্ষাত ৰাজ্যৰ ভিতৰত দশম স্থান অধিকাৰ কৰা দেৱীস্তুতি হাজৰিকা ষষ্ঠ স্থান অধিকাৰ কৰা প্ৰাৰ্থনা দত্ত, নিউ লুক একাডেমীৰ পৰা ৰাজ্যৰ ভিতৰতে সপ্তম স্থান অধিকাৰ কৰা প্ৰিয়ানুজ বৰদলৈক সম্বৰ্ধনা জনোৱাৰ লগতে গোষ্ঠীয়ে বিগত বৰ্ষবিলাকৰ দৰে এইবাৰো ৭৫শতাংশ বেছি নম্বৰ পাই অঞ্চলটোলৈ সুনাম কঢ়িয়াই অনা প্ৰতিশ্ৰুতি দেৱী, আকাংক্ষা ভূঞা, বৰ্ণালী নাথ, আদিতি গগৈ, গাৰ্গী ভৰালী, প্ৰজ্ঞাৰাণী ভূঞা, দেৱপ্ৰতিম আৰান্ধৰা, জ্ঞানপ্ৰতিম হাজৰিকা, গীতাশ্ৰী হাজৰিকা, ঋষিৰাজ নাথক অভিনন্দন জনোৱা হয়। মৌচুমী সন্দিকৈ আৰু প্ৰজ্ঞাৰাণী ভূঞাই সুমধুৰ গীতেৰে জীপাল কৰা ৰাজহুৱা সভাখনত শলগুৰি যুৱ সংঘৰ সন্মানীয় সভাপতি ত্ৰিদীপ দত্ত, বিষয়ববীয়া দিগন্ত দত্ত, বালক অভ্যাসন বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বন্তি ৰাজখোৱা, বালিকা অভ্যাসন বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰেশ বৰা, শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বন্তি ভূঞা, বৰবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ নিৰু বৰুৱাকে প্ৰমুখ্য কৰি অঞ্চলটোৰ শতাধিক ব্যক্তিৰ উপস্থিতিত পহিলা জানুৱাৰীৰ পৰা আয়োজন কৰা সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ উদ্‌যাপন সমিতিখন বিমল নেওগক সভাপতি, প্ৰণৱ গগৈক কাৰ্যকৰী সভাপতি, পনোজ কুমাৰ দত্ত আৰু পংকজ হাজাৰিকাক যুটীয়া সম্পাদক হিচাপেলৈ গঠন কৰা হয়। ওমকাৰ নাট্যগোষ্ঠীৰ হৈ উপস্থিত থাকে যুটীয়া সম্পাদক পংকজ হাজৰিকা, প্ৰণৱ গগৈ, নয়নমণি গগৈ, পৰাগ নাথ, বিজিত দত্ত, সুৰজ গগৈ, অভিজিত বৰুৱা, কল্যাণ নাথ, লক্ষ্যজ্যোতি ভূঞা, বিৰাজ কুমাৰ ভূঞা আদি।

# দুয়োখন ভৰি ভগাৰ পিছতো খুমটাইৰ অনিমেষে গঢ়িলে ৬টাকৈ আন্তঃৰাষ্ট্ৰীয় ৰেকৰ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ১৯ জুলাই ঃ** দুৰ্ঘটনাত পতিত হৈ দুয়োখন ভৰি আৰু ৰাজহাড় ভাগি যোৱাৰ পিছতো মানসিকভাৱে অতি শক্তিশালী এগৰাকী যুৱকে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৬টাকৈ ৰেকৰ্ড গঢ়ি চমকপ্ৰদ সাফল্য প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। গোলাঘাট জিলাৰ খুমটাই বেতিয়নী কাকতি গাঁৱৰ অনিমেষ বৰুৱা নামৰ প্ৰতিভাৱান যুৱকগৰাকীয়ে ঘৰৰ বাৰীত এজোপা ওখ গছৰ ডাল কাটি থকা অৱস্থাত আকস্মিকভাৱে পিছলি পৰি গুৰুতৰভাৱে আহত হৈ তিনি মাহ ধৰি শয্যাগত হৈ আছিল। কিন্তু শয্যাগত অৱস্থাতেই যুৱকজনে গঢ়িলে ৬টাকৈ ৰেকৰ্ড। খুমটাইৰ বেতিয়নী কাকতি গাঁৱৰ অনিমেষে এক মিনিটত ৫৬বাৰ বুঢ়া আঙুলিটো ফুটাব পাৰে। তদুপৰি এশৰ পৰা একলৈ ওলোটাকৈ সংখ্যাসমূহ ২৬.৮৯ ছেকেণ্ডত গাই শেষ কৰাৰ লগতে বিভিন্ন প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। বিশেষ এই দুটা বিষয় চৰ্চা কৰিছিল শয্যাগত কালছোৱাত। যাৰ বাবে যুৱকজনে India Book Of Records, International Book of Records, Asia Book of Records, America Book of Records, Worldwide Book of Records আৰু Bravo International Book of World Records কে ধৰি বিশ্বৰ ছটা গুৰুত্বপূৰ্ণ ৰেকৰ্ড গঢ়ি এতিয়া সকলোৰে বাবে হৈ পৰিছে আদৰ্শ স্বৰূপ। মৃত্যুৰ দুৱাৰৰ পৰা উভতি অহা অনিমেষে এনেদৰে ৰেকৰ্ড গঢ়িবলৈ সক্ষম হোৱাত পিতৃ-মাতৃৰ লগতে অঞ্চলবাসী আনন্দিত হৈ পৰিছে।



# গৱেষণা সঁজুলি সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত যোৱা ১৭ জুলাই তাৰিখে গৱেষণা সঁজুলি সম্পৰ্কীয় এখনি এদিনীয়া কৰ্মশালা সম্পন্ন হয়। পুৱা ১০.৩০ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানটোৰ উদ্বোধন কৰে বিভাগটোৰ মুৰব্বী ড° ত্ৰিৱেণী শইকীয়াই। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে অংশ লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপিকা ড° মানসী গগৈয়ে গৱেষণা কৰ্মৰ বাবে গ্ৰহণ কৰিবলগা বিভিন্ন সঁজুলি যেনে লিকাৰ্টচ স্কেল, ইন্টাৰভিউ, কুৱেশ্বনিয়াৰ আদিৰ বিষয়ে এক মননশীল বক্তব্য দাঙি ধৰে। প্ৰায় ৭০ গৰাকী শিক্ষাৰ্থী উপস্থিত থকা অনুষ্ঠানত বিভাগটোৰ কেউজন অধ্যাপক, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। বিভাগৰ অধ্যাপিকা পূৰবী কলিতাই আঁত ধৰা এই অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় বিভাগৰ অধ্যাপক গৌৰৱপ্ৰতিম হাজৰিকাই।

# যোগীঘোপাৰ ৰত্নেশ্বৰ দাসৰ মিষ্টাৰ আইক'ণিক ফেচ অৱ নৰ্থ-ইষ্ট-২০২২ৰ খিতাপ দখল

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ১৯ জুলাই ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা চলন্তাপাৰাৰ এজন যুৱকে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত বেষ্ট টেলেন্ট মিষ্টাৰ আইক'ণিক ফেচ খিতাপ দখল কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিলে। যুৱকজন চলন্তাপাৰা দ্বিতীয় খণ্ড গাঁৱৰ বাসিন্দা ৰাজু দাস আৰু ৰীতা দাসৰ ২০ বছৰীয়া পুত্ৰ ৰত্নেশ্বৰ দাস ওৰফে ৰাহুল কাশ্যপ। আকৃতি ইভেন্টছ প্ৰাইভেট লিমিটেডে আয়োজন কৰা গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতিষ আই টি এত যোৱা ১৫ জুলাইত আইক'ণিক ফেচ অৱ নৰ্থ-ইষ্ট-২০২২ (চতুৰ্থ বৰ্ষ) অনুষ্ঠানত অংশগ্ৰহণ কৰে ৰত্নেশ্বৰ দাসে। অনুষ্ঠানটোত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰা বিভিন্ন বিষয়ৰ ভিতৰত ৰত্নেশ্বৰ দাসে মিষ্টাৰ আইক'ণিক ফেচ অৱ নৰ্থ-ইষ্টৰ বেষ্ট টেলেন্টৰ খিতাপ অৰ্জন কৰে। যুৱকজনে অঞ্চলটোলৈ সুনাম কঢ়িয়াই অনাত উৎফুল্ল হৈ পৰে গাঁওবাসীয়ে। গোৱালপাৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ ৰত্নেশ্বৰ দাসৰ নৃত্যতো আছে ভাল প্ৰতিভা। ৰাজ্যৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত তেওঁ নৃত্য প্ৰদৰ্শন কৰি বহুকেইটা পুৰস্কাৰ লাভ কৰে। মডেলিং আৰু নৃত্যত নিজকে প্ৰতিষ্ঠিত কৰিব খোজা ৰত্নেশ্বৰ দাসে বৰ্তমান নিজৰ পঢ়া-শুনাৰ লগতে বিভিন্ন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক নৃত্যৰ প্ৰশিক্ষণ দি আহিছে।



## বানপানীজনিত সমস্যা আৰু গ্ৰীষ্ম বন্ধৰ মাজতো পাঠদান ৰহাৰ শিক্ষানুষ্ঠানত

# পাঠদান আৰু পৰীক্ষা বাতিলৰ নিৰ্দেশ বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৯ জুলাই ঃ** বানপানীজনিত সমস্যাৰ লগতে উৎকট গৰমকো আওকাণ কৰি ৰহাৰ কে'বাখনো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত পাঠদানৰ লগতে কেইখনমানত পৰীক্ষাও অনুষ্ঠিত কৰি থকাৰ পিছত কালি বিভাগৰ জৰিয়তে উক্ত বিদ্যালয়কেইখনত পাঠদান আৰু পৰীক্ষা বাতিল কৰাৰ বাবে নিৰ্দেশনা দিয়া হয়। বানপানীৰ পিছৰ অস্বাস্থ্যকৰ পৰিৱেশৰ লগতে উদ্ভৱ হোৱা বিভিন্ন বেমাৰ তথা স্বাস্থ্যজনিত সমস্যা, উৎকট গৰম আৰু লগতে গ্ৰীষ্ম বন্ধৰ সময়তো ৰহাৰ প্ৰাঞ্জল মেম'ৰিয়েল একাডেমী, সুকল্প মেম'ৰিয়েল কনিষ্ঠ মহাবিদ্যালয়, ৰিজনেন্স কনিষ্ঠ মহাবিদ্যালয়, ৰহা শংকৰদেৱ শিশু বিদ্যা নিকেতন আৰু ৰহা আদৰ্শ শিশু বিকাশ কেন্দ্ৰত পাঠদান চলি থকাৰ ওপৰিও দুখনমানত কণ কণ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা অনুষ্ঠিত কৰাটো দৃষ্টি গোচৰ হৈ ৰহা আঞ্চলিক ছাত্ৰ সন্থাই কালি বিষয়টো সন্দৰ্ভত ৰহা ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক-পত্ৰৰ জৰিয়তে অৱগত কৰে। ইয়াৰ পিছত ৰহা চক্ৰ বিষয়াই বিষয়টো জিলা উপায়ুক্ত কাৰ্যালয়লৈ প্ৰেৰণ কৰে আৰু ইয়াৰ পিছতে অতিৰিক্ত উপায়ুক্ত (শিক্ষা বিভাগ)ৰ পৰামৰ্শমৰ্মে আজি নগাঁও জিলাৰ বিদ্যালয় পৰিদৰ্শকে উক্ত বিদ্যালয়সমূহত পাঠদান আৰু পৰীক্ষা বাতিল কৰাৰ নিৰ্দেশনা জাৰি কৰে।

# দবা অলিম্পিয়াডলৈ অসমৰ দুই আৰবিটাৰ অৰুণ সিং, মণিমালা সিন্‌হা আমন্ত্ৰিত

## মৰিগাঁও দবা সন্থাৰ অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা ভূৰাগাঁও, ১৯ জুলাই ঃ** অনুষ্ঠিত হ'ব লগা ৪৪ সংখ্যক দবা অলিম্পিয়াডলৈ অসমৰ দুই আৰবিটাৰ এম অৰুণ সিং আৰু মণিমালা সিন্‌হাক বিচাৰক হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। বিশ্বৰ সৰ্ববৃহৎ দবা প্ৰতিযোগিতাখনলৈ অসমৰ আৰবিটাৰ দুগৰাকীক আমন্ত্ৰণ জনোৱা খবৰত উৎফুল্ল অসম দবা সন্থাৰ মৰিগাঁও জিলা সমিতি। জিলা সমিতিৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা আৰু সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাই বিশ্ব দবা সন্থাই অলিম্পিয়াডলৈ অসমৰ আৰবিটাৰ দুগৰাকীক প্ৰতিযোগিতাৰ বিচাৰক হিচাপে নিৰ্বাচন কৰাটো অসমৰ বাবে এটা নিশ্চয়কৈ সুখবৰ বুলি উল্লেখ কৰি বিশ্ব দবা সন্থাক ধন্যাবাদ জ্ঞাপন কৰাৰ লগতে আৰবিটাৰ অৰুণ সিং আৰু মণিমালা সিন্‌হাক অভিনন্দন জনাইছে। উল্লেখ্য যে ২৮ জুলাইৰ পৰা ১০ আগষ্টলৈ চেন্নাইত অনুষ্ঠিত হ'ব উক্ত দবা অলিম্পিয়াড। এই বৃহৎ দব প্ৰতিযোগিতাখনত ১৮৯খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।






শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্চ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি